

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

দ্বাদশ বছৰ ■ সংখ্যা ৩৪৮ ■ গুৱাহাটী ■ বুধবাৰ, ২৭ জুলাই, ২০২২, ১০ শাওণ, ১৯৪৪ শক    RNP/GH/248/2114-2017    গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 348 Dainandin Barta ■ Guwahati, Wednesday ■ 27 July, 2022    ■ RNI REGD. NO. ASSASS/2010/39449    Total Pages =12 ■ Rs. 10.00 Only





### নেচনেল হেৰাল্ড গোচৰত পুনৰ ছোনিয়া গান্ধীক সোধা-পোছা এনফৰ্চমেণ্ট ডিৰেক্টৰেটৰ

## ৬ ঘণ্টা ধৰি প্ৰশ্নবাণ

### প্ৰতিবাদ কৰোতে ৰাহুল গান্ধীসহ বহু নেতাক আটক

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৬ জুলাই ঃ** নেচনেল হেৰাল্ড গোচৰত আজি পুনৰ ছোনিয়া গান্ধীক সোধা-পোছা কৰে ■ ৮ পৃষ্ঠাত

*ছোনিয়া গান্ধীক সোধা-পোছা এনফৰ্চমেণ্ট ডিৰেক্টৰেটৰৰ আৰু অসমত প্ৰদেশ কংগ্ৰেছৰ সত্যাগ্ৰহ, মঙলবাৰে*



## নতুন ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুলৈ বহিঃনেতাৰো অভিনন্দন

■ পুটিনৰ পিছত চীনৰ ৰাষ্ট্ৰপতিয়েও অভিনন্দন জনালে ভাৰতৰ নতুন ৰাষ্ট্ৰপতি মুৰ্মুক ■ ভাৰতৰ শত্ৰু দেশ হ'লেও দেশখনৰ নতুন ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক অভিনন্দন জনালে চীনৰ ৰাষ্ট্ৰপতিয়ে ■ চীনৰ ৰাষ্ট্ৰপতি জি জিনপিঙৰো ভাৰতৰ নতুন ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুলৈ অভিনন্দন বাৰ্তা প্ৰেৰণ

### মঙলবাৰে পুৱাই ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক অভিনন্দন জনালে প্ৰধানমন্ত্ৰী মোদীয়ে



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৬ জুলাই ঃ** দ্ৰৌপদী মুৰ্মুৱে ভাৰতৰ নতুন ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ কৰাৰ পিছতে অভিনন্দন জনাই এক গুৰুত্বপূৰ্ণ বাৰ্তা প্ৰেৰণ কৰে চীনা ৰাষ্ট্ৰপতিগৰাকীয়ে। তেওঁ বাৰ্তাটোত কয়, 'দুয়োখন দেশৰ মাজত পাৰস্পৰিক ৰাজনৈতিক বিশ্বাস গঢ়ি তোলা, প্ৰত্যক্ষ সহযোগিতা সৃষ্টি আৰু মতভেদ হ্ৰাস কৰাৰ বাবে মই ভাৰতৰ ৰাষ্ট্ৰপতিৰ সৈতে সন্মিলিতভাৱে পদক্ষেপ ল'বলৈ সাজু।' চীনৰ ৰাষ্ট্ৰপতি জি জিনপিঙে লগতে কয়— 'ভাৰত আৰু চীন দুখন গুৰুত্বপূৰ্ণ দেশ। এই অঞ্চলৰ লগতে বিশ্বত শান্তি, উন্নয়ন আৰু স্থিৰতা বজাই ৰখাত দুয়োখন দেশৰ ভূমিকা অপৰিসীম। এই দুয়োখন দেশৰ উন্নয়নৰ সৈতে তেওঁলোকৰ ■ ৮ পৃষ্ঠাত

## চেলেং চাহ বাগিচাৰ কাৰখানাত কৰ্মৰত শিশু শ্ৰমিক আঘাতপ্ৰাপ্ত

### প্ৰাথমিক চিকিৎসা কৰাই দায় সাৰিব বিচাৰিছে বাগান কৰ্তৃপক্ষই

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ২৬ জুলাই ঃ** যোৰহাট জিলাৰ মৰিয়নি বিধানসভা সমষ্টিৰ অন্তৰ্গত চেলেং চাহ বাগিচাৰ ফেক্টৰীত কৰ্মৰত এজন শিশু শ্ৰমিক ষ্টীম পাইপ ফাটি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱাৰ বাতৰি পোৱা গৈছে। চেলেং চাহ বাগিচাৰ ৪ নম্বৰ লাইন নিবাসী নীলকণ্ঠ পাত্ৰৰ পুত্ৰ মদন পাত্ৰ ফেক্টৰীত কাম কৰি থকা অৱস্থাত ষ্টীম গেছ পাইপৰ বিস্ফোৰণত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত কিশোৰজন। আঘাতপ্ৰাপ্ত কিশোৰজনক প্ৰথমে আমগুৰিলৈ নিয়াৰ পাছত যোৰহাট চিকিৎসা মহাবিদ্যালয় ■ ৮ পৃষ্ঠাত

## গাহৰিয়ে লগ এৰাই নাই শিৱসাগৰক

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি ২৬ জুলাই ঃ** ৰাজ্যৰ বহুকেইখন জিলাত আফ্ৰিকান ছোৱাইন ফিভাৰে সংহাৰী ৰূপ ধাৰণ কৰাৰ সময়তে শিৱসাগৰ জিলা প্ৰশাসনে জিলাখনত ১৪৪ ধাৰা প্ৰয়োগ কৰি ৰখাৰ সময়তে আমগুৰি-হালোৱাটিঙত বহিঃৰাজ্যৰ গাহৰিৰ মুকলি সৰবৰাহ হোৱাৰ অভিযোগ উত্থাপিত হৈছে। জিলাখনত ১৪৪ ধাৰা প্ৰয়োগ কৰি ৰখাৰ সময়তে প্ৰশাসনৰ চকুত ধূলি দি আমগুৰিত বহিঃৰাজ্যৰ গাহৰিৰ এক ছিণ্ডিকেট চক্ৰই অবাধ হাৰত গাহৰিৰ মুক্ত ব্যৱসায় চলাই যোৱাৰ অভিযোগ উত্থাপন কৰিছে। উল্লেখ্য যে শিৱসাগৰ জিলা প্ৰশাসনে জিলাখনত ১৪৪ ধাৰা প্ৰয়োগ কৰি গাহৰিৰ মাংস বিক্ৰীৰ লগতে জিলাখনৰ মাজেৰে গাহৰি সৰবৰাহ বন্ধ আৰু গাহৰিৰ দানা বিক্ৰীত নিষেধাজ্ঞা জাৰি কৰি ৰাখিছে। এনে অৱস্থাত আমগুৰি আৰু হালোৱাটিঙৰ মাজেদি পাৰ হৈ ■ ৮ পৃষ্ঠাত

### চুইছ বেংকত জমা কৰা ভাৰতীয় নাগৰিক আৰু কোম্পানীৰ ধনৰ কোনো তথ্য নাই

এতিয়া

# চুইছ বেংক যেন সাঁথৰ

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী এন সীতাৰমণ







**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৬ জুলাই ঃ** কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কয় যে ছুইজাৰলেণ্ডৰ বেংকত ভাৰতীয় লোকে জমা কৰা ধনৰ কোনো তথ্য চৰকাৰৰ হাতত নাই। মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে চুইছ বেংক কৰ্তৃপক্ষই জনাইছে যে চুইজাৰলেণ্ডত ভাৰতৰ লোকে ৰখা জমাৰ বিশ্লেষণৰ বাবে চুইছ নেচনেল বেংকৰ (এছএনবি) বাৰ্ষিক বেংকিং পৰিসংখ্যা ব্যৱহাৰ কৰিব পৰা নাযাব। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কয় যে চুইছ বেংকত ভাৰতীয় নাগৰিক আৰু কোম্পানীসমূহে জমা কৰা ধনৰ পৰিমাণৰ কোনো আনুষ্ঠানিক হিচাব নাই। অৱশ্যে, তেওঁ কয় যে শেহতীয়া কিছুমান সংবাদ মাধ্যমৰ প্ৰতিবেদনত কোৱা হৈছে যে ভাৰতীয়সকলে বিশাল মাত্ৰাত ধন চুইছ বেংকত জমা কৰিছে। ২০২০ চনৰ তুলনাত ২০২১ চনত চুইছ বেংকত ভাৰতীয়ৰ জমা ধনৰ পৰিমাণ বৃদ্ধি পাইছে। তেওঁ কয় যে চৰকাৰে বিদেশত জমা কৰা ভাৰতীয়ৰ ধনৰ বিষয়টোক লৈ সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ কয় যে এই জমা ধনে চুইজাৰলেণ্ডত থকা ভাৰতীয়ৰ ক'লা ধনৰ পৰিমাণ সূচিত নকৰে। ■ ৮ পৃষ্ঠাত

## কাৰ্গিল বিজয় দিৱস উদ্‌যাপন

### শ্বহীদ জিণ্টু গগৈৰ পিতৃ ঠগিৰাম গগৈৰ জীৱনপঞ্জীৰ আধাৰত অভিনন্দন গ্ৰন্থ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, খুমটাই, ২৬ জুলাই ঃ** সমগ্ৰ দেশৰ লগতে গোলাঘাট জিলাৰ খুমটাইৰ বীৰ শ্বহীদ কেপ্টেইন জিণ্টু গগৈৰ সমাধি ক্ষেত্ৰত আজি ২০সংখ্যক কাৰ্গিল বিজয় দিৱস উদ্‌যাপন কৰা হয়। জাছিংফা লেখিকা সমাৰোহ সমিতি আৰু স্বেচ্ছাসেৱী অনুষ্ঠান সচেতকৰ উদ্যোগত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। পুৱা ৯ বজাত গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই ■ ৮ পৃষ্ঠাত

■ স্কুটী বিচাৰি নলবাৰীত মেধাৱী ছাত্ৰীৰ প্ৰতিবাদ

■ নলবাৰীত 'প্ৰজ্ঞান ভাৰতী বঁটা' বিচাৰি উত্তাল প্ৰতিবাদ

## 'মামা আমাক স্কুটী লাগিবই'

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ২৬ জুলাই ঃ** আজি নলবাৰীত ২০২০-২১ বৰ্ষৰ ছাত্ৰীসকলে প্ৰঞ্জান ভাৰতী বঁটাৰ অধীনত স্কুটী বিচাৰি প্ৰতিবাদ সাব্যস্ত কৰে। নলবাৰী মহেন্দ্ৰ নাৰায়ণ চৌধুৰী মহাবিদ্যালয়ৰ সন্মুখত ২০২০-২১ বৰ্ষত উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ স্কুটীবঞ্চিত ছাত্ৰীসকলে স্কুটী বিচাৰি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য, ২০২০-২১ বৰ্ষত ক'ভিডকালীন পৰিস্থিতিৰ বাবে ৰাজ্যখনত অনুষ্ঠিত নহ'ল হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষা। যাৰ বিনিময়ত সেই বৰ্ষৰ উত্তীৰ্ণ কোনেও নাপালে চৰকাৰী বঁটা। সেয়েহে স্কুটীবঞ্চিত ছাত্ৰীসকলে চৰকাৰে ২০২০-২১ বৰ্ষত উত্তীৰ্ণ ছাত্ৰীসকলক বঞ্চিত কৰাৰ অভিযোগ তুলি 'আমাৰ প্ৰাপ্য আমাক প্ৰদান কৰক', 'প্ৰঞ্জান ভাৰতী বঁটা আমাক লাগিবই'। আমাক মেধাৰ মূল্য দিয়ক, স্কুটীৰ পৰা আমাক বঞ্চিত নকৰিব আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে।



## ৰাষ্ট্ৰপতি মুৰ্মুলৈ বিৰোধীৰ বিস্ফোৰক-পত্ৰ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৬ জুলাই ঃ** বিৰোধীৰ পৰা এখন বিস্ফোৰক পত্ৰ লাভ কৰিছে দেশৰ নতুন ৰাষ্ট্ৰপতিয়ে। বিজেপিয়ে ক্ষুদ্ৰ স্বাৰ্থ পূৰণৰ বাবে আৰু বিৰোধীৰ বিৰুদ্ধে প্ৰতিশোধ লোৱাৰ বাবেই কেন্দ্ৰীয় তদন্তকাৰী সংস্থাসমূহক ব্যৱহাৰ কৰি অহা বুলি আজি বিৰোধী দলৰ সাংসদ একাংশই মুকলিকৈয়ে অভিযোগ কৰে। ৰাষ্ট্ৰপতি মুৰ্মুলৈ লিখা এখন পত্ৰত যেন বিৰোধী সাংসদসকলে ক্ষোভৰ বিস্ফোৰণ ঘটায়। বিৰোধী সাংসদসকলে ৰাষ্ট্ৰপতি মুৰ্মুলৈ লিখা পত্ৰখনত স্পষ্টভাৱে এই কথা প্ৰকাশ কৰে যে বিজেপিয়ে কেন্দ্ৰীয় সংস্থাসমূহক নিজৰ মতে ব্যৱহাৰ কৰি গৈছে। বিৰোধী সাংসদসকলে মূল্যবৃদ্ধি আৰু জিএছটি বৃদ্ধিৰ বিষয়তো চৰকাৰক উভতি ধৰে। পত্ৰখনত কোৱা হৈছে ■ ৮ পৃষ্ঠাত

### আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অসম যুৱ অলিম্পিক-২০২২ৰ সামৰণী অনুষ্ঠান

## পদকৰ শীৰ্ষত গুৱাহাটী

**গুৱাহাটী, ২৬ জুলাই ঃ** সম্প্ৰতি সফলতাৰে চলিত অসম যুৱ অলিম্পিক, ২০২২ৰ সামৰণী অনুষ্ঠান কাইলৈ অৰ্থাৎ ২৭ জুলাই তাৰিখে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত অসমৰ মুখ্যমন্ত্ৰী ■ ৮ পৃষ্ঠাত



অংশগ্ৰহণ কৰিব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰীদ্বয় সৰ্বানন্দ সোণোৱাল আৰু অনুৰাগ সিং ঠাকুৰ



প্লাষ্টিকৰ বিৰুদ্ধে কঠোৰ নগাঁও প্ৰশাসন

## ২ কোটিৰো অধিক মূল্যৰ পলিথিন জব্দ

### ৰতন মালাকাৰৰ তিনিটা গুদাম ছীল কৰিলে প্ৰশাসনে

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৬ জুলাই ঃ** পলিথিনৰ ব্যৱহাৰ নিষিদ্ধ কৰাৰ পিছতো একাংশ অসাধু ব্যৱসায়ীয়ে নগাঁৱত গোপনে এই বেহা চলাই আছে। আজি নগাঁও জিলা প্ৰশাসন আৰু নগাঁও পৌৰ সভাই যুটীয়াভাৱে নগৰখনৰ হয়বৰগাঁও বজাৰত অভিযান চলাই তিনিটাকৈ ■ ৮ পৃষ্ঠাত





*কাৰ্গিল বিজয় দিৱসত বীৰক শ্ৰদ্ধা মন্ত্ৰী পীযূষ হাজৰিকাৰ*

টেংকেৰালাংছ'ত বিদ্যুৎ আঁচনি মুকলি ১০০ মেগাৱাট শক্তিসম্পন্ন কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্প

## কাৰ্বি লাংপি প্ৰকল্পৰ ১০-১২ মেগাৱাট দাবী বিধায়ক ৰূপছিঙৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৈঠালাংছ', ২৬ জুলাই ঃ** পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙৰ ১নং দোৱাৰ-আমলা পৰিষদীয় সমষ্টিৰ অন্তৰ্গত টেংকেৰালাংছ'ত প্ৰথমবাৰৰ বাবে বৈদ্যুতিকৰণৰ কাম সম্পন্ন কৰে বিদ্যুৎ বিভাগে। পশ্চিম কাৰ্বি আংলং জিলাৰ অন্যতম পাহাৰীয়া দুৰ্গম অঞ্চলৰূপে খ্যাত টেংকেৰালাংছ'ত স্বাধীনতাৰ পিছৰে পৰাই স্থানীয় ৰাইজে শক্তিশালী ৰূপত বিদ্যুতৰ সুবিধা লাভ কৰিবলৈ সক্ষম হোৱা নাছিল। তাৰ পৰিৱৰ্তে চৰকাৰীভাৱে বিনামূলীয়াকৈ প্ৰদান কৰা সৌৰচালিত শক্তিৰে নিজৰ দৈনন্দিন ন্যূনতম প্ৰয়োজনীয় কাম-কাজসমূহ পৰিচালনা কৰিবলৈ বাধ্য হৈছিল স্থানীয় ৰাইজে। আনহাতে, যোৱা ১৬ বছৰৰ আগতে শুভ উদ্বোধন কৰা তথা টেংকেৰালাংছ' অঞ্চলৰ পৰা মাত্ৰ ২৫ কিলোমিটাৰ নিলগত কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পটি থকাৰ পিছতো এই অঞ্চলৰ ৰাইজে বিদ্যুৎ সংযোগ লাভ নকৰাটো এক লজ্জাজনক বিষয় হিচাপে পৰিগণিত হৈ আহিছিল। শেহতীয়াকৈ, ভাৰত চৰকাৰৰ অধীনৰ দীনদয়াল উপাধ্যায় গ্ৰামজ্যোতি যোজনা (নতুন) আঁচনিৰ ■ ৮ পৃষ্ঠাত

## নগাঁৱত জাপানীজ এনকেফেলাইটিছত পুনৰ মৃত্যু ১

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৬ জুলাই ঃ** নগাঁও জিলাৰ ননৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক, বিশিষ্ট সমাজ সেৱক, সাংস্কৃতিক কৰ্মী, বাঁওপন্থী ৰাজনীতিৰ একনিষ্ঠ সমৰ্থক ননৈ খাটৰগাঁও নিবাসী প্ৰফুল্ল চন্দ্ৰ বৰাৰ ■ ৮ পৃষ্ঠাত

## বিতৰ্কৰ মাজতে লাভলীনাৰ প্ৰশিক্ষকে লাভ কৰিলে কমনৱেলথ গেমছৰ বিশেষ স্বীকৃতি

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৬ জুলাই ঃ** টকিঅ' অলিম্পিকত বক্সিঙত ব্ৰঞ্জৰ পদক অৰ্জন কৰা অসমৰ অলিম্পিক পদক বিজয়ী লাভলীনাই কমনৱেলথ গেমছৰ পূৰ্বে মানসিক নিৰ্যাতনৰ সন্মুখীন হোৱা বুলি কৰা অভিযোগে দেশৰ ক্ৰীড়া মহলত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰি আছে। এনে প্ৰতিক্ৰিয়াৰ মাজতে ২০২২ চনৰ ২৮ জুলাইৰ পৰা বাৰ্মিংহামত অনুষ্ঠিত হ'বলগীয়া কমনৱেলথ গেমছত লাভলীনাৰ প্ৰশিক্ষকে বিশেষ স্বীকৃতি লাভ কৰিবলৈ সক্ষম ■ ৮ পৃষ্ঠাত





*'হৰ ঘৰ ত্ৰিৰংগা' অভিযান উপলক্ষে গুৱাহাটীত পতাকা পোৱা কেন্দ্ৰ*

## আসাম বিলাসিনীৰ সন্ধান...

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ২৬ জুলাই ঃ** খ্ৰীষ্টান মিছনেৰীক প্ৰত্যাহ্বান জনাই উনবিংশ শতিকাতে মাজুলীৰ আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীয়ে 'আসাম বিলাসিনী' প্ৰকাশ কৰিছিল। 'আসাম তৰা' আৰু 'আসাম দীপিকা' নামৰ আন দুখন কাকতো শ্ৰীধৰ ওজাৰ সম্পাদনাত সত্ৰৰ পৰা সত্ৰাধিকাৰগৰাকীয়ে প্ৰকাশ কৰিছিল। সমান্তৰালভাৱে দুজনা গুৰুৰ সৃষ্টিৰাজি সত্ৰৰ প্ৰেছ 'ধৰ্মপ্ৰকাশ যন্ত্ৰ'ৰ পৰা প্ৰকাশ কৰি ইতিহাস সৃষ্টি কৰিছিল। ১৮৭১ চনৰ পৰা ১৮৮৩ চনলৈকে আসাম বিলাসিনী প্ৰকাশ পোৱাৰ পাছত সত্ৰখন খহনীয়াত স্থানান্তৰিত হোৱাত আসাম বিলাসিনীৰ প্ৰকাশ বন্ধ হয়। মাজুলীৰ সত্ৰৰ ছপা যন্ত্ৰটিও বিক্ৰী কৰিবলৈ বাধ্য হয় সত্ৰ। যোৰহাটৰ ভট্টাচাৰ্য পৰিয়ালে ক্ৰয় কৰা সেই যন্ত্ৰ যোৰহাটত ■ ৮ পৃষ্ঠাত

প্ৰকাশ হ'ব দত্তদেৱৰ অন্যান্য সৃষ্টিৰাজিও ঃ তথ্য বিচাৰি ৰাইজলৈ আহ্বান আউনীআটী সত্ৰৰ

### বিহালীৰ বেদেতীত সুৰা বিপণী স্থাপনৰ বিৰুদ্ধে ৰাজহুৱা সভা

# ৰাইজৰ তীব্ৰ প্ৰতিবাদ, বিভাগীয়ভাৱে বিপণীৰ বাবে মাটি জোখ-মাখ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ২৬ জুলাই ঃ** বিহালীৰ বেদেতীত সুৰা বিপণী স্থাপনৰ বিৰোধিতাৰে বেদেতীত দ্বিতীয়খন ৰাজহুৱা সভা। বেদেতীৰ ক্ৰীড়া আৰু সাংস্কৃতিক অনুষ্ঠান উদ্দীপ্ত চ'ৰাৰ আহ্বানমৰ্মে, আজি বেদেতীৰ অমিয় ভৱনত



দ্বিতীয়খন ৰাজহুৱা সভা অনুষ্ঠিত হয়। এই সভাৰ আঁত ধৰে চ'ৰাৰ প্ৰাক্তন সভাপতি দীপক শৰ্মাই। সভাখন মূলতঃ বেদেতীত দীপিকা 'ডেকা' উপাধিধাৰী এগৰাকী মহিলাই স্থাপন কৰিব খোজা এখন সুৰা বিপণীৰ বিৰুদ্ধে অনুষ্ঠিত হয়। এই সভাত বক্তব্য ৰাখে সমাজকৰ্মী ধৰণী দুৰৱা 'বিহালী আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতি তপন গৌতম, শিল্পী পেঞ্চনাৰ প্ৰতীমাপাগে বৰুৱা বটাপুখুৰিৰ বিনুদ ঘনাল 'মহিলা সমিতিৰ হৈ নাচবৰ কলাকৃষ্টি বিকাশ কেন্দ্ৰৰ প্ৰাক্তন সভানেত্ৰী তৰুলতা শৰ্মা, বৰালিমৰা গাঁও উন্নয়ন সমিতিৰ সভাপতি সুবেন বৰা, পুলু বৰুৱা আদিয়ে। ইয়াৰ পিছতে বিশ্বনাথ প্ৰশাসনৰ অতিৰিক্ত উপায়ুক্ত বিশ্বজিৎ শইকীয়া আৰু বিশ্বনাথ আবকাৰীৰ উপ-অধীক্ষক দীপেন বৰা আৰু দুৰ্গাকান্তি মণ্ডল উপস্থিত হৈ কাষতে থকা শিক্ষানুষ্ঠান, পূজা মণ্ডপ আৰু ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা বিপণী স্থাপনৰ ঠাই জোখ-মাখ কৰে। ৰাইজৰ দাবী— চৰকাৰে বিভিন্ন কল-কাৰখানাৰ অনুমতি-পত্ৰ প্ৰদান কৰক, সুৰাৰ বিপণীৰ নহয়। অঞ্চলটোৰ বহু নৱ-প্ৰজন্মক বিপথে যোৱা আৰু বিভিন্ন অসামাজিক কাৰ্যকলাপ সংঘটিত হোৱাত, স্থানীয় ৰাইজ তথা মহিলাই সুৰা বিপণীখনৰ তীব্ৰ বিৰোধিতা কৰে। বেদেতীৰ শৈক্ষিক, সাংস্কৃতিক দিশৰ প্ৰতি সুৰা বিপণীখনে তীব্ৰ ভাবুকি স্বৰূপ হৈ পৰাৰ লগতে উঠি অহা প্ৰজন্মৰ ভৱিষ্যৎ ধ্বংস হোৱাৰ সম্ভাৱনাৰ বাবেই অঞ্চলটোৰ শতাধিক সচেতন ব্যক্তি, ১৫টাকৈ সামাজিক অনুষ্ঠানৰ প্ৰতিনিধিৰ অংশগ্ৰহণেৰে দ্বিতীয়খন ৰাজহুৱা সভা অনুষ্ঠিত হৈ যায়। বিশেষকৈ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বিহালী আঞ্চলিক সমিতি, বিহালী আঞ্চলিক মানৱ অধিকাৰ সংগ্ৰাম সমিতি, নাৰী অধিকাৰ সুৰক্ষা সমিতি, পূব বিহালী আৰু দক্ষিণ বিহালী শাখা সাহিত্য সভা, বেদেতী আঞ্চলিক উন্নয়ন সমিতি আদিকে ধৰি বিভিন্ন সংগঠনে অংশ লয়। নাৰী অধিকাৰ সুৰক্ষা সমিতিৰ প্ৰতিনিধি চম্পা বৰা, বৰালিমৰা গাঁও পঞ্চায়তৰ সভাপতি লাচিত বৰা, বেদেতী উন্নয়ন সমিতিৰ প্ৰতিনিধি আলি হুছেইন, বিহালী থানা গাঁওৰক্ষী সমিতিৰ কাৰ্যকৰী সভাপতি কীৰ্তি গোস্বামী, ১নং বৰালিমৰা প্ৰাথমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি জীনা বৰা, বিহালী আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী গীতা দাস, সমাজকৰ্মী যুগল বৰা, পাহাৰী বৰা, নিতা আগৰৱালা আদিয়ে বিপণীখনৰ তীব্ৰ বিৰোধ কৰি অনুজ্ঞা-পত্ৰ বাতিলৰ দাবীৰে গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। আজি দুই শতাধিক লোকে স্বতঃস্ফূৰ্তভাৱে ৰাইজ বাবখনৰ বিৰুদ্ধে ওলাই আহে। বিপণীখন খুলিবলৈ লোৱা ভূমি ৰে'লৱেৰ বে-দখল ভূমি বুলি ৰাইজে অভিযোগ তুলিছে।


**AFFIDAVIT**

I, A. Sanahanbi Devi wife of A. Bojendra Singha by religion Hindu and resident of Icharpur, kaptanpur, P.S. lakhipur of Cachar, Assam has declared by an affidavit at Notary Public at Kamrup [M] today on July 26, 2022 that my actual name is A. Sanahanbi Devi instead of A. Sanahanbi Singha and my Son's actual name is A. Kamaljeet Singha instead of A. Kamaljeet as recorded in the school documents.

**LOST**

I have lost my HSLC Final Exam Original Marksheet Roll- B18 648 No. 0001 for the Year of 2018. And also lost my HS Final Exam Original Marksheet Roll 0817 No. 20056 for the Year of 2020.

Masud Azahar
S/O Rafiqul Islam
Mother:- Momtaz Begum
Ph:- 7002871519

**নাম শুধৰণি**

মোৰ শুদ্ধ নাম দিলোৱাৰ হুছেইন, পিতা-আব্দুল জলিল, গাঁও-কাছাৰিপাৰা, পোঃ অঃ-ডবকা, থানা-ডবকা, জিলা-হোজাই (অসম) পাচপৰ্টত ভুলক্ৰমে মোৰ নাম মুহাম্মদ দিলোৱাৰ হুচেইন লিপিবদ্ধ হৈ আছে। মোৰ শুদ্ধ নাম দিলোৱাৰ হুচেইন।

দিলোৱাৰ হুচেইন
পিতা ঃ আব্দুল জলিল।
গাঁও ঃ কাছাৰিপাৰা
জিলা ঃ হোজাই (অসম)

**IN THE COURT OF DISTRICT & SESSION JUDGE : HOJAI :**
**: SANKARDEV NAGAR : ASSAM ::**
**(General Notice under Part X of Act 39 of 1925)**

Misc. (Succ.) Case No.14 (H) OF 2022.

**Petitioner:**
Himadri Raha Choudhury
S/O Late Himangsu Raba Choudhury
R/O Rupnagar, Ward No. 2, Lanka Town, P.S. & Mouza- Lanka, Dist-Hojai, Assam

Court of the Sessions Judge Hojai (Assam)

**NOTICE**

TO WHOM IT MAY CONCERN

Whereas the petitioner above named has filed a petition for granting a Succession Certificate in respect of Succesion Securities of deceased Shampa Dey daughter of Late Jogcsh Chandra Dey resident of Rupnagar, Ward No. 2, Lanka Town, P.S. & Mouza-Lanka, Dist-Hojai, Assam. The date has been fixed on 29.07.2022 for filing objection. If anybody has objection against the granting of the aforesaid Succession Certificate is hereby directed to appear before this court on 29.07.2022 at 10.00 A.M. forenoon and filed objection if any, otherwise the case will be passed ex-parte.

Given under my hand and seal of this court this 30th day of June 2022.

District & Sessions Judge, Hojai
Sankardev Nagar

**IN THE COURT OF DISTRICT & SESSION JUDGE : HOJAI :**
**: SANKARDEV NAGAR : ASSAM ::**
**(Special Notice under Part X of Act 39 of 1925)**

Misc. (Succ.) Case No.14 (H) OF 2022.

**Petitioner:**
Himadri Raha Choudhury
S/O Late Himangsu Raba Choudhury
R/O Rupnagar, Ward No. 2, Lanka Town, P.S. & Mouza- Lanka, Dist-Hojai, Assam

Court of the Sessions Judge Hojai (Assam)

**NOTICE**

To,

Whereas the petitioner above named has filed a petition U/S 372 of Indian Succession Act, 1925 for granting a Succession Certificate.

You arc hereby directed to appear personally or through your duly engaged advocatc on 29.07.2022 at 10 a.m. and file objection if any showing cause as to why the Succession Certificate as prayed or shall not be granted.

Take notice that in case of your absence on the date fixed, the matter shall be decided ex-parte as per provision of law.

Given under my hand and seal of this court this 30th day of June 2022

District & Sessions Judge, Hojai
Sankardev Nagar


## ৰাশিফলত আজিৰ দিনটো

**১০ শাওণ, বুধবাৰ, ২৭ জুলাই, ১৪২৯ ভাস্কৰাব্দ**
**তিথি ঃ কৃষ্ণা চতুৰ্দশী, নক্ষত্ৰ ঃ পুনৰ্বসু ঃ মিঠুন ৰাশি**
**সূৰ্যোদয়- ৪-৪৯-২৪ সূৰ্যাস্ত- ৬-১০-৪৭**

■ **মেষ** ঃ আৰ্থিক অনাটন ■ **বৃষ** ঃ গৃহত শুভ কাৰ্যানুষ্ঠান ■ **মিথুন** ঃ আশা পূৰণ ■ **কৰ্কট** ঃ কৌশল আয়ত্ব ■ **সিংহ** ঃ উকীলৰ সুনাম ■ **কন্যা** ঃ গৃহ অশান্তি ■ **তুলা** ঃ ছাত্ৰ-ছাত্ৰীৰ সুনাম ■ **বৃশ্চিক** ঃ আলহীৰ আগমন ■ **ধনু** ঃ ভক্তি ভাব ৰাখিব ■ **মকৰ** ঃ ৰাজহুৱা সন্মান ■ **কুম্ভ** ঃ ৰাজ সাহায্য ■ **মীন** ঃ বিদ্যাত সুনাম।

# শ্ৰীৰামপুৰত পুনৰ বৃহৎ পৰিমাণৰ গাঁজাভৰ্তি ট্ৰাক জব্দ ঃ খালাচীক গ্ৰেপ্তাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ২৬ জুলাই ঃ** কোকৰাঝাৰ জিলাৰ গোসাইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শ্ৰীৰামপুৰত আৰক্ষীয়ে বিয়লিৰ ভাগত অভিযান চলাই গাঁজাভৰ্তি এখন ট্ৰাক জব্দ কৰাৰ লগতে ট্ৰাকৰ খালাচীক গ্ৰেপ্তাৰ কৰে। গোপন সূত্ৰে লাভ কৰা তথ্যৰ ভিত্তিত শিমুলটাপু আৰক্ষীৰ এটা দলে শ্ৰীৰামপুৰত ৩১ নম্বৰ (গ) ৰাষ্ট্ৰীয় ঘাইপথত নাকা তালাচী চলাই ইউ পি ১৫ ডিটি ২২৬৪ নম্বৰৰ এখন ট্ৰাক জব্দ কৰে। জব্দ কৰা ট্ৰাকখন শিমুলটাপু আৰক্ষী চকীত আনি তালাচী চলাই ট্ৰাকখনত বিশেষ পদ্ধতিৰে চেম্বাৰত লুকুৱাই অনা বৃহৎ পৰিমাণৰ গাঁজা থকা প্ৰত্যক্ষ কৰে। ট্ৰাকখনৰ পৰা মুঠ ১৩১ পেকেট (১৯২০ কিলোগ্ৰাম) গাঁজা উদ্ধাৰ কৰি গাঁজাখিনি জব্দ কৰে। ট্ৰাকৰ খালাচী, মণিপুৰৰ ইম্ফলৰ নিৱাসী মোঃ ফাৰুক হুছেইনক আটক কৰি আৰক্ষীয়ে সোধা-পোছা অব্যাহত ৰাখিছে। জব্দকৃত গাঁজাৰ বজাৰ মূল্য চাৰি কোটি টকাৰ অধিক হ'ব বুলি আৰক্ষীয়ে অনুমান কৰিছে। উল্লেখ্য যে গাড়ীৰ চালকজনে সুযোগ বুজি পলাই সাৰে যদিও খালাচীজন আৰক্ষীৰ জালত পৰে। উক্ত খবৰৰ সম্ভেদ লাভ কৰি কোকৰাঝাৰ জিলাৰ আৰক্ষী অধীক্ষক প্ৰতীক থুবে বিজয় কুমাৰ আৰু গোসাঁইগাঁও মহকুমা আৰক্ষী বিষয়া নৱনীতা শৰ্মা শিমুলটাপু আৰক্ষী চকীত উপস্থিত হৈ জব্দকৃত গাঁজাৰ বুজ লয় আৰু অধিক তথ্যৰ বাবে তদন্ত অব্যাহত ৰাখে।

# নতুন বোকোৰাত সৰিয়হৰ মিলৰ শুভ উদ্বোধন বিধায়ক ভুবন গামৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ২৬ জুলাই ঃ** এপাৰ্টৰ আৰ্থিক অনুদানেৰে নতুন বোকোৰাত স্থাপন কৰা মাজুলী ৰিভাৰ বেংক ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানী লিমিটেডৰ এটা সৰিয়হ মিলৰ শুভ উদ্বোধন কৰে বিধায়ক ভুবন গামে। উক্ত অনুষ্ঠানত উপায়ুক্ত পুলক মহন্ত, অতিৰিক্ত উপায়ুক্ত ভৰত কোঁৱৰ, আত্মাৰ প্ৰকল্প সঞ্চালক বেণীমাধৱ বৰুৱা, আৱাসিক



পৰামৰ্শদাতা ড° গিৰীন্দ্ৰ নাথ হাজৰিকা, ভাৰতীয় কিষাণ সংঘৰ সাংগঠনিক সম্পাদক কৃষ্ণকান্ত বৰা, জিলা কৃষি বিষয়া ইৰছাদ আলী, কানাড়া বেংকৰ শাখা পৰিচালক পি চি দাস, সমাজ সেৱক দীপক গোস্বামী, দেৱব্ৰত দত্ত, নিতুল নাথ আদি ব্যক্তিসকল উপস্থিত থাকে। কোম্পানীৰ ব'ৰ্ড অৱ ডাইৰেক্টৰ দিলীপ হাজৰিকাই আদৰণী ভাষণ আগবঢ়োৱাৰ পাছত সম্বৰ্ধনা কাৰ্যসূচী ৰূপায়ণ হয়। কোম্পানীৰ ব'ৰ্ড অৱ ডাইৰেক্টৰ, প্ৰমোতাৰ মুখ্য কাৰ্যবাহী বিষয়া তথা কৃষি পৰামৰ্শদাতা ড° ইমৰান হুছেইনৰ দ্বাৰা কোম্পানীটোৰ এক সংক্ষিপ্ত তথ্য শ্লাইডযোগে উপস্থাপন কৰা হয়। আজি প্ৰায় ৩০,০০০ টকাৰ তেল বিক্ৰী হয়। আজি শুভাৰম্ভ হোৱা সৰিয়হ মিলটোৰ উৎপাদিত তেল মাজুলীৰ লগতে অসমৰ সকলোবোৰ অঞ্চলত বাণিজ্য প্ৰসাৰ কৰাৰ বিষয়ে মুখ্য কাৰ্যবাহী বিষয়া সুব্ৰত দত্তই অৱগত কৰে। মিঠাতেলৰ উপৰিও কে'বাটাও প্ৰজাতিৰ বাওধান, মাটিমাহ, মগুমাহ আদিৰ ৰপ্তানিত গুৰুত্ব দিছে মাজুলী ৰিভাৰ বেংক ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানী লিমিটেডে। ইয়াৰ উপৰিও বিধায়ক গামে জেংৰাইমুখ এগ্ৰী ফাৰ্মাৰ কোম্পানী লিমিটেডৰ দ্বাৰা ২নং বৰপমুৱা গাঁৰত নিৰ্মাণ কৰা কমন ছাৰ্ভিছ চেন্টাৰৰ শুভ উদ্বোধন কৰে।

## দিচাংমুখ জেইল গাঁৱৰ উজ্জ্বল বৰুৱাৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৬ জুলাই ঃ** দিচাংমুখ জেইল গাঁৱৰ বাসিন্দা, প্ৰয়াত ফটিক বৰুৱাৰ জ্যেষ্ঠ পুত্ৰ উজ্জ্বল বৰুৱাৰ ওৰফে দাদুল (৩৭)ৰ আজি পুৱা ৭.৩০ বজাত শিৱসাগৰ অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। যোৱা কিছুদিন ধৰি বিভিন্ন ৰোগত আক্ৰান্ত হৈ থকা যুৱকজনৰ আজি পুৱা স্বাস্থ্যৰ অধিক অৱনতি ঘটি মৃত্যু হয়। যুৱকজনৰ মৃত্যুত সমগ্ৰ অঞ্চলজুৰি শোকৰ ছাঁ পৰে। মাতৃ-পত্নীসহিতে দুগৰাকী ভগ্নী আৰু এগৰাকী ভাতৃক ইহ সংসাৰত এৰি যোৱা উজ্জ্বল বৰুৱাৰ মৃত্যুত সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থা, সদৌ অসম কৈৱৰ্ত ছাত্ৰ সন্থা, বৃহত্তৰ অসমীয়া যুৱ মঞ্চ, কংগ্ৰেছ নেতা মুস্তাফা খান, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নেতা কুলপ্ৰসাদ শইকীয়া, ৰাইজৰ দলৰ নেতা পদ্মকান্ত দাস আদিয়ে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে। আজি দিনৰ ১২.১৫ মিনিটত স্থানীয় শ্মশানত উজ্জ্বল বৰুৱাৰ শেষকৃত্য সম্পন্ন কৰা হয়। উল্লেখ্য যে প্ৰয়াত হৰিপ্ৰসাদ বৰুৱাৰ জ্যেষ্ঠ নাতি আছিল উজ্জ্বল বৰুৱা।

### ডিমৌ শাখা কবি সন্মিলনৰ 'কাব্য জিজ্ঞাসা' শীৰ্ষক কবিতা আবৃত্তিৰ কৰ্মশালাৰ সামৰণি

# ৪খনকৈ গ্ৰন্থ, ডিমৌ শাখা কবি সন্মিলনৰ মুখপত্ৰ 'অহিৰণ' উন্মোচন



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২৬ জুলাই ঃ** শিৱসাগৰ জিলা কবি সন্মিলনৰ উদ্যোগত আৰু ডিমৌ শাখা কবি সন্মিলনৰ সহযোগত ২২, ২৩ আৰু ২৪ জুলাইলৈ অনুষ্ঠিত 'কাব্য জিজ্ঞাসা' শীৰ্ষক কবিতা আবৃত্তিৰ কৰ্মশালাখনি আজি আনুষ্ঠানিকভাৱে সফল সামৰণি পৰে। দেওবাৰে ডিমৌ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত সামৰণী অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজন কৰা মুকলি সভাখনত সভাপতিত্ব কৰে শিৱসাগৰ জিলা কবি সন্মিলনৰ সভাপতি ব্ৰজেন দাসে। শাখা কবি সন্মিলনৰ সভাপতি অঞ্জুমণি গগৈ মেধিয়ে আদৰণী ভাষণ দিয়াৰ পিছতে সম্পাদিকা দিতিমণি দত্ত আৰু পত্ৰিকা সম্পাদিকা জিমনি গগৈয়ে আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাখন শুভ উদ্বোধন কৰাৰ লগতে ডিমৌ শাখা কবি সন্মিলনৰ মুখপত্ৰ 'অহিৰণ'খনৰ প্ৰথম সংখ্যা শুভ উন্মোচন কৰে যুৱ প্ৰজন্মৰ অন্যতম আগশাৰীৰ কবি তথা সদৌ অসম কবি সন্মিলনৰ প্ৰধান সম্পাদক উজ্জ্বল পাওগামে। পাওগামে ডিমৌ শাখা কবি সন্মিলনৰ শলাগ লৈ তেওঁলোকৰ নেৰানেপেৰা প্ৰচেষ্টাত প্ৰকাশ কৰি উলিওৱা 'অহিৰণ' নামৰ মুখপত্ৰখনে অনাগত দিনত সাহিত্যপ্ৰেমীসকলক নতুন মাত্ৰা প্ৰদান কৰিব বুলি কয়। ইয়াৰ পিছতে ডিমৌ শাখা কবি সন্মিলনে কবিতাক জনমুখী কৰাৰ লক্ষ্যৰে কবিতা আৰু কবিতা সম্পৰ্কীয় লেখা সন্নিবিষ্ট কৰি জিমনি গগৈ আৰু দিতিমণি দত্তৰ সম্পাদনাত 'কিছু পদ্য কিছু গদ্য' নামৰ গ্ৰন্থ আৰু কৃতি শিক্ষয়িত্ৰী সীমাৰেখা কোঁৱৰ ফুকনৰ 'নিজম নদীৰ মোহনা' কবিতা পুঁথিখন শুভ উন্মোচন কৰে বিশিষ্ট সাহিত্য সমালোচক তথা সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি ড° মাণিক শইকীয়াই। গ্ৰন্থ দুখন উন্মোচন কৰি ড° মাণিক শইকীয়াই অসমীয়া সাহিত্য আৰু কবিতাৰ সম্পৰ্কে বহুকেইটা তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। এইঅনুষ্ঠানতে উপস্থিত থাকি আবৃত্তি ৰত্ন, সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি জুলিয়ানা বেগমে সংগীত শিল্পী লক্ষীমা ফুকনৰ স্বৰলিপি সম্বলিত আধুনিক গীতৰ পুথি 'স্বৰাঞ্জলি দৰ্শিতা' উন্মোচন কৰাৰ লগতে ডিমৌ অঞ্চলৰ আন এগৰাকী লেখত ল'বলগীয়া কবি কুঞ্জ দেৱী উপাধ্যায়ৰ 'তৃষ্ণাতুৰ পানী' নামৰ কবিতা পুথি উন্মোচন কৰি কবিতাপ্ৰেমীসকললৈ আগবঢ়াই দিয়ে। গাম্ভীৰ্যপূৰ্ণ এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বক্তব্য প্ৰদান কৰে ডিব্ৰুগড় জিলা কবি সন্মিলনৰ সভাপতি পৱিত্ৰ গগৈ, যোৰহাট জিলা কবি সন্মিলনৰ সম্পাদক পাৰভিজ হুছেইন, কেন্দ্ৰীয় সদস্য অচ্যুত কুমাৰ বৰা, ৰুদ্ৰসাগৰ কবি সন্মিলনৰ গীতাঞ্জলি হাজৰিকা, নিতাইপুখুৰী হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° দিগন্ত গগৈ, ডিমৌ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বকুল দত্ত, শাখাৰ উপদেষ্টা অৰুণ শৰ্মা, ডিমৌ শাখা সাহিত্য সভাৰ সম্পাদক অৰুণ কলিতা, ডিমৌ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পদ্মা লাহন চেতিয়া, শিৱসাগৰ জিলা কবি সন্মিলনৰ উপ-সভাপতি জিতেন নাথ, সহকাৰী সম্পাদক অভিজিৎ গগৈৰ উপৰি অনুষ্ঠানত ডিমৌৰ লগতে শিৱসাগৰৰ ভালেকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

### নগাঁও গুৰুদ্বাৰ কমিটীৰ নতুন সমিতি গঠন

# দেৱেন্দ্ৰ সিং চেহমি ষষ্ঠবাৰলৈ সভাপতি নিৰ্বাচিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, বেবেজীয়া, ২৬ জুলাই ঃ** নগাঁও গুৰুদ্বাৰ কমিটীৰ নতুন সমিতিখন কালি গঠন কৰা হয়। নগাঁৱৰ বিশিষ্ট সমাজসেৱক, নগাঁও গুৰুদ্বাৰ কমিটীৰ সভাপতি দেৱেন্দ্ৰ সিং চেহমি ষষ্ঠবাৰৰ কাৰণে পুনৰ সভাপতি হিচাপে নিৰ্বাচিত হৈছে। তেওঁৰ লগতে সম্পাদক হিচাপে নিৰ্বাচিত হৈছে এছ হৰিদয়াল সিং বাহৰাজ, কোষাধ্যক্ষ এছ হৰভজন সিং ৰাজপাল,অধ্যক্ষ এছ সৎপাত সিং চেমি, মঞ্চ সম্পাদক এছ হৰদৰ্শন সিং আৰি, সহকাৰী মঞ্চ



সম্পাদক কৰমজিৎ কৌৰ লুঠাৰ নিৰ্বাচিত হয়। এইলোকসকলক নগাঁও গুৰুদ্বাৰা প্ৰবন্ধক কমিটীৰ তৰফৰ পৰা উষ্ম আদৰণি জনোৱা হয়। এই সুযোগতে দেৱেন্দ্ৰ সিং চেহমিয়ে তেওঁ ষষ্ঠবাৰলৈ সভাপতি হিচাপে নিৰ্বাচিত হোৱাত সকলোকে আন্তৰিক শুভকামনা জনাইছে।

# উৰিয়াগাঁও বাইপাছৰ ছাৰ্ভিচ ৰোডত উলংগ আৰু অচেতন অৱস্থাত যুৱতীক উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৬ জুলাই ঃ** নগাঁৱৰ উৰিয়াগাঁও বাইপাছৰ কাষৰ এটা ছাৰ্ভিচ ৰোডত সম্পূৰ্ণ উলংগ আৰু অচেতন অৱস্থাত এগৰাকী প্ৰায় ২০-২২ বছৰীয়া যুৱতীক আজি পুৱাৰ ভাগত উদ্ধাৰ কৰা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ছাৰ্ভিচ ৰোডটোৰ ওপৰতে তেনে অৱস্থাত যুৱতীগৰাকীক স্থানীয় লোকে প্ৰত্যক্ষ কৰি ইটাচালী নগৰ আৰক্ষী চকীৰ আৰক্ষীক খবৰ দিয়াত আৰক্ষী সেই স্থানত উপস্থিত হৈ যুৱতীগৰাকীক উদ্ধাৰ কৰে। পাছত আৰক্ষীয়ে এখন কাপোৰেৰে যুৱতীগৰাকীৰ দেহটো ঢাকি লৈ নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে। ইফালে, আৰক্ষীয়ে বৰ্তমানেও যুৱতীগৰাকীৰ পৰিচয় লাভ কৰিবলৈ সক্ষম হোৱা নাই। আনহাতে, দিন-দুপৰতে কি পৰিস্থিতিত কেনেকৈ সম্পূৰ্ণ উলংগ আৰু অচেতন অৱস্থাত এগৰাকী যুৱতী বাইপাছৰ এটা নিৰ্জন ছাৰ্ভিছ ৰোডত পৰি আছিল তাৰো একো তথ্য উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই আৰক্ষী। ইফালে, কোনোৱে যুৱতীগৰাকীক ধৰ্ষণ কৰি সেই ঠাইত পেলাই থৈ যাব পাৰে বুলিও সন্দেহ কৰিছে একাংশই। অৱশ্যে এই সন্দৰ্ভত আৰক্ষী কিম্বা চিকিৎসালয় কৰ্তৃপক্ষৰ কোনেও একো তথ্য সদৰী কৰা নাই। আৰক্ষীয়ে যুৱতীগৰাকী মানসিক বিকাৰগ্ৰস্ত বুলিহে প্ৰকাশ কৰিছে। ইতিমধ্যে যুৱতীগৰাকীক নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত চিকিৎসা প্ৰদানৰ অন্তত চহৰখনৰ তেলীয়া গাঁৱত থকা এটা বেচৰকাৰী মানসিক পৰিচৰ্যা কেন্দ্ৰলৈ স্থানান্তৰ কৰা হৈছে বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে সমগ্ৰ ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে যদিও এই পৰ্যন্ত সঠিক তথ্য উদ্‌ঘাটন কৰিব পৰা নাই।

## প্ৰাক্তন অধ্যক্ষ ৰঞ্জিত কুমাৰ দেৱক স্মৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৬ জুলাই ঃ** স্বাস্থ্য সেৱা সঞ্চালকালয় (পৰিয়াল কল্যাণ) বিভাগৰ প্ৰাক্তন অধীক্ষক প্ৰয়াত ৰঞ্জিত কুমাৰ দেৱৰ ২০ জুলাইত পৰলোকপ্ৰাপ্তি হয়। তেওঁৰ আত্মাৰ সদ্‌গতি কামনা কৰি স্বাস্থ্য সেৱা সঞ্চালকালয় (পৰিয়াল কল্যাণ) অসমৰ সমূহ বিষয়া আৰু কৰ্মচাৰীৰ উপস্থিতিত ২২ জুলাইত কাৰ্যালয়ত এখন শোকসভা অনুষ্ঠিত কৰা হয়। মৃতকৰ আত্মাৰ সদ্‌গতিৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জনোৱাৰ উদ্দেশ্যে এক মিনিট সময় মৌন প্ৰাৰ্থনা জনোৱা হয় আৰু এটি শোকপ্ৰস্তাৱ গ্ৰহণ কৰা হয় বুলি স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ সঞ্চালকে প্ৰেৰণ কৰা এটা বাৰ্তাত প্ৰকাশ।

## পখিলা খেদা সময়ত এটি কণমানি দেৱশিশু আক্ৰান্ত কৰ্কট ৰোগত

### উন্নত চিকিৎসাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ কাতৰ অনুৰোধ দিন হাজিৰা কৰা পিতৃ-মাতৃৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২৬ জুলাই ঃ** ডিব্ৰুগড় জিলাৰ লাহোৱালৰ মটক চাহ বাগিচাৰ খেলমাটি লাইনৰ অজিত তাঁতী আৰু সুমিত্ৰা মিৰ্ধা তাঁতীৰ একমাত্ৰ কন্যা সন্তান ৩ বছৰীয়া যোহী তাঁতী বিগত এটা বছৰৰ পৰা আক্ৰান্ত হৈছে কৰ্কট ৰোগত। কণমানিজনীৰ দৰিদ্ৰ পিতৃ-মাতৃয়ে প্ৰায় এটা বছৰ ধৰি ডিব্ৰুগড়স্থিত অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসা কৰি আছে যদিও তাইৰ অৱস্থা বৰ্তমান অধিক গুৰুতৰ হৈ পৰাত চিকিৎসকে পৰিয়ালটোক পৰামৰ্শ দিছে শীঘ্ৰেই অসমৰ বাহিৰৰ চিকিৎসালয়ত চিকিৎসা প্ৰদানৰ বাবে। কিন্তু দুখৰ কথা এইটোৱেই, ইতিমধ্যেই শিশুটিৰ চিকিৎসাত প্ৰায় সৰ্বস্বান্ত হোৱা পৰিয়ালটোৰ হাতত এতিয়া নাই এটাও সাঁচতীয়া ধন। যাৰ ফলত নিজৰ চকুৰ আগতেই টিলটিলকৈ সন্তানক মৃত্যুৰ মুখে গতি কৰা দেখি চকুৰে বাট নেদেখা হৈছে দুৰ্ভগীয়া পৰিয়ালটো। এনে প্ৰেক্ষাপটত তাইৰ উন্নত চিকিৎসাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে অসম ৰাইজক সহায় কৰিবলৈ অনুৰোধ জনাইছে দিন হাজিৰা কৰা পিতৃ-মাতৃয়ে। আনহাতে, কোনো লোকে যোহী তাঁতীৰ চিকিৎসাৰ বাবে সহায় কৰিব বিচাৰিলে এলাহাবাদ বেংকৰ লাহোৱাল শাখাৰ ৫৯১০৬৬১১৮৯৯ নম্বৰত প্ৰদান কৰিবলৈ অনুৰোধ জনাইছে দুৰ্ভগীয়া পৰিয়ালটোৱে।

## দক্ষিণ গুৱাহাটী শাখা লেখিকা সংস্থাৰ ৰূপালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ২৬ জুলাই ঃ** লেখিকা সংস্থা, অসমৰ অন্তৰ্গত গুৱাহাটীস্থ শাখাসমূহৰ অন্যতম এটি শাখা দক্ষিণ গুৱাহাটী শাখা লেখিকা সংস্থাৰ ৰূপালী জয়ন্তী সমাৰোহৰ যোৱা ২৪ জুলাইত শুভাৰম্ভ কৰা হয়। এই উপলক্ষে সিদিনা মহানগৰীৰ ৰুক্মিণীনগৰ ৰংগমঞ্চৰ প্ৰেক্ষাগৃহত এখনি বিশেষ সভা অনুষ্ঠিত হয়। উক্ত সভাত ১৯৯৮ চনৰ ১৭ জানুৱাৰীত গুৱাহাটীৰ বশিষ্ঠস্থিত শান্তি সাধনা আশ্ৰমত আত্মপ্ৰকাশ কৰা এই শাখাৰ ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ শুভাৰম্ভ কৰা হয়। পতাকা উত্তোলনৰ পাছতে সম্পাদিকা পাৰুল বৰুৱাই সকলোকে আদৰণি জনায়। লেখিকা সংস্থা, অসমৰ সভানেত্ৰী মৃদুলা শৰ্মাই সভাৰ উদ্বোধনী ভাষণত ৰূপালী জয়ন্তী বৰ্ষ গৰকা শাখাটিলৈ অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰি শাখাটিক নিষ্ঠাৰে কাম কৰি আগুৱাই যাবলৈ আহ্বান জনায়। বন্তি প্ৰজ্বলন কৰে লেখিকা সংস্থা, অসমৰ প্ৰধান সম্পাদিকা বিজয়া দেৱদাসে। স্মৃতি তৰ্পণ কৰে শাখাৰ কাৰ্যকৰী সভানেত্ৰী মীনা শইকীয়াই। সভানেত্ৰী উৎপলা বৰাই পৌৰোহিত্য কৰা এই সভাত ৰূপালী জয়ন্তী উদ্‌যাপনৰ উদ্দেশ্যে শাখাই সাহিত্য বিষয়ক বিভিন্ন প্ৰতিযোগিতা আৰু কৰ্মশালা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। তাৰেই প্ৰথম কাৰ্যসূচী হিচাপে শাখাৰ সদস্যাসকলৰ মাজত আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। আকস্মিক বক্তৃতাৰ বিচাৰক হিচাপে উপস্থিত থাকে লেখিকা সংস্থা, অসমৰ পত্ৰিকা সম্পাদিকা বিন্দু ডেকা চৌধুৰী আৰু হাতীগাঁও শাখা লেখিকা সংস্থাৰ সভানেত্ৰী কস্তুৰী নিভা গগৈ। এই শাখাটিৰ জন্মলগ্নৰে পৰা জড়িত বিজয়া দেৱদাসে শাখাটিৰ জন্মলগ্নৰে পৰা বৰ্তমানলৈ সদস্যাসকলে শাখালৈ আগবঢ়োওৱা অৱদানৰ বিষয়ে কৃতজ্ঞতাৰে উল্লেখ কৰে। সম্পাদিকা পাৰুল বৰুৱাই সকলোলৈকে শলাগৰ শৰাই আগবঢ়ায়।

# বানপীড়িতৰ মাজত ইস্কনৰ অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰী বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বেবেজীয়া, ২৬ জুলাই ঃ** নগাঁও সদৰ সমষ্টিৰ অন্তৰ্গত বুঢ়াগোহাঁই, তুলসীমুখ, দেউৰীগাঁও, পমুৱৈগাঁও, কচুগুৰি, হাতীগড়, পশ্চিম দক্ষিণপাট, বৰজহা, কৃষ্ণাইখাট আদি অঞ্চলৰ সহস্ৰাধিক বানপীড়িত ৰাইজৰ মাজত কালি আৰু আজি কোল ইণ্ডিয়াৰ আৰ্থিক সাহায্যৰে ইস্কন, গুৱাহাটীৰ দ্বাৰা অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী বিতৰণ কৰা হয়। এই খাদ্য সামগ্ৰী বিতৰণ অনুষ্ঠানত ইস্কনৰ মহাপ্ৰভু চৈতন্য দাস, ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য ব্ৰজেন কাকতি, অ'বিচি মৰ্চাৰ নগাঁও জিলাৰ সভাপতি মৃদুল বৰা, উপ-সভাপতি ৰাতুল বৰা, সম্পাদক পংকজ বৰা, ভাস্কৰ বৰা, উজ্জ্বল



বৰুৱা, লক্ষণ খাটনিয়াৰ, পূৰ্ণচন্দ্ৰ কাকতি, ইস্কনৰ প্ৰেম সিন্ধু, নিত্যানন দাস আদি উপস্থিত থাকে।

# নামখলাত বাতৰি বিলোৱা হিমালয় আজি নিজেই বাতৰি

### দোকান-পোহাৰ বন্ধ কৰি শোক পালন ব্যৱসায়ীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামখলা, ২৬ জুলাই ঃ** সহজ-সৰল নম্ৰ, ভদ্ৰ স্বভাৱৰ ব্যৱসায়ী ব্যক্তি হিমালয় চহৰীয়া। নামখলা অঞ্চলত একমাত্ৰ বাতৰি কাকত বিলোৱা প্ৰতিষ্ঠান চহৰীয়া পেপাৰ এজেন্সী। নামখলা পঞ্চায়তৰ অন্তৰ্গত শালৈপাৰা গাঁৱৰ বাসিন্দা তথা ডাক বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী মদন চহৰীয়াৰ পুত্ৰ। দোকানৰ বাবে মঙলদৈৰ পৰা কিতাপ-পত্ৰ বজাৰ কৰি ঘূৰি আহোতেই ঘটিল অথন্তৰ ২৪ জুলাইৰ আবেলি প্ৰায় ৪.৩০ বজাত। মহলীয়াপাৰা চ'কৰ পৰা কিছু নিলগত বুঢ়ীনগৰ মহাবিদ্যালয়ৰ সন্মুখত বিপৰীত দিশৰ পৰা অহা এএছ ০১ ডিভি ৭৭৬৪ নম্বৰৰ তিব্ৰবেগী বাইকখনে খুন্দিয়ায়। ফলত হিমালয় চহৰীয়াই চলাই অহা এএছ ১৩ জে ২৭৯৩ নম্বৰৰ সৈতে দুয়োখন বাইকৰ মুখামুখি সংঘৰ্ষ হয়। হিমালয়ক ১০৮ গাড়ীৰে ততাতৈয়াকৈ স্থানীয় ৰাইজে উন্নত চিকিৎসাৰ বাবে তিনিগৰাকী লোককে হাস্পতাললৈ পঠিয়ায়। পাথৰিঘাট আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মিণ্টু বৈশ্য উপস্থিত হৈ মটৰচাইকেল দুখন জব্দ কৰি তদন্ত অব্যাহত ৰাখে। আনহাতে নামখলাৰ চহৰীয়া পেপাৰ এজেন্সীৰ স্বত্বাধিকাৰী হিমালয় চহৰীয়াৰ নাৰায়ণা হাস্পতালত চিকিৎসাৰ বাবে ভৰ্তি কৰাৰ মুহূৰ্তত মৃত্যু





হোৱা বুলি চিকিৎসকে পৰিয়ালক অৱগত কৰে। আন দুগৰাকী বৰ্তমানেও চিকিৎসাধীন। দৈনিক সমগ্ৰ নামখলা অঞ্চলত বাতৰি কাকত বিলাই ফুৰা লোকজন আজি নিজেই বাতৰি। নিয়তিও যেন বৰ নিষ্ঠুৰ। ৩৮ বছৰীয়া হিমালয় চহৰীয়া নামৰ অমায়িক স্বভাৱৰ ব্যক্তিজনক হেৰুৱাই স্থানীয় লোকসকল আজি স্তম্ভিত। নিৰ্জু, অমায়িক স্বভাৱৰ হিমালয় চহৰীয়াক হেৰুৱাই সমগ্ৰ নামখলা অঞ্চল শোকত ম্ৰিয়মাণ। মৃত্যুৰ সময়ত দেউতাক মদন চহৰীয়া, মাক ভূমিত্ৰা চহৰীয়া, পত্নী শিখামণি চহৰীয়া আৰু ৫ বছৰীয়া একমাত্ৰ কন্যাক ইহ সংসাৰত এৰি যায়। প্ৰয়াত হিমালয় চহৰীয়াৰ মৃত্যুত নামখলা চ'ক ব্যৱসায়ী সন্থা, নামখলা বজাৰ ব্যৱসায়ী সন্থা, নামখলা আঞ্চলিক ছাত্ৰ সন্থা, ছিপাঝাৰ ডিজিটেল ফ'ৰাম, নামখলা জ্যেষ্ঠ নাগৰিক মঞ্চ, নামখলা শিৱমন্দিৰ পৰিচালনা সমিতি, দেওমৰনৈ সাংবাদিক সন্থা, শ্ৰীমন্ত শংকৰদেৱ সংঘ, দৰং জিলা শাখা; নামখলা কলা-কৃষ্টি পৰিষদ, নামখলা ৰাস কমিটী, কেন্দ্ৰ চ'ক ব্যৱসায়ী সন্থা, সৰাবাৰী আঞ্চলিক যুৱ মঞ্চ, নামখলা সহায় সঞ্চয় সমিতি, নেহৰুজ্যোতি সংঘ, নামখলা গাঁও পঞ্চায়ত আৰু স্থানীয় ৰাইজে শোকসন্তপ্ত পৰিয়ালক সমবেদনা জ্ঞাপন কৰে।

দৈনন্দিন বাৰ্তা
জাতি, মাটি আৰু দেশৰ সেৱাত
২৭ জুলাই, ২০২২ ■ বুধবাৰ ■ ১০ শাওণ, ১৯৪৪ শক




# ‘ঘৰে ঘৰে ত্ৰিৰংগা’ অভিযানত ব্যস্ত কলিয়াবৰৰ একাংশ মহিলা

### ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান অসমৰ উদ্যোগত কলিয়াবৰত বিশেষ তৎপৰতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ২৬ জুলাই ঃ** দেশৰ ৭৫ স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি আৰম্ভ কৰা অমৃত মহোৎসৱ উদ্‌যাপনৰ অংশ হিচাপে ‘ঘৰে ঘৰে ত্ৰিৰংগা’ কাৰ্যসূচী হাতত ল’বলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহ্বান জনাইছিল। এই আহ্বানৰ প্ৰতি সঁহাৰি জনাই কলিয়াবৰ উন্নয়ন খণ্ডৰ উদ্যোগত এক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। কলিয়াবৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত ১০টা পঞ্চায়তত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ দ্বাৰা ১৮ হাজাৰৰো অধিক পতাকা প্ৰস্তুত কৰাৰ লক্ষ্য বান্ধি লৈছে। সেই লৈ এতিয়া ‘ঘৰে ঘৰে ত্ৰিৰংগা’ অভিযানৰ জৰিয়তে জনগণৰ সম্প্ৰীতিৰ বান্ধোন অধিক শক্তিশালী কৰি ১৩ৰ পৰা ১৫ আগষ্টলৈকে ঘৰত ত্ৰিৰংগা উত্তোলন কৰিবলৈ পতাকা প্ৰস্তুত কৰাত ব্যস্ত কলিয়াবৰৰ কে’বাটাও মহিলা আত্মসহায়ক গোটসমূহ। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ তৎপৰতাত কলিয়াবৰৰ মহিলা আত্মসহায়ক গোটসমূহৰ চাৰিটা পঞ্চায়তৰ নৱপ্ৰদীপ মণ্ডল পৰ্যায়ৰ সংগঠনে চাৰি হাজাৰ ৰাষ্ট্ৰীয় পতাকা প্ৰস্তুতৰ বস্ততা। কলিয়াবৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত ১০টা পঞ্চায়তৰ অন্তৰ্গত বিভিন্ন স্থানত এই ত্ৰিৰংগা বিক্ৰী কেন্দ্ৰ মুকলি কৰা হ’ব। উল্লেখ্য, ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ স্বতন্ত্ৰ অনুষ্ঠান। যি সীমিত পঞ্জীয়ন আইন ১৮৬০ অনুসৰি পঞ্জীকৃত। এই আঁচনিখনৰ মুখ্য উদ্দেশ্য হ’ল অসমৰ গ্ৰামাঞ্চলৰ জনসাধাৰণ আৰ্থ-সামাজিক অৱস্থাৰ উন্নয়ন ঘটোৱা আৰু দৰিদ্ৰতা নিৰ্মূল কৰা। গ্ৰামাঞ্চলৰ দুখীয়া মহিলাসকলৰ আত্মসহায়ক গোট গঠন আৰু পুৰণি আত্মসহায়ক গোটৰ সবলীকৰণ কৰা। আত্মসহায়ক গোটসমূহক সংগঠিত কৰি একো একোটা গ্ৰাম্য সংগঠন, মণ্ডল পৰ্যায়ৰ সংগঠন আৰু খণ্ড পৰ্যায়ৰ সংগঠন গঠন কৰাত সহায় কৰা। উৎপাদনমুখী গোট গঠন কৰি তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহ বিপণনত সহায় কৰা অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ মুখ্য উদ্দেশ্য। উক্ত আঁচনিখনৰ যোগেদি অসমৰ জনসাধাৰণলৈ আগবঢ়োৱা হৈছে যথেষ্ট সা-সুবিধা।

# বিধায়ক পৰমাৰ মুখৰ ফালেই চাই থাকোঁতেই বানত ডুবিল ৰাইজ

### ■ পৰিদৰ্শন কৰি যোৱাৰ পিছতো নকৰিলে একো
### ■ বানত কঁকাল ভাগি পৰা কৃষকৰ মাজত হাহাকাৰ, আলৈ-আহুকাল

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৬ জুলাই ঃ** দৰং জিলাৰ পশ্চিমাঞ্চলৰ মাজেৰে বৈ যোৱা দিমীলা নদীৰ বাঢ়নী পানীয়ে ২০০৪ চনতে দুৰদুৰীয়াৰ সমীপত পূব দিশৰ মথাউৰিটোৰ প্ৰায় পঞ্চাশ মিটাৰ দৈৰ্ঘ্যজুৰি ছিগি পেলায়। যাৰ পাছত আজি সুদীৰ্ঘ সোতৰটা বছৰে বিভাগে মেৰামতি নকৰাকৈয়ে পেলাই থোৱাত দুৰদুৰীয়া, নাওপোটা, চমুখা, বগাচলা, বাঘমাৰা, ঘোপেলী, গোপালপুৰ, পাটগিৰি চুবা, সোণাপুৰকে ধৰি প্ৰায় পোন্ধৰখনমান ৰাজহ গাঁৱৰ কৃষক ৰাইজৰ খেতিপথাৰ বাৰিষা সময়ত নদীখনৰ ওভতনি পানীৰ সোঁতে বিস্তৰ ক্ষতি কৰি আহিছে। মূলতঃ বাৰিষা সময়ত পানীয়ে মাৰি থকাৰ পৰিপ্ৰেক্ষিতত তিনি-চাৰিবাৰকৈ কঠীয়া ৰুয়ো শস্য গোটাব নোৱাৰাৰ বাবে অঞ্চলটোৰ ৯৫ শতাংশ কৃষক ৰাইজ অৰ্থনৈতিকভাৱে দুৰ্বল হৈ পৰিছে। খৰালি কালতো কৃষক ৰাইজে কৃষি বিভাগৰ পৰা বীজ-সাৰ আদি একো নোপোৱাত বজাৰৰ অত্যধিক মূল্যত ৰবিশস্যৰ বীজ-সাৰ কিনিব নোৱাৰি ঘৰৰ পোহনীয়া হাঁহ-কুকুৰা বিক্ৰী কৰি যি পাৰে তাকৰীয়াভাৱে সৰিয়হ, মটৰ, মচুৰ, মাটিমাহ আদিৰ খেতি কৰি কিবা কৰি পৰিয়ালক পোহপাল দি আহিছে। উল্লেখ্য যে প্ৰতি বছৰে মথাউৰিৰ ছিগা অংশৰে বাৰিষা সময়ত নদীৰ বাঢ়নী পানী সোমাই কৃষিজীৱী ৰাইজক নাজল-নাথল খুৱাই অহা ছিগা মথাউৰিৰ অংশখিনি মেৰামতি কৰাৰ বাবে ৰাইজে বিধায়ক, সাংসদ, বিভাগৰ ওচৰত বাৰম্বাৰ আবেদন-নিবেদন, অনুৰোধ কৰি ভাগৰি পৰি বাদ দিবলৈ বাধ্য হৈছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে ২০১৯ চনত তেতিয়াৰ তদানীন্তন বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা চেঙেলীয়াঝাৰত নৈনে নদীৰ বানে ছিগা মথাউৰি পৰিদৰ্শন সময়ত দুৰদুৰীয়া গাঁৱৰ গাঁও বুঢ়াগৰাকীয়ে বিষয়টো মন্ত্ৰীগৰাকীৰ ওচৰত অৱগত কৰাত তেওঁ তাত উপস্থিত থকা মঙলদৈ সংমণ্ডল জলসম্পদ বিভাগৰ অভিযন্তাক ব্যৱস্থা ল’বলৈ নিৰ্দেশ দিছিল। ৰাইজে ভাবিছিল যে স্বয়ং হিমন্ত বিশ্ব শৰ্মাই নিৰ্দেশ দিলে যেতিয়া এইবাৰ মেৰামতি হ’বই। পিছে আজি দুটা বছৰ পাৰ হৈ যোৱাৰ পিছতো তেনেদৰেই নিৰ্দেশ নিৰ্দেশে হৈ থাকিল। ইফালে বিগত বৰ্ষত ৰাজ্যৰ বহু মথাউৰি মেৰামতি হ’ল যদিও বাদ পৰি ৰ’ল মাত্ৰ দুৰদুৰীয়াৰ দিমীলা নদীৰ ছিগা মথাউৰি। ইফালে আজি ওঠৰ বছৰে মথাউৰিৰ ছিগা অংশত বাঁহৰ সাঁকো দি ৰাইজে যাতায়াত অব্যাহত ৰাখিব লগীয়া হৈছে। বিগত পোন্ধৰটা বছৰত তেতিয়াৰ তদানীন্তন ছিপাঝাৰৰ বিধায়ক বিনন্দ কুমাৰ শইকীয়াই ৰাইজৰ মুখ্য সমস্যাটোক লৈ কোনো ব্যৱস্থা গ্ৰহণ নকৰি ৰামঠগন দি বিদায় লোৱাৰ পাছত বৰ্তমানৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে প্ৰায় চাৰিমাহ আগতে দুৰদুৰীয়াৰ দিমীলা নদীৰ বানে ছিগা মথাউৰি পৰিদৰ্শন কৰিছিল। ৰাইজে ভাবিছিল অন্যবোৰতকৈ কথা আৰু আৰু কামত বিকল্প বুলি চৰ্চিত বিধায়কগৰাকীয়ে পৰিদৰ্শন কৰিছে যেতিয়া অন্তত এইবাৰ কিবা এটা হ’ব। ওঠৰ বছৰৰ পিছত হ’লেও বাৰিষা খেতিখিনি কৰাৰ লগতে সুচল হ’ব যাতায়াতৰ পথ। কিন্তু আশ্চৰ্যজনকভাৱে আজিও ৰাইজে মথাউৰি মেৰামতিৰ একো কাৰ্যব্যৱস্থা দেখা নোপোৱাৰ বিপৰীতে বিধায়কৰ মুখৰ ফালে চাই থাকোঁতেই ৰাইজ বানত ডুবি হাবু-দাবু কোৱাই কঁকাল ভাগি পৰিছে। সম্প্ৰতি বানৰ পানী শুকাইছে যদিও বৰষুণ দিলেই পানীত ডুবাৰ ভয়ত টোপনি নাশ হৈ পৰিছে। কিয়নো বৰষুণ দিলে নদীখনৰ পানী বাঢ়িলেই মথাউৰিৰ ভগা অংশৰে নদীৰ ওভতনি পানী সোমাই দুৰদুৰীয়াকে ধৰি অঞ্চলটো বুৰাই পেলায়।



# ধুবুৰীত বিবাহিতা মহিলা স্বামীৰ অধিকাৰৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৬ জুলাই ঃ** ধুবুৰীৰ ঝগৰাৰপাৰ অঞ্চলৰ বাসিন্দা মছৰুন মেহবুবাৰ লগত মেঘালয়ৰ আছকৰ আলীৰ পুত্ৰ ছাহজাহান আলীৰ সৈতে বিগত প্ৰায় তিনি বছৰ পূৰ্বে বিবাহ সম্পন্ন হয় আৰু দুয়োৰে বৈবাহিক জীৱনত সাক্ষী হিচাপে এটি কন্যা সন্তান জন্ম হয়। বিবাহৰ পাছত ডেৰ বছৰ মান দুয়োৰে মাজত সংসাৰখন ঠিকেই চলিছিল। তাৰ পাছত লাহে লাহে তেওঁলোকৰ সংসাৰখনত নামি আহিল অশান্তি। ভুক্তভোগী মহিলাগৰাকীয়ে সাংবাদিকৰ আগত উল্লেখ কৰা মতে তাইৰ স্বামী এজন ভাৰতীয় সেনা বাহিনীত কৰ্মৰত। তেওঁ আৰ্মীৰ চাকৰি কৰিও বিভিন্ন সময়ত যৌতুক বিচাৰি আহিছিল পত্নীৰ ঘৰত। পিছে মেহবুবাৰ পৰিয়ালে যৌতুক নিদিয়াৰ বাবে দুয়োৰে মাজত কাজিয়াৰ সৃষ্টি হৈছিল বুলি অভিযোগ উত্থাপন কৰিলে ভুক্তভোগী মহিলাগৰাকীয়ে। ইয়াৰ উপৰি মেহবুবাৰ অভিযোগ অনুসৰি তেওঁৰ স্বামী ছাহজাহান আলীয়ে বেলেগ ছোৱালী এটাক বিবাহ পাতে। বৰ্তমান ভুক্তভোগী মহিলাগৰাকীয়ে ন্যায়ৰ বাবে বিগত এবছৰ পূৰ্বে ধুবুৰীৰ আদালতত স্বামীৰ বিৰুদ্ধে এটা গোচৰ ৰুজু কৰিছিল যদিও কেইদিন পূৰ্বে ধুবুৰীৰ আদালতৰ সন্মুখত দুয়োৰে মাজত টনা-আঁজোৰা সৃষ্টি হোৱাত আৰক্ষীয়ে ধুবুৰী সদৰ থানালৈ লৈ আহিছিল। দৰাচলতে আজিলৈকে স্বামীৰ পৰা কন্যা সন্তানসহ ভুক্তভোগী মহিলা মেহবুবাই ভৰণ-পোষণ আৰু স্বামীৰ অধিকাৰৰ পৰা বঞ্চিত হৈ আছে। অৱশ্যে এই সংক্ৰান্তত ধুবুৰী আদালতত এটা গোচৰ চলি আছে বুলি জানিবলৈ দিয়ে।

# ৬.৩ নম্বৰ দফা কাৰ্যকৰী কৰিবলৈ বিটিচি অপ্ৰাদেশীকৃত হাইস্কুল শিক্ষক-কৰ্মচাৰী সন্থাৰ দাবী

**দৈনন্দিন বাৰ্তা সেৱা, ভেৰগাঁও, ২৬ জুলাই ঃ** অসম চৰকাৰৰ শিক্ষা মন্ত্ৰীয়ে ১৭ জুলাইতডিইইঅ’ আৰু আইএছসকলৰ সৈতে হোৱা ভাৰ্চুৱেল মিটিঙত অসম চৰকাৰে এতিয়াৰে পৰা কোনোধৰণৰ বিদ্যালয় প্ৰাদেশীকৰণ নহ’ব বুলি যি ঘোষণা কৰিলে তাক তীব্ৰভাৱে বিৰোধিতা কৰিছে সদৌ বিটিচি অপ্ৰাদেশীকৃত হাইস্কুল শিক্ষক-কৰ্মচাৰী সন্থাই। সন্থাই শিক্ষা বিভাগৰ উক্ত প্ৰস্তাৱ কোনোপধ্যেই মানি লোৱা নহ’ব বুলি স্পষ্ট কৰি দিয়ে। আনহাতে বিটিআৰ চুক্তিৰ ৬.৩ নম্বৰ দফাত উল্লেখ আছে যে বিটিআৰ অঞ্চলৰ বিদ্যালয়সমূহ ৰাজ্য চৰকাৰে প্ৰাদেশীকৰণ কৰাৰ কথা উল্লেখ আছে। উক্ত চুক্তিৰ ৬.৩ নম্বৰ দফা কাৰ্যকৰী কৰণৰ বাবে ইতিমধ্যে অসম চৰকাৰৰ শিক্ষা বিভাগেৰ তৎপৰতাত ছেৱাৰ অধ্যক্ষ আৰ চি জৈনৰ অধ্যক্ষতাত চুক্তি স্বাক্ষৰকাৰী এবছু আৰু জাতীয় সংগঠন বড়ো সাহিত্য সভাৰ প্ৰতিনিধিৰ যোৱা ২০২১ চনৰ ১৯ ডিচেম্বৰত এখন ৰিভিঅ’ কমিটী গঠন কৰিছিল আৰু পৰ্যায়ক্ৰমে কলেজৰ পৰা প্ৰাথমিকলৈ বিদ্যালয় প্ৰাদেশীকৰণ তিনি মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ সিদ্ধান্ত আছিল যদিও ইয়াৰ কাৰ্যকৰী নহ’ল বুলি সদৌ বিটিচি অপ্ৰাদেশীকৃত হাইস্কুল শিক্ষক কৰ্মচাৰী সন্থাই এক প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে জানিবলৈ দিয়ে। উল্লেখ্য যে শিক্ষা বিভাগে জোখতকৈ অধিক বিদ্যালয় থকাৰ বাবে প্ৰাদেশীকৰণ কৰিব নোৱাৰি বুলি কোৱা কথাষাৰ বিটিআৰ অথবা ষষ্ঠ অনুসূচীৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় কাৰণ। এতিয়া অপ্ৰাদেশীকৃত হৈ থকা বিদ্যালয়সমূহৰ ১-৪ অংশ বিটিআৰ অঞ্চলৰ, ইয়াৰে ১২৫ খন অপ্ৰাদেশীকৃত হাইস্কুল ১,৩৮২জন শিক্ষক-কৰ্মচাৰীকে ধৰি ৮,০০০ শিক্ষকে বিনা বেতনে ২৫-৩০ বছৰ সেৱা আগবঢ়াই আহিছে বুলি সংগঠনটিয়ে কয়। এবছু আৰু বড়ো সাহিত্য সভাই প্ৰস্তুত কৰা পৰামৰ্শৱলী আৰু শিক্ষকসকলৰ ২০-৩০ বছৰীয়া ত্যাগ আৰু সেৱাক নস্যাৎ কৰি এনে হঠকাৰী সিদ্ধান্তই বিটিআৰ শান্তি চুক্তি উলংঘা কৰাই নহয়, এই অঞ্চলৰ জনসাধাৰণক শিক্ষাৰ পৰা বঞ্চিত কৰিব বিচাৰিছে বুলি কয়। ৰাইজৰ হকে স্বাক্ষৰিত চুক্তি দফাসমূহ কাৰ্যকৰী নকৰাকৈ চৰকাৰৰ শিক্ষা বিভাগে লোৱা এই সিদ্ধান্ত অতি শীঘ্ৰে প্ৰত্যাহাৰ কৰি বিটিআৰ অঞ্চলৰ বিদ্যালয়সমূহ প্ৰাদেশীকৰণ কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সন্থাই দাবী জনোৱাৰ লগতে চুক্তিকাৰী পক্ষক অসম চৰকাৰৰ জবাবদিহি কৰিবলৈ আহ্বান জনায়। আনহাতে, উক্ত চুক্তি সন্দৰ্ভত স্থিতি স্পষ্ট নকৰিলে অনাগত দিনত তীব্ৰ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে, আৰু এই ক্ষেত্ৰত ইয়াৰ বাবে চৰকাৰ দায়ী হ’ব বুলি সদৌ বিটিচি অপ্ৰাদেশীকৃত হাইস্কুল শিক্ষক-কৰ্মচাৰী সন্থাই সংবাদ মাধ্যমক জানিবলৈ দিয়ে।

# অপ্ৰাদেশীকৃত শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণ নকৰাৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰক

### ডিৱাইএফআই আৰু এছএফআই

**দৈনন্দিন বাৰ্তাৰ সেৱা, সৰভোগ, ২৬ জুলাই ঃ** কেবিনেটে এক সিদ্ধান্তযোগে বাকী থকা অপ্ৰাদেশিকীকৃত বিদ্যালয়সমূহৰ শিক্ষক-কৰ্মচাৰীৰ পদ প্ৰাদেশিকীকৰণ নকৰাৰ সিদ্ধান্ত লৈছে। এই সিদ্ধান্ত অবিবেচক, অদূৰদৰ্শী আৰু শিক্ষাবিৰোধী বুলি অভিহিত কৰি ভাৰতৰ গণতান্ত্ৰিক যুৱ ফেডাৰেচন (ডিৱাইএফআই) আৰু ভাৰতৰ ছাত্ৰ ফেডাৰেচন (এছএফআই)ৰ অসম ৰাজ্যিক কমিটীয়ে ইয়াৰ তীব্ৰ বিৰোধিতা কৰিছে। সংগঠন দুটাই এই সিদ্ধান্ত বাতিল কৰি প্ৰাদেশিকীকৰণ প্ৰক্ৰিয়া আগবঢ়াই নিবলৈ দাবী জনাইছে। নিৰ্বাচনৰ পূৰ্বে আৰু চৰকাৰ গঠনৰ পাছতো বিজেপি দল আৰু চৰকাৰে অপ্ৰাদেশিকীকৃত শিক্ষানুষ্ঠানসমূহ প্ৰাদেশিকীকৰণ কৰা হ’ব বুলি ঘোষণা কৰি আহিছে। কিন্তু চৰকাৰে চৰম প্ৰতাৰণা কৰি প্ৰাদেশিকীকৰণ কৰিবলৈ অনুষ্ঠানিকভাৱে অস্বীকাৰ কৰিছে। ইয়াৰ ফলত ২,৬৫৯খন অপ্ৰাদেশিকীকৃত শিক্ষানুষ্ঠানৰ প্ৰায় ২৩,৯১০জন শিক্ষক-কৰ্মচাৰীৰ ভৱিষ্যৎ জীৱন অনিশ্চিত হৈ পৰাৰ লগতে লক্ষাধিক ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক জীৱনো অনিশ্চয়তাৰ মাজত সোমাই পৰিছে। এটা কথা নিশ্চিত যে অপ্ৰাদেশিকীকৃত শিক্ষানুষ্ঠানৰ বেছি সংখ্যকেই গ্ৰামাঞ্চল, স্বায়ত্তশাসিত এলেকা, চৰ অঞ্চল আদিত অৱস্থিত। চৰকাৰী শিক্ষা ব্যৱস্থাই ঢুকি নোপোৱা এই অঞ্চলসমূহত ৰাইজে শিক্ষা বিস্তাৰৰ বাবে এনে অপ্ৰাদেশিকীকৃত শিক্ষানুষ্ঠানসমূহ স্থাপন কৰিছিল। ইমান দিনে অসমৰ শিক্ষা বিস্তাৰৰ ক্ষেত্ৰত অপ্ৰাদেশিকীকৃত শিক্ষানুষ্ঠানসমূহে গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। এনে অৱস্থাত চৰকাৰৰ কেবিনেটে লোৱা হঠকাৰী সিদ্ধান্তই কেৱল শিক্ষক-কৰ্মচাৰীকে ক্ষতি কৰাৰ লগতে সামগ্ৰিকভাৱে ৰাজ্যখনৰ শিক্ষাৰ ক্ষেত্ৰত গুৰুতৰ প্ৰভাৱ পেলাব। অসম চৰকাৰে নিজৰ সকলো প্ৰতিশ্ৰুতি ভংগ কৰি প্ৰাদেশিকীকৰণৰ নামত বহু শিক্ষকক টিউটৰৰ মৰ্যাদালৈ অৱনমিত কৰিছে। এয়া এক ডাঙৰ অপমান আৰু অন্যায় বুলি বিবেচিত হৈছে। ডিৱাইএফআই আৰু এছএফআয়ে অসম চৰকাৰৰ এই ভেঁকো-ভাওনা আৰু প্ৰতাৰণা আতৰ কৰি শীঘ্ৰে প্ৰাদেশিকীকৰণৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে।



সাংস্কৃতিক সমিতিৰ গুৱাহাটীত অনুষ্ঠিত শাস্ত্ৰীয় সংগীতানুষ্ঠানত আকাশবাণীৰ স্বীকৃতিপ্ৰাপ্ত শিল্পী নিকেতন দাসক সম্বৰ্ধনা জনোৱাৰ মুহূৰ্তত।

# কোচ-ৰাজবংশী নৃত্য-গীতৰ কৰ্মশালাৰ

**দৈনন্দিন বাৰ্তা সেৱা, ধুবুৰী, ২৬ জুলাই ঃ** ধুবুৰীৰ চিলাৰায় মহাবিদ্যালয়ত কোচ-ৰাজবংশী ফ’ক কালচাৰেল একাডেমীৰ উদ্যোগত আজিৰে পৰা পাঁচদিনীয়া কোচ-ৰাজবংশী লোকগীত আৰু গোৱালিনী নৃত্যৰ কৰ্মশালা আৰম্ভ হয়। গোৱালিনী নৃত্যৰ প্ৰশিক্ষক হিচাপে থাকে ভুৱন চন্দ্ৰ ৰায় কুষাণী আৰু সহযোগী প্ৰশিক্ষকৰ দায়িত্বত থাকে মাকনি ৰায়। গীতৰ প্ৰশিক্ষকৰ দায়িত্বত থাকে বাবলু চন্দ্ৰ ৰায় আৰু সহযোগী প্ৰশিক্ষক হিচাপে থাকে মায়াৰাণী ৰায়। কৰ্মশালা পৰিচালনা কৰে একাডেমীৰ সভাপতি প্ৰবীৰ কুমাৰ সৰকাৰ, সাধাৰণ সম্পাদক অনুকূল চন্দ্ৰ ৰায়কে ধৰি বাকী কৰ্মকৰ্তাসকল। ৩১ জুলাইত সামৰণী অনুষ্ঠান অনুষ্ঠিত হ’ব বুলি একাডেমীৰ মুখ্য প্ৰচাৰ সম্পাদক প্ৰদীপ কুমাৰ সেনে জানিবলৈ দিয়ে।

# দুৰ্ঘটনাত শৰীৰ বিকল হোৱা বন বণিয়াই কটাইছে দুৰ্বিষহ জীৱন

## ৰজাঘৰীয়াৰ পৰা ৮ বছৰে নাপালে আৰ্থিক সাহায্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, দিপীলা, ২৬ জুলাই ঃ** ছিপাঝাৰ সমষ্টিৰ চকীয়াপাৰা এটা পৰিয়ালৰ মৰ্মান্তিক, কৰুণ, হৃদয়বিদাৰক ঘটনা। দিন হাজিৰা কৰা বন বণিয়া নামৰ লোকজনৰ আশা আছিল ৫জনীয়া পৰিয়ালটিক সুখেৰে ৰখাৰ। সেয়ে বিদ্যুৎ বিভাগৰ কোম্পানীত হাজিৰা কাম কৰি সুখেৰে চলাইছিল সংসাৰ। কিন্তু হঠাৎ প্ৰায় ৮ বছৰ পূৰ্বে এদিন



বিদ্যুতৰ খুঁটাত কাম কৰি থকা অৱস্থাত সংঘটিত হ’ল দুৰ্ঘটনা। প্ৰায় ৮ বছৰে বিভিন্ন চিকিৎসালয়ত চিকিৎসা কৰিও আৰোগ্য লাভ নকৰিলে বন বণিয়াই। ঘৰখনৰ উপাৰ্জনকাৰী বন বণিয়াৰ পৰিয়ালটি ভাগৰি পৰিল চিকিৎসালয়ত ধন ব্যয় কৰি। মানুহক মাতসাৰ দিয়াৰ বাহিৰে শৰীৰৰ সকলো অংগ এতিয়া বিকল। সেয়ে তৃতীয় শ্ৰেণীত পঢ়ি থকা পুত্ৰ, অষ্টম শ্ৰেণীত পঢ়ি থকা কন্যা, ৰুগীয়া মাতৃ আৰু পত্নীক ভৰণ-পোষণ দিবলৈ বন বণিয়াই আৰম্ভ কৰিলে আন এটা সংগ্ৰাম। মঙলদৈ-মাজিকুছি পথৰ চকীয়াপাৰাত আৰম্ভ কৰিলে এখন সাধাৰণ অস্থায়ী দোকান। পুত্ৰ, কন্যা আৰু পত্নীয়ে সদায় এখন ট্ৰাইচাইকেলত বন বণিয়াক সেই দোকানখনলৈ লৈ আহি দোকানখনৰ যাৱতীয় কাম-কাজ কৰি দি পুনৰ সন্ধিয়া ঘৰলৈ লৈ যায় বন বণিয়াক। দোকানত শুই থকাৰ বাহিৰে একো কৰিব নোৱাৰা বণ বনিয়াৰ দোকানত গ্ৰাহকে নিজে সামগ্ৰী লোৱাৰ উপৰিও সামগ্ৰীৰ মূল্যও গ্ৰাহকে এটি মোনাত দি থৈ আহিব লাগে। সাধাৰণ দোকানখনৰ পৰা যি ৫০-৬০ টকা পাই সেই ধনেৰে চলাই আছে পৰিয়ালটি। স্থানীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশীক স্থানীয় যুৱকৰ জৰিয়তে আৰ্থিক সাহায্যৰ বাবে অনুৰোধ জনাইছিল যদিও কেৱল আশ্বাস প্ৰদান কৰিয়ে দায়িত্ব সামৰিলে বিধায়কগৰাকীয়ে। বন বণিয়াই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী আৰু ৰাইজলৈ হাতযোৰ কৰি কাতৰ আহ্বান। মোৰ অষ্টম শ্ৰেণীত পঢ়ি থকা ছোৱালীজনী আৰু তৃতীয় শ্ৰেণীত পঢ়ি থকা পুত্ৰ আৰু ৰুগীয়া মাতৃৰ বাবে মোক আৰ্থিকভাৱে সহায় কৰক। আপুনিও যদি এই পৰিয়ালটিক সহায় কৰিব বিচাৰে তেনেহ’লে বন বনিয়াৰ এছবিআই টংলা শাখাত থকা ৪০০৯৪১৭৫৯১৬ নম্বৰৰ একাউণ্টত সহায় কৰিব পাৰে সহায়। আইএফএছচি ক’ড এছবিআইএনঅ’০০৭১১৮। আনহাতে, পৰিয়ালটিৰ লগত যোগাযোগ কৰিব পাৰে ৮০৯৯৫৭৭৮৭২ নম্বৰত। আপোনাৰ অলপমান সহানুভূতিয়ে বন বণিয়াৰ লগতে দুটি শিশুৱে লাভ কৰিব জীয়াই থকাৰ প্ৰেৰণা আৰু সাহস।

# গোলকগঞ্জত অগ্নিবীৰৰ প্ৰাক্ নিযুক্তি প্ৰশিক্ষণ প্ৰক্ৰিয়াৰ লিখিত পৰীক্ষা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৬ জুলাই ঃ** দেশমাতৃৰ সুৰক্ষা, স্বাৱলম্বন আৰু একতাৰ লক্ষ্যৰে অবিৰত কৰ্মৰত অৰাজনৈতিক স্বেচ্ছাসেৱী সংগঠন সীমান্ত চেতনা মঞ্চ, পূৰ্বোত্তৰৰ ধুবুৰী জিলা সমিতিৰ উদ্যোগত আজি গোলকগঞ্জস্থিত জিলা শৈক্ষিক আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানত কেন্দ্ৰীয় চৰকাৰৰ অগ্নিপথ আঁচনিৰ অগ্নিবীৰৰ প্ৰাক নিযুক্তি প্ৰশিক্ষণ প্ৰক্ৰিয়াৰ লিখিত পৰীক্ষা অনুষ্ঠিত হয়। উক্ত লিখিত পৰীক্ষাত প্ৰায় ডেৰ শতাধিক পৰীক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। স্মৰ্তব্য যে ২৬, ২৭ আৰু ২৮ জুনত সীমান্ত চেতনা মঞ্চ, পূৰ্বোত্তৰৰ উদ্যোগত ৰাজ্যৰ প্ৰতিখন জিলাৰ সমান্তৰালকৈ ধুবুৰী জিলাতো পেষ্টাৰঘাট মেলা খেলপথাৰত উক্ত অগ্নিপথ আঁচনিৰ প্ৰাক নিযুক্তি প্ৰশিক্ষণ শিবিৰৰ শাৰীৰিক প্ৰশিক্ষণত ২৫০শতাধিক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰিছিল। আজি উক্ত যুৱক-যুৱতীসকলৰ ১৫০ শতাধিক প্ৰশিক্ষাৰ্থীয়ে লিখিত পৰীক্ষাত অংশগ্ৰহণ কৰে। মঞ্চৰ ৰাজ্যিক আৰু জিলাস্তৰৰ কে’বাগৰাকী কাৰ্যকৰ্তাৰ লগতে প্ৰশিক্ষকসকল উক্ত কাৰ্যক্ৰমত উপস্থিত থাকে।



### ■ বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানত পৰ্যটকৰ ৰাজহ বৃদ্ধি
### ■ বৃহত্তৰ মানাহ সংৰক্ষণ আৰু পৰ্যটন উন্নয়ন সমাজৰ সংবাদ মেল

# ধাৰাবাহিক আন্দোলনৰ ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, শালবাৰী, ২৬ জুলাই ঃ** মানাহৰ পৰ্যটন ক্ষেত্ৰত বিভিন্ন মাচুল বৃদ্ধিৰ সিদ্ধান্তক কেন্দ্ৰ কৰি অব্যাহত আছে ধাৰাবাহিক আন্দোলন। বৃহত্তৰ মানাহ সংৰক্ষণ আৰু পৰ্যটন উন্নয়ন সমাজৰ উদ্যোগত পুনৰ আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰা হৈছে। আজি মানাহৰ চিখ্ৰী ল’জত এক সংবাদ মেল সম্বোধন কৰি পুনৰ ধাৰাবাহিক আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰে বৃহত্তৰ মানাহ সংৰক্ষণ আৰু পৰ্যটন উন্নয়ন সমাজে। উল্লেখ্য, দেশী পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰৱেশ মাচুলকে ধৰি বিভিন্ন মাচুল বৃদ্ধিক লৈ সৰৱ হৈ পৰিছে ৰাষ্ট্ৰীয় উদ্যানখনৰ হোটেল এছ’চিয়েচন, জীপ চাফাৰী সন্থা, আছু, এবছু, আছা, আক্ৰাছু, এবিএমছুকে ধৰি পোন্ধৰটাকৈ সংগঠন। ৰাজহ বৃদ্ধিৰ জাননী প্ৰচাৰ হোৱাৰ পিছতে পোন্ধৰটাকৈ দল-সংগঠনৰ উমৈহতীয়া মঞ্চ ‘বৃহত্তৰ মানাহ সংৰক্ষণ আৰু পৰ্যটন উন্নয়ন সমাজ’ গঠন কৰি ইতিমধ্যে বাঁহবাৰী, ভূঞাপাৰা আৰু পাণবাৰী বনাঞ্চলিক কাৰ্যালয়ৰ সন্মুখত বহি ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। ইয়াৰ পিছতো গা লৰা নাই বিভাগীয় কৰ্তৃপক্ষৰ। যাৰ পৰিপ্ৰেক্ষিতত আজি সংবাদ মেলযোগে পুনৰ ধাৰাবাহিক আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰে বৃহত্তৰ মানাহ সংৰক্ষণ আৰু পৰ্যটন উন্নয়ন সমাজৰ সভাপতি বুবুল নাথকে ধৰি সংগঠনটোৰ বিষয়ববীয়ায়। কাৰ্যসূচী অনুসৰি, কাইলৈ অৰ্থাৎ ২৭ জুলাইত বাঁহবাৰী বনাঞ্চলিক কাৰ্যালয়ৰ সন্মুখত পুত্তলিকা দাহ, ২৮ জুলাইত গণ আন্দোলন-মুণ্ডন, ১ আগষ্টত ২৪ ঘণ্টীয়া অৱস্থান ধৰ্মঘট, ৪ আগষ্টত ফাতেমাবাদ চাহ বাগিচাৰ পৰা মানাহৰ দ্বিতীয় প্ৰৱেশদ্বাৰলৈ প্ৰতিবাদী সমদল, ৬ আগষ্টত চাইকেল সমদল, ৮ আগষ্টত মৌন সমদল, ১০ আগষ্টত জোঁৰ সমদল আৰু ১২ আগষ্টত ক্ষেত্ৰ সঞ্চালকৰ কাৰ্যালয় ঘেৰাও কাৰ্যসূচী ঘোষণা কৰিছে বৃহত্তৰ মানাহ সংৰক্ষণ আৰু পৰ্যটন উন্নয়ন সমাজৰ নেতৃবৃন্দই।

কেনৰা বেংক Canara Bank — সিণ্ডিকেট Syndicate
ফাঁচী বজাৰ শাখা
১৪এ, হেম বৰুৱা ৰোড, গুৱাহাটী-৭৮১০০১
ফোন : ০৩৬১-২৭৩৪৪৯৩, ২৫৪২৫৫০
ইমেইল : cb0177@canarabank.com

দখল জাননী [চাৰফেইচি আইন, ২০০২ৰ ধাৰা ১৩(৪)]
(স্থাৱৰ সম্পত্তিৰ বাবে)

যিহেতু:
নিম্নস্বাক্ষৰকাৰীয়ে কানাড়া বেংকৰ অনুমোদিত বিষয়া হিচাপে, বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ কাৰ্যকৰীকৰণ আইন, ২০০২ (২০০২ৰ আইন ৫৪)ৰ অধীনত আৰু প্ৰতিভূতি স্বাৰ্থৰ (কাৰ্যকৰীকৰণ) আইন, ২০০২ৰ ১৩(১২) অনুচ্ছেদৰ অধীনত ৰুল ৩ পঢ়ি, তেওঁৰ ওপৰত প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি ঋণী **মেচাৰ্চ খুশবু এগ্ৰো ইণ্ডাষ্ট্ৰীজ, স্বত্বাঃ - অশোক কুমাৰ ছোৰাৰীয়া**ক দাবী জাননীত উল্লেখ কৰা পৰিমাণৰ ধনৰাশি **৫৪,০৫,৯২৬.৪০ টকা (চৌৱন্ন লাখ পাঁচ হাজাৰ নশ ছাব্বিছ আৰু চল্লিশ পইচা মাত্ৰ)** উক্ত জাননী লাভ কৰা তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত পৰিশোধ কৰিবলৈ আহ্বান জনাই **১৭/০১/২০২২** তাৰিখে দাবী জাননী জাৰি কৰিছিল।
ঋণী/জামিনদাৰে ওপৰোক্ত পৰিমাণৰ ধনৰাশি পৰিশোধ কৰিবলৈ সক্ষম নোহোৱাৰ পৰিপ্ৰেক্ষিতত ইয়াৰ দ্বাৰা ঋণী/জামিনদাৰ আৰু সাধাৰণ ভাৱে ৰাইজৰ জ্ঞাতাৰ্থে জনোৱা হ’ল যে নিম্নস্বাক্ষৰকাৰী বিষয়াই উক্ত আইনৰ ১৩(৪) অনুচ্ছেদৰ লগতে ৰুল ৮ আৰু ৯ পঢ়ি ইয়াৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি **২১ জুলাই, ২০২২** তাৰিখে তলত উল্লেখ কৰা সম্পত্তিৰ দখল কৰে।
বিশেষকৈ ঋণী/জামিনদাৰসকল আৰু সাধাৰণ ভাৱে ৰাইজক উক্ত সম্পত্তিৰ ক্ৰয়-বিক্ৰয় কাৰ্যকলাপত জড়িত নহ’বলৈ ইয়াৰ দ্বাৰাই সকীয়াই দিয়া হ’ল আৰু এনে ধৰণৰ যিকোনো ক্ৰয়-বিক্ৰয় লেনদেন কেৱল কানাড়া বেংকে পাবলগীয়া ধন **৫৪,০৫,৯২৬.৪০ টকা (চৌৱন্ন লাখ পাঁচ হাজাৰ নশ ছাব্বিছ আৰু চল্লিশ পইচা মাত্ৰ)** আৰু তাৰ ওপৰত সুদ আদায় দিয়াৰ চৰ্ততহে কৰিব পৰা যাব।
উক্ত আইনৰ ধাৰা ১৩ (৮)ৰ ব্যৱস্থা মতে সুৰক্ষিত সম্পত্তিসমূহ উপলভ্য সময়ৰ ভিতৰত উদ্ধাৰ কৰাৰ বাবে ঋণীৰ জামিনদাৰৰ দৃষ্টি আকৰ্ষণ কৰা হ’ল।

স্থাৱৰ সম্পত্তিৰ বিৱৰণ
অশোক কুমাৰ ছোৰাৰীয়াৰ নামত গাঁও - জৰডাঙা ১ম অংশ, চক্ৰ- মানকাছাৰ, থানা - মানকাছাৰ, উপ পঞ্জীয়ন :- হাতসিঙ্গীমাৰী, জিলা - ধুবুৰী, ৰাজ্য - অসমত অৱস্থিত দাগ নং ৮২২ (পুৰণি) ১৩১০ (নতুন), কে. পি. পট্টা নং ২৪৬ (পুৰণি) ৪৪৯ (নতুন) ৰে আগুৱা ১ (এক) বিঘা ১ (এক) কঠা পৰিমাপৰ মাটিৰ সৈতে বিল্ডিং। মাটিৰ চাৰিসীমা:- উত্তৰে: জায়ৰুল হ’ক / ১৫ ফুট বহল প্ৰৱেশ পথ, দক্ষিণে: ছাইবৰ ৰহমান, পূবে: ছাইবৰ ৰহমান, পশ্চিমে: গড়কাপ্তানী পথ / পুখুৰী।

তাৰিখ ঃ ২১/০৭/২০২২
স্থান ঃ গুৱাহাটী
অনুমোদিত বিষয়া
কানাড়া বেংক

ৰাণিং কক্ষৰ দৈনিক ৰক্ষণাবেক্ষণ
ই-নিবিদা জাননী নং. এছআৰ. ডিইই/এলএমজি/০৯ অফ ২০২২-২৩ তাৰিখঃ ২২-০৭-২০২২। নিম্নলিখিত কৰ্মৰ হেতু নিম্নস্বাক্ষৰকাৰীয়ে ই-নিবিদা আহ্বান কৰিছেঃ **নিবিদা নং. ইএল/এলএম/২২-২৩/অ’পি/০১। কামৰ নামঃ** ০২ বছৰৰ এক সময়সীমাৰ বাবে (৭৩০ দিন) লামডিং, শিলঘাট টাউন, মৈৰাবাৰী আৰু চাপৰমুখ জংচন স্থিত বিশ্ৰাম কক্ষৰ ৰাণিং ৰুমৰ বাবে দৈনিক ৰক্ষণাবেক্ষণ সহিত পৰিস্কাৰকৰণ, আহাৰ প্ৰস্তুতকৰণ আৰু পৰিৱেশন, লীনেনৰ সংগ্ৰহ/ বিতৰণ, লামডিং ক্ৰু লবীত ক্ৰু বুকিঙৰ বাবে তত্বাৱধায়ক ও ক্ৰু কল মেনৰ ব্যৱস্থা কৰা। **নিবিদা মূল্যঃ** ১,৬৫,৭৫,৯৩৯.৬৪ টকা। **আমানত ধনঃ** ২,৩২,৯০০/- টকা। **ই-নিবিদা বন্ধৰ তাৰিখ আৰু সময়ঃ** ১৩-০৮-২০২২ তাৰিখে ১১.০০ বজাত **আৰু খোলা হবঃ** ১৩-০৮-২০২২ তাৰিখে ১১.৩০ বজাৰ পিছত। উপৰোক্ত ই-নিবিদাৰ নিবিদা প্ৰ-পত্ৰৰ সৈতে সম্পূৰ্ণ তথ্য অহা ১৩-০৮-২০২২ তাৰিখৰ ১১.০০ বজা পৰ্যন্ত www.ireps.gov.in ৱেবচাইটত উপলব্ধ থাকিব।
জ্যেষ্ঠ ডিইই/লামডিং
উত্তৰ পূব সীমান্ত ৰে’লৱে
“হাঁহিমুখে গ্ৰাহকলৈ সেৱা”

NEMCARE Group of Institutions
Approved by: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam
ADMISSION OPEN FOR 2022-23
OUR COURSES
❖ B Pharm ❖ BSc Nursing
❖ D Pharm ❖ GNM
❖ B Pharm (Lateral)
❖ Master in Hospital Administration
CALL NOW
Scholarship Available
Education Loan Facilities Available
98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125


দৈনন্দিন বাৰ্তা — জাতি, মাটি আৰু দেশৰ সেৱাত

সম্পাদকীয়

২৭ জুলাই ■ ২০২২ ■ ১০ শাওণ

# মহানগৰীত প্লাষ্টিক নিষিদ্ধকৰণত চৰকাৰে বলিষ্ঠ পদক্ষেপ লওক

বিজেপি চৰকাৰৰ আগত কংগ্ৰেছ দলে কেইবা বৰ্ষ ধৰি ৰাজত্ব কৰি থকাৰ দিনৰ পৰাই অসমত প্লাষ্টিক ব্যৱহাৰক লৈ বিভিন্ন ধৰণৰ বাতৰি সংবাদ মাধ্যমত প্ৰকাশ হৈ আহিছে। নগৰখন পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ ওপৰত বহু আলোচনা-বিলোচনা হৈ থকাৰ কথাও বাতৰিত প্ৰকাশ পাই আহিছে। স্বাস্থ্য বিভাগৰ ফালৰ পৰাও এইক্ষেত্ৰত সময়ে সময়ে সতৰ্কবাণী শুনাই আহিছে আৰু পৰিৱেশ-পৰিস্থিতিয়ে নগৰখনত জটিলতাৰ সৃষ্টি কৰি আহিছে সেয়াও সকীয়াই দি আহিছে। অথচ সাম্প্ৰতিক গুৱাহাটী মহানগৰীৰ বাবে প্লাষ্টিক প্ৰদূষণৰ সমস্যাটো সমাধানৰ সূত্ৰ বাহিৰ নোহোৱা বাবে ই এটি উল্লেখনীয় সমস্যা হৈয়ে আছে। এইক্ষেত্ৰত চৰকাৰক কেৱল দোষাৰোপ কৰিয়ে জনসাধাৰণে দায় সাৰিব বিচৰা কথাটোৱে সমস্যাটোৰ জটিল ৰূপ ধাৰণ কৰিছে। কাৰণ এইক্ষেত্ৰত জনসাধাৰণে নিজে সৃষ্টি কৰা সমস্যাত নিজে ভুগিবলগীয়া হৈছে। লক্ষণীয় কথাটো হৈছে নগৰবাসীয়ে জলাশয়, জান আদিত ঘৰলৈ অনা প্লাষ্টিকৰ মোনা আদি ব্যৱহাৰৰ পিছত নিক্ষেপ কৰে ঘৰৰ বাহিৰত থকা এইবোৰ ঠাইলৈ, যাৰ বাবে এইবোৰ প্ৰতিক্ৰিয়া হিচাপে বিষক্ৰিয়া হৈ নানা বিধ জলজ প্ৰাণীকে ধৰি জলজ উদ্ভিদ মৃত্যুমুখত পৰি অহা পৰিলক্ষিত হৈ আহিছে আৰু তাক সকলোৱেই প্ৰত্যক্ষ নকৰাও নহয়। নগৰখনত বিভিন্ন অঞ্চলত স্থাপিত হোৱা ৰাজহুৱা স্থানৰ অনুষ্ঠানতো সৌন্দৰ্যৰ বাবে স্থাপন কৰা পুখুৰী আদিতো মাছত খাবলৈ দিয়া প্লাষ্টিকৰ বেগত দিয়া বস্তুবোৰেৰে পেকেট আদি বস্তুৰে সৈতে পানীলৈ দলিয়াই পেলাই দিয়ে। আনকি ধৰ্মীয় অনুষ্ঠানবোৰতো দৰ্শনৰ পিছত সেইবোৰ নলা-নৰ্দমাত পেলাই অশোভনীয় পৰিস্থিতিৰ সৃষ্টি কৰি অহা দেখা যায়। বহু মন্দিৰ দৰ্শন কৰি দৰ্শনাৰ্থীবিশেষে প্লাষ্টিকৰ বেগ, পানীৰ বটল আদি পেলাই থৈ অহা পৰিলক্ষিত হয়। এইসকল লোকে কিন্তু মন্দিৰ পৰিচালনা সমিতি বা চৰকাৰে ব্যৱহাৰৰ বাবে ডাষ্টবিনৰ উপযুক্ত ব্যৱস্থা কৰি ৰখা আনকি পৰিষ্কাৰৰ বাবে ব্যৱস্থা ৰখা সত্ত্বেও বহুতে তালৈ ভ্ৰূক্ষেপ নকৰি সৌন্দৰ্যত ব্যাঘাত কৰাহে লক্ষ্য দেখা যায়। চৰকাৰ তথা পৰিচালনা সমিতিবোৰে এইবোৰ সামগ্ৰী নেপেলাবৰ বাবে সাৱধান বাণী লিখি ফলক আঁৰি থোৱাৰ পিছতো এনে কাৰ্য কৰা অশোভনীয়ই নহয় দুৰ্ভাগ্যজনকো। পৰিতাপৰ কথা এয়ে যে, জনসাধাৰণ যদি এইক্ষেত্ৰত সচেতন নহয়, তেন্তে চৰকাৰে বা প্ৰশাসনে আৱশ্যক হ'লে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লগা হ'লেও তাত আপত্তি কৰাৰ থল থাকিব নোৱাৰে। উল্লেখ্য যে মহানগৰীখনত এবা-ধৰাকৈবানপানীয়ে কেইবাবাৰো একেটা বৰ্যতে সমস্যাৰ সৃষ্টি কৰি বহু অঞ্চলত পানীত উটি-ভাহি প্লাষ্টিকৰ বটল, বেগ আদিয়ে অঞ্চল জুৰি ৰুদ্ধ পৰিৱেশৰ সৃষ্টি কৰি আহিছে। নগৰখনত জাবৰ নিষ্কাশনৰ ব্যৱস্থা থকাৰ পিছতো অনেকে সময় মতে নিষ্কাশনৰ কৰ্মীৰ হাতত নিদিয়ে, অথচ সেইবোৰ পথৰ দাঁতিত থোৱা সমূহীয়া ডাষ্টবিনত পেলোৱাৰো ব্যৱস্থা নকৰে। তাৰ পৰিৱৰ্তে নলা-নৰ্দমা আদিত পেলোৱাহে দেখা যায়, যিয়ে সময়ত নলা-নৰ্দমা বন্ধ কৰি পেলায়। এইক্ষেত্ৰত চৰকাৰৰ উদাসীন মনোভাৱে সমস্যা জটিল কৰি পেলাইছে। মন কৰিবলগীয়া কথা যে কেইবাখনো চৰকাৰে মহানগৰৰ সৌন্দৰ্যবৰ্ধনৰ বাবে নিৰ্বাচনৰ আগে আগে আখৈ ফুটোৱা শ্ল'গানেৰে নগৰবাসীক ভৰলু, বাহিনী, কালমণি নদীৰ দুয়োপাৰ সৌন্দৰ্যবৰ্ধনেৰে নগৰখন সজাই তোলাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে যদিও নিৰ্বাচনৰ পিছত এইবোৰ প্ৰতিশ্ৰুতি ফাইলতে আবদ্ধ হৈ থাকে। জনসাধাৰণৰ অভিযোগবোৰ ৰঙা ফিতাৰ ফাইলতে আবদ্ধ কৰি ৰাখে। এনে কাৰণতেই নদীকেইখনৰ দুয়োপাৰ পানীয়ে ওপচাই পেলোৱাৰ লগতে প্লাষ্টিকবোৰে নলা-নৰ্দমাৰ উপৰি পানীৰ পাইপো বন্ধ কৰি পেলায় আৰু বহু অঞ্চলৰ আৱাসীৰ ঘৰত পানী সোমাই পৰিৱেশ-পৰিস্থিতি জটিল কৰি তোলে। চৰকাৰে ইয়াৰ বাবে গুৰুত্ব প্ৰদান কৰিলেও কাৰ্যকৰী ব্যৱস্থা লোৱা পৰিলক্ষিত হোৱা নাই। অৱশ্যে প্ৰশাসনে এইক্ষেত্ৰত প্লাষ্টিকৰ বিবিধ সামগ্ৰী নিষিদ্ধঘোষণা কৰিছে যদিও ব্যাপকভাৱে তাৰ বিপক্ষে আইনী ব্যৱস্থা গ্ৰহণ নকৰাৰ বাবে সমস্যাটোৰ সমাধান হোৱা নাই। আৱশ্যক হ'লে আইন সংশোধনেৰে হ'লেও ইয়াৰ ব্যৱস্থা গ্ৰহণ কৰি সমস্যাটোৰ সমাধান কৰাটো অতি আৱশ্যক। এনে নিষিদ্ধকৰণৰ বাবে প্ৰশাসন কঠোৰ হোৱা অতি জৰুৰী।



## সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

### দ্ৰৌপদী মুৰ্মু ঃ জনজাতীয় সম্প্ৰদায়ৰ প্ৰথম মহিলা ৰাষ্ট্ৰপতি

দেশত ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বাধীন ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মিত্ৰজোঁটে ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে আগবঢ়োৱা প্ৰথম মহিলা আদিবাসী নেত্ৰী দ্ৰৌপদী মুৰ্মু। ১৯৫৮ চনৰ ২০ জুনত ওড়িশাৰ ময়ূৰভঞ্জ জিলাৰ বাইদাপোছি গাঁৱত জন্মগ্ৰহণ কৰে দ্ৰৌপদী মুৰ্মু। উল্লেখ্য যে, তেখেত জনজাতীয় সন্থাল পৰিয়ালৰ এগৰাকী মহিলা। তেখেতৰ পিতৃৰ নাম বিৰঁচী নাৰায়ণ টুডু। 'দ্য আছাম ট্ৰিব'লৰ' প্ৰেছ বিবৃতি অনুসৰি জানিব পাৰিছোঁ। তেখেতৰ ৰাজনৈতিক, সাংসাৰিক আৰু পাৰিবাৰিক লগতে ব্যক্তিগত জীৱন অত্যন্ত বেদনাদায়ক। স্বামীৰ মৃত্যুৰ পিছত হেৰুৱাইছিল দুই পুত্ৰকো। উল্লেখ্য যে, দ্ৰৌপদী মুৰ্মুৱে শ্যামচৰণ মুৰ্মুৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল আৰু তেওঁলোকৰ তিনি সন্তান আছিল (দুজন পুত্ৰ আৰু এগৰাকী কন্যা)। কিন্তু, দ্ৰৌপদী মুৰ্মুৰ ব্যক্তিগত জীৱন অত্যন্ত ট্ৰেজেডীৰে ভৰা আৰু তেওঁ স্বামী আৰু দুয়ো পুত্ৰক অগা-পিছাকৈ হেৰুৱাবলগীয়া হৈছিল। তেওঁৰ কন্যা তীশ্ৰীৰ বিবাহ হৈছে গণেশ হেমব্ৰমৰ সৈতে। মনত দুৰ্বাৰ বিষাদে ভৰা একাগ্ৰতা, ইচ্ছা, আকাংক্ষা, সফলতাৰ মাৰ্গ দৰ্শনত আজি ৰাজনৈতিক প্ৰেক্ষাপটত প্ৰথম জনজাতীয় সম্প্ৰদায়ৰ মহিলা ৰাষ্ট্ৰপতি হিচাপে পৰিগণিত দ্ৰৌপদী মুৰ্মু। বহু প্ৰত্যাহ্বান আৰু সকলো অসুবিধা অতিক্ৰম কৰি হাৰ নামানি ভুৱনেশ্বৰৰ ৰামাদেৱী মহিলা মহাবিদ্যালয়ৰ পৰা কলা শাখাত স্নাতক ডিগ্ৰী লাভ কৰে। ইয়াৰ পিছত তেওঁ ওড়িশা চৰকাৰৰ জলসিঞ্চন আৰু বিদ্যুৎ বিভাগত কনিষ্ঠ সহায়ক অৰ্থাৎ কেৰাণী হিচাপে চাকৰি লাভ কৰে। পৰৱৰ্তী সময়ত তেওঁ ৰাইৰাংপুৰৰ শ্ৰীঔৰোবিন্দো অখণ্ড শিক্ষা কেন্দ্ৰত অনাৰেৰী সহকাৰী শিক্ষক হিচাপেও কাম কৰে। তাৰ পিছত ২০০০ চনত ওড়িশা চৰকাৰৰ মন্ত্ৰী হয়। ২০০৭ চনত ওড়িশা বিধানসভাই দ্ৰৌপদী মুৰ্মুক বছৰৰ শ্ৰেষ্ঠ বিধায়কৰ নীলকণ্ঠ বঁটা প্ৰদান কৰিছিল। উল্লেখ্য যে, পূৰ্বে বিজু জনতা দলে বিজেপিৰ সৈতে সম্পৰ্ক ভংগ কৰাৰ পিছতো ২০০৯ চনত ৰাইৰাংপুৰৰ দুবাৰৰ বিধায়ক দ্ৰৌপদী মুৰ্মুৱে বিধানসভাৰ আসন লাভ কৰিছিল। ২০১৫ চনৰ ১৮ মে'ত ঝাৰখণ্ডৰ নৱম ৰাজ্যপাল হিচাপে নিযুক্তি লাভ কৰিছিল। পৰৱৰ্তী পৰ্যায়ত ২০২২ বৰ্ষত তেওঁ স্বাধীনতাৰ পিছত প্ৰথমগৰাকী জনজাতীয় সম্প্ৰদায়ৰ মহিলা দেশৰ ৰাষ্ট্ৰপতি হিচাপে আসন অলংকৃত কৰি গৌৰৱান্বিত।

■ চিন্ময় ডেকা

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**
'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

■ প্ৰসংগ ঃ মুছলমানসকলৰ অপৰাধপ্ৰৱণতা বেছি কিয় ? ■

# কাৰ উচটনিত এওঁলোকৰ প্ৰতিবাদ ?



■ অমল চন্দ্ৰ কোঁৱৰ

মুছলমানসকলৰ অপৰাধপ্ৰৱণতা বেছি কিয় ? কাৰ উচটনিত অপৰাধী মুছলমানসকল প্ৰতিবাদ কৰিবলৈ আহিছে? কিয় মুছলমানৰ কোনোবা অপৰাধীক বধ কৰিলে প্ৰতিবাদ হয় ? খিলঞ্জীয়া কোনোৱা অপৰাধী বধ কৰিলে প্ৰতিবাদ নহয় কিন্তু মিঞা মুছলমানসকলৰ অপৰাধীক ধৰিলে প্ৰতিবাদ হয় কিয় ? অসমত হোৱা ৯৫ শতাংশই অপৰাধ মিঞা মুছলমানে কৰিছে কিয় ? খিলঞ্জীয়া মুছলমান অপৰাধ জগতত সীমিত কিয় ? ইত্যাদি ইত্যাদি প্ৰশ্নবোৰ এতিয়া উত্থাপন হৈছে। আমি যদি ভালদৰে চাওঁ তেতিয়া দেখিবলৈ পাম যে ৰাজ্যখনত কৰা সৰহসংখ্যক অপৰাধেই মিঞা মুছলমানে কৰিছে বুলি প্ৰমাণ হৈছে আৰু এতিয়ালৈকে যিমানেই অপৰাধ সি লাগে ধৰ্ষণেই হওক, ডকাইতেই হওক, অপহৰণেই হওক, হত্যাই হওক, লাভ জেহাদেই হওক বা লুণ্ঠনেই হওক এই সকলোবোৰ অপৰাধত কিন্তু মিঞা মুছলমানৰ সংখ্যাই বেছি। তাৰ মানে এইটোৱেই নহয় জানো যে অপৰাধ জগতত মিঞা মুছলমানৰ সংখ্যাই বেছি। ২০২১ চনৰ জুলাই মাহত লখিমপুৰ জিলাত এজন মুছলমান লোকে হিন্দুৰ নাম লৈ পুজাৰী হৈ আছিল। ইছলাম উদ্দিন নামৰ মিঞা মুছলমানটোৱে নিজকে মুন্নালাল গোস্বামী নাম লৈ দীৰ্ঘদিন ধৰি লখিমপুৰত গো-মাতাক পূজা কৰি আহিছিল। যিটো মুছলমানক বিশ্ব হিন্দু পৰিষদ আৰু বজৰং দলে হাতে-লোতে ধৰিছিল। আনহাতে, মিঞা মুছলমান লোকে নিজকে হিন্দু নাম লৈ ফেচবুক একাউণ্ট খুলি হিন্দু পৰিচয় দি অসমীয়া ছোৱালীৰ লাভ জেহাদ কৰি পাছত মুছলমান ধৰ্মলৈ ধৰ্মান্তৰিত কৰি থকাটো আজি কাকো আৰু বুজাই ক'ব নালাগে। এই মুছলমান লোকসকলৰ মানসিকতা কিয় বাৰু অপৰাধপ্ৰৱণতাৰ প্ৰতি বেছি আকৰ্ষিত হয় ? এতিয়ালৈকে ৰাজ্যখনত যিমান ড্ৰাগ্‌ছ বেপাৰী গ্ৰেপ্তাৰ কৰিছে এই সকলোবোৰ কিন্তু মুছলমান। তেওঁলোকে আমাৰ যুৱ-প্ৰজন্মক এফালে মাৰাত্মক ড্ৰাগ্‌ছ খুৱাই ধ্বংস কৰিছে আনফালে লাভ জেহাদ কৰি ধ্বংস কৰিছে। আনহাতে, ডকাইতৰ ক্ষেত্ৰতো যদি আমি চাওঁ তেতিয়া দেখিবলৈ পাম মিঞা মুছলমানৰ সংখ্যা বেছি।

অসমত এতিয়া মুছলমানৰ অত্যাচাৰত খিলঞ্জীয়া লোকসকল বিভিন্ন ধৰণে উৎপীড়ন হৈ আহিছে। সৌ সিদিনা অসম পুলিচে নগাঁৱৰ কুখ্যাত অপৰাধী, যাৰ ওপৰত কেইবাটাও গোচৰ তাৰ ভিতৰত এচিড আক্ৰমণ, কেইবাটাও ডকাইত, অপহৰণ, ধৰ্মান্তৰকৰণ আদি আৰু আন কেইবাটাও গোচৰত অভিযুক্ত জয়নাল আবেদিনক পুলিচে গ্ৰেপ্তাৰ কৰিবলৈ যাওঁতে পুলিচলৈ লক্ষ্য কৰি গুলীয়াবলৈ ধৰাত পুলিচে ওলোটাই গুলীচালনা কৰাত কুখ্যাত অপৰাধী জয়নাল আবেদিন পুলিচৰ গুলীত নিহত হ'ল। তাকে লৈ কুখ্যাত অপৰাধীটোৰ মৃতদেহ গতাই দিবলৈ যাওঁতে স্থানীয় মিঞা মুছলমান পুৰুষ-মহিলাই ওলাই আহি যি ধৰণে প্ৰতিবাদ কৰিলে যেনিবা অসম পুলিচে এজন সভ্য লোককহে গুলীয়াই মাৰিলে। এই লোকসকলক উচটাই দিছে এ আই ইউ ডি এফৰ সাম্প্ৰদায়িক বিধায়ক আমিনুল ইছলাম আৰু মাও-লেনিনৰ আদৰ্শ প্ৰতিষ্ঠা কৰিব বিচৰা ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে। আমি আচলতে এনে ধৰণৰ বিধায়ক থাকিবলৈ দিয়াটোৱেই উচিত নহয়। আমি দেখি আহিছো, যেতিয়াই কোনো মুছলমানে অপৰাধ কৰে আৰু সেই অপৰাধীক পুলিচে ধৰিবলৈ যায় তেতিয়াই এই দুই বিধায়কে সেই অপৰাধীৰ পক্ষ লয়।

অসমত যেতিয়া কোনোবা জীয়ৰী-বোৱাৰী কোনোবা মুছলমানে ধৰ্ষণ কৰি হত্যা কৰে তেতিয়া এই দুজন সাম্প্ৰদায়িক বিধায়ক আমিনুল আৰু মাও-লেনিনৰ আদৰ্শ অসমত প্ৰতিষ্ঠা কৰিব বৃথা চেষ্টা কৰা বিধায়াক অখিল গগৈ কিন্তু নিমাতে থাকে। অসমত যেতিয়াই লাভ জেহাদৰ জৰিয়তে কোনোবা বলি হয় তেতিয়া কিন্তু এই দুজন বিধায়ক নিমাত। অসমত কোনোবা মুছলমানে কিবা অপৰাধ কৰিলেই তেওঁলোকে কিন্তু সেই অপৰাধীৰ পক্ষহে লোৱা দেখা যায়। কেতিয়াও তেওঁলোকে অপৰাধী গ্ৰেপ্তাৰ কৰিব লাগে বুলি নকয়। নগাঁৱত সেই কুখ্যাত ডকাইতটো নিধন কৰাৰ পিছত তালৈ যোৱা সাংবাদিককো পুলিচৰ সন্মুখতে মাৰিবলৈ আক্ৰমণ কৰা এই মিঞা মুছলমানসকলৰ বিৰুদ্ধে কিন্তু অখিলেই হওক বা আমিনুলেই হওক কোনেও প্ৰতিবাদ কৰা নাই। পুলিচৰ সন্মুখতে সাংবাদিকক মাৰিবলৈ আক্ৰমণ কৰা সেই লোকসকল কেনেকুৱা মানসিকতাৰ সেই কথা আৰু কাকো বুজাই ক'ব নালাগে। গতিকে আমি যদি চাওঁ সেই কুখ্যাত অপৰাধী জয়নাল আবেদিনৰ অপৰাধ জগতৰ টকাৰে সেই অঞ্চলটোৰ ৰাইজক পুহি ৰাখিছিল আৰু লেই বাবেই জয়নালক বধ কৰাত তেওঁলোকে নিৰপৰাধী সজাইছে? আৰু যদি আমি এবাৰ ভাবো যে জয়নালে কৰা অপৰাধৰ টকাৰ ভাগ মাওপন্থী বিধায়ক অখিল গগৈ আৰু সাম্প্ৰদায়িক বিধায়ক আমিনুল ইছলামেও ভাগ পাইছিল, যাৰ বাবেই তেওঁলোকে কুখ্যাত অপৰাধীটোকে নিৰপৰাধী সজাবলৈ উঠি-পৰি লাগিছে? নহ'লেনো অসমৰ ইমানবোৰ থানাত অপৰাধী বুলি গোচৰ থকাৰ পিছতো কুখ্যাত অপৰাধীক নিৰপৰাধী সজাবলৈ কোনোবা যাবনে ? আমি যদি অখিল গগৈ বা আমিনুল ইছলামৰ দৰে বিধায়কক প্ৰশ্ন কৰো যে সিদিনা পুলিচৰ সন্মুখতে কিয় সেই কুখ্যাত অপৰাধীটোৰ পৰিয়ালৰ লোকে কৰ্তব্যৰত সাংবাদিকক মাৰিবলৈ আক্ৰমণ কৰিছিল আৰু তাৰ প্ৰতিবাদ কিয় তেওঁলোকে এবাৰো নকৰিলে বুলি তেতিয়া কি উত্তৰ দিব এই দুই বিধায়কে ? এই মিঞা মুছলমানসকল কিমান অপৰাধী মানসিকতাৰ সেই কথাই বাৰু প্ৰমাণ নকৰেনে ?

বিশিষ্ট সাংবাদিক হাইদৰ হুছেইনে কৈছিল যে জে'লৰ গেট খুলি দিলে ৯০ শতাংশই অপৰাধী মুছলমান ওলাব। কথাষাৰ সঁচা। অসমত এতিয়া কাৰাগাৰসমূহত যিমান অপৰাধী আছে তাৰ সৰহসংখ্যকেই কিন্তু মুছলমান। তেওঁলোকৰ মন-মগজু সমাজত ভাল কাম কৰাৰ কথা কেতিয়াও কোনেও ভৰাই নিদিয়ে। তেওঁলোকৰ মন-মগজুত সদায়েই কিবা নহয় কিবা অপৰাধ কৰাৰ কথাহে সোমাই থাকে। আমি ভাবো, অপৰাধপ্ৰৱণতা কমাবলৈ হ'লে অসম পুলিচ আৰু কঠোৰ হ'ব লাগিব। প্ৰয়োজন হ'লে অপৰাধী পলাবলৈ চেষ্টা কৰিলে গুলীয়াব লগা হোৱাটো কোনো ডাঙৰ কথা নহয়। তাত যদি আমি কোনোবাই প্ৰতিবাদ কৰো তেতিয়া পুলিচে কেতিয়াও অপৰাধ শেষ কৰাটো দূৰৰে কথা কমাবও নোৱাৰিব।

অপৰাধীয়ে যিমান শাস্তি পাব লাগে তাৰ সঘানাই অপৰাধীক সুৰক্ষা দিয়াও সমানেই শাস্তি পাব লাগে। গতিকে আমি ভাবো অপৰাধী ৰক্ষণাবেক্ষণ দিব বিচৰা ৰাইজৰ প্ৰতিনিধিকেইজনেও সিমানেই শাস্তি পোৱা উচিত। অপৰাধী টকাৰে সংসাৰ চলাই থাকি অপৰাধীৰ পক্ষত কেইটামান মানুহে অপৰাধীক নিৰপৰাধী সজাবলৈ চেষ্টা কৰিলেই অপৰাধী নিৰপৰাধী হৈ নাযায়। আমি অৱশ্যে অখিল গগৈ বা আমিনুল ইছলামৰ দৰে বিধায়ক পোৱাটোৱেই ৰাজ্যৰ বাবে অতি দুৰ্ভাগ্যজনক কথা। অসমীয়া জনজীৱনলৈ কোনো কালেই কোনো অৱিহণা নথকা মাও-লেনিনৰ আদৰ্শৰে পৰিপুষ্ট হৈ বিধায়ক হোৱা অখিল গগৈ খিলঞ্জীয়া লোকৰ বাবে কিমান ভয়ংকৰ সেই কথা ৰাইজে এতিয়া বুজিবলৈ বাকী থকা নাই। সকলো কথাতে পুলিচৰ লগত ফেপেৰি পাতি থকা, সকলো কথাতে ৰাজপথত আন্দোলন কৰা এইজন বিধায়কৰ পৰা সাৱধান। হিন্দু হৈ হিন্দুৰ বিৰুদ্ধে মাত নমতা এইলোক জাতিৰ বাবেই ভয়ংকৰ।

আমি এই কথা ক'বলৈ যোৱা নাই যে অপৰাধ কেৱল মুছলমানেহে কৰে। নহয় আন আন ধৰ্মাৱলম্বী লোকেও অপৰাধ নকৰা নহয়। কিন্তু তুলনামূলকভাৱে অসমত মিঞা মুছলমানৰ অপৰাধৰ সংখ্যা বহুত বেছি। মিঞা মুছলমানে এই অপৰাধীসকলক উচটনি দিছে কিন্তু অখিল গগৈৰ দৰে আমাৰ খিলঞ্জীয়া বিধায়কবোৰেই। এইখিনিতে উল্লেখ কৰা ভাল যে শিৱসাগৰৰ কুখ্যাত অপৰাধী বুবু কোঁৱৰ অসম পুলিচৰ গুলীত নিধন হৈছিল। কিন্তু বুবু কোঁৱৰৰ মৃতদেহ জয়নাল আবেদিনৰ দৰে কোনেও এবাৰলৈও চমজি নলওঁ বুলি কোৱা নাছিল। কাৰণ হিন্দু ধৰ্মৰ কোনো লোকেই অপৰাধপ্ৰৱণতাক প্ৰশ্ৰয় নিদিয়ে। বুবু কোঁৱৰৰ মৃত্যুৰ কোনেও তদন্ত বিচৰা নাছিল। কাৰণ হিন্দু ধৰ্মত সংস্কাৰ আছে। অপৰাধী মৰিলে কেতিয়াও মুছলমানৰ দৰে প্ৰতিবাদ নকৰে। এয়াই হ'ল হিন্দু আৰু মুছলমান ধৰ্মৰ পাৰ্থক্য। আমি ভাবো মুছলমান লোকসকলৰ অলপ সংস্কাৰ হওক, শুদ্ধ হওক। তেতিয়া অপৰাধপ্ৰৱণতা কৰিব মুছলমান সমাজৰ মাজত। নিজৰ মানসিকতা শুদ্ধ নহ'লে কেতিয়াও আনে শুদ্ধ কৰি দিব নোৱাৰে। এতিয়া চাওক বুবু কোঁৱৰৰ গাঁৱৰ ৰাইজ সংস্কাৰিত নে জয়নাল আবেদিনৰ গাঁৱৰ ৰাইজ সংস্কাৰিত ? দুয়োটাই কিন্তু একেই কুখ্যাত অপৰাধী আৰু দুয়োটাই কিন্তু বেলেগ বেলেগ ধৰ্মৰ। ইয়াৰ পৰাই অনুমান কৰিব পাৰি মুছলমানসকল কেতিয়াও সংস্কাৰ হ'বলৈ চেষ্টা নকৰে আৰু তেওঁলোকক পৰিচালনা কৰা মোল্লা, মৌলৱীসকলে কেতিয়াও সংস্কাৰিত শিক্ষা নিদিয়ে। লগতে তেওঁলোকৰ ৰাজনৈতিক নেতাসকলেও সংস্কাৰ হোৱাৰ কথা নকয়। কাৰণ তেওঁলোক সংস্কাৰ হ'লেই ৰাজনৈতিক সান্দহ খোৱা বালি তল পৰিব। আমি আশা কৰিম অখিল গগৈয়েই হওক বা আমিনুল ইছলামেই হওক আপোনালোকে এই মিঞা মুছলমান লোকসকলক অলপ সংস্কাৰ কৰক আৰু আপোনালোকো অলপ সংস্কাৰিত হওক লগতে আমাৰ সমাজখনকো শান্তিৰে থাকিবলৈ দিয়ক। নহ'লে ভৱিষ্যতে আৰু হাজাৰটা জয়নালৰ জন্ম হ'ব।

ফোন ঃ ৭০০২৯-২৬০৭০

# চেৰিব্ৰেল পালছি আৰু চিকিৎসা প্ৰণালী

■ ডাঃ দ্বীপজ্যোতি শৰ্মা

মানুহৰ মগজুৱে আমাৰ সৰু-বৰ সকলোবোৰ কাৰ্য পৰিচালিত বা নিয়ন্ত্ৰণ কৰে। কিন্তু মগজুৰ সৈতে সংযোগ বিচ্ছিন্ন হ'লে শৰীৰৰ নানা বিসংগতিয়ে দেখা দিয়ে। সেয়ে মস্তিষ্কৰ লগত সম্পৰ্ক থকা চেৰিব্ৰেল পালছি বিকাৰতা শিশুসকলৰ হোৱা অন্যতম প্ৰধান সমস্যা। আচলতে, চেৰিব্ৰেল পালছি হৈছে মটৰ বিকলাংগতাৰ এক বহল প্ৰণালী, যি অপ্ৰগতিশীল আৰু জন্মৰ সময়ত বা ইয়াৰ আশে-পাশে মগজুৰ ক্ষতিৰ ফলত হয়। যাৰ ফলত দুৰ্বলতা, শৰীৰৰ চলাচলৰ সমস্যা, বেলেন্স, দৃষ্টিশক্তি, শ্ৰৱণ তথা সংবেদনো প্ৰভাৱিত হয়।

**চেৰিব্ৰেলৰ প্ৰকাৰ ঃ**

**স্পেষ্টিক চি পি ঃ** সাধাৰণতে ৮০% চি পি থকা শিশু স্পেষ্টিক চেৰিব্ৰেল পালছি থাকে। এই ধৰণত চি পিত শিশুবোৰে কিছুমান অস্বাভাৱিক ভংগী দেখুৱায়। এই ভংগীবোৰে পেশীক অত্যধিক টান কৰি দিয়াৰ বাবে সংকোচন হয়। তাৰ বাহিৰেও খোজকঢ়াৰ অস্বাভাৱিকতা যেনে— আঁঠু ক্ৰছ হোৱা নাইবা খোজৰ সময়ত ভৰিৰ আৰু আঁঠু লগ লাগি চলাচল কৰে।

**এথেটইড চেৰিব্ৰেল পালছি ঃ** এই ধৰণৰ চি পি শিশুৰ জন্মৰ পিছত জণ্ডিচত আক্ৰান্ত হোৱাৰ ক্ষেত্ৰত সঘনাই দেখা পোৱা যায় মগজুৰ বেচলগেংলিয়া ক্ষতিৰ ফলত। য'ত শিশুৱে ধীৰ, উদ্দেশ্যহীন, পলুসদৃশ অনিচ্ছাকৃত চলাচল প্ৰদৰ্শন কৰে। তাৰ উপৰি শিশুসকলৰ পেশীৰ টʼন উঠা-নমা হোৱাৰ বাবে নিৰন্তৰভাৱে ঘটি থকা প্ৰকাৰৰ চলাচল কঢ়িয়াই থাকে।

**এটেক্সিয়া চেৰিব্ৰেল পালছি ঃ** ই মূলতঃ মগজুৰ চেৰিবেলাৰৰ ক্ষতিৰ বাবে হয়, যাৰ ফলত পেশীৰ চলাচল প্ৰায়ে অসংগঠিত, জাৰ্কি (নিয়ন্ত্ৰণ নোহোৱা) হয়। এই প্ৰকাৰৰ চি পিত ভাৰসাম্য আৰু সমন্বয়ৰ সমস্যাৰ লগতে সূক্ষ্ম মটৰ ফাংচন (বস্তুবোৰ ধৰি ৰখা, লিখা) কামত অসুবিধাৰ সন্মুখীন হয়।

**মিশ্ৰিত চেৰিব্ৰেল পালছি ঃ** কিছুমান শিশুৰহে বিভিন্ন ধৰণৰ চি পিৰ লক্ষণ সংমিশ্ৰণ হৈ থাকে।

**কাৰক ঃ** চেৰিব্ৰেল পালছিৰ কাৰক মূলতঃ বিকাশশীল মগজুৰ আঘাতৰ ওপৰত ভিত্তি কৰি প্ৰসৱপূৰ্ব, প্ৰসৱ, প্ৰসৱোত্তৰ ভাগত ভাগ কৰা হয়।

**প্ৰসৱপূৰ্ব ঃ** অন্তঃ জৰায়ুৰ সংক্ৰমণ প্লেচেণ্টল জটিলতা একাধিক জন্ম হাইপাৰথাইৰইডিজম (থাইৰয়ড বেছি হোৱা)

**প্ৰসৱ বা পেৰিনেটাল ঃ**
ইণ্টাক্ৰেনিয়েল হেমৰেজ
মৃগী
জণ্ডিচ
জন্ম ৰশ্মি

**প্ৰসৱোত্তৰ ঃ** মেনিনজাইটিছ (ভাইৰাছ সংক্ৰমণ) এনকেফেলাইটিছ মূৰৰ আঘাত ট্ৰ'মা

**চিহ্ন আৰু লক্ষণসমূহ ঃ** চি পি লক্ষণবোৰ ব্যক্তিভেদে পৃথক হয়। অৱশ্যে সময়ৰ লগে লগে অধিক গুৰুতৰ হ'ব পাৰে। তাৰ লগতে প্ৰভাৱিত হোৱা মগজুৰ অংশৰ ওপৰত নিৰ্ভৰ কৰি সেইবোৰো ব্যতিক্ৰম হয়। সেই অনুসৰি— পেশীৰ ট্ৰনৰ তাৰতম্য অৰ্থাৎ অত্যধিক টান হোৱা
— পেশীৰ অতিৰঞ্জিত প্ৰতিক্ৰিয়া (স্পষ্টিচিটী)
— স্বাভাৱিক প্ৰতিক্ৰিয়াৰ সৈতে জঠৰ পেশী
— ভাৰসাম্য আৰু সমন্বয়ৰ অভাৱ
— কম্পন বা অনিচ্ছাকৃত চলাচল
— মটৰ দক্ষতাৰ মাইলৰ খুঁটিপ্ৰাপ্ত কৰাত পলম হোৱা
— খোজকঢ়াত অসুবিধা
— খাদ্য গিলিবলৈ বা চুহিবলৈ কষ্ট পোৱা
— কথা কোৱাত পলম বা শিকাৰ অসুবিধা
— সূক্ষ্ম মটৰ দক্ষতাৰ সৈতে অসুবিধা
— দেখা আৰু শুনাত অসুবিধা
— বৌদ্ধিক অক্ষমতা
— প্ৰস্ৰাৱৰ নিয়ন্ত্ৰণহীনতা
— অস্বাভাৱিক স্পৰ্শ বা বিষৰ ধাৰণা

সাধাৰণতে বেছি ভাগ শিশুৰ ক্ষেত্ৰত চেৰিব্ৰেল পালছি জন্মতে হয় যদিও কোনো কোনোৰ ৩/৪ বছৰৰ আগতে লক্ষণবোৰ ফুটি উঠে।

**ৰোগ নিৰ্ণয় ঃ** চেৰিব্ৰেল পালছিৰ লক্ষণবোৰ মূল্যাংকন কৰিবলৈ মূলতঃ ইলেক্টএনচেফালো গ্ৰাম ব্যৱহাৰ কৰি মস্তিষ্কৰ বৈদ্যুতিক কাৰ্যকলাপ চোৱা হয়। তাৰ উপৰি এম আৰ আই, চিটী স্কেনে মগজুৰ ক্ষতি ছবি আহৰণ তথা ক্ৰেনিয়েল আল্ট্ৰাছাউণ্ড, বিভিন্ন তেজৰ নমুনাৰ সহায়ত চিনাক্ত কৰিব পাৰে।

**বিপদাশংকাৰ কাৰকসমূহ ঃ**
— গৰ্ভধাৰণৰ সময়ত কিছুমান সংক্ৰমণক বিষাক্ত সংস্পৰ্শই কেঁচুৱাটোৰ বাবে চি পিৰ আশংকা বৃদ্ধি কৰে।
— চাইটোমেগালো ভাইৰাছৰ ফলত গৰ্ভধাৰণৰ সময়ত মাতৃৰ সক্ৰিয় সংক্ৰমণ হ'লেও জন্মগত বিকাৰ হ'ব পাৰে।
— আনহাতে, হাৰপিছ ভাইৰাছৰ সংক্ৰমণৰ ফলত হোৱা প্ৰদাহে স্নায়ুতন্ত্ৰ বিকশিত কৰি গৰ্ভজাত কেঁচুৱাবোৰৰ ক্ষতি কৰিব পাৰে।
— ঠিক একেদৰে বেক্টেৰিয়া মেনিনজাইটিছ, ভাইৰেল এনকেফেলাইটিছএ মস্তিষ্ক আৰু মেৰুদণ্ডৰ চাৰিওফালে থকা আৱৰণত প্ৰদাহ কৰিলেও নৱজাতক কেঁচুৱাৰ চি পি হোৱা আশংকা বৃদ্ধি কৰে।
— একেদৰে ৫.৫ পাউণ্ডতকৈ কম ওজনৰ শিশুৰ (২.৫ কিলোগ্ৰাম) চেৰিব্ৰেল পালছি আশংকা থাকে।
— গৰ্ভধাৰণ ২৪ সপ্তাহতকৈ কম সময়ৰ ভিতৰত জন্ম হোৱা শিশুৰ চেৰিব্ৰেল আশংকা থাকিব পাৰে।

**চিকিৎসা ঃ** চেৰিব্ৰেল পালছিৰ চিকিৎসাৰ লক্ষ্য হৈছে সীমাবদ্ধতা উন্নত কৰি জটিলতা প্ৰতিৰোধ কৰা। সেয়ে চিকিৎসাত ঔষধ, সহায়ক AIDS আৰু শাৰীৰিক চিকিৎসা অন্তৰ্ভুক্ত কৰা হয়।

সহায়ক AIDS হিচাপে কিছুমান বিশেষ ধৰণৰ চছমা, শ্ৰৱণ, খোজকঢ়াৰ সহায়ক তথা হুইলচেয়াৰৰ সহায় লোৱা হয়। এণ্টিকনফালছিক্স আৰু পেশীৰ শিথিলতাৰ কাৰণে ডাৰেজেপাম, বেকলোফেন, টিজানিডিন ঔষধৰ উপৰি বটুলিনম টক্সিন টাইপ-এ বা ইণ্ট্ৰাথেকেল বেকলোফেন থেৰাপীৰ পৰামৰ্শ দিয়া যায়। তথাপি অত্যন্ত টান পেশী মুকলি কৰিবলৈ বা স্পেষ্টিচিটীৰ ফলত হ্ৰাস কৰিবলৈও অন্তিম উপায় হিচাপে দৰ্চাল ৰাইজোটমীৰ অস্ত্ৰোপচাৰৰ পৰামৰ্শ দিয়া হ'ব পাৰে।

আন ধৰণে, শাৰীৰিক চিকিৎসা প্ৰায়ে চি পি চিকিৎসাৰ প্ৰথম পদক্ষেপ হোৱা হেতুকে শিশুৰ চলাচলৰ সমস্যাবোৰ অধিক বেয়া হোৱাৰ পৰা প্ৰতিহত কৰিব পাৰি। লগতে, শক্তি আৰু নমনীয়তাৰ বাবে ফিজিঅ'থেৰাপিয়ে কাৰ্যকৰী কৰি তোলাৰ লগতে আত্মনিৰ্ভৰশীলতাৰ স্তৰ বৃদ্ধি কৰে। তাৰ সমান্তৰালকৈ সমন্বয়, ভাৰসাম্য, ষ্টেণ্ট, সহনশীল, ভংগীভাষ চলন, সামগ্ৰিক স্বাস্থ্য উন্নত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। উদাহৰণস্বৰূপে—

১। স্পেষ্টিক চেৰিব্ৰেল পালছিত শাৰীৰিক থেৰাপীৰ বিভিন্ন ষ্টেচিং ব্যায়ামে পেশীৰ চাপ আৰু জোকাৰি যোৱা চলাচল হ্ৰাস কৰিব পাৰে।
২। ঠিক একেদৰে, এথেটাইড চি পি থকা শিশুসকলৰ পেশী স্বৰ (Tone) বৃদ্ধি কৰি তেওঁলোকৰ চলাচলৰ ওপৰত অধিক নিয়ন্ত্ৰণপ্ৰাপ্ত কৰে শাৰীৰিক চিকিৎসাই।
৩। আনহাতে, ফিজিঅ'থেৰাপীৰ কিছুমান ব্যায়ামেৰে এটেক্সিক অৰ্থাৎ ভাৰসাম্য উন্নত কৰিব পাৰি।
৪। তেনেদৰে, একেবাৰে সৰু শিশুক কোচত লোৱাৰ সময়ত মুখখন তললৈ কৰি তথা কঁকাল আৰু আঁঠুৰ ভাজ কৰি পৃথক কৰি ৰাখিবলৈ দিয়া হয়।
৫। একেদৰে কেঁচুৱা এটা কঢ়িয়াই নিয়াৰ সময়ত তাৰ/তাইৰ মূৰ আৰু বাহুবোৰ লৰচৰ কৰিব দিব লাগে। আনহাতে, শিশুটো অভ্যাগতভাৱে বেঁকা স্থিতিত থাকে, তেন্তে মূৰটো পোন কৰিবলৈ বাৰে বাৰে চেষ্টা কৰা হয়।
৬। ইয়াৰ লগতে শিশুটিৰ বিকাশত সহায় কৰিবলৈ তলমুৱাকৈ শুই কিলাকুটিৰ সহায়ত মূৰটো দাঙিবলৈ প্ৰয়াস কৰি এইবাৰ পোনকৈ শুই আঁঠু দুটা ভাঁজ কৰি কঁকালটো উঠাবলৈ উৎসাহিত কৰা হয়।
৭। সেইদৰে শিশুটিক বিছনাত শুৱাই লৈ পুতুলা এটা ধৰিবলৈ অনুসৰণ কৰিব দিলে মূৰ, বাহু, কান্ধৰ চলাচল শক্তিশালী হয়।
৮। ঠিক একেদৰে শোৱাৰ পৰা বহা, কাটি হোৱা, শোৱাৰ ধৰণ সলোৱাৰ বাবে শাৰীৰিক চিকিৎসাৰ মাধ্যমেৰে প্ৰশিক্ষণ দিয়া হয়।



৯। ইয়াৰ উপৰি চকী এখনত ভাল ভংগী কেনেকৈ বজাই ৰাখিব নতুবা চতুৰ্ভুজ (আঁঠুকাঢ়ি) তাৰ/তাইৰ ওজন ইফালে সিফালে সলনি কৰা হয়।
১০। তাৰ পিছৰ পৰ্যায়ত আঁঠুকাঢ়ি শৰীৰৰ ভাৰসাম্য ৰক্ষাৰ পিছত থিয় আৰু খোজকঢ়াৰ অভ্যাস কৰা হয়।
১১। ঠিক তেনেদৰে সমৰ্থনৰ সৈতে থিয় হৈ খোজকঢ়াৰ পেটাৰ্ণ শিকাৰ বাবে কৰা এক্সাৰছাইজে সমৰ্থন আৰু স্বতন্ত্ৰতা প্ৰদান কৰে।
১২। তাৰ বাহিৰেও Gym Ball বা Physio Ballত বেলেন্স, ষ্টেণ্ট, গাঁঠিৰ গতিৰ পৰিসৰ, চলন বৃদ্ধি কৰিবলৈ নানা ধৰণৰ শাৰীৰিক চিকিৎসা দি শিশুটোৰ দৈনন্দিন কাম-কাজসমূহ উন্নত কৰিবলৈ নিৰন্তৰ চেষ্টা চলোৱা হয়। প্ৰকৃততে, চি পি আক্ৰান্ত শিশুক স্বাস্থ্যৰ উন্নতি কৰিবলৈ বহুকেইটা চিকিৎসা পদ্ধতিৰ প্ৰয়োজন হোৱাৰ বাবে ফলাফল পাওঁতে কিছু দীঘলীয়া সময় লাগে। অৱশ্যে আজিকালি ন ন চিকিৎসা ব্যৱস্থাই আগতকৈ কিছু হ'লেও সুফল লাভ কৰি শিশুসকলৰ মুখতো হাঁহি বিৰিঙাব পাৰিছে।

ফোন ঃ ৬০০০৩-৪২৩৫৩

# জাতীয়তাবাদৰ পৰিক্ৰমা আৰু অসম

■ ফখৰুদ্দিন আহমেদ

অসমীয়া জাতি গঠন প্ৰক্ৰিয়া আৰম্ভ হৈছিল ১২২৮ খ্ৰীষ্টাব্দত আহোম ৰাজ্যৰ প্ৰতিষ্ঠাপক স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ জৰিয়তে। ১২৬৮ খ্ৰীষ্টাব্দত তেখেতৰ মৃত্যু হৈছিল আৰু এই অসমীয়া জাতি গঠন প্ৰক্ৰিয়াই ভৰ যৌৱন লাভ কৰি প্ৰায় সম্পূৰ্ণতা পাইছিল। অসমৰ জাতীয় জীৱনৰ মহা সংগঠক, সংস্কাৰক, অসমত নৱ-বৈষ্ণৱ আন্দোলনৰ ধাৰক আৰু বাহক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ হাতত। এইজনা মহাপুৰুষেই আছিল অসমীয়া জাতীয়তাবাদৰ প্ৰথম প্ৰবক্তা। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰথমা পত্নীগৰাকীৰ মৃত্যুৰ পিছত তেখেতে উত্তৰ ভাৰত ভ্ৰমণ কৰিছিল। এই ভ্ৰমণৰ লক্ষ্য আছিল উত্তৰ ভাৰতৰ সাংস্কৃতিক গাঁও, নগৰ আৰু চহৰবোৰ লগতে বিভিন্ন তীৰ্থস্থানসমূহ। এই ভ্ৰমণৰ সময়ত সমগ্ৰ উত্তৰ ভাৰতত গা কৰি উঠিছিল বৈষ্ণৱী আন্দোলন। এই আন্দোলনৰ দ্বাৰা মহাপুৰুষগৰাকী বাৰুকৈয়ে প্ৰভাৱান্বিত হৈছিল। অসমলৈ প্ৰত্যাৱৰ্তন কৰি মহাপুৰুষগৰাকীয়ে নৱ-বৈষ্ণৱ ধৰ্মৰ ধাৰাক অসমৰ জনমানসত প্ৰতিষ্ঠা কৰাৰ কামত নিজকে উৎসৰ্গিত কৰিছিল। তেখেতৰ এই কৰ্মত সংগ দিছিল তেখেতৰ প্ৰিয়তম শিষ্য শ্ৰীশ্ৰীমাধৱদেৱ তথা আন ভকত-বৈষ্ণৱসকলে। দৃষ্টি নিবদ্ধ কৰিব লগা বিষয়টো আছিল এই যে তেখেতৰ শিষ্যত্ব গ্ৰহণৰ ক্ষেত্ৰত ধৰ্ম, জাতি আৰু সম্প্ৰদয় আদিক গুৰুত্ব দিয়া হোৱা নাছিল। সকলো ধৰ্ম, জাতি আৰু সম্প্ৰদায়ৰ মানুহকে তেখেতে শিষ্যত্ব প্ৰদান কৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু তেখেতৰ প্ৰিয়তম শিষ্য শ্ৰীশ্ৰীমাধৱদেৱে নৱ-বৈষ্ণৱ ধৰ্মৰ ধাৰাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে বৰগীত, নাট, ভটিমা, তত্ত্বমূলক গ্ৰন্থ আদি ৰচনাৰ আশ্ৰয় লৈছিল। এই সাহিত্যিক গুণসৰ্বস্ব ৰচনাৰাজিত তেখেতসকলে ব্যৱহাৰ কৰিছিল ব্ৰজাৱলী বা ব্ৰজবুলী ভাষা। ব্ৰজাৱলী বা ব্ৰজবুলী ভাষা অসমীয়া ভাষা আৰু মৈথিলী ভাষাৰ সংমিশ্ৰণত সৃষ্টি কৰা হৈছিল। এই প্ৰচেষ্টা আছিল অসমীয়া ভাষাক ৰাষ্ট্ৰীয়তা প্ৰদান কৰি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ প্ৰথম সংগ্ৰাম। মহাপুৰুষ দুজনাৰ মহাপ্ৰয়াণৰ বহু শতিকা অতিক্ৰম হৈ যোৱাৰ পিছত দেখা গৈছে যে মহাপুৰুষ দুজনাৰ ৰচনাৰাজিয়ে ইতিমধ্যে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি লাভ কৰাই নহয় একক আৰু অনন্য আসন দখল কৰিবলৈয়ো সক্ষম হৈছে। মহাপুৰুষ দুজনাৰ বৰগীত, অংকীয়া নাট, ঝুমুৰা আৰু বাচকবনীয়া গ্ৰন্থৰাজি বিশেষকৈ কীৰ্তন, দশম, নামঘোষা আৰু ভক্তি ৰত্নাৱলী কেৱল নৱ-বৈষ্ণৱ ধৰ্মৰেই নহয় অসমীয়া সাহিত্যৰো অমূল্য সম্পদ আৰু মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈ আছে। অসমীয়া জাতিলৈ মহাপুৰুষ দুজনাৰ আন এক অৱদান হৈছে নামঘৰসমূহ। এই নামঘৰসমূহে অসমত শান্তি, সম্প্ৰীতি আৰু একতাৰ বাণী জাতি, ধৰ্ম নিৰ্বিশেষে সকলো জনগোষ্ঠীৰ মাজতে প্ৰচাৰ কৰি আহিছে আৰু থাকিব। মহাপুৰুষ গুৰু দুজনাৰ আৱিৰ্ভাৱৰ প্ৰায় এক শতিকা জোৰা ব্যৱধানত পুত পৱিত্ৰ অসম ভূমিত ইছলাম ধৰ্মৰ শান্তি, সম্প্ৰীতি আৰু একতাৰ বাণী লৈ পদাৰ্পণ কৰিছিলহি পীৰ আজান ফকিৰ চাহেবে সুদূৰ ইৰাকৰ বাগদাদ চহৰৰ পৰা। লগত লৈ আহিছিল শিষ্য সমন্বিতে ইছলাম ধৰ্মৰ চুফিবাদ। অসমত অসমীয়াসকলৰ জাতীয়তাবাদৰ ৰূপ দেখি চুফি সন্তগৰাকীয়ে আৰবী বা উৰ্দু ভাষাৰে ইছলাম ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰত মনোনিৱেশ নকৰি প্ৰথমতে তেখেতে নিপুণভাৱে অসমীয়া ভাষাটি আয়ত্ত কৰি লৈ ইছলাম ধৰ্মৰ পৱিত্ৰ ধৰ্মগ্ৰন্থ কোৰান আৰু হাদিছৰ বাণীসমূহক ছন্দোবদ্ধভাৱে সাংগীতিক ৰূপত জিকিৰ ৰচনা কৰি নিজৰ উদ্দেশ্যত আগবাঢ়িছিল। তেখেতে তথা তেখেতৰ শিষ্যসকলে অসমীয়া জীয়ৰী বিবাহ কৰাই প্ৰথমতে তেখেতসকল নিভাঁজ অসমীয়া হৈ লৈছিল। অসমৰ জাতীয়তাবাদৰ ধ্বজা প্ৰথমতে তেখেতসকলে হাতত লৈছিল। মহাপুৰুষ গুৰু দুজনাৰ পথ অৱলম্বন কৰি পীৰ আজান ফকিৰ চাহেবে জাতি, ধৰ্ম আৰু সম্প্ৰদায় নিৰ্বিশেষে শান্তি, সম্প্ৰীতি আৰু একতাৰ ওপৰতহে বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছিল। মহাপুৰুষ গুৰু দুজনাৰ দৰেই পীৰ আজান ফকিৰ চাহেবো জীৱনৰ বিয়লি বেলাত ৰাজৰোষত পৰিছিল। কিন্তু তেখেতসকলৰ জীৱন আৰু যৌৱনৰ কৰ্মৰাজি পৰ্যালোচনা কৰিলে দেখা যায় তেখেতসকল উৎসৰ্গিত হৈছিল অসম আৰু অসমীয়াৰ বাবে। সাম্প্ৰতিক সময়ত অসমত জাতীয়তাবাদৰ নামত বহুতো ব্যক্তি, দল আৰু সংগঠন দেখা যায়। অসম আৰু অসমীয়াৰ বাবে তেখেতসকলৰ অৱদানো আছে। কিন্তু কিবা যেন নাই নাই। এই নাই বোলা শব্দটিত যেন বিলীন হৈ আছে স্বাৰ্থান্বেষী এচাম তথাকথিত লোকৰ নিজস্ব ধ্যান-ধাৰণা। কোনো শ্ৰেণী লোকৰ স্বাৰ্থৰ মাজত যেন অসমৰ সাধাৰণ জনতাৰ জাতীয়তাবোধ হেৰাই নাযায় সেয়া সাম্প্ৰতিক সময়ত লক্ষণীয় দিশ হৈ পৰিছে। সাম্প্ৰতিক সময়ত অসমৰ সাধাৰণ জনতাৰ দায়িত্ব আৰু কৰ্তব্য হৈছে মহাপুৰুষ গুৰু দুজনা আৰু পীৰ আজান ফকিৰ চাহেবৰ জাতীয়তাবোধৰ মাজত সংপৃক্ত হৈ থকা শান্তি, সম্প্ৰীতি আৰু একতা যাতে কোনো কাৰণতে বিঘ্নিত নহয় আৰু অসমবাসীৰ ভাতৃত্ববোধে বিশ্বক আকৰ্ষিত কৰিব পাৰে তাৰ প্ৰতি প্ৰতিটো পল, অনুপলত সচেষ্ট হৈ থকা।

ফোন ঃ ৮৬৩৮৩-১২৭০৭

## ডিব্ৰুগড়ত শিক্ষাৰ্থীৰ স্মৃতিশক্তি বৃদ্ধি, যোগাসন, আচৰণ অনুশীলন, মগজুৰ বিকাশৰ প্ৰশিক্ষণ সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২৬ জুলাই ঃ** অসমত দ্বিতীয়বাৰৰ বাবে ২০-২৩ জুলাইত ডিব্ৰুগড় জিলাৰ লাহোৱাল সমষ্টিৰ চিৰিং ডাইনীজান গাঁও পঞ্চায়তৰ অন্তৰ্গত জনজাতি কল্যাণ ভৱনত শিক্ষাৰ্থীৰ বাবে প্ৰাথমিক স্তৰৰ স্মৃতিশক্তি বৃদ্ধি, যোগাসন, আচৰণ অনুশীলন, মগজুৰ বিকাশৰ প্ৰশিক্ষণৰ লগতে স্বাস্থ্য সজাগতাৰ ওপৰত এক প্ৰশিক্ষণ সম্পন্ন হয়। এই প্ৰশিক্ষণত ডিব্ৰুগড় চহৰৰ বহুকেইখন শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰি কেনেকৈ এটি সুন্দৰ মন, সুন্দৰ মন, সুন্দৰ আচৰণ, সুন্দৰ কথনশৈলী, সুন্দৰ স্বাস্থ্য, স্মৃতিশক্তি বৃদ্ধি আৰু মগজুৰ বিকাশৰ জৰিয়তে মগজুক সৃষ্টিমূলক কাৰ্যত প্ৰয়োগ কৰিব পাৰি তাৰ ওপৰত প্ৰায়োগিক আৰু ব্যৱহাৰিক অনুশীলনৰ প্ৰশিক্ষণ গ্ৰহণ কৰে। মহাবাহু ভ্ৰাম্যমাণ প্ৰশিক্ষণ আৰু আয়ুৰ্বেদিক-নেচাৰোপেথিক চিকিৎসা সেৱাৰ উদ্যোগত অনুষ্ঠিত প্ৰশিক্ষণত প্ৰশিক্ষণ প্ৰদান কৰে ক্ৰমে যোগ প্ৰশিক্ষক ডিম্পল গগৈ, প্ৰাক্তন ভাৰপ্ৰাপ্ত প্ৰজেক্ট মেনেজাৰ ইঞ্জিনীয়াৰিং বিভাগ, ভাৰত চৰকাৰ প্ৰতিষ্ঠান আৰু স্বীকৃতিপ্ৰাপ্ত যোগাসন প্ৰশিক্ষক-নেচাৰোপেথিক-প্ৰাথমিক চিকিৎসাৰ পৰামৰ্শদাতা মোহন সোণোৱাল, ডম্বৰুধৰ সোণোৱাল, প্ৰাক্তন প্ৰধান শিক্ষক ডম্বৰুধৰ সোণোৱাল প্ৰমুখ্যে ব্যক্তিসকল সমল ব্যক্তি হিচাপে উপস্থিত থাকি প্ৰশিক্ষণ প্ৰদান কৰে।

### বাক্সাৰ সুৰণখাটাত বন্যহস্তীৰ তাণ্ডৱ

## ভাঙি লণ্ড-ভণ্ড চাৰিটা পৰিয়ালৰ বাসগৃহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২৬ জুলাই ঃ** বাক্সা জিলাৰ মুছলপুৰ মহকুমাৰ অন্তৰ্গত ভাৰত-ভুটান সীমান্তত দৈনিক অব্যাহত আছে হাতী-মানুহৰ সংঘাত। খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা ওলাই অহা এটা প্ৰকাণ্ড বন্যহস্তীয়ে জনাঞ্চলত আতংকৰ সৃষ্টি কৰি আহিছে। জিলাখনৰ সুৰণখাটা সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত সুৰণখাটাৰ তামাংবস্তিত কালি নিশা এটা প্ৰকাণ্ড হাতীয়ে প্ৰৱেশ কৰি ক্ষেম বাহাদুৰ তামাং, তিল বাহাদুৰ তামাং, মন মায়া তামাং আৰু মণিকুমাৰ চুব্বাৰ ঘৰ-বাৰী ভাঙি চুৰমাৰ কৰাৰ লগতে ধান-চাউল খাই তহিলং কৰাৰ উপৰি ঘৰৰ আচবাবৰো ক্ষতি কৰে। ইয়াৰ উপৰি হাতীটোৱে কে'বাটাও পৰিয়ালৰ তামোল, কল আদি খোৱাৰ লগতে ভাঙি পেলায়। ঘটনাটো স্থানীয় স্বেচ্ছাসেৱী সংস্থা মানস-চৌকী ইক' ট্যুৰিজিম ছ'চাইটীক জনোৱাত পুৱা স্বেচ্ছাসেৱী সংস্থাৰ লোক ক্ষতিগ্ৰস্ত পৰিয়ালটোৰ ওচৰত উপস্থিত হৈ ক্ষয়-ক্ষতিৰ বুজ লয়।

### আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি 'হৰ ঘৰ ত্ৰিৰংগা' নিৰ্মাণৰ প্ৰস্তুতি তুংগত


# পাখিমৰীয়া উন্নয়ন খণ্ডত ১৫,৫০০ জাতীয় পতাকা প্ৰস্তুতৰ লক্ষ্য মহিলা আত্মসহায়ক গোটৰ

### বৰ্তমানলৈকে ৪,৭০০ ত্ৰিৰংগা নিৰ্মাণ সম্পূৰ্ণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৬ জুলাই ঃ** দেশে স্বাধীনতা লাভ কৰা ৭৫ বছৰ উপলক্ষে আজাদী কা অমৃত মহোৎসৱ আৰু আগন্তুক ৭৫ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰস্তুতি পুৰ্ণ গতিত আৰম্ভ হৈছে । কেন্দ্ৰীয় চৰকাৰে আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি ইতিমধ্যে বিভিন্ন ধৰণৰ বৰ্ণিল কাৰ্যসূচী ৰূপায়ণ কৰিছে । তদুপলক্ষে সমাগত স্বাধীনতা দিৱসত ঘৰে ঘৰে ত্ৰিৰংগা পতাকা উৰুৱাবলৈ চৰকাৰে দেশৰ প্ৰতিঘৰ আৱাসীলৈ আহ্বান জনাইছে । ইয়াকে লৈ ৰাজ্য চৰকাৰখনো ইতিমধ্যে ব্যাপক তৎপৰ হৈছে । মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈকে ৰাজ্যখনৰ প্ৰতিঘৰ নাগৰিকৰ পদূলিয়ে পদূলিয়ে ত্ৰিৰংগা পতাকা উৰুৱাবলৈ আহ্বান জনাইছে। ইয়াৰ অংশৰূপে নগাঁও জিলাৰ পাখিমৰীয়া উন্নয়ন খণ্ডৰ মুঠ ৮খন পঞ্চায়ত এলেকাত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত প্ৰতিটো মণ্ডল সংগঠনৰ প্ৰায় ১০,৬০০গৰাকী মহিলাই প্ৰতিটো পঞ্চায়তৰ অঞ্চলসমূহৰ ১৫,৫০০ লোকৰ ঘৰে ঘৰে গৈ ত্ৰিৰংগা পতাকা তেওঁলোকৰ হাতত তুলি দিবলৈ এক ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰিছে। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ পাখিমৰীয়া উন্নয়ন খণ্ডৰ আটাইকেইটা মণ্ডল সংগঠনৰ তৎপৰতাত গ্ৰাম্য সংগঠনৰ মহিলা আত্মসহায়ক গোটৰ এইসকল মহিলাই সৰু- বৰ ত্ৰিৰংগা তৈয়াৰ কৰি অতি কম মূল্যত অঞ্চলটোৰ ঘৰে ঘৰে ত্ৰিৰংগা প্ৰতিটো পৰিয়ালক তুলি দিয়াৰ লগতে সহজতে ত্ৰিৰংগা গাঁৱৰ ৰাইজে ক্ৰয় কৰিব পৰাকৈ তাৰ বাবে কেইবাখনো ত্ৰিৰংগা বিক্ৰী বিপণী খুলি ত্ৰিৰংগা বিক্ৰীৰ ব্যৱস্থা হাতত লৈছে। আনহাতে, অঞ্চলবোৰৰ শিক্ষানুষ্ঠান, অনুষ্ঠান-প্ৰতিষ্ঠানত, ব্যৱসায়িক প্ৰতিষ্ঠানত অতি কম মূল্যত ত্ৰিৰংগা দিয়াৰ ব্যৱস্থা লৈছে পাখিমৰীয়া উন্নয়ন খণ্ডৰ তৰফৰ পৰা। এই সন্দৰ্ভত পাখিমৰীয়া খণ্ড উন্নয়ন বিষয়া দীনেশ পেগুৱে জানিবলৈ দিয়া অনুসৰি- দেশৰ ৭৫সংখ্যক স্বাধীনতা দিৱসত ঘৰে ঘৰে ত্ৰিৰংগা উত্তোলনৰ যি কাৰ্যসূচী গ্ৰহণ কৰা হৈছে তাক লৈ আমি আনন্দিত। চৰকাৰৰ নিৰ্দেশমৰ্মে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানক যি দায়িত্ব অৰ্পণ কৰিছে, সেই অনুসৰি গ্ৰামাঞ্চলত কম মূল্যত সহজতে ত্ৰিৰংগা পতাকা প্ৰতিটো পৰিয়ালে লাভ কৰিব পাৰে তাৰ বাবে আমি ত্ৰিৰংগা বিক্ৰীৰ বাবে পাখিমৰীয়া উন্নয়ন খণ্ডৰ প্ৰতিটো পঞ্চায়তত কে'বাখনো বিপণী মুকলিৰ ব্যৱস্থা কৰিছোঁ। 'হৰ ঘৰ ত্ৰিৰংগা' এই শ্ল'গানেৰে আমাৰ আত্মসহায়ক গোটৰ প্ৰায় ১০,৬০০ গৰাকী মহিলা সদস্যই উন্নয়ন খণ্ডৰ অধীনস্থ গাঁৱে গাঁৱে এইকেইদিন সজাগতা কৰাৰ লগতে প্ৰতিটো পৰিয়ালক ত্ৰিৰংগা অতি কম মূল্যত তুলি দিব পাৰিব বুলি আমি আশাবাদী। মুঠৰ ওপৰত পাখিমৰীয়া উন্নয়ন খণ্ডৰ এইসকল মহিলাই ১৫,৫০০খন জাতীয় পতাকা বিক্ৰীৰ লক্ষ্যৰে বৰ্তমানলৈকে কে'বাহাজাৰো পতাকা সাজু কৰি তুলিছে। ঘৰে ঘৰে গৈ হাতত ত্ৰিৰংগা তুলি দি ৰাইজৰ মাজত কৰিব সজাগতা। উল্লেখ্য যে উন্নয়ন খণ্ডটোৰ অন্তৰ্গত মহিলা আত্মসহায়ক গোটসমূহৰ দ্বাৰা বৰ্তমানলৈকে প্ৰায় ৪,৭০০ খন মান ত্ৰিৰংগা সম্পূৰ্ণ হৈ উঠিছে বুলি জানিব পৰা গৈছে।



## বুঢ়াৰ জয়ন্তীপুৰৰ ৰাজপথত লোক এজনক হানি-খুচি হত্যাৰ চেষ্টা



**দৈনন্দিন বাৰ্তাৰ সেৱা আন্ধেৰীঘাট, ২৬ জুলাই ঃ** দৰং জিলাৰ বুঢ়া আৰক্ষী চকীৰ অন্তৰ্গত জয়ন্তীপুৰত দেওবাৰে নিশা সংঘটিত হৈছে এক চাঞ্চল্যকৰ ঘটনা। বুঢ়া আৰক্ষী চকীৰ অন্তৰ্গত জয়ন্তীপুৰ গাঁও নিৱাসী একে গাঁৱৰে মিতিৰালি কৰি ঘূৰি ফুৰা বন্ধু সত্য ৰাজবংশী (৪৫) নামৰ লোকজনক তেওঁৰ বন্ধু তৰুণ ৰাজবংশী(৫৩)য়ে চোকা অস্ত্ৰৰে হানি-খুঁচি হত্যাৰ চেষ্টা চলাই সম্প্ৰতি বুঢ়া আৰক্ষী চকীৰ আলহী হ'বলগীয়া হৈছে। আহত সত্য ৰাজবংশীৰ পত্নীৰ অভিযোগ অনুসৰি অভিযুক্ত তৰুণ ৰাজবংশীয়ে টকা দিবলগীয়া থকা বাবে এই ভয়ংকৰ কাণ্ড সংঘটিত হোৱা বুলি জানিবলৈ দিছে। আনফালে, দেওবাৰে নিশা ৯ মান বজাত সত্য ৰাজবংশী নামৰ লোকজনক তেজেৰে লুটুৰি-পুতুৰি হৈ শালমাৰা-আন্ধেৰীঘাট লোকনিৰ্মাণ পথৰ ওপৰতে জয়ন্তীপুৰত তথা সত্য ৰাজবংশীৰ ঘৰৰ নাতি দূৰৈত পৰি থকা অৱস্থাত হুৱাদুৱা লাগে ৰাইজৰ মাজত। লগে লগে আঘাতপ্ৰাপ্ত সত্য ৰাজবংশীক মুমূৰ্ষ অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ পঠিওৱাৰ ব্যৱস্থা কৰে প্ৰত্যক্ষদৰ্শীয়ে। আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত উপস্থিত হয় বুঢ়া আৰক্ষী চকীৰ এটি দল। সম্প্ৰতি তেওঁৰ অৱস্থা সংকটজনক । ঘটনা সংক্ৰান্তত সত্য ৰাজবংশীৰ পৰিয়ালে বুঢ়া আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে। সম্প্ৰতি অভিযুক্ত তৰুণ ৰাজবংশী বুঢ়া আৰক্ষীৰ জিম্মাত।

## উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ ৭৫টা ষ্টেচনত ষ্টেচন টিকট বুকিং এজেণ্টৰ (এছটিবিএ) সুবিধা প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মালিগাঁও, ২৫ জুলাই ঃ** উত্তৰ-পূব সীমান্ত ৰে'লৱেই ৫টা মণ্ডলৰ সমগ্ৰতে ব্যাপ্ত হৈ থকা ৭৫টা ষ্টেচনত এছটিবিএৰ (ষ্টেচন টিকট বুকিং এজেণ্ট) সুবিধা প্ৰদান কৰিছে। ৰে'ল পৰিচালন কৰ্মচাৰীসকলৰ সুৰক্ষা সম্পৰ্কীয় দায়িত্ব বিবেচনা কৰি আৰু টিকট বুকিং কৰ্মচাৰীসকলৰ নাটনি হোৱা ষ্টেচনবোৰত এই সুবিধা প্ৰদান কৰা হৈছে। ষ্টেচন টিকট বুকিং এজেণ্টসকলক কম্পিউটাৰাইজড আনৰিজাৰ্ভড টিকটিং ছিষ্টেমৰ (ইউটিএছ) জৰিয়তে অসংৰক্ষিত ৰে'লৰ টিকট বিক্ৰী কৰাৰ বাবে নিযুক্ত কৰা হৈছে। বৰ্তমানে, উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ ৭৫খন কাৰ্যক্ষম এছটিবিএৰ ভিতৰত ১১খন কাটিহাৰ মণ্ডলত, ১৪খন আলিপুৰদুৱাৰ মণ্ডলত, ১৮খন ৰঙিয়া মণ্ডলত, ২০খন লামডিং মণ্ডলত আৰু ১২খন তিনিচুকীয়া মণ্ডলত আছে। এই ৰে'ল সংমণ্ডলৰ আৰু অধিক ষ্টেচনৰ বাবে এছটিবিএৰ নিযুক্তিৰ কাম, যিসমূহত বৰ্তমানে এএছএম/বুকিং ক্লাৰ্ক/ৰিজাৰ্ভেচন কৰ্মচাৰীসকলে টিকট প্ৰদান কৰি আছে, সেইসমূহত বিভিন্ন পৰ্যায়ত আগবাঢ়ি আছে। এই এছটিবিএসকলক কেৱল নগদ ধনৰ বিনিময়ত প্লেটফৰ্ম টিকট আৰু ছিজন টিকটকে ধৰি ইউটিএছৰ জৰিয়তে বিতৰণ কৰা সকলোধৰণৰ ৰেহাই নথকা অসংৰক্ষিত টিকট জাৰি কৰাৰ কৰ্তৃত্ব দিয়া হৈছে। এই এজেণ্টসকলে তেওঁলোকে কৰা টিকট বিক্ৰীৰ ওপৰত মাহিলি ভিত্তিত কমিছন লাভ কৰে। ষ্টেচনৰ শ্ৰেণীৰ ওপৰত নিৰ্ভৰ কৰি এছটিবিএৰ বাবে প্ৰাৰম্ভিক চুক্তিৰ ম্যাদ একৰ পৰা তিনি বছৰলৈ পৰিৱৰ্তিত হয়। সৰু, দূৰৱৰ্তী ষ্টেচনৰ যাত্ৰীসকলে এই এজেণ্টসকলৰ পৰা সহজে অনুমোদিত যাত্ৰা টিকট ক্ৰয় কৰাত সহায়প্ৰাপ্ত কৰে, যাৰ দ্বাৰা এছটিবিএৰ প্ৰৱৰ্তন এইক্ষেত্ৰত যথেষ্ট সহায়ক বুলি প্ৰমাণিত হৈছে। এনে এজেণ্টৰ নিয়োগে স্থানীয় যুৱক-যুৱতীসকলৰ বাবে নিযুক্তি সৃষ্টিত সহায় কৰিব। এই ব্যৱস্থাটোৱে সংশ্লিষ্ট ষ্টেচন মাষ্টৰক ৰে'ল পৰিচালনত অধিক সময় দিয়াত সহায় কৰে, এনেদৰে সুৰক্ষা আৰু সময়ানুৱৰ্তীতাৰো উন্নতকৰণ হয়।

## বাক্সাৰ বৰমা আৰু নিকাছীত জিলা প্ৰশাসনৰ উদ্যোগত 'বিজুলী মহোৎসৱ'ৰ আয়োজন

দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, **২৬ জুলাই ঃ** স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে পালন কৰা আজাদী কা অমৃত মহোৎসৱ উপলক্ষে ভাৰতৰ শক্তি মন্ত্ৰালয়, অসম চৰকাৰ আৰু বাক্সা জিলা প্ৰশাসন আৰু অসম শক্তি বিতৰণ নিগম লিমিটেডৰ উদ্যোগত অহা ২৬ আৰু ২৭ জুলাই তাৰিখে বাক্সা জিলাৰ বৰমা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আৰু নিকাছীৰ জ্ঞানপীঠ ডিগ্ৰী মহাবিদ্যালয় প্ৰেক্ষাগৃহত 'বিজুলী মহোৎসৱ'ৰ আয়োজন কৰা হৈছে। ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত সহযোগিতা উদ্‌যাপনৰ বাবে এই মহোৎসৱত ভাৰতৰ শক্তি খণ্ডৰ মূল সাফল্যসমূহৰ ওপৰত আলোকপাত কৰা হ'ব। উজ্জ্বলা ভাৰত উজ্জ্বলা ভৱিষ্য শক্তি-২০৪৭ৰ অধীনত সমগ্ৰ দেশতে 'বিজুলী মহোৎসৱ' উদ্‌যাপন কৰা হৈছে আৰু শক্তি খণ্ডৰ উন্নয়নসমূহ সামগ্ৰিকভাৱে সৰ্বসাধাৰণ লোকৰ মাজলৈ নিয়াৰ বাবে প্ৰচেষ্টা চলোৱা হ'ব। এই উপলক্ষে আজি বৰমা মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত উদ্‌যাপন অনুষ্ঠানত বিটিচিৰ কৃষি বিভাগৰ কাৰ্যবাহী সদস্য ঘনশ্যাম দাসে উদ্বোধন কৰে। আনহাতে, ২৭ তাৰিখে নিকাছীৰ জ্ঞানপীঠ ডিগ্ৰী মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগীয়া উদ্‌যাপন অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব হস্ততাঁত আৰু বস্ত্ৰশিল্প, ভূমি সংৰক্ষণ আৰু বড়োলেণ্ড কল্যাণ বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই। উল্লেখ্য যে এই অনুষ্ঠানত ক'ভিড-১৯ৰ প্ৰতি লক্ষ্য ৰাখি সামাজিক দূৰত্ব বজাই ৰখা আৰু মাস্ক পিন্ধা আদি বাধ্যতামূলক কৰা হৈছে। অনুষ্ঠানত বিদ্যুৎ কৰণ আঁচনিৰ ওপৰত হিতাধিকাৰীৰ প্ৰশংসা পত্ৰ, বিদ্যুৎ উৎপাদন, সংবহন আৰু বিতৰণ, গ্ৰাহকৰ অধিকাৰ আৰু সাংস্কৃতিক পৰিৱেশন আদি বিভিন্ন দিশৰ ওপৰত ছবি প্ৰদৰ্শন কৰা হ'ব বুলি জানিব দিয়ে।

## মৰাণ মহাবিদ্যালয়ৰ প্ৰবক্তা দিব্যজ্যোতি দাসৰ স্মৃতিচাৰণ আৰু গ্ৰন্থ উন্মোচনী সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ২৫ জুলাই ঃ** কলিয়াবৰৰ মহকুমাধিপতি পৱিত্ৰ কুমাৰ দাসৰ পত্নী, মৰাণ মহাবিদ্যালয়ৰ প্ৰবক্তা তথা বিশিষ্ট লেখিকা, সমাজকৰ্মী প্ৰয়াত দিব্যজ্যোতি দাসৰ স্মৃতিচাৰণ আৰু গ্ৰন্থ উন্মোচনী সভাখন শনিবাৰে বিয়লি এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত ইয়াৰ কুঁৱৰীটোলত অনুষ্ঠিত হয়। মৰাণ মহাবিদ্যালয়ৰ প্ৰবক্তা তুলসী দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত প্ৰয়াত দিব্যজ্যোতি দাসৰ স্মৃতি ৰোমন্থন কৰে কলিয়াবৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা প্ৰাক্তন মন্ত্ৰী গুণীন হাজৰিকাই। সমাজকৰ্মী মণিমাধৱ মহন্তই উদ্দেশ্য ব্যাখ্যা কৰা আৰু কলিয়াবৰ শাখা সাহিত্য সভাৰ সম্পাদক বিৰাজ ভূষণ বৰাই। আঁত ধৰা সভাখনিত কলিয়াবৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ চলিহা, মৰাণ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক হেমন্ত চুতীয়া, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ যুটীয়া সম্পাদিকা সুৱৰ্ণলতা মহন্ত, কলিয়াবৰ শাখা সাহিত্য সভাৰ সভাপতি হেমোধৰ হাজৰিকা, কলিয়াবৰ জিলা সত্ৰ মহাসভাৰ সভাপতি হীৰুপ্ৰসাদ মহন্তকে ধৰি কে'বাগৰাকী ব্যক্তিয়ে প্ৰয়াত দাসৰ স্মৃতিচাৰণ কৰে। সভাত দিব্যজ্যোতি দাসৰ স্বামী তথা মহকুমাধিপতি পৱিত্ৰ কুমাৰ দাসেও পত্নীৰ সান্নিধ্য সুঁৱৰি দুআষাৰ কয়। দুই শতাধিক লোকে অংশগ্ৰহণ কৰা সভাখনত বিশিষ্ট লেখক তথা সমালোচক ভূপেন শৰ্মা, ধ্ৰুৱজ্যোতি বৰগোহাঞি, কলিয়াবৰ শাখা সাহিত্য সভাৰ সম্পাদক বিৰাজ ভূষণ বৰা, মহকুমাৰ কাৰ্যবাহী দণ্ডাধীশ ৰাজনিশান শৰ্মা, ভূপালী কাশ্যপ আদিয়ে অংশ গ্ৰহণ কৰা সভাখনিত 'দিব্যজ্যোতি' শীৰ্ষক স্মৃতি গ্ৰন্থখনো উন্মোচন কৰা হয়।

## ভূৰাগাঁও আৰক্ষীৰ অভিযানত তিনি চাইবাৰ অপৰাধী আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৬ জুলাই ঃ** ভূৰাগাঁও আৰক্ষীৰ অভিযানত আটক তিনি চাইবাৰ অপৰাধী। ভূৰাগাঁও আৰক্ষীয়ে এক গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই জৰিবৰৰ বেছামাৰী ডুবাৰ পৰা ৰফিকুল ইছলাম, মেহদি আলম আৰু ছেকাব উদ্দিন নামৰ তিনি চাইবাৰ অপৰাধীক আটক কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ধৃত চাইবাৰ অপৰাধীকেইজনে দীৰ্ঘদিন ধৰি অঞ্চলটোত ছাইবাৰ অপৰাধৰ ঘাটি চলাই আহিছে। সহজ-সৰল ৰাইজৰ পৰা কৌশলেলে পেন-কাৰ্ড, আধাৰ কাৰ্ড সংগ্ৰহ কৰি গৰাকীৰ অজ্ঞাতে বিভিন্ন লোকৰ নামত লাখ লাখ টকাৰ লোন সংগ্ৰহ কৰি পথৰ ভিক্ষাৰীৰ পৰা লাখপতি হৈ পৰিছে ছাইবাৰ অপৰাধৰ লগত জড়িত বহু যুৱক। আৰক্ষীয়ে তিনি যুৱকক আটক কৰিছে যদিও বৰ্তমানেও পলাতক আছে অঞ্চলটোৰ আন কেইবাটাও চাইবাৰ অপৰাধৰ মাষ্টাৰমাইণ্ড।

## নৱনিৰ্বাচিত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক শুভেচ্ছা-আদৰণি আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ সামাজিক-ন্যায় সংস্থা কামৰূপ জিলা সমিতিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৬ জুলাই ঃ** দেশৰ পঞ্চদশ নৱনিৰ্বাচিত সৰ্বকনিষ্ঠ মহিলা ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক শুভেচ্ছা আৰু আদৰণি জনাইছে আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ সামাজিক আৰু ন্যায় সংস্থাৰ কামৰূপ জিলা সমিতিয়ে। কালি আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ সামাজিক আৰু ন্যায় সংস্থাৰ কামৰূপ জিলা সমিতিৰ সভানেত্ৰী দীপালী তালুকদাৰ আৰু সম্পাদিকা হাছিনা বেগমে এক বিবৃতিযোগে জনায় যে, সদ্যঘোষিত ৰাষ্ট্ৰপতি নিৰ্বাচনত আদিবাসী মহিলা নেত্ৰী দ্ৰৌপদী মুৰ্মু নিৰ্বাচিত হয়। দেশৰ পঞ্চদশসংখ্যক হিচাপে সৰ্ব কনিষ্ঠ মহিলা দ্ৰৌপদী মুৰ্মু নিৰ্বাচিত হোৱাত আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ সামাজিক আৰু ন্যায় সংস্থা, কামৰূপ জিলা সমিতিয়ে সন্তোষ প্ৰকাশ কৰি আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। লগতে দেশৰ সাৰ্বভৌমত্ব ৰক্ষাৰ্থে কাম কৰি মহিলা সবলীকৰণৰ ওপৰত পদক্ষেপ ল'ব বুলি আশা প্ৰকাশ কৰিছে সংস্থাটোৰ সদস্যা ক্ৰমে বাসন্তী নাৰ্জাৰী দাস, মীৰা দাস, ৰুণু বেগমসহ অৰ্ধশতাধিক সদস্যাই । আনহাতে, কামৰূপ জিলাৰ বকোস্থিত কাৰ্যালয়ৰ সভাপতি হলধৰ ৰাভা, কাৰ্যকৰী সভাপতি বিষ্ণুৰাম দাস, উপ-সভানেত্ৰী বিদুশী ৰাভা, সম্পাদক অবিনাশ দলৈ আৰু সদস্য দেৱানন্দ দাস, জোনাকী ৰাভা আৰু মীৰা দাসেও বকোৰ পৰা দেশৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক উষ্ম আদৰণি আৰু শুভেচ্ছা জনায়। দুয়োটা কাৰ্যালয়ৰ তৰফৰ পৰা ৰাষ্ট্ৰপতিগৰাকীক দেশৰ সাৰ্বভৌমত্বৰ ওপৰত গঠনমূলক পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

## শ্ৰীৰামপুৰত বৃহৎ পৰিমাণৰ গাঁজাভৰ্তি ট্ৰাক জব্দ

### ট্ৰাকৰ চালক-খালাচীক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ২৬ জুলাই ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শ্ৰীৰামপুৰত আৰক্ষীয়ে দেওবাৰে বিয়লি অভিযান চলাই গাঁজাভৰ্তি এখন ট্ৰাক জব্দ কৰাৰ লগতে ট্ৰাকৰ চালক আৰু খালাচীক আটক কৰে। গোপন সূত্ৰে লাভ কৰা তথ্যৰ ভিত্তিত শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জয় কুমাৰ ৰায়ৰ নেতৃত্বত আৰক্ষীৰ এটা দলে শ্ৰীৰামপুৰত ৩১ নম্বৰ 'গ' ৰাষ্ট্ৰীয় ঘাইপথত তালাচী চলাই এইচআৰ-৫৫ আৰ-৫১৩৭ নম্বৰৰ এখন কণ্টেইনাৰ জব্দ কৰে। কণ্টেইনাৰখন শিমুলটাপু আৰক্ষী চকীত আনি তালাচী চলাই ট্ৰাকখনত বিশেষ পদ্ধতিৰে লুকুৱাই অনা বৃহৎ পৰিমাণৰ গাঁজা থকা প্ৰত্যক্ষ কৰে। ট্ৰাকখনৰ পৰা মুঠ ৭২ পেকেট (৮১৫ কিলোগ্ৰাম) গাঁজা উদ্ধাৰ কৰি গাঁজাখিনি জব্দ কৰা হয় আৰু ট্ৰাকচালক বিহাৰ নিৱাসী ৰাম বিশ্বাস আৰু পিণ্ট মিশ্ৰক আটক কৰি আৰক্ষীয়ে সোধা-পোছা অব্যাহত ৰাখিছে। জব্দকৃত গাঁজাখিনিৰ বজাৰ মূল্য এক কোটি টকা হ'ব বুলি আৰক্ষীয়ে অনুমান কৰিছে।

## বিশ্বনাথৰ কুমলীয়াত দুখনকৈ টিম্বাৰ ডিপো ছীল বন বিভাগৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাভৈ, ২৬ জুলাই ঃ** বিশ্বনাথত বৰ্তমানেও অব্যাহত আছে চোৰাং কাঠৰ ব্যৱসায়। একাংশ অসাধু কাঠ ব্যৱসায়ীয়ে অনুজ্ঞা-পত্ৰৰ নাম লৈ চোৰাং ব্যৱসায় চলোৱাৰ তথ্য পোহৰলৈ অহাৰ লগতে কেবা'লক্ষাধিক টকাৰ কাঠ জব্দ কৰিছে বন বিভাগে। বন বিভাগে অভিযান চলাই বিশ্বনাথৰ কুমলীয়া গাঁৱৰ অনুজ্ঞা-পত্ৰপ্ৰাপ্ত দুখনকৈ কাঠৰ ডিপো ছীল কৰাৰ লগতে জব্দ কৰিছে প্ৰায় ২ লক্ষাধিক টকাৰ চোৰাং কাঠ। উল্লেখ্য যে বিশ্বনাথৰ কুমলীয়া অঞ্চলৰ দিশে দুখন ই-ৰিক্সাত অবৈধ কাঠ কঢ়িয়াই নি থকা প্ৰতক্ষ্য কৰে পূব শোণিতপুৰ বন সংমণ্ডৰ বিষয়া অৰুণ জিজ্ঞেছে। বন বিষয়াগৰাকীয়ে এই ই-ৰিক্সাৰ পিছ লৈ বিশ্বনাথৰ কুমলীয়াত চোৰাং কাঠ ব্যৱসায়ৰ ঘাটিত উপস্থিত হয়। ই-ৰিক্সা দুখনে অবৈধভাৱে কঢ়িয়াই নিয়া কাঠৰ দোকানত নমাবলৈ ধৰোঁতেই বন বিষয়াগৰাকীয়ে জব্দ চোৰাং কাঠবোৰৰ লগতে পূৰ্বৰ পৰা দোকানখনত মজুত থকা কাঠবোৰৰো নথি-পত্ৰসমূহৰ বিসংগতি থকা সন্দেহ কৰি সেই কাঠবোৰো জব্দ কৰে আৰু দোকানখন ছীল কৰি দিয়ে। সেই স্থানতে আন এখন দোকানতো বন বিভাগে অভিযান চলাই সেই দোকানখনতো মজুত থকা কাঠ আৰু নথি-পত্ৰৰ মাজত পাৰ্থক্য থকাৰ বাবে সেই টিম্বাৰ ডিপোটি আস্থায়ীভাৱে ছীল কৰে বন বিভাগৰ লোকে। আজিও বন বিভাগৰ দলে অঞ্চলটোত চোৰাং কাঠ ব্যৱসায়ীৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে।



*এজাক বৰষুণতে মহানগৰীৰ হাতীগাঁও অঞ্চলত সৃষ্টি হোৱা কৃত্ৰিম বানপানী, মঙলবাৰৰ ছবি*

## দধীয়াত ৪৯গৰাকীৰ কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা যুৱ সমাজৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২৬ জুলাই ঃ** ডিব্ৰুগড় জিলাৰ ১২১ নং চাবুৱা বিধান সভা সমষ্টিৰ অন্তৰ্গত ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ মাজত অৱস্থিত ব্ৰহ্মপুত্ৰ আৰু ডিব্ৰু নদীৰ বাঢ়নী পানীত বিধ্বস্ত দধীয়া বনগাঁৱৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ৪৯গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক দধীয়া যুৱ সমাজৰ উদ্যোগত সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে অতিকৈ পিছপৰা দুৰ্গম দধীয়া বনগাঁৱৰ পৰা ওলাই আহি চাবুৱা, জোনাই আদি অঞ্চলবোৰত ভাড়া ঘৰত থাকি নিজে ৰন্ধা বঢ়া কৰি পৰীক্ষা হলত বহা ছাত্ৰ-ছাত্ৰীসকল Distinction, Starmark আদি সন্মান বুটলি অনাত সমূহ দধীয়া ৰাইজৰ মাজত আনন্দমুখৰ পৰিৱেশ সৃষ্টি হয়। দধীয়া কুলি গাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নবীন চন্দ্ৰ পাইতৰ সভাপতিত্বত অনুষ্ঠিতে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজক তথা দধীয়া যুৱ সমাজৰ সভাপতি প্ৰাঞ্জল কছাৰীয়ে। উক্ত অনুষ্ঠানত ৪৯গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক এখন ফুলাম গামোচা আৰু একোখনকৈ মান পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। ১৯৫০ চনতেই প্ৰতিষ্ঠিত গাঁওখনত প্ৰথম বাৰৰ বাবে এইবাৰ ২০২২ বৰ্ষত সম্বৰ্ধনা অনুষ্ঠান পতা বাবে ৰাইজ অধিক আনন্দত মতলীয়া হৈ স্বেচ্ছাসেৱী দধীয়া যুৱ সমাজৰ সমূহ কৰ্মকৰ্তালৈ অশেষ প্ৰসংশা কৰে আৰু অনাগত বৰ্ষতো এনে কাৰ্যসূচীতসমূহত দধীয়াৰ ৰাইজে সম্পূৰ্ণ সহযোগ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। শেষত সভাপতিৰ মন্তব্যত যিহেতু এই সম্বৰ্ধনা অনুষ্ঠান আমাৰ বাবে এক উৎসৱময়ী পৰিৱেশ। সেয়ে অহা বৰ্ষৰ পৰা কৃতী ছাত্ৰ-ছাত্ৰীকসকলৰ সম্বৰ্ধনা অনুষ্ঠানৰ ঠাইত সম্বৰ্ধনা উৎসৱ হ'ব বুলি ঘোষণা কৰে আৰু সৰ্বসন্মতিৰ পাছত সভাভংগ ঘোষণা কৰে।



*কমলা শইকীয়া মেম'ৰিয়েল ট্ৰাষ্টৰ বিষয়ববীয়াৰ সংবাদ মেল সম্বোধন, গুৱাহাটীত মঙলবাৰে*

### ছিপাঝাৰত লোকশিল্পীৰ জীৱন দুৰ্দশা

## ৰাইজে বান্ধি দিয়া এচলীয়া বেৰ নোহোৱা টিনৰ চালিৰ তলত বসবাস

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৬ জুলাই ঃ** অসমীয়া লোক-কৃষ্টিৰ ক্ষেত্ৰখন চহকী কৰাৰ অন্যতম হোতা ইচ্ছাৰাম বৰুৱাৰ জীৱন দুৰ্দশাৰ বাস্তৱ ছবিখন দেখিলে আপোনাৰ হৃদয়ত কঁপনি উঠিব। ক'ব নোৱাৰাকৈয়ে ওলাব আপোনাৰ চকুলো। দৰঙৰ ছিপাঝাৰৰ চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তৰ চমুখা গাঁৱৰ নিৱাসী ৯০ বছৰ গৰকা ইচ্ছাৰাম বৰুৱা জীৱনৰ ১২ বছৰ বয়সৰ পৰাই ওজাপালি, নাগাৰা নাম, বেণ্ড পাৰ্টীৰ শিল্পী হিচাপে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ দক্ষতাৰে প্ৰদৰ্শন কৰি সুনাম অৰ্জন কৰাই নহয়, অসমৰ লোক-কৃষ্টিৰ ক্ষেত্ৰখন চহকী কৰাত অনবদ্য বৰঙণি আগবঢ়ায়। জীৱনৰ ৫০-৬০ বছৰে লোককৃষ্টিৰ পথাৰখনত কৃষ্টি প্ৰদৰ্শন কৰি ৰজনজনাই তোলা এইগৰাকী লোককৃষ্টিৰ সাধকে শিল্পী গোবিন্দ বৰুৱাৰ মূল দায়নাপালি হিচাপে দৰঙৰ লগতে বিভিন্ন ঠাইত ব্যাসৰ ওজাপালি প্ৰদৰ্শন কৰি আহিছে। আকাশবাণীৰ এগৰাকী নিয়মীয়া লোকশিল্পী হিচাপে স্বীকৃতি লাভ কৰা এইগৰাকী লোকশিল্পীৰ আজি থাকিবলৈ এটা ভাল ঘৰ নাই। মামৰ লগা ফুটা টিনৰ চালিৰ তলত বসবাস কৰা জৰাজীৰ্ণ গৃহৰ টিনৰ চালি ব'হাগ মাহত বতাহে উৰুৱাই নিয়াৰ পাছত গাঁৱৰ ৰাইজে এচলীয়াকৈ বেৰহীনভাৱে বান্ধি দিয়া চালিৰ তলত বাস কৰে এইগৰাকী লোক-কৃষ্টিৰ সাধকে। পঞ্চায়তৰ আঁচনিয়ে ঢুকি পোৱা নাই দৰিদ্ৰ শিল্পীগৰাকীক। অৱশ্যে চৰকাৰে লোকশিল্পীগৰাকীক এই বেলি এককালীন শিল্পী পেঞ্চনৰ বাবে মনোনীত সন্মান জনোৱা বুলি প্ৰকাশ। জীৱন দুৰ্দশাৰে ভৰা এইগৰাকী লোকশিল্পীৰ জীৱন দুৰ্দশাত মৰ্মাহত হৈ স্থানীয় ৰাইজে বিধায়ক ড° পৰমানন্দ ৰাজবংশীৰ কৃপাদৃষ্টি কামনা কৰি মানুহগৰাকীক অন্তত জীয়াই থকাৰ দিনকেইটাত সহায় আগবঢ়াবলৈ সবিনয়ে জনাইছে আহ্বান। উল্লেখ্য যে লোকশিল্পী ইচ্ছাৰাম বৰুৱাৰ কনিষ্ঠ পুত্ৰ প্ৰসন্ন বৰুৱা, বিবাহিতা কন্যা বুলু বৰুৱা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ এগৰাকী নিয়মীয়া লোকগীত-চিঁয়াগীতৰ শিল্পী। ইফালে একাংশ ৰাইজে পঞ্চায়তৰ প্ৰতিনিধি, কৰ্মচাৰীয়ে বছৰ বছৰ ধৰি গাঁওখনলৈ গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন কৰিছে। যি উদাহৰণ লোকশিল্পী ইচ্ছাৰাম বৰুৱাই বুলি ক'ব খোজে।

■ আজাদী কা অমৃত মহোৎসৱ ■

# শিৱসাগৰত যুৱ মৰ্চাৰ প্ৰভাত ফেৰী



দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৬ জুলাই ঃ দেশে স্বাধীনতা লাভ কৰাৰ ৭৫ বছৰ পূৰ্ণ হোৱা উপলক্ষে ভাৰতীয় জনতা পাৰ্টীয়ে দেশজুৰি পালন কৰিছে আজাদী কা অমৃত মহোৎসৱ। এই মহোৎসৱৰ লগত সংগতি ৰাখি ভাৰতীয় জনতা যুৱ মৰ্চাৰ ৰাষ্ট্ৰীয় সমিতিৰ আহ্বানত যুৱ মৰ্চাৰ শিৱসাগৰ জিলা সমিতিয়ে শিৱসাগৰ নগৰত অনুষ্ঠিত কৰে প্ৰভাত ফেৰী। শিৱসাগৰ কে পি এম চাৰিআলিৰ পৰা শিৱদ'ল প্ৰাংগণলৈকে যুৱ মৰ্চাৰ শতাধিক কৰ্মীয়ে হাতত ত্ৰিৰংগা পতাকা লৈ এক পদযাত্ৰা বাহিৰ কৰে। কাৰ্যসূচীত অংশগ্ৰহণ কৰি শিৱসাগৰ জিলা যুৱ মৰ্চাৰ উপ-সভাপতি সমীৰণ বৰদলৈয়ে কয় যে, আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি আজি কাৰ্গিল বিজয় দিৱস উপলক্ষে যুৱ মৰ্চাই প্ৰভাত ফেৰীৰ যোগেদি ত্ৰিৰংগা যাত্ৰা শীৰ্ষক ৰেলী বাহিৰ কৰে। কাৰ্গিল যুদ্ধত নিজৰ প্ৰাণ বিসৰ্জন দিয়া আৰু দেশৰ স্বাধীনতাৰ বাবে নিজৰ জীৱন বলিদান দিয়া প্ৰতিগৰাকী শ্বহীদক শ্ৰদ্ধাৰে সুঁৱৰি এই ৰেলী অনুষ্ঠিত কৰা হয় বুলি উল্লেখ কৰি বৰদলৈয়ে শ্বহীদসকলৰ ত্যাগ আৰু আদৰ্শৰে উদ্বুদ্ধ হৈ যুৱ মৰ্চাৰ প্ৰতিগৰাকী কৰ্মীক ৰাষ্ট্ৰৰ হকে কাম কৰি যাবলৈ আহ্বান জনায়। যুৱ মৰ্চাৰ প্ৰভাত ফেৰী কাৰ্যসূচীত শিৱসাগৰ নগৰ মণ্ডল বিজেপিৰ সভাপতি প্ৰণৱ বৰুৱা, শিৱসাগৰ পৌৰ সভাৰ ৬নং ৱাৰ্ডৰ ৱাৰ্ড কমিছনাৰ সমীৰ দত্ত, যুৱ মৰ্চাৰ জিলা উপ-সভাপতি সমীৰণ বৰদলৈ, সাধাৰণ সম্পাদকদ্বয় ক্ৰমে সন্দীপ গগৈ আৰু ৰাহুল গগৈৰ লগতে দলৰ জিলা আৰু মণ্ডল সমিতিৰ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে।



মন থাকিলে, পণ ল'লে উত্তৰণৰ পথত কোনো কাৰকেই হেঙাৰ হ'ব নোৱাৰে ঃ সুভাষ বৰ্মন

# পূব নলবাৰী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত উৎসৱ বিদ্যাৰম্ভ সম্পন্ন

দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৬ জুলাই ঃ নলবাৰীৰ পোৰাকুছিত অৱস্থিত পূব নলবাৰী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত আজি পুৱা ৯ বজাত 'উৎসৱ বিদ্যাৰম্ভ' অনুষ্ঠান সম্পন্ন কৰা হয়। উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ প্ৰথম বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰথম শ্ৰেণীৰ বাবে বিদ্যালয় কৰ্তৃপক্ষই এই অনুষ্ঠানৰ আয়োজন কৰে। বড়িগোগ-বনভাগ শিক্ষা খণ্ডৰ সমল ব্যক্তি সুভাষ বৰ্মনে অনুষ্ঠানত মুখ্য অতিথি হিচাপে যোগদান কৰে। বিশিষ্ট সমাজসেৱী হিৰণ্য বৰ্মন, কৃতী শিক্ষক দেবেন দাস, উৎপল কুমাৰ শৰ্মা, স্মিতম প্ৰকাশ দত্তকে ধৰি কেইবাগৰাকী বিশিষ্ট লোকৰ লগতে শিক্ষক-গোটৰ সমূহ সদস্য কাৰ্যক্ৰমত উপস্থিত থাকে। অনুষ্ঠানৰ লগত সংগতি ৰাখি সামূহিক বন্তি প্ৰজ্বলন, শপত বাক্য পাঠ, স্মৃতি তৰ্পণ, বিদ্যাৰম্ভ অনুষ্ঠান আদি কাৰ্যক্ৰম সম্পাদন কৰা হয়। মুখ্য অতিথিৰূপে যোগদান কৰি সুভাষ বৰ্মনে কয় যে মন থাকিলে, পণ ল'লে উত্তৰণৰ পথত কোনো কাৰকেই হেঙাৰ হ'ব নোৱাৰে। সময়ৰ সদ্ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীসকলক আগবাঢ়ি যাবলৈ তেওঁ আহ্বান জনায়। বৰ্তমানৰ প্ৰতিযোগিতামূলক সময়ত ছাত্ৰ-ছাত্ৰীৰ সৃজনীশীল প্ৰতিভাৰ বিকাশৰ ওপৰতো তেওঁ আলোকপাত কৰে। আন দুগৰাকী বক্তা ক্ৰমে হিৰণ্য বৰ্মন আৰু দেবেন দাসে প্ৰাসংগিক বক্তব্য আগবঢ়ায়। ছাত্ৰ-ছাত্ৰীক শপত বাক্য পাঠ কৰোৱায় জ্যেষ্ঠ শিক্ষক শ্বৰিফ উদ্দিন আহমেদে আৰু স্মৃতি তৰ্পণ কৰে ধৰ্ম শৰ্মাই। অনুষ্ঠান সাফল্যমণ্ডিত কৰি তোলা বাবে বিদ্যালয়ৰ অধ্যক্ষ হেমন্ত কুমাৰ শৰ্মাই সকলোকে ধন্যবাদ জ্ঞাপন কৰিছে।

## দুমুনিচকীত 'ৰাইজৰ উৎসৱ' গ্ৰীষ্মকালীন কৰ্মশালা

দৈনন্দিন বাৰ্তাৰ সেৱা, দুমুনিচকী, ২৬ জুলাই ঃ দৰং জিলাৰ ছিপাঝাৰ শিক্ষা খণ্ডৰ অন্তৰ্গত দুমুনিচকী মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক নাজিজুল হকৰ উদ্যোগত মাৰুৱা চকী উচ্চ মাধ্যমিক বিদ্যালয়ত তিনিদিনীয়া এটি গ্ৰীষ্মকালীন কৰ্মশালা অনুষ্ঠিত হয়। গ্ৰীষ্মকালীন কৰ্মশালাখনৰ সৈতে সংগতি ৰাখি আজি ছাত্ৰ-ছাত্ৰীৰ মাজত 'ৰাইজৰ উৎসৱ' নামৰ এলানি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ সমান্তৰালভাৱে ১নং মাৰুৱা চকী প্ৰাথমিক বিদ্যালয়ৰ পৰা মাৰুৱা চকী উচ্চ মাধ্যমিক বিদ্যালয়লৈ উলিয়ায় এক মনোৰম সাংস্কৃতিক শোভাযাত্ৰা। শোভাযাত্ৰা উদ্বোধন কৰে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি মাহতাবুদ্দিন হাজৰিকাই। উল্লেখ্য যে, গ্ৰীষ্মকালীন কৰ্মশালাখনৰ শেষ দিনটোৰ অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ পৰেশ বৈশ্য, মাৰুৱা চকী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক মথুৰা মোহন নাথ, নিজকুঁৱৰী মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক জ্যোতিপ্ৰসাদ ভট্টৰায়, প্ৰধান শিক্ষক কৰম আলী, ইনামুল হক, ২নং মাৰুৱা চকী প্ৰাঃ বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি নজৰুল ইছলাম আদি উপস্থিত থাকে।

# খকন্দগুৰি মধ্য ইংৰাজী বিদ্যালয়ত গ্ৰীষ্মকালীন পাঠদান

দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙামাটি, ২৬ জুলাই ঃ গোলাঘাট জিলাৰ ৰঙামাটিৰ সমীপৱৰ্তী খকন্দগুৰি মধ্য ইংৰাজী বিদ্যালয়ত চলিত গ্ৰীষ্মকালীন বিদ্যালয় বন্ধৰ প্ৰতি সংগতি ৰাখি টিএমপিকে-এমএমকে, টিএমএমকেৰ ব্ৰহ্মপুত্ৰ আঞ্চলিকৰ উদ্যোগত আৰম্ভ হোৱা গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদানৰ আজি সফল সামৰণি পৰে। ৪-৭-২০২২ তাৰিখৰ পৰা আৰম্ভ হোৱা এই পাঠদান অনুষ্ঠানত অঞ্চলটোৰ প্ৰায় দুই শতাধিক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। পাঠদান কাৰ্যসূচীত পাঠ্যপুথিৰ শিক্ষাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ সংগীত, খেল আদিৰ প্ৰতিও আগ্ৰহী কৰি তোলাৰ লগতে কেৰিয়াৰ কাউন্সেলিং সন্দৰ্ভতো পাঠদানৰ ব্যৱস্থা কৰিছে উদ্যোক্তাসকলে। এম এম কেৰ সম্পাদক পৰীক্ষিত পাওঁৰে আঁত ধৰা সামৰণী অনুষ্ঠানৰ সভাত সভাপতিত্ব কৰে এম এম কেৰ ব্ৰহ্মপুত্ৰ আঞ্চলিক সমিতিৰ সভাপতি অনিল আহোমে আৰু টি এম পিকেৰ সভাপতি জিতু দলেয়ে। উক্ত অনুষ্ঠান উদ্বোধন কৰে টি এম পি কেৰ




গোলাঘাট জিলাৰ প্ৰাক্তন সভাপতি প্ৰসেন লইংয়ে। সভাত উপস্থিত থাকে জিলা সমিতিৰ বুলবুল পেগু, পংকজ পেগু, সুৰুজ স্বাগতম লইং, প্ৰশান্ত লইং, কেন্দ্ৰীয় সদস্য গংগাধৰ চাৰহ, গোলাঘাট জিলা টিএমপিকেৰ সভাপতি জিতু বড়ি আৰু এমএমকেৰ সভাপতি মনেশ্বৰ কুটুমৰ লগতে ব্ৰহ্মপুত্ৰ আঞ্চলিক টিএমপিকেৰ জিতু দলে আৰু চন্দ্ৰজিৎ পাওঁ আৰু এমএমকেৰ সম্পাদক পৰীক্ষিত পেগু উপস্থিত থাকি সহযোগিতা আগবঢ়ায়। অতিথি হিচাপে উপস্থিত থাকে খকন্দগুৰি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰুণুমী বৰুৱা। উক্ত অনুষ্ঠানত টিএমপিকে, এমএমকে, টিএমএমকেৰ সকলো বিষয়ববীয়া উপস্থিত থাকি সহযোগিতা আগবঢ়ায়। লগতে অনুষ্ঠানৰ পৰা ব্ৰহ্মপুত্ৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰিছে বুলি আশা প্ৰকাশ কৰিছে উদ্যোক্তাসকলে।

# গোৱালপৰীয়া লোকগীত প্ৰশিক্ষণৰ সামৰণি

দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ২৬ জুলাই ঃ মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অন্তৰ্গত সাংস্কৃতিক নৱজাগৰণ অভিযান সমাজৰ উদ্যোগ অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনস্থ ছয়গাঁও সাংস্কৃতিক কেন্দ্ৰ আৰু শুৱালকুছি সংগীত মহাবিদ্যালয়ৰ সহযোগত অনুষ্ঠিত গোৱালপৰীয়া লোকগীতৰ প্ৰশিক্ষণৰ কৰ্মশালাৰ সফল সামৰণি পৰে। শুৱালকুছি সংগীত মহাবিদ্যালয় প্ৰাংগণত ৯ জুলাইৰ পৰা অনুষ্ঠিত কৰ্মশালাৰ সামৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে অৱসৰী শিক্ষক অনিল কলিতা, সাংস্কৃতিক সঞ্চালকালয়ৰ উপ-সঞ্চালক উৎপল কুমাৰ দাস। অনুষ্ঠানত প্ৰশিক্ষক স্নেহলতা অধিকাৰীক প্ৰশিক্ষাৰ্থীসকলে সম্বৰ্ধনা জ্ঞাপন কৰে। প্ৰায় অৰ্ধশতাধিক প্ৰশিক্ষাৰ্থীৰে ভৰপূৰ কৰ্মশালাৰ প্ৰশিক্ষণ দি আনন্দিত বুলি প্ৰশিক্ষকগৰাকীয়ে কয়। যদিও ১৫ দিনৰ ভিতৰত গোৱালপৰীয়া লোকগীতৰ বিষয়ে প্ৰশিক্ষণ দিয়াতো হাতী মাৰি ভুৰুকাত ভৰোৱাৰ দৰে কাম তথাপি প্ৰশিক্ষাৰ্থীসকলৰ সংগীতৰ জ্ঞানৰ পৰিপক্কতাই প্ৰশিক্ষণটিয়ে সমল যোগাব বুলি আশা প্ৰকাশ কৰে। আনহাতে, মুখ্য অতিথি অনিল কলিতাই সংগীত সাধনা কৰা মানে ঈশ্বৰ সাধনা কৰা বুলি মন্তব্য কৰে। কিয়নো শিল্পীসকলৰ মধুৰ স্বৰত মন্ত্ৰমুগ্ধ হয় শ্ৰোতা। শিল্পীৰ মধুৰ ধ্বনিয়ে শ্ৰোতাৰ মন-মগজুত প্ৰেমৰ সঞ্চালন কৰি একাত্ম কৰি তোলে। সেয়ে সকলো মানুহে সংগীত সাধনা কৰিলে পৃথিৱীখন সৰগলৈ ৰূপান্তৰিত হ'ব বুলি কয়। অনুষ্ঠানত শুৱালকুছিৰ শতাধিক গণ্য-মান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰি সংগীত মহাবিদ্যালয়ৰ এই প্ৰচেষ্টাৰ শলাগ লয়।



## লাহৰীঘাটত তিনি জুৱাৰী আটক

দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৬ জুলাই ঃ মৰিগাঁও জিলাৰ লাহৰীঘাট থানাৰ আৰক্ষীৰ অভিযানত নিশা ৰজাগাধোৱা গাঁৱৰ পৰা জুৱা খেলি থকা অৱস্থাত তিনি জুৱাৰীক আটক কৰে। ধৃত জুৱাৰীসকল ক্ৰমে ৰাবিজুল জামান (৩৪), শ্বাহ জালাল (৩১) আৰু ৰইচ উদ্দিন (৩৫)। ধৃত জুৱাৰীসকলৰ পৰা ১ বাণ্ডিল তাচপাত, তিৰ্পাল আৰু নগদ ৮৭০ টকাও জব্দ কৰে আৰক্ষীয়ে।

# ভূৱনেশ্বৰত ভাৰত ৰংগ মহোৎসৱত অসমৰ নাট 'ফুলগুৰি ধেৱা' মঞ্চস্থ

দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ, ২৬ জুলাই ঃ ওড়িশাৰ ভুৱনেশ্বৰত ভাৰত ৰংগ মহোৎসৱত সফলতাৰে মঞ্চস্থ হৈ যায় অসম তথা নগাঁৱৰ পুৰণিগুদামৰ অবিনশ্বৰ গোষ্ঠীৰ শিল্পী, কলা-কুশলীৰ দ্বাৰা পৰিৱেশিত নাট 'ফুলগুৰি ধেৱা'। ভুৱনেশ্বৰত অনুষ্ঠিত ২২সংখ্যক ভাৰত ৰংগ মহোৎসৱত অংশগ্ৰহণ কৰি ২৪ জুলাইৰ নিশা নগাঁৱৰ অন্যতম নাট্য সংগঠন 'অবিনশ্বৰ গোষ্ঠী'য়ে নিৱেদন কৰে 'ফুলগুৰি ধেৱা' নামৰ বুৰঞ্জীমূলক নাটখন। ভুৱনেশ্বৰ KIIT প্ৰেক্ষাগৃহত বিশিষ্ট নাট্যকাৰ-পৰিচালক দীপক বৰাৰ পৰিকল্পনা আৰু পৰিচালনাৰে স্বনামধন্য নাট্যকাৰ সাৰদা কান্ত বৰদলৈ ৰচিত বুৰঞ্জীপ্ৰসিদ্ধ নাটক 'ফুলগুৰি ধেৱা' মঞ্চস্থ কৰা হয়। অভিনেতা-অভিনেত্ৰীসকলৰ সফল অভিনয়ৰ লগতে পোহৰ, ৰূপসজ্জা, সংগীত, দৃশ্যসজ্জা আদিৰ ধনাত্মক প্ৰয়োগে উপস্থিত অজস্ৰ দৰ্শকক আপ্লুত কৰে।



## নগাঁৱত চুৰি বেটেৰী, ইঞ্জিন অইল উদ্ধাৰ

দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৬ জুলাই ঃ নগাঁৱৰ আৰক্ষীয়ে কালি বুজন পৰিমাণৰ চুৰি নতুন বেটেৰী আৰু ইঞ্জিন অইল উদ্ধাৰ কৰিবলৈ সক্ষম হয়। এক নিৰ্দিষ্ট অভিযোগৰ ভিত্তিত আৰক্ষীয়ে অভিযান চলাই এই সফলতা লাভ কৰে। হয়বৰগাঁও আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া তৰংগ পাটোৱাৰী আৰু উপ-পৰিদৰ্শক কৃষ্ণ দলেৰ নেতৃত্বত যোৱা আৰক্ষী দলে ৰহা চাৰিআলিৰ ওচৰত এটা ঘৰত অভিযান চলাই এই চুৰি সামগ্ৰীসমূহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে জনোৱা মতে আৰক্ষীয়ে পোৱা নিৰ্দিষ্ট অভিযোগৰ ভিত্তিত এই সন্দৰ্ভত অনুসন্ধান আৰম্ভ কৰে। সেই অনুসৰি আৰক্ষীয়ে কালি পুৱা হয়বৰগাঁৱৰ পৰা সঞ্জীৱ শইকীয়া নামৰ এজন যুৱকক গ্ৰেপ্তাৰ কৰি জেৰা চলায়। সঞ্জীৱৰ স্বীকাৰোক্তিৰ ভিত্তিত হয়বৰগাঁও আৰক্ষীয়ে ৰহাত অভিযান চলাই চুৰি সামগ্ৰীসমূহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ৫০০ এম এলৰ ৯৬টা বটলসহ চাৰি কাৰ্টন ডিজেল ইঞ্জিন অইল, ১০৫টা ডিজেল ইঞ্জিনৰ খোলা বটল, ১ লিটাৰ এক্স এল ইঞ্জিন অইলৰ ৩৬টা বটলসহ তিনি কাৰ্টন, বিভিন্ন আকাৰৰ ১৯টা নতুন বেটেৰী আৰু ৭.৫ লিটাৰ ছাৰ্ভ' ইঞ্জিন অইল উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা সঞ্জীৱ শইকীয়াৰ ঘৰ ৰূপহীহাটৰ উলুৰনীত বুলি জানিব পৰা গৈছে। অধিক তথ্য আহৰণৰ বাবে আৰক্ষীয়ে সঞ্জীৱক জেৰা অব্যাহত ৰাখিছে। উল্লেখ্য যে নগাঁও চহৰৰ ব্যৱসায়িক প্ৰতিষ্ঠানকে ধৰি আৱাস গৃহটো সঘনাই চুৰি-ডকাইতিৰ ঘটনা সংঘটিত হৈ আহিছে।

## বালাৰচৰ ৰাজীৱ ভৱনত বৰ্ধিত কাৰ্যনিৰ্বাহক সভা

দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ২৬ জুলাই ঃ বঙাইগাঁৱৰ অভয়াপুৰী উত্তৰ বিধানসভা সমষ্টি এনএছইউ আইৰ উদ্যোগত বালাৰচৰ ৰাজীৱ ভৱনত বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। উক্ত সভাত কংগ্ৰেছৰ বিষয়ববীয়াসকলে গুৰুত্বপূৰ্ণ কথা উল্লেখ কৰে। উক্ত সভাত সভাপতিত্ব কৰে এনএছইউআইৰ সমষ্টি সভাপতি মেৰাজুল হকে। সভাত উপস্থিত থাকে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ জ্যেষ্ঠ মুখপাত্ৰ তথা অভায়াপুৰী উত্তৰ বিধানসভা সমষ্টিৰ বিধায়ক আব্দুল বাতিন খন্দকাৰ, জিলাএনএছইউআইৰ সভাপতি হজৰত আলী, জিলা যুৱ কংগ্ৰেছ সভাপতি মকিবুল ইছলাম, জিলা সংখ্যালঘু বিভাগৰ অধ্যক্ষ মাফিজুৰ ৰহমান খান, ব্লক কংগ্ৰেছৰ সভাপতি ছেকান্দাৰ প্ৰধানী, জ্যেষ্ঠ নেতৃবৃন্দ, যুৱ কংগ্ৰেছৰ সভাপতি ৰমেজ উদ্দিন, এনএছইউআইৰ বিষয়ববীয়াসকল।

# বীৰ লাচিত সেনা, অসমৰ লেখাপানী জাগুন আঞ্চলিক সমিতি গঠন

দৈনন্দিন বাৰ্তাৰ সেৱা, লেখাপানী, ২৬ জুলাই ঃ অসমৰ অন্যতম আপোচবিহীন জাতীয় সংগঠন বীৰ লাচিত সেনা, তিনিচুকীয়া জিলা সমিতিৰ অধীনত দেওবাৰে লেখাপানী জাগুন আঞ্চলিক সমিতিখন গঠন কৰা হয়। জাগুন হাইস্কুল প্ৰাংগণত অনুষ্ঠিত সভাত মুঠ ১০০জনীয়া সদস্যৰে শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰে বীৰ লাচিত সেনা,অসমৰ লেখাপানী জাগুন আঞ্চলিক সমিতিয়ে। সভাখনত সৰ্বসন্মতিক্ৰমে বিজিত গগৈক সভাপতি, জ্যোতিপ্ৰসাদ গগৈক সচিব, অৰবিন্দ চেতিয়াক সাংগঠনিক সচিব, প্ৰাঞ্জল শইকীয়াক প্ৰশাসনিক সচিব, মানস প্ৰতিম বৰুৱাক প্ৰচাৰ সচিব, নিখিল বৰুৱাক শিক্ষা সচিব, সুমন পাঠকক




ক্ৰীড়া সচিব আৰু বিতোপন কোঁৱৰক কাৰ্যালয় সচিবৰ দায়িত্ব প্ৰদান কৰা হয়। পূৰ্ণাংগ সমিতিখন গঠন কৰাৰ অন্তত তিনিচুকীয়া জিলা সমিতিৰ সভাপতি আৰু সম্পাদকৰ উপস্থিতিত সংগঠনৰ সংবিধান অনুসৰি নৱ-নিৰ্বাচিত প্ৰতিগৰাকী সদস্যক শপত বাক্য পাঠ কৰোৱা হয়। সভাখনত উপস্থিত থকা তিনিচুকীয়া জিলা সমিতিৰ সভাপতি পুলকেশ বৰুৱা আৰু সম্পাদক বিপ্লৱ গগৈয়ে তেওঁলোকৰ উদাত্ত ভাষণত অসমৰ জাতি-মাটি-ভেটিক লৈ আপোচবিহীন জাতীয় সংগ্ৰামখন আগুৱাই নিয়াত সকলোকে একত্ৰিত হ'বলৈ আহ্বান জনোৱাৰ উপৰি অসমত কোনো কাৰণত অনা-অসমীয়াৰ ভণ্ডামি চলিবলৈ দিয়া নহ'ব বুলি সকীয়াই দিয়ে। আজিৰ এই সভাত তিনিচুকীয়া জিলা সমিতিৰ সভাপতি আৰু সম্পাদকে অতি সোনকালে জাগুনৰ মাজমজিয়াত বীৰ লাচিত সেনাৰ এটি কাৰ্যালয় গঢ়ি তোলা হ'ব বুলি জানিবলৈ দিয়ে।

কঠোৰ পৰিশ্ৰম-অধ্যয়ন কৰিলে জীৱনৰ বাটত সফলতা লাভ কৰিব পাৰি ঃ ভৱজিৎ বেজবৰুৱা

# সৰভোগত বৰনগৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত অভিনন্দন অনুষ্ঠান

দৈনন্দিন বাৰ্তাৰ সেৱা, সৰভোগ, ২৬ জুলাই ঃ বৰনগৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত বৃহত্তৰ বৰনগৰ অঞ্চলৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে আজি বৰনগৰ মহাবিদ্যালয়ৰ ড° ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত 'বিশেষ অভিনন্দন অনুষ্ঠান'ৰ আয়োজন কৰা হয়। উক্ত সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকি সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ভৱজিৎ বেজবৰুৱাই কয় যে ছাত্ৰ-ছাত্ৰী জীৱনৰ মূল লক্ষ্য এটা হোৱা উচিত নহয়। তেওঁ কয় যে ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনৰ লক্ষ্য হ'ব লাগে নিজৰ পৰিয়ালৰ লগতে সমাজ, জাতি আৰু দেশৰ বাবে নিজকে প্ৰতিষ্ঠা কৰা। তেওঁ কয় যে ছাত্ৰ-ছাত্ৰীসকলে জীৱন সংগ্ৰামত নিজকে ব্ৰতী কৰিব লাগিব তেতিয়াহে কৃতকাৰ্যতা লাভ কৰিব পাৰিব। আছুৰ শিক্ষা সম্পাদকগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয় যে কঠোৰ পৰিশ্ৰম আৰু অধ্যয়ন কৰিলে জীৱনৰ বাটত সফলতা লাভ কৰিব পৰা যায়। তেওঁ লগতে আগন্তুক দিনত তেওঁলোকে যাতে একাগ্ৰতাৰে অধ্যয়ন কৰি অধিক সুখ্যাতিৰে উত্তীৰ্ণ হৈ অঞ্চলটোৰ লগতে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই অনাৰ ক্ষেত্ৰত অহোপুৰুষাৰ্থ কৰে তাৰ বাবে আহ্বান জনায়। আজি সৰভোগ অঞ্চলৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা মুঠ ২৮২গৰাকী শিক্ষাৰ্থীক মানপত্ৰ, ফুলাম গামোচা আৰু গছপুলিৰে সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানত বৰনগৰ মহাবিদ্যালয়ৰ অধ্যাপক ড° ৰেজাউল কৰিম আহমেদ, আছুৰ সাংগঠনিক সম্পাদক কৃষ্ণকান্ত দাস, বৰপেটা জিলা আছুৰ ভাৰপ্ৰাপ্ত সভাপতি অমৰেন্দ্ৰ মিশ্ৰ প্ৰমুখ্যে ব্যক্তিসকল উপস্থিত থাকে।

## বৰপেটাত ড্ৰাগ্‌ছ ব্যৱসায়ী গ্ৰেপ্তাৰ

দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ২৬ জুলাই ঃ বৰপেটাৰোড চহৰত ড্ৰাগ্‌ছ ব্যৱসায়ীৰ বিৰুদ্ধে আৰক্ষীৰ ব্যাপক অভিযান। বৰপেটাৰোডৰ আৰক্ষী চক্ৰ বিষয়া আৰু অ' চিৰ নেতৃত্বত দুই ড্ৰাগ্‌ছ ব্যৱসায়ী গ্ৰেপ্তাৰ। ধৃত ড্ৰাগ্‌ছ ব্যৱসায়ী দুটা আফজল খান আৰু জয়দীপ ঘোষ। বৰপেটাৰোড আৰক্ষীয়ে আজি ফৰেষ্ট গেট কল'নীত অভিযান চলাই প্ৰথমতে আফজল খান আৰু জয়দীপ ঘোষ নামৰ ড্ৰাগ্‌ছ ব্যৱসায়ী দুটাক গ্ৰেপ্তাৰ কৰে। ধৃত আফজল খানৰ ঘৰ বৰপেটাৰোড চহৰৰ ৰে'ল গেটত আৰু জয়দীপ ঘোষৰ ঘৰ মানসপুৰত। ড্ৰাগ্‌ছ ব্যৱসায়ী দুটাৰ পৰা আৰক্ষীয়ে ৩০টা ব্ৰাউন ছুগাৰ ভৰ্তি কণ্টেইনাৰ জব্দ কৰে।

# নগাঁৱত পথ দুৰ্ঘটনা, নিহত ১

দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৬ জুলাই ঃ কালি বিয়লি নগাঁও চহৰৰ খুঁটিকটীয়াত ৩৭নং ৰাষ্ট্ৰীয় পথত এক পথ দুৰ্ঘটনা সংঘটিত হয়।জানিব পৰা মতে কালি বিয়লি প্ৰায় ৫.৩০ বজাত হোৱা দুৰ্ঘটনাটোত এগৰাকী পথচাৰী থিতাতে নিহত হয়। এ এছ-০২ এ এফ-৯৬২৬ নম্বৰৰ বাইক আৰোহী ৰহাৰ ভাস্কৰ বণিয়াই নগাঁৱৰ পৰা ৰহালৈ গৈ থকা অৱস্থাত খোজকাঢ়ি পথটো পাৰ হোৱাৰ সময়ত আব্বাচ আলী নামৰ এজন লোকক বনিকে বাইকেৰে খুন্দা মৰাত এই দুৰ্ঘটনা সংঘটিত হয়। ফলত আব্বাচ থিতাতে নিহত হয়। দুৰ্ঘটনাটোত ভাস্কৰ বনিক আহত হয়। সম্প্ৰতি বনিক চিকিৎসধীন হ'ব লগা হয়। নিহত আব্বাচৰ ঘৰ নগাঁও চহৰৰ সমীপৰ কাৰৈমাৰীত।

## চামতাত নয়নমণি বৰ্মনৰ 'চেং মন'ৰ বিহু



দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৬ জুলাই ঃ নলবাৰীৰ চামতাত নৃত্যাঞ্জলি এমুঠি সংস্কৃতিৰ উদ্যোগত আৰু নৱোদয় কৃষ্টি বিকাশ কেন্দ্ৰৰ সহযোগত আয়োজিত দ্বিতীয় বাৰ্ষিক গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণী অনুষ্ঠান ২৪ জুলাইত পশ্চিম চামতাৰ প্ৰাচীন গো-পূজাস্থলীৰ নৱোদয় কৃষ্টি বিকাশ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অভিনয়, নৃত্য, চিত্ৰকলা আৰু যোগাসনক মূল বিষয় হিচাপে লোৱা উক্ত কৰ্মশালাত মুখ্য প্ৰশিক্ষক হিচাপে উপস্থিত আছিল শিশুৰ অভিনয় প্ৰশিক্ষক তথা নাট পৰিচালক নয়নমণি বৰ্মন, নৃত্য প্ৰশিক্ষক দীপান্বিতা বৰ্মন, চিত্ৰশিল্পী অবিনাশ মজুমদাৰ আৰু ধ্ৰুৱজিৎ বৰ্মন, নাট্যকৰ্মী নিপেন দত্ত, যোগাসন প্ৰশিক্ষক মামণি দত্ত আৰু নৱ কুমাৰ, সংগীত শিল্পী অতুল ঠাকুৰীয়াৰ লগতে কেইবাজনো অতিথি প্ৰশিক্ষক। কৰ্মশালাৰ সামৰণী অনুষ্ঠানত বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰোহিণী দত্ত আৰু মঞ্চ উদ্বোধন কৰে সাংস্কৃতিক কৰ্মী তথা গাঁও পঞ্চায়তৰ সভানেত্ৰী সুকুমাৰী ঠাকুৰীয়া। অনুষ্ঠানত মুখ্য অতিথি শিল্পী হিচাপে উপস্থিত থাকে অভিনেতা কুলদীপ বৰ্মন। গীত, নৃত্য, কবিতা আবৃত্তি আৰু অভিনয়ৰ উপৰি প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা মঞ্চস্থ হোৱা নয়নমণি বৰ্মনৰ ৰচনা-পৰিচালনাৰে চেং মনৰ বিহু নাটখনে দৰ্শকৰ মাজত বিপুল সমাদৰ লাভ কৰে। শিশুৰ মনঃস্তত্ত্ব আৰু নতুন পৰিকল্পনাৰে ৰচিত শিশু নাটখনত নাট্যকাৰে সমাজলৈ এক বিশেষ বাৰ্তা বহন কৰিব বুলি পৰিচালকে উল্লেখ কৰে। অনুষ্ঠানৰ শেষত নৃত্যাঞ্জলি এমুঠি সংস্কৃতিৰ সভাপতি তথা অনুষ্ঠানটোৰ উদ্যোক্তা ৰাজেশ দত্তৰ লগতে সম্পাদিকা নিভা মেধি মজুমদাৰে প্ৰশিক্ষাৰ্থীসকলক সন্মানেৰে মান পত্ৰ প্ৰদান কৰে।

# মৰাণত জোনাকী মেলৰ উদ্যোগত সদৌ অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা-২০২২ৰ সামৰণী অনুষ্ঠান

দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২৬ জুলাই ঃ মৰাণ অঞ্চলৰ সাহিত্য চৰ্চাৰ অনুষ্ঠান জোনাকী মেলৰ সপ্তদশ বৰ্ষপূৰ্তি উপলক্ষে ২৩ আৰু ২৪ জুলাইত সদৌ অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা ২০২২ বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। মৰাণৰ মিলিত শিল্পী সমাজৰ নাট্য মন্দিৰত অনুষ্ঠিত প্ৰতিযোগিতাখনত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা ডেৰশৰো অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। কাৰ্যসূচী অনুসৰি ২৩ জুলাইত পুৱা উদ্‌যাপন সমিতিৰ সভাপতি তথা জোনাকী মেলৰ মুখ্য উদ্যোক্তা বাছা বৰাই পতাকা উত্তোলন কৰাৰ পিছতে ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তিপ্ৰজ্বলন কৰে সংস্কৃতিৰ সাধক ড° অনিল শইকীয়াই। মৰাণৰ মহিলা মঞ্চ সুৰ-পিয়াসীৰ সদস্যাসকলে পৰিৱেশন কৰা এটি ভূপেন্দ্ৰ সংগীতেৰে মঞ্চ উদ্বোধন কৰাৰ পিছতে পুৱা ১০ বজাৰ পৰা প্ৰতিযোগিতা আৰম্ভ হয়। ২৪ জুলাই পুৱা ১০ বজাৰ পৰা আৰম্ভ হোৱা প্ৰতিযোগিতাখন সন্ধিয়া সামৰণি পৰে। ইয়াৰ পিছতে একেটা মঞ্চতে পুৰস্কাৰ বিতৰণী সভা অনুষ্ঠিত হয়। উদ্‌যাপন সমিতিৰ সভাপতি বাছা বৰাই সভাপতিত্ব কৰা সভাখনৰ আঁত ধৰে উদ্‌যাপন সমিতিৰ সম্পাদক দ্বিজেন্দ্ৰ নাথ দত্তই। সভাত বিশিষ্ট অতিথি হিচাপে ভাষণ আগবঢ়ায় মৰাণ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, সংস্কৃতিৰ সাধক ড° অনিল শইকীয়া, বিশিষ্ট সাহিত্যিক ডাঃ লোহিত কুমাৰ বৰা, মৰাণ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° যতীন চুতীয়াৰ লগতে বিচাৰক নাজিৰাৰ প্ৰবীণ মহন, ধেমাজিৰ ড° শংকৰ পাটোৱাৰী আৰু ডিব্ৰুগড়ৰ ড° পৱিত্ৰ কুমাৰ পেগুৱে। প্ৰতিযোগিতাখন দুটা শাখাত অনুষ্ঠিত হৈছিল। নিম্ন শাখা প্ৰথম শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈ আৰু উচ্চ শাখা অষ্টম শ্ৰেণীৰ পৰা মুকলি আছিল। বঁটাপ্ৰাপক প্ৰতিযোগীসকলক নগদ ধনৰ লগতে মানপত্ৰ প্ৰদান কৰা হয়। উচ্চ শাখাত প্ৰথম পুৰস্কাৰ দহ হাজাৰ টকা, দ্বিতীয় পুৰস্কাৰ সাত হাজাৰ টকা আৰু তৃতীয় পুৰস্কাৰ পাঁচ হাজাৰ টকা প্ৰদান কৰা হয়। নিম্ন শাখাত প্ৰথম পুৰস্কাৰ আঠ হাজাৰ টকা, দ্বিতীয় পুৰস্কাৰ পাঁচ হাজাৰ টকা আৰু তৃতীয় পুৰস্কাৰ তিনি হাজাৰ টকা প্ৰদান কৰা হয়। নিম্ন শাখাত প্ৰথম পুৰস্কাৰ লাভ কৰে নাজিৰাৰ চয়নিকা বসুমতাৰীয়ে। দ্বিতীয় পুৰস্কাৰ লাভ কৰে শিৱসাগৰৰ টেঙাপুখুৰীৰ সংস্কৃতি সোণোৱালে। তৃতীয় পুৰস্কাৰ পাবলৈ সক্ষম হয় মৰাণৰ মেঘ হৰ্ষিতা চুতীয়াই। বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰে মাকুমৰ পূজা বৰা আৰু আমগুৰিৰ



আৰ্যনীল দুৱৰাই। উচ্চ শাখাত প্ৰথম পুৰস্কাৰ লাভ কৰে শিৱসাগৰৰ ৰাজকুমাৰী ফাল্গুনী, দ্বিতীয় হয় মৰাণৰ প্ৰীতিষ্মা ডেকাৰজা আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে মৰাণৰ প্ৰীয়ম বৰপাত্ৰ গোহাঁয়ে। বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰে মৰাণৰ ষষ্ঠীতনয়া কলিতা আৰু কিৰণময়ী তামাঙে।

# বেদনাৰ নয়নাশ্ৰু



■ দীপাংকৰ বৰুৱা

দিলীপ ঐ কাঠনিপাৰৰ ফালে খবৰ কৰিছনে? এইবাৰ চাগে কঠীয়া পানীত তল যাব। জেঙেৰাৰ পানী যেনেকৈহে বাঢ়ি আহিছে। –জোৰকৈ চিঞৰি মদনে দিলীপৰ ফালে আগবাঢ়ি আহিল।
এৰা ঠিকেই কৈছে। বছৰটো চাগে এইবাৰো ঘৰে ঘৰে দুবেলা দুমুঠি খুজি-মাগিয়ে খাব লাগিব যেন পাইছোঁ। (গামোচাখন কঁকালৰ পৰা খুলি আনি কপালৰ ঘামবোৰ মচি মচি দিলীপে দুখ মনেৰে ক'লে।
তোলৈ দুখ লাগে। অলপ কষ্টৰে ৰ'দ-বৰষুণত সেই গাঁওবুঢ়াৰ ঘৰৰ আধিলৈ কৰা মাটিকেইডৰাত খেতিটো কৰ নে? গাঁওবুঢ়াজনেও অলপ সহায় নকৰে তোক। সবেই নিজৰ পেটৰ কথাহে ভাবে। হেৰৌ এবিঘা মাটিত ধান হ'লেওনো পাবি কিমান? তাকে খাবলৈ বছৰটো জোৰা নমৰে। পুতেৰ যিটোহে হ'ল, অলপ যদি তোক সহায় কৰি দিলে হয়।
গাঁওবুঢ়া ককাইদেউৰ কথা তেনেকৈ নক'বা। তেওঁ মোক আধিলৈ হ'লেও খেতিৰ মাটি দিছে, নহ'লে বাৰু এই দুটা প্ৰাণী কি খাই জীয়াই থাকিলোঁ হয়। কষ্ট অলপ হ'বই, সেইবুলি মই গাঁওবুঢ়া ককাইদেউক দোষ দিব নোৱাৰোঁ। আৰু ল'ৰাৰ কথা কি ক'বা, দিনটো অলৌ-টলৌকৈ ইটোৰ লগত সিটোৰ লগত ঘূৰি ফুৰি ৰাতি মদ এসোপা খাই চিঞৰ-বাখৰ কৰে। মোক ধমকি দিব পৰাকৈ ডেকা হ'ল সি। তাক শাসন কৰিব পৰাকৈ এই বুঢ়া বয়সত গাত জোৰ নাই। মাকজনী থকা হ'লে আজি চকুপানী টুকীয়ে ভাত খাব লগা হ'ল হয়। ভগৱানে তেওঁক লৈ গৈ ভালেই কৰিলে, মোকহে এই নৰক যন্ত্ৰণা দি জীয়াই ৰাখিছে। (কটা তামোলখন মুখত ভৰাই দিলীপে কৈ উঠিল)।
তই বৰ সহজ-সৰল অ', বাৰু যি কি নহওক, ভগৱানৰ ওপৰত বিশ্বাস ৰাখ এদিন সকলো ঠিক হ'ব। ভগৱানে চকু মেলি চাব। মই এতিয়া আহিছোঁ। - সেইবুলি মদন তাৰ পৰা উঠিল।
দিলীপ এজন দৰিদ্ৰ ব্যক্তি। গাঁওখনৰ মানুহৰ ঘৰত ইটো-সিটো কৰি দুবেলা-দুমুঠি খাই আছে। আধিলৈ লোৱা মাটিকেইডৰাও পানীয়ে মাৰিলে বছৰটো ভাতমুঠি খাবলৈ বৰ কষ্টকৰ হৈ পৰে। দিলীপৰ ঘৈণীয়েক ঢুকোৱা আজি চাৰি বছৰ পাৰ হৈ গ'ল। ঘৰখনত মানুহ বুলিবলৈ একমাত্ৰ পুতেক আৰু সি। পুতেকটোৰ চৰিত্ৰ বৰ ভাল নহয়। দিনৰ দিনটো অকল মদৰ নিচাতে থাকে। দেউতাকক অলপো কাম কৰি বা উপাৰ্জন কৰি সহায় কৰি নিদিয়ে। হাজাৰ হ'লেও একমাত্ৰ পুতেক, এদিন ভাল হ'ব বুলিয়ে নিজৰ কষ্টৰ কথা চিন্তা নকৰি দুবেলা দুসাঁজ যোগাৰ কৰে। কিন্তু পুতেকে ৰাতি হ'লেই মদৰ নিচাত দেউতাকক বেয়া বেয়াকৈ গালি পাৰি পইচা দাবী কৰাৰ লগতে গাড়ী-মটৰৰ দাবী জনাই এক অশান্তি সৃষ্টি কৰে। তাকে কৰিব নোৱাৰা বাবে কেতিয়াবা দেউতাকক ঘৰৰ পৰা ওলাই যাবলৈ ধমকি দিয়ে। এইবোৰ কথাই মানুহটোৰ মনটো একেবাৰে ভাঙি পেলায়।
ঐ নিলাজ, হত্যাকাৰী, পাষণ্ড ছোৱালীজনী কিয় মাৰি পেলালি? সেই কণমানি ছোৱালীজনীলৈ অলপো দয়া নোপজিলে তোৰ হা? কি দোষ কৰিছিল তাই?
ঐ মুখেৰে নামাত কেলৈ? সেইবুলি ইন্সপেক্টৰ চলিহাই ল'ৰাজনৰ চুলিত ধৰি জোকাৰি দিলে।
মই... মই...
কি মই মই কৰি আছ? তোৰ দৰে পিশাচ এসোপাৰ বাবেই আজি এজনী ছোৱালী শান্তিত বাটত ঘূৰিব নোৱাৰা হৈছে। তোৰ মুখৰ মাত কেনেকৈ উলিয়াব লাগে মই জানো ভালদৰে, ৰহ তোৰ মাত উলিয়াই আছোঁ।
ছাৰ... তেনেতে এজন কনিষ্টবল কোঠাৰ মাজলৈ সোমাই আহিল।
অ' বৰ্মন কওক।
ছাৰ ইয়াৰ দেউতাক দিলীপ দত্তই আত্মহত্যা কৰিছে।
কি?? দেউতা বুলি চিঞৰি উঠিল ল'ৰাজন।
হ'ব এতিয়া বাপেৰক চিঞৰি থাকিলে নাপাৰ, এইবোৰ সব তোৰ বাবেই হৈছে। ছোৱালীজনীৰ জীৱন শেষ কৰিলি, লগতে বাপেৰৰ জীৱনটোও শেষ কৰিলি।
হুক্হুকাই কান্দি উঠিল দিলীপৰ পুতেকে।
এতিয়া কান্দি দেখুৱাব নালাগে, ব'ল ঘৰলৈ বাপেৰৰ মুখাগ্নি কৰিবৰ বাবে।
বৰ্মন, ইয়াক লৈ যাওক। সকলো কাম হৈ গ'লে এই পিশাচক লৈ আনিব। বহুত বিচাৰ কৰিব লগা আছে ইয়াৰ।
হ'ব ছাৰ বুলি বৰ্মন নামৰ পুলিচজনে তাৰ ফালে চাই ক'লে ঐ ব'ল।
দিলীপৰ পদূলিমুখত মানুহে ভিৰ লাগিছে। সকলোৰে শেঁতা পৰা মুখ। কোনোবাই ইচ্ ইচাই ক'ব ধৰিছে— জঘন্য পুতেকৰ বাবে কি কৰা নাছিল বাপেকটোৱে। ইমান এটা ডাঙৰ ঘটনা হোৱাৰ পিছত মানুহটোৱে নিজৰ জীৱন শেষ কৰাৰ বাদে আন কি উপায় বিচাৰি ল'বনো? ইচ্ ইচ্ ইচ্ ইচ্...।
তেনেতে পদূলিমুখত পুলিচৰ গাড়ীখন ৰ'লহি। গাড়ীৰ পৰা এজনে দিলীপৰ পুতেকক নমাই দিলে। পুতেকে নামি গৈ বাপেকৰ ওচৰ চাপিব লওঁতেই দিলীপৰ একালৰ বন্ধু মদনে তাক বাধা দি ক'লে— কুকুৰ, নিৰ্লজ্জ, জঘন্য আৰু এটা খোজ আগনাবাঢ়াবি। ইয়াতেই ৰৈ যা, নহ'লে তোৰ ঠেং-হাত কাটি নামদাঙত উটুৱাই দিম। বাপেৰ জীয়াই থাকোঁতে যি নৰক যন্ত্ৰণা দিলি সেয়া মৃত্যুৰ পিছত তোৰ ছাঁ পেলাই আৰু এবাৰ চুৱা নকৰিবি। নালাগে তই মুখাগ্নি কৰিব। আমি গঞা ৰাইজে মিলি বাপেৰক চিতাত উঠাম।
গাঁৱৰ ৰাইজেও চিঞৰি উঠিল... হয় হয়, ইয়াক অতি সোনকালেই ইয়াৰ পৰা লৈ যাওক, নহ'লে ইয়াৰো চিতা জ্বলিব। লৈ যাওক ইয়াক সেইবুলি পুলিচ বিষয়াজনৰ ফালে চাই গঞা ৰাইজে চিঞৰি উঠিল। পুলিচ এজনে আহি তাক হাতত ধৰি গাড়ীত উঠাই থানালৈ লৈ গ'ল।

*ফোন: ৮৬৩৮২-৮৫৫২৮*

---

এক মিনিটৰ গল্প—

# মাতে পকা ধানে ৰিঙিয়াই

■ অৰুণ গগৈ

ঔ-তলৰ পথাৰখনৰ সৰহভাগ ধান বান্ধিবলৈ এতিয়াও বাকী আছে। গুটি গুটি মুঠি ধানৰ ডাঙৰি বান্ধি হাতৰ আঙুলিৰ পাববোৰ বিষাই গৈছে। সুমথিৰা পকা ৰ'দজাকত পাতলীয়া গৰম এটা উঠি আহিছে। নৈপৰীয়া বতাহজাকে হঠাতে আহি মোৰ গালে-মুখে চুমা আঁকি দিলে। গৰমত আৰু ভাগৰত গাটো শাঁত পৰি গ'ল। পথাৰৰ আলিটোতে জলপানৰ বাটিটো উলিয়াই মায়ে মোক আদৰেৰে খাবলৈ মাতিল। কঁকালৰ গামোচাখনেৰে মুখখন মচি জলপানৰ বাটিটো দুহাতত লৈ মাৰ কাষতে বহি ল'লোঁ।
ঃ সোণপোনা, আঘোণৰ আজি দহ-বাৰ দিন গ'ল। মাটিকেইডৰা সোনকালে দাই চপাই ল'ব পাৰিলে ভাল আছিল। ভঁৰালটো অলপ মেৰামতি কৰিব লাগিব নহয়।
ঃ হয় মা, ময়ো তাকে ভাবিছোঁ। বগীতৰা, কণমাইহঁতক পৰহিলৈ মাতি আনি গোটেইকেইডৰা ধান দাই পেলাব লাগিব। পিছে ডাঙৰি কঢ়িয়াবলৈহে মানুহ নাপাম চাগৈ। যি পাৰোঁ ময়ে অকলে কঢ়িয়াব লাগিব। মৰণা মাৰিবলৈয়ো ৰৈ গৈছে।
ঃ দেউতাৰা নোহোৱা হোৱাৰ পৰা তোৰ বৰ কষ্ট হৈছে সোণপোনা, মই বুজি পাওঁ। দেউতা খেতি কৰা মানুহ আছিল। নাঙলৰ সীৰলু ফালি ফালি কেঁচা তেজক পানী কৰি সোণগুটি বোটলাৰ সপোন দেখিছিল মানুহজনে। তেওঁৰ দুচকুত অহৰ্নিশে সেউজীয়া সপোনে পোখা মেলিছিল।
ঃ মা, তই চিন্তা নকৰিবি। মই সকলো কৰিম। কৰিব পাৰিম সকলো মই। মাত্ৰ তই মোক সাহস দিবি।– জলপানখিনি খাই বাটিটো মোনাটোত ভৰাই দিলোঁ। বয়সে সৰল ৰেখা আঁকা মাৰ মুখখন আৰু উকা কঁপালখন দেখি বুকুখনত বিষ এটাই পীড়া কৰি গ'ল। মোৰ মনে কয় এইবাৰ আন বছৰতকৈ ধান কেইটামান সৰহকৈ পাম। বান নহাৰ বাবে এইবাৰ খেতি আন বাৰতকৈ যথেষ্ট ভাল হৈছে। বেছিকৈ পোৱা ধানকেইটা বিক্ৰী কৰি মাক এইবাৰ চহৰৰ ডাক্তৰজনৰ ওচৰলৈ লৈ যাম। পুৰণি বুকু বিষটো আকৌ এবাৰ ভালকৈ দেখুৱাব লাগিব। নতুন চুৰেটাৰ এটা, কাপোৰ এসাজ আৰু ভাল চেণ্ডেল এযোৰো আনি দিব লাগিব।
মায়ে মোনাটো হাতত লৈ একেথৰে মোৰ মুখলৈ চাই থকাৰ কাৰণে মাত লগালোঁ –
ঃ মা, কি হ'ল তোৰ ? একেথৰে মোৰ মুখলৈ ৰ' লাগি চাই কি ভাবিছনো?
ঃ নহয় অ' সোণপোনা, মোৰ গা-মন আজি কালি বৰ ভাল হৈ নাথাকে। মই ভাবিছোঁ খেতিডৰা চপাই হ'লে তোলৈ বোৱাৰী এজনী আনিব লাগিব। আইতাৰে মোৰ বিয়াত দিয়া পুৰণি গহনাকেইপদ পুৰণি টিনৰ বাকছটোতে সযতনে ৰাখি থৈছোঁ বোৱাৰীক দিম বুলি। মোৰ বোধেৰে বগীতৰা ভাল মিলিব তোৰ লগত। তাই কাজী আৰু সাদৰী ছোৱালী। তাইৰ ব্যৱহাৰো বৰ ভাল লাগে মোৰ।
মাৰ কথাষাৰত মোৰ নিজৰেই লাজ লাগি গ'ল। দুচকু নমাই আনিলোঁ মাৰ পৰা।
ঃ সোণপোনা, বেলি পৰালৈকে পথাৰত নেথাকিবি। পাৰিলে তাৰ আগতেই ঘৰলৈ যাবি। এৰালত থোৱা গৰুহালৰ কাৰণে পাৰ যদি কোমল চাই নৰা এবোজা লৈ যাবি। মই বাহিৰে বাহিৰে নৈ-কাণৰ ধানকেইডৰা দাবলৈ হৈছে নাই চাই আহোগৈ। সোনকালে ঘৰলৈ গৈ চোতালত ৰ'দাই থোৱা ধানকেইটা চপাবগৈ লাগিব। - এইবুলি কৈ আঘোণৰ পকা সুমথিৰা ৰ'দজাক মুখতে লৈ মায়ে নৈ-কাণৰ পথাৰলৈ খৰখোজেৰে বাট ল'লে। মাৰ ৰ'দে ৰঙা কৰা মুখখনে মোৰ মনৰ ভিতৰত সোমাই থকা সোণগুটি সপোনটোক আৰু অধিক সক্ৰিয় কৰি তুলিলে। সোণোৱালী সোণগুটিৰে ভঁৰাল ভৰাবলৈ মনটোৱে মোৰ হাহাকাৰ কৰি উঠিল। সৰহকৈ সোণগুটি পালে এইবাৰ মাঘতে লখিমী বোৱাৰী এজনী আনি মাৰ হাতত গতাই দিম। মাৰ কথাষাৰ শুনাৰ পাছৰে পৰা মোৰ মনৰ দলনি-দোপনিত বগীতৰাৰ ছবিখনে খোপনি পুতিবলৈ ধৰিলে। পকা ধানেৰে হালিজালি থকা পথাৰখনে মোৰ মন বগীতৰাৰ ওচৰলৈ টানি নিলে। দেউতাৰ সেউজীয়া সপোন, মাৰ ন-বোৱাৰী চোৱাৰ হেঁপাহ আৰু মোৰ যৌৱনৰ অদম্য কামনাৰ সৃষ্টিৰে সোণগুটি বোটলা সপোনটোক আপোন কৰিবলৈ জোনবিৰীয়া ডালত ধান এভাৰ গুজি কান্ধত তুলি ল'লোঁ। পথাৰৰ সৰু সৰু আলিবোৰ পাৰ হৈ যাওঁতে পকা ধানবোৰে মোক হাতবাউলি মাতি থাকিল। খোজৰ ছন্দে ছন্দে বগীতৰাৰ ছবিখন মনৰ মাজত ভাহি থাকিল। মোৰ মুখৰ পৰা উলাহতে এফাঁকি বনগীত ওলাই আহিল–
মাতে পকা ধানে ৰিঙিয়াই
বগীতৰা যায় আগুৱাই।

*ফোন: ৯৭০৭৩৯০৫৪০*

---

# পুৰুষপ্ৰধান সমাজ আৰু নাৰী

■ দুলুমণি গগৈ



'নাৰী' দুটা বৰ্ণৰ এই শব্দটোৱে বহন কৰে গভীৰ তাৎপৰ্য তথা বিশেষ মহত্ত্ব। নাৰী ত্যাগৰ প্ৰতিমূৰ্তি, মমতাৰ অধিকাৰিণী হোৱাৰ লগতে নাৰী এখন ঘৰ বা পৰিয়ালৰ সুখ, শান্তি আৰু সমৃদ্ধিৰ গৰাকী। সংসাৰ যাত্ৰাত বিভিন্ন ৰূপত, বিভিন্ন পদক্ষেপত নাৰীৰ ভূমিকা তুলনাবিহীন। জী, ভগ্নী, সখী, পত্নী, বধু, মাতৃ আদি এগৰাকী নাৰীৰ জীৱন পৰিক্ৰমাৰ ৰূপান্তৰ।

অতি প্ৰাচীন কালৰে পৰা ভাৰতত নাৰীৰ স্থান উচ্চ আছিল আৰু বৰ্তমানো আছে যদিও নাৰীক অবলা বা দুৰ্বল হিচাপে অভিহিত কৰি আহিছে। নাৰী নিৰ্যাতন এটা সামাজিক ব্যাধি, তাক যুগে যুগে সকলো ক্ষেত্ৰতে প্ৰতিপন্ন হৈ আহিছে। নাৰীৰ জীৱনৰ আতংক মাতৃগৰ্ভত ভ্ৰূণ অৱস্থাতে আৰম্ভ হয়, শিশু অৱস্থাত অৱহেলিত হয়, শিক্ষা ক্ষেত্ৰত বঞ্চিত হয়। বিয়াৰ বাবেহে কন্যাক ডাঙৰ কৰা হয় বুলি এনেকুৱা মানসিকতা সমাজত আছে, যাৰ বাবে যৌতুকৰ বাবে হত্যাকাণ্ড সংঘটিত হয়।

আমাৰ সমাজ ব্যৱস্থাত নাৰীসকলক সৰহসংখ্যক অভিভাৱকে ল'ৰা সন্তানতকৈ কম গুৰুত্ব দিয়া দেখিবলৈ পোৱা যায়। নাৰী যেন পৃথিৱীৰ আৱৰ্জনাহে তেনেকুৱা কৰে। বিনা কাৰণত নাৰীক ডাইনী সজাই হত্যা কৰা হয়। পৰপুৰুষৰ লগত কথা পাতিলে এচামৰ দৃষ্টিত সতীত্ব নষ্ট হয়। নিজৰ মাক-দেউতাকে মাহেকীয়া ঋতুচক্ৰ হোৱাৰ সময়ত বিছনাত শুব নাপায়, মন্দিৰলৈ যাব নাপায়, পুৰুষক চুব নাপায়ৰ নিচিনা কথা এগৰাকী নাৰীক শুনায়। কিন্তু তাৰ বিৰুদ্ধে মাত মাতিব পৰা কেইজনী ছোৱালী আমাৰ সমাজত আছে? এগৰাকী নাৰীয়ে এজন পুৰুষৰ লগত বিয়াত বহাৰ পাছত পুৰুষৰ অধীনত থাকিব লগীয়া হয়। কিন্তু পুৰুষৰ ক্ষেত্ৰত এনে নিয়ম প্ৰযোজ্য নহয়। আজি কিছু বছৰ ধৰি আমাৰ সমাজত গা কৰি উঠা বোৱাৰী হত্যা, নাৰী ধৰ্ষণ, নাৰীক অশালীন ব্যৱহাৰ আদিৰে মানুহৰ মূল্যবোধক কলুষিত কৰি তুলিছে। অভাৱ-অনাটন, অন্ধবিশ্বাস, কু-সংস্কাৰৰ বলি হৈছে নাৰী। পুৰুষৰ মানসিক দীনতাই নাৰীক প্ৰেমৰ সলনি শাৰীৰিক অপমান তথা পাশৱিক অত্যাচাৰৰ চিকাৰ বনাইছে। আনহাতে, বৰ্তমান সমাজত ধৰ্ষণ এক সামাজিক ব্যাধি ৰূপত দেখা দিছে। যিমানেই আদালত হৈছে সিমানে নিৰ্যাতন বাঢ়িছেহে।

স্বামী আৰু স্বামীৰ ঘৰখনৰ সুখ-সুবিধাৰ প্ৰতি চকু ৰখাটোৱেই এগৰাকী পত্নীৰ মুখ্য উদ্দেশ্য বুলি শিশু অৱস্থাৰ পৰা এটি কন্যা সন্তানক প্ৰস্তুত কৰা হয়। কিন্তু এজন পুৰুষক সাংসাৰিক জীৱনৰ পাঠ শিকোৱা নহয়। পত্নীক সুখত ৰখাৰ কৌশল কোনোদিনে পুৰুষক শিকোৱা নহয়। ধৰ্ষিতা নাৰী অস্পৃশ্য। কিন্তু ধৰ্ষক পুৰুষ ক্ষমাৰ যোগ্য। পুৰুষৰ মন পিছলাটো জন্মগত অধিকাৰ। আৰু যে ক'ত কি? ?নাৰীৰ ন্যায়ৰ বাবে নাৰী ৰাজপথলৈ ওলাই অহাটো সাধাৰণ কথা। কিন্তু পুৰুষে নিজৰ ন্যায় বিচাৰি ৰাজপথত ভৰি দিয়া কেতিয়াবা শুনিছেনে?

মানুহ যিমানে শিক্ষিত হয় সমাজ এখন সিমানেই উন্নতি হয়। গতিকে প্ৰতিগৰাকী নাৰী শিক্ষিত হোৱাটো অতিকৈ প্ৰয়োজনীয়। পুৰুষে নাৰীক ভোগ আৰু লালসাৰ সামগ্ৰী হিচাপে ভাবিলেও তাৰ প্ৰত্যুত্তৰ নাৰীয়ে যুগে যুগে দিছে। নাৰীয়ে পৃথিৱীৰ বিপ্লৱ, আন্দোলন, যুদ্ধ সকলোতে পুৰুষৰ সমানে যোগদান কৰি আহিছে। কেৱল গৃহিণী, ৰোৱনী, শিপিনী হ'ম বুলি ভবাতকৈ ডাক্তৰ, প্ৰফেছৰ, উকিল হ'ম বুলি মানসিকভাৱে এগৰাকী নাৰীয়ে নিজক গঢ় দিব লাগে। নাৰী-পুৰুষৰ সমান সহযোগিতাৰেহে সমাজৰ শুধৰণি সম্ভৱ। সামাজিক সাহস থাকিলে নাৰীয়ে কৰিব নোৱাৰা কাম একো নাই। লাভলীনা বৰগোহাঁই তাৰে উৎকৃষ্ট উদাহৰণ। নাৰী আৰু পুৰুষৰ বাবে একেখন আইন, একে দণ্ড সম্ভৱ হ'ব। আমি সেই দিনৰ বাবে অপেক্ষাৰত।

---

## পানীচোলা

অংকুৰিতা ফুকন

ঘটনাবোৰ খবৰ হৈ থাকিলে
পদূলিবোৰে পিন্ধি থাকে মুখৰোচক গুজৱৰ পানীচোলা
ঘটনাবোৰ বাতৰিৰ শিৰোনাম হ'লেই
আলসনিৰ চুলিত পানী গাঁঠি বান্ধে প্ৰাসংগিকতাৰ

শ্ৰোতাও হোজা
ঘটনাৰ আদি-মূল বুজিব নোৱাৰা

জঁট ভাঙি আলসনিয়ে
ঘটনাৰ আদ্যোপান্ত বিৰৰি ক'লে
পদূলিত সহানুভূতিৰ সূৰ্যমুখী ফুলে
অন্যথা ছিঙা চুলিত থু সানি
শ্ৰোতাই দুৱাৰত বিৰক্তিৰ দাং তোলে

ঘটনাবোৰ খবৰ হৈ থকালৈকে
শুনি থকা হয় পৰৱৰ্তী ঘটনা পৰ্যন্ত

যদি আৱতৰীয়া বৰষুণ
পদূলিৰে লোৰ কাটি বোৱাই দিয়া হয়
চোতালত ডোঙা বন্ধা পানী অতিৰিক্ত

ঘটনাবোৰ খবৰ হৈ থকালৈকেহে
পদূলিবোৰে পিন্ধি থাকে গুজৱৰ পানীচোলা
নহ'লেনো ৰ'দৰঙী চোলাৰে
ভৰি থকা নাই কাৰ বৰপেৰা ...

*ফোন: ৮৪৫৩৩৮৯৪৫০*

## জীৱন

শিৱাণী বৰা হাজৰিকা

সন্ধ্যাই আদৰি অনা
নিশাৰ গভীৰতাত
তাহানিতেই হেৰাল আশাৰ পানচৈ,

পুৱতিৰ কোমল পৰশত
কৰ্তব্যই কৰেহি শঙ্খনিনাদ ,

ক্ষণবোৰ উৰি যায়
খোজত উজুটিয়াই

উলতি চোৱাৰ হেঁপাহো যে নাই
প্ৰতি উশাহে সকীয়ায়

জীৱনৰ আমোঘ মন্ত্ৰ
অপ্ৰাপ্তিতো থাকে প্ৰেমৰ পূৰ্ণতা

তথাপি অসহিষ্ণু বেদনাৰে
পাৰ ভাঙি বৈ যায়
পোৱা নোপোৱাৰ লুকাভাকুত
অভিমানী অশ্ৰুৰ ৰুক্ষ বন্যা

য'ত তিতি ভিজি নিজকে সজাই সীতা-শকুন্তলা
হৃদয়ে কৰে স্বগতোক্তি যুঁজ ঐ যুঁজ
এয়েইতো জীৱন মৃত্যু বিজয়ীনী।

---

এক মিনিটৰ গল্প—

# মেট্ৰিক ফেইল

■ দিব্যজ্যোতি বৰুৱা


মাক বাসন্তীয়ে পাটী এৰাৰ আগতেই ৰেণুকাই ঘৰৰ বাহী-বন কৰি থয় আগতেও, এতিয়াও। গোহালিৰ গৰু দুজনীয়ে তাইক দেখিলে বৰকৈ বেবাই আৰু ক'লী-বগী ছাগলী দুজনীয়েও বে-বেকৈ ঘৰৰ চৌপাশ কোলাহলৰ সৃষ্টি কৰে। ৰাতিপুৱাটো তেতিয়া তাইৰ কাৰণে হয় এটা ভৰ দুপৰীয়া। পুখুৰীৰ পাৰত আছুতীয়াকৈ থকা খেৰৰ মেজিটোৰ পৰা খেৰ অলপ খহাই দুহাতেৰে খেৰখিনি মেৰিয়াই কোবাকুবিকৈ তাই গৰু দুজনীৰ ওচৰতে থকা ঘৰাটোৰ চাৰিওফালে খেৰখিনি ছটিয়াই দিলে। তাৰ পিছতে বাঁহৰ ডাউকিডালত কাঁচিখন কটকটীয়াকৈ বান্ধি কঁঠাল পাতৰ ডাল দুটামান কাটি ছাগলী দুজনীৰ সন্মুখত আঁৰি দিলে। সিহঁতৰ আদেশবোৰ মানি ল'বলৈ ৰেণুকাই কেতিয়াও অৱহেলা নকৰে। তাই আচৰিত হয় কেতিয়াবা। ইমান প্ৰতিপাল, ইমান আদৰ কৰা সত্ত্বেও সিহঁতে বাৰু তাইক কিয় এলাগী কৰে? কাহানিবা ফুলিবলৈ লোৱা ফুলকেইজোপাৰ আগ দুটামানকে খাব, কাহানিবা লহপহকৈ বাঢ়ি অহা বেঙেনাপুলি, জলকীয়া পুলিকেইটা আধালৈকে গিলিব। সিহঁতে কিন্তু কাৰোবাৰ গালি-গালাজ, ৰঙা চকুলৈ ভয় নকৰে। নিৰ্ভয়ে-নিঃসংকোচে সিহঁতে নিজৰ মতত অটল। কেতিয়াবা ৰেণুকাৰ এনে লাগে যেন তাই সিহঁতৰ আলধৰা বান্দী, কেতিয়াবা সীমান্ত ৰক্ষণাৱেক্ষণৰ বাবে পহৰা দি থকা প্ৰহৰী।

কালি সিহঁতৰ চুবুৰিৰ ৰমেনে বাৰু তাইক কমখন কথা শুনাইছিলনে? ৰঙিলী আৰু বগীয়ে সিহঁতৰ বাৰীৰ ৰঙালাওজোপা খাই বোলে খাষ্টাং কৰিলে। মেট্ৰিক ফেইল ছোৱালী বুলিয়েই জানো তাইৰ কামৰ অন্ত থাকে। মেট্ৰিক ফেইল ছোৱালী ভিতৰত সোমাই শ্ৰীদেৱী, মাধুৰী দীক্ষিত হৈ সাজি-কাচি থাকিলেও বোলে কোনো লাভ নাই। তাইৰো তেতিয়া তাক প্ৰশ্ন কৰিবলৈ মন গৈছিল তাৰ চৰিত্ৰক লৈ, চিঞৰি চিঞৰি ক'ব মন গৈছিল তাক – 'ঐ শুন, মই বাৰু মেট্ৰিক ফেইল। মেট্ৰিক পাছ জ্ঞানীকেইজনীৰ লগত পিছে তোৰ কিহৰ মিঠা আলিংগন ? তই ক'ব পাৰিবি তোৰ কেইজনী মাইকী ? আঙুলিৰ পাবত গণি গণি হয়তোও তই হিচাপ দিব নোৱাৰিবি ?' কিন্তু তাই নক'লে, নোৱাৰিলে ক'ব। খালৰ কাষত এনেয়ে পৰি থকা জেং এডালৰ পৰা দীঘল লেকেচি এডাল উলিয়াই সেইদিনা ৰাঙলী আৰু বগীক নেৰানেপেৰাকৈ কোবাইছিল, সাৱধান কৰি দিছিল। চকুৰ পানী আৰু নাকৰ পানী তেতিয়া তাইৰ একাকাৰ হৈ পৰিছিল।

জৰা-ফুকা কৰা যদু দাইটিয়ে তাইৰ মঙ্গল চাই এদিন যে কৈছিল- ' আই, তোৰ সকলো ভাল, কিন্তু দুয়োবাৰৰ দৰে এইবাৰো পৰীক্ষাত অলপো তোৰ আশা নাই।' সেই কথাৰ উৰাদিহ জানো পায় একমাত্ৰ তাই আৰু মাকৰ বাহিৰে। তাইতো আনৰ সুখৰ পুখুৰীত বিহ ঢলা নাই ? তেন্তে এৰাল ছিগা গৰুৰ দৰে বহুতেই তাইৰ বুকুৰ সেউজীয়া বাৰীখনত সোমাই কিয় তহিলং কৰে বাৰে বাৰে?

এইবোৰ কথা চলি আছে চলি থাকিব। সময়ত এদিন তাইক সকলোৱে বুজি পাব। তাইক হাঁহি আৰু ইতিকিং কৰা মানুহবোৰেই তাইক এদিন সমীহ কৰিব। তাই ঠিৰাং কৰিলে- এই ফাগুনতে প্ৰেমিক ডাক্তৰ সৌৰভ গগৈক ক'ব চিৰদিনলৈ তাইক নিজৰ কৰি ল'বলৈ। সুখ আৰু আনন্দৰ এছাটি সমীৰণে তেতিয়া তাইক চুই গৈছিল। তাই অতৰ্কিতে গুণগুণাইছিল—
'সৰা পাতে পাতে ফাগুন নামে
পলাশৰে ৰং ৰাঙলী
বতাহে কাণে কাণে ক'লে
নহ'বা উদাস অভিমানী।'

*ফোন: ৬০০০২-৩৯৫৭২*



---

## জীৱনৰ সাঁকো

পৰিণীতা দাস

জীৱনৰ সাঁকো নে
এইখন মৰণৰ ভগা-ছিগাৰ মাজেৰে
বাঁহৰ কামি
দুচলা কাঠেৰে এই সাঁকো বদনামী।
ডেকা কনেঙৰ মিলন স্থলী আৰু
চিফুং বাঁহীৰ সুৰত মতলীয়া প্ৰেমিক।

সাঁকো জীৱনৰ পৰীক্ষাস্থলী
পাৰ হ'লে সিপুৰী
নহ'লেই ইপুৰী
গামোচাৰে আদৰিব
দেওনা পাৰ হ'ল বুলি
মাজতে বহিলেহে লটি-ঘটি
এই যেন বুঢ়া নিগনিৰহে কুট-কুটনি।

## নভবাকৈয়ে ভাল পাই পেলালোঁ তোমাক...

প্ৰীতিৰেখা দাস

মইতো বিচৰা নাছিলোঁ কাহানিও
ফুলি উঠক বুলি মোৰ বুকুৰ ভাঁজত
তোমাৰ সপোনৰ হাছনাহানা।
সুবাসিত কৰক বুলি মোৰ হিয়াৰ কোঠালি ।
কঁপা কঁপা আঙুলিৰে নিজানত বহি মনৰ তুলিকাৰে
আঁকিবও খোজা নাছিলোঁ তোমাৰ ছবি....
তৰা ভৰা ৰাতি আকাশলৈ চাই তোমাৰ স্বপ্নত
বিভোৰ হোৱাৰ কথাও নাছিল।
কথা নাছিল তোমাৰ প্ৰেমৰ ৰাগিত
মই মোক ডুবিবলৈ দিয়াৰ।
হ'ব বুলিও ভবা নাছিলোঁ এদিন উখল-মাখল
তোমাৰ বাবে মোৰ বুকুৰ পদূলি।
যিমানে তোমাৰ পৰা দূৰলৈ যাব খোজো
সিমানেচোন কাষ চাপি যাওঁ তোমাৰ।
দুহাতত লৈ তোমালৈ বুলি এপাহি ভালপোৱাৰ
গোলাপ।
নভবাকৈয়ে ভাল পাই পেলালোঁ তোমাক...
এতিয়াচোন ভাবিও ভাল লাগে
মই মোক তোমাৰ বুলি।

---




# চৰণেহে জানে মৰণৰ ঠাই

■ দেৱীনা পামেগাম পেগু

ৰিমাৰ গাত ততেই নাই, ৰাতিপুৱাৰ পৰা যিখিনি লামলাকুট আছিল সকলো তালি-টোপোলা বান্ধি লৈছিল। মানুহজনে এৰি যোৱাৰ পাছত এই দুবছৰ কেনেকৈ যে তাই চলি আছে তাইহে জানে।

লকডাউনৰ বাবে এইকেইদিন একো কামো কৰিব পৰা নাছিল।

যিখিনি সাঁচতীয়া আছিল আজি দুমাহত শেষহৈ গ'ল, তাতে আকৌ কোলাত দুবছৰীয়া পোনাটো।

যোৱা দুদিনধৰি ৰিমাৰ পেটত দিবলৈ একোৱে পোৱা নাছিল মাথোঁ পানীকেই টোপালৰ বাহিৰে, তথাপিও পোনাটিক বুকুৰ শুকান দুগ্ধ পান কৰাইছিল।

কাইলৈ চেন্নাইৰ পৰা বিশেষ ৰে'লখনত অসমলৈ যাবলৈ পাৰিলে তাইৰ বুকুৰ আৰু পেটৰ সকলো জ্বালা নোহোৱা হ'ব। ভাবিয়েই ভাল লাগিল, আপোন ঠাইখনৰ কেঁচামাটিৰ সুগন্ধ এটা নাকত লাগিল। শিমলু কি চন্দন হ'ব পৰ কি আপোন হ'ব। গতিকে, যি কৰিব নিজৰ ঠাইতে কৰিব।

আজি দুবছৰ আগতে মানুহজনৰ সৈতে কাম কৰি খাম বুলি অসম এৰি চেন্নাই আহিছিল, নিয়তিৰ কৰুণ পৰিহাস বুকুৰ মাজৰ পৰা মানুহজনক কাঢ়ি নিলে। এতিয়া কোলাত কেঁচুৱা লৈ চাবোন ফেক্টৰী এটাত পেকিঙৰ কাম কৰি আছিল, কোৰোনাৰ বাবে সেইটো উপাৰ্জনৰ পথো বন্ধ হৈ পৰিল।

ৰাতিটো যেনে-তেনে পাৰ কৰি ৰাতিপুৱা ৰে'লখন ধৰিলে। ৰে'লত উঠিয়েই আপোন মানুহৰ মাত-কথা শুনি কান্দোনটো বুকুত উজাই আহিছিল।

গাটোও তাইৰ বহুত দুৰ্বল অনুভৱ কৰিছিল অনাহাৰে থাকি ল'ৰাটোক বাৰে বাৰে শুকান বুকুৰ অমৃত চুহাইছিল। দুদিনৰ যাত্ৰাৰ অন্তত অৱশেষত বহু আকাংক্ষিত নিজৰ গন্তব্যস্থানত ৰে'লখন পাইছিলগৈ। ৰিমাৰ স্বাস্থ্যৰ অধিক অৱনতি ঘটিছিল, একেৰাহে নোখোৱাকৈ থকাৰ বাবে।

যথা সময়ত ৰে'লখন অসমৰ মাটিত থিয় হৈছিল, ৰিমাও দুৰ্বল শৰীৰে নিজৰ লাম-লাকুটবোৰৰ সৈতে হিয়াৰ আমঠু পোনাটিক লৈ নামোতে অকস্মাৎ ৰিমাই ৰে'লৰ প্লেটফৰ্মত ঢলি পৰি গৈছিল আৰু সকলোকে আচৰিত কৰি পৰিল যি পৰিলেই চিৰদিনৰ বাবে হেৰাই গৈছিল অজান মুলুকলৈ।

অবুজ শিশুটিয়ে একো ধৰিব নোৱাৰি বাৰে বাৰে নিঠৰ মাকৰ দেহৰ পৰা বক্ষযুগল উলিয়াই খেলি খেলি চুহি থাকিল।

*ফোন: ৯৮৬৪১৬৮৮৬২*

## প্ৰথম পৃষ্ঠাৰ পৰা—

## চুইছ বেংক যেন সাঁথৰ

উল্লেখ্য, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৪ চনৰ লোকসভাৰ নিৰ্বাচনৰ আগে আগে এইবুলি কৈছিল যে চুইছ বেংকত ভাৰতীয়ই জমা কৰা ধন ওভতাই অনা হ'ব আৰু সেই ধনৰ পৰাই ১৫ লাখকৈ টকা প্ৰতিজন ভাৰতীয়ক দিয়া হ'ব। কিন্তু এতিয়া সেই প্ৰতিশ্ৰুতি অসাৰ বৈ পৰিছে। ইয়াৰ মাজতে চুইছ বেংকত পুনৰ বৃদ্ধি পাইছে ভাৰতীয় লোকে জমা কৰা ধনৰ পৰিমাণ। বৈধ বা অবৈধভাৱে বহু ভাৰতীয়ই চুইছ বেংকত ধন জমা কৰি আহিছে। ভাৰত চৰকাৰে কিছু বছৰ আগতে বিষয়টোক লৈ মূৰ ঘমাইছিল যদিও এতিয়া সেই বিষয়ত তাপ মৰা পৰিলক্ষিত হৈছে। শেহতীয়াকৈ চুইছ বেংকত ভাৰতীয় লোকে জমা কৰা ধনৰ পৰিমাণ ৫০ শতাংশ বৃদ্ধি হৈ ৩০,৫০০ কোটি টকা হৈছে। এনে বৃদ্ধি ১৪ বছৰৰ ভিতৰত সৰ্বোচ্চ। চুইছ বেংকে এই তথ্য প্ৰকাশ কৰিছে। চুইছ বেংকত ধন জমা কৰা দেশসমূহৰ ভিতৰত ভাৰত ১৫সংখ্যক স্থানত থকাৰ লগতে চীন ২৪ সংখ্যক স্থানত আছে। সংযুক্ত আৰৱ গণৰাজ্য, অষ্ট্ৰেলিয়া, জাপান, ইটালী, স্পেইন, পানামা, চৌদি আৰৱ, মেক্সিকো, টাইৱান, লেবানন, তুৰ্কী, অষ্ট্ৰিয়া, আয়াৰলেণ্ড, গ্ৰীচ, বাৰ্মুডা, মাৰ্শ্বেল দ্বীপপুঞ্জ, লাইবেৰিয়া, বেলজিয়াম, মাল্টা, কানাডা, কাটাৰ, ইজিপ্ত, থাইলেণ্ড, কুৱেইট আৰু জৰ্ডান আদি দেশসমূহৰ মানুহে ভাৰতীয়তকৈও বেছি পৰিমাণে ধন বেংকটোত জমা কৰাৰ তথ্যও পোহৰলৈ আহিছে। উল্লেখ্য, ২০২০ চনত কেৱল ভাৰতীয়সকলৰ জমা ধনৰ পৰিমাণ আছিল প্ৰায় ২০ হাজাৰ ৭০০ কোটি টকা। ২০১৮ চনৰ অন্তত চুইছ বেংকত ভাৰতীয়সকলৰ জমা ধনৰ পৰিমাণ আছিল ১২,৬১৫ কোটি টকা। সেয়া ২০১৯ চনত একে ঢাপে কমি হৈছিল ৬ হাজাৰ ৬২৫ কোটি টকা। কিন্তু ২০২০ চনত হঠাতে বাঢ়ি গৈছিল জমা ধনৰ পৰিমাণ। চুইছ বেংকত ভাৰতীয় জমা ধনৰ পৰিমাণ ২০০৬ চনত সৰ্বাধিক আছিল যদিও সেয়া ২০১১, ২০১৩ আৰু ২০১৭ চনক বাদ দি প্ৰতি বছৰে এই জমা ধনৰ পৰিমাণ হ্ৰাস পাইছিল। কিন্তু এইবাৰ ভাৰতীয়ৰ জমা ধনৰ পৰিমাণে ৰেকৰ্ড গঢ়িলে। অৱশ্যে, এয়া চুইছ বেংকৰ ভাৰতীয় শাখা আৰু আন বিত্তীয় প্ৰতিষ্ঠান বা বিভিন্ন ধৰণৰ ট্ৰাষ্ট, বণ্ড, ছিকিউৰিটী মানি হিচাপে যি ধন চুইছ বেংকত জমা হৈছে তাৰ হিচাপ। অকল নগদ জমা ধন অৱশ্যে পূৰ্বৰ তুলনাত কমিছে। আনহাতে, এই জমাৰ পৰিমাণটো দৰাচলতে চৰকাৰী হিচাপহে। ইয়াৰ উপৰি, ছদ্মনামত একাউণ্ট বা ছদ্মনামৰ সংস্থাৰ জৰিয়তে অনৈতিকভাৱে বহু ভাৰতীয়ই চুইছ বেংকত ধন জমা ৰাখে।

## গাহৰিয়ে লগ এৰাই নাই

যোৱা ৬১নং ৰাষ্ট্ৰীয় ঘাইপথেৰে দৈনিক বহিঃৰাজ্যৰ গাহৰিৰ গাড়ী চলাচল হৈ আহিছে। আজি বীৰ লাচিত সেনা আৰু ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে আমগুৰিৰ ছিণ্ডিকেট চক্ৰটোৰ গাহৰি সৰবৰাহ বন্ধ কৰিবলৈ শিৱসাগৰ জিলা উপায়ুক্তক স্মাৰক-পত্ৰ প্ৰদান কৰিছে। শিৱসাগৰ জিলাখনত আফ্ৰিকান ছোৱাইন ফিভাৰ নিৰ্মূল নোহোৱা পৰ্যন্ত বহিঃৰাজ্যৰ গাহৰিৰ সৰবৰাহ বন্ধ কৰিবলৈ দাবী জনাইছে। স্মৰ্তব্য যে শিৱসাগৰ জিলাৰ আমগুৰি-হালোৱাটিং অঞ্চলত ব্যাপক হাৰত বহিঃৰাজ্যৰ পৰা আমদানি কৰা গাহৰিৰ অবৈধ ছিণ্ডিকেট চলি অহাৰ অভিযোগ উত্থাপিত হৈ আহিছে। শিৱসাগৰ জিলাৰ আমগুৰি আৰু হালোৱাটিঙৰ কেইজনমান গাহৰি বেপাৰীৰ দ্বাৰা বৃহত্তৰ অঞ্চলটোত কোটিটকীয়া বহিঃৰাজ্যৰ অবৈধ গাহৰিৰ ছিণ্ডিকেট চলি আহিছে। চুবুৰীয়া ৰাজ্য নাগালেণ্ডলৈ বহিঃৰাজ্যৰ গাহৰি সৰবৰাহ কৰাৰ লগতে বৃহত্তৰ আমগুৰি- হালোৱাটিঙক মুখ্য কৰি বিভিন্ন ঠাইলৈ এনে গাহৰি সৰবৰাহ আৰু বিক্ৰীৰ জৰিয়তে কেইজনমান অসাধু গাহৰি বেপাৰীয়ে পৰিচালিত কৰিছে এই কোটিটকীয়া ছিণ্ডিকেট চক্ৰ। পূৰ্বে বহিঃৰাজ্যৰ পৰা বৃহৎ গাড়ীৰে দৈনিক এনে গাহৰি আমগুৰি নগৰৰ মাজেদি লৈ যোৱা হৈছিল যদিও সম্প্ৰতি কৰ্ণাটক, গুজৰাট আদি ঠাইৰ পৰা ৰেলেৰে সৰবৰাহ হয় বহিঃৰাজ্যৰ গাহৰি। ৰাজ্যখনৰ থলুৱা গাহৰি পালকসকলক ভাতে মাৰি আমগুৰি আৰু হালোৱাটিঙৰ কেইজনমান গাহৰি বেপাৰীয়ে বহিঃৰাজ্যৰ গাহৰিৰে নাগালেণ্ডৰ লগতে অসমৰ বিভিন্ন ঠাইত ৰমৰমীয়া ব্যৱসায় চলাই কোটিকোটি ধন চপাইছে যদিও এই অবৈধ গাহৰি বেপাৰীৰ এনে অবৈধ কাৰ্য উৎখাত কৰিবলৈ প্ৰশাসনৰ দৃষ্টিগোচৰ নোহোৱাটোৱে সৰ্বসাধাৰণ ৰাইজৰ চকু কপালত তুলিছে। থলুৱা গাহৰিপালকৰ মূৰত কাঁঠাল ভাঙি এই অবৈধ গাহৰিৰ ছিণ্ডিকেট চক্ৰটোৱে বহিঃৰাজ্যৰ পৰা আমদানিকৃত ৰোগাক্ৰান্ত গাহৰিৰ দ্বাৰা ছোৱাইন ফিভাৰৰ দৰে ৰোগৰ বীজাণু মেলাৰো গুৰুতৰ অভিযোগ উঠিছে। যাৰ বাবে ৰাজ্যখনৰ হাজাৰ হাজাৰ থলুৱা গাহৰিপালকৰ গাহৰি বিভিন্ন সময়ত মৃত্যু হোৱাত এই থলুৱা গাহৰি পালকসকল সৰ্বস্বান্ত হৈছে। পূৰ্বে ৰাজ্যখনৰ বিভিন্ন থানাৰ সন্মুখেৰে বহিঃৰাজ্যৰ গাহৰি সৰবৰাহ কৰা বৃহৎ বৃহৎ গাড়ী বিনা দ্বিধাই পাৰ হৈ চলাচল কৰাৰ পিছত বৰ্তমান আমগুৰি, হালোৱাটিং আৰু নামতি থানাৰ সন্মুখেৰে দৈনিক নাগালেণ্ডলৈ বহিঃৰাজ্যৰ গাহৰি সৰবৰাহ হৈ আছে। জানিব পৰা মতে এই বহিঃৰাজ্যৰ গাহৰিৰ ছিণ্ডিকেট চক্ৰটোৱে সৰবৰাহ কৰা গাহৰি কঢ়িওৱা গাড়ীৰ কোনো কেটেল পাৰ্মিট নথকাৰ লগতে চৰকাৰক ৰাজহ ফাঁকি দিয়াৰ উপৰি অসম চৰকাৰৰ পশুপালন সৰবৰাহৰ নিয়ম, খাদ্য সুৰক্ষা, উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ আৰু অসমৰ দহ লাখ গাহৰিপালকৰ সুৰক্ষা নস্যাৎ কৰি সমগ্ৰ অসমতে গাহৰিৰ ছিণ্ডিকেট চলাই আছে যদিও চৰকাৰী বিয়াগোম বিভাগ, সংশ্লিষ্ট প্ৰশাসন আদিয়ে এইক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ নকৰা কাৰ্যই থলুৱা গাহৰি পালকসকলক আচৰিত কৰি তুলিছে। ৰাজ্যখনৰ ভাগি পৰা গ্ৰাম্য অৰ্থনীতি পুনৰুদ্ধাৰৰ বাবে বিশেষকৈ গাঁৱৰ বিভিন্ন লোকে গাহৰি পালনকে একমাত্ৰ জীৱিকা হিচাপে গ্ৰহণ কৰি দুবেলা দুমুঠি খাদ্যৰ যোগাৰ কৰাৰ সময়তে ধূমকেতুৰ দৰে বহিঃৰাজ্যৰ গাহৰিৰ ব্যৱসায়েৰে থলুৱা গাহৰি পালকক ভাতে মৰাৰ চক্ৰান্তত নামি পৰা আমগুৰি-হালোৱাটিঙৰ বহিঃৰাজ্যৰ গাহৰি বেপাৰীকেইজনৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ বাবে অসমৰ মুখ্যমন্ত্ৰীক ৰাইজে অনুৰোধ জনাইছে।

## কাৰ্বি লাংপি প্ৰকল্পৰ ১০-১২

দ্বাৰা সদ্যহতে ২৫টাকৈ পৰিয়ালৰ বাবে ২৫ কে ভি ক্ষমতাসম্পন্ন ট্ৰেন্সফাৰ স্থাপন কৰি অঞ্চলবাসীক বৈদ্যুতিকৰণৰ সুবিধা প্ৰদানৰ পোষকতা কৰে। বিভাগীয় কৰ্তৃপক্ষ হিচাপে উপস্থিত থকা সহকাৰী মহাপ্ৰবন্ধক পাৰ্থ বৰাই জানিবলৈ দিয়ে যে এই আঁচনিখনৰ জৰিয়তে পশ্চিম কাৰ্বি আংলং জিলাৰ চাৰিটাকৈ স্থানত কেইবাখনো গাঁৱে বিদ্যুৎ ব্যৱস্থা লাভ কৰিবলৈ সক্ষম হ'ব। আজি টেংকেৰালাংছ'ত আমাৰ প্ৰথমটো ২৫ কে ভিৰ ট্ৰেন্সফাৰ স্থাপন কৰাৰ লগতে বিদ্যুৎ পৰিবাহী তাঁৰসমূহো উন্নতমানৰ হোৱা বাবে ইয়াত হাঁকোটা লগাই বিদ্যুৎ চুৰি কৰাৰ কোনো সম্ভাৱনা নাই বুলি প্ৰকাশ কৰাৰ লগতে ভল্টেজৰো তাৰতম্যৰ পৰাও অঞ্চলবাসী হাত সাৰিবলৈ সক্ষম হ'ব বুলি প্ৰকাশ বিষয়াগৰাকীৰ। উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থকা স্থানীয় বিধায়ক ৰূপছিং টেৰণে জানিবলৈ দিয়ে যে টেংকেৰালাংছ'ত স্থাপন হোৱা দীনদয়াল উপাধ্যায় গ্ৰামজ্যোতি যোজনা (নতুন) আঁচনিয়ে অঞ্চলবাসীক লাভৱান্বিত কৰাৰ লগতে আমাৰ পশ্চিম কাৰ্বি আংলং জিলাৰ হাতীডুবিত অৱস্থিত ১০০ মেগাৱাট শক্তিসম্পন্ন কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ পৰা আমাৰ জিলাখনৰ বাবে ১০-১২ মেগাৱাট বিচাৰি মই ইতিমধ্যে শক্তিমন্ত্ৰীক দাবী জনাইছোঁ। সমগ্ৰ বিষয় সন্দৰ্ভত শক্তিমন্ত্ৰী নন্দিতা গাৰ্লোচাই বিচাৰ-বিবেচনা কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে বুলি প্ৰকাশ কৰে বিধায়ক টেৰণে। আনহাতে, স্থানীয় পাৰিষদ তথা কাৰ্বি পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰভাত চন্দ্ৰ তাৰ'ৰে অনাগত সময়ত পৰিষদীয় সমষ্টিটোৰ যিকোনো বিভাগৰ উন্নয়ন সন্দৰ্ভত যোগাত্মক আলোচনাৰে আগবাঢ়ি যোৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। উল্লেখ্য, অনুষ্ঠানত বিধায়ক ৰূপছিং টেৰণ, কাৰ্যবাহী সদস্য প্ৰভাত চন্দ্ৰ তাৰ'ৰ উপৰি অসম পাৰ্বত্য ক্ষুদ্ৰ উদ্যোগ ব'ৰ্ডৰ উপাধ্যক্ষ অৰুণ তেৰাং আৰু বিভাগীয় বিষয়া-কৰ্মচাৰীৰ সমান্তৰালকৈ স্থানীয় একাংশ লোক-হিতাধিকাৰীও উপস্থিত থাকে।

## চেলেং চাহ বাগিচাৰ কাৰখানাত কৰ্মৰত শিশু শ্ৰমিক আঘাতপ্ৰাপ্ত

হাস্পতাললৈ নি চিকিৎসা কৰাই কিশোৰজনক ঘৰত থৈয়ে দায় সাৰিব বিচাৰে। লেপেটকটা চাহ বাগিচাৰ মাইনা নায়কৰ ঘটনাৰ প্ৰতিক্ৰিয়া মাৰ নৌযাওঁতেই আকৌ এইবাৰ মৰিয়নিৰ চেলেং চাহ বাগিচাত অনুৰূপ ঘটনাৰ পুনৰাবৃত্তি হৈছে। বাগান কৰ্তৃপক্ষই কিশোৰ বা শিশু শ্ৰমিক নিয়োগ কৰি শিশু শ্ৰমিক আইন ভংগ কৰি আহিছে। আজি এই ঘটনাটো জনাজাত হোৱাত পুনৰ বাগিচা কৰ্তৃপক্ষই মদন পাত্ৰ নামৰ আঘাতপ্ৰাপ্ত কিশোৰজনক যোৰহাট চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰায়। ইফালে বাগিচাৰ কাৰখানাত এতিয়াও শিশু বা কিশোৰ শ্ৰমিক নিয়োগ হৈছে। বাগান কৰ্তৃপক্ষই শিশু শ্ৰমিক আইন ভংগ কৰি বেআইনীভাৱে শিশু আৰু কিশোৰৰ হতুৱাই কম দৰমহাত কাম কৰাই থকাৰ অভিযোগ উত্থাপিত হৈ আহিছে। ইফালে আটছা কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য মঙ্গল গৰাইতে নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে বাগিচাসমূহৰ কৰ্তৃপক্ষই কমবয়সীয়া কিশোৰ-কিশোৰীক কামত নিয়োজিত কৰা কাৰ্য শীঘ্ৰেই বন্ধ কৰিব লাগে। আনহাতে আঘাতপ্ৰাপ্ত মদন পাত্ৰৰ উন্নত চিকিৎসাৰ ব্যৱস্থা কৰিবলৈও দাবী জনায় ছাত্ৰ নেতাজনে।



## পদকৰ শীৰ্ষত গুৱাহাটী

ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ তথা আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল লগতে কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া তথা তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অনুৰাগ সিং ঠাকুৰ উপস্থিত থাকিব। বহুমুখী অসম যুৱ অলিম্পিক-২০২২ হৈছে ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় মানৰ প্ৰতিযোগিতাত উজলি উঠিব পৰাকৈ উন্নত প্ৰদৰ্শনৰ বাবে ৰাজ্যখনৰ যুৱ ক্ৰীড়া প্ৰতিভাসমূহক পূৰ্বৰে পৰাই প্ৰস্তুত কৰি তোলা আৰু এনে আকাংক্ষিত ক্ৰীড়া মঞ্চ গঢ়াৰ প্ৰথম প্ৰয়াস। অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ অধীনত অসম অলিম্পিক সন্থাই এই ব্যাপক অনুষ্ঠানৰ আয়োজন কৰিছে। ২২-২৭ জুলাইলৈ আয়োজিত ছয়দিনীয়া এই বিশাল ক্ৰীড়া প্ৰতিযোগিতাত ৬০০০গৰাকী স্বেচ্ছাসেৱক নিয়োজিত হোৱাৰ লগতে ৩৫খন জিলাৰ ৪,৫০০ৰো অধিক খেলুৱৈয়ে ৩৫টা খেলত অংশগ্ৰহণ কৰিছে। গুৱাহাটীৰ মুঠ ১৩টা ক্ৰীড়া স্থানত অসম যুৱ অলিম্পিকৰ আয়োজন কৰা হৈছে। ইয়াৰ সৈতে সংগতি ৰাখি সংবাদ মাধ্যম আজি সম্বোধন কৰি অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰে আৰু কয়— 'আমি এই বিশাল ক্ৰীড়া প্ৰতিযোগিতাৰ অন্তিম পৰ্যায়ত উপনীত হোৱাৰ পৰিপ্ৰেক্ষিতত সামৰণি অনুষ্ঠানৰ প্ৰস্তুতি পূৰ্ণগতিত চলাই আছোঁ। বৰ্তমান পূৰ্বানুমান আৰু বৰষুণৰ সম্ভাৱনাৰ বাবে সামৰণি অনুষ্ঠানৰ স্থান হিচাপে নিৰ্ধাৰণ কৰা হৈছে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰক। মই আপোনালোকক জনাবলৈ পাই অত্যন্ত সুখী হৈছোঁ যে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া, কেন্দ্ৰীয় মন্ত্ৰীদ্বয় সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া আৰু অনুৰাগ সিং ঠাকুৰ ডাঙৰীয়াই এই বহু শৃংখলাবদ্ধ ক্ৰীড়া প্ৰতিযোগিতাৰ সামৰণি অনুষ্ঠানত তেওঁলোকৰ উপস্থিতি নিশ্চিত কৰিছে।' অসম যুৱ অলিম্পিক, ২০২২ৰ মুখ্য আকৰ্ষণ আৰু সফলতাৰ বিষয়ে উল্লেখ কৰি লক্ষ্য কোঁৱৰে লগতে আজি কয়, 'অসম যুৱ অলিম্পিক-২০২২ক এক বৃহৎ সফলতা প্ৰদানত অকুণ্ঠ সহযোগিতা আৰু সমৰ্থন আগবঢ়োৱাৰ বাবে আমি খেলুৱৈ, প্ৰশিক্ষক, ক্ৰীড়া বিষয়া, স্বেচ্ছাসেৱক, সহায়ক কৰ্মচাৰী আৰু সংবাদ মাধ্যম বন্ধুসকলৰ লগতে সংশ্লিষ্ট সকলোকে ধন্যবাদ জনাব বিচাৰোঁ। আমি আশা আৰু বিশ্বাস কৰোঁ যে, এই প্ৰতিযোগিতাখনে ৰাজ্যখনৰ খেলুৱৈসকলৰ আত্মবিশ্বাস, মনোবল আৰু পেছাদাৰিত্ব বৃদ্ধি কৰাত সহায় কৰিব আৰু তেওঁলোকৰ প্ৰদৰ্শনক উৎকৃষ্ট কৰাৰ এক অতি প্ৰয়োজনীয় মঞ্চ তৈয়াৰ কৰিব। ইয়াৰ জৰিয়তে দেশৰ ক্ৰীড়া মানচিত্ৰত অসম সগৌৰৱে জিলিকি উঠাৰ পথ অধিক প্ৰশস্ত হ'ব আৰু ৰাজ্যখন ক্ৰীড়াৰ শক্তিকেন্দ্ৰৰূপে পৰিগণিত হ'ব।' পদক তালিকাত (আজিৰ দিনটো অৰ্থাৎ ২৬ জুলাই লৈ), গুৱাহাটীয়ে ৯৮টা পদকৰ অপ্ৰতিহত অগ্ৰগতিৰ সৈতে শীৰ্ষ স্থান বজাই ৰাখিছে, যাৰ ভিতৰত অন্তৰ্ভুক্ত হৈছে ৩০টা সোণ, ৩৩টা ৰূপ আৰু ৩৫টা ব্ৰঞ্জৰ পদক। আনহাতে, কামৰূপে ১৩টা সোণ, ৮টা ৰূপ আৰু ১৩টা ব্ৰঞ্জৰ পদকসহ মুঠ ৩৪টা পদক লাভ কৰি দ্বিতীয় স্থানত অটুট ৰাখিছে। তদুপৰি, তিনিচুকীয়াই ১০টা সোণ, ৫টা ৰূপ আৰু ৪টা ব্ৰঞ্জৰ পদকসহ মুঠ ১৯টা পদক লাভ কৰি তৃতীয় স্থানত আছে। তদুপৰি, কাৰ্বি আংলঙে ৯টা সোণ, ৪টা ৰূপ আৰু ৩টা ব্ৰঞ্জৰ পদকসহ মুঠ ১৬টা পদক লাভ কৰি চতুৰ্থ স্থানত আছে। ৭টা সোণ, ৮টা ৰূপ আৰু ৬টা ব্ৰঞ্জসহ মুঠ ২১টা পদক লাভ কৰি যোৰহাটে অষ্টম স্থানৰ পৰা পঞ্চম স্থান। অসম যুৱ অলিম্পিকে ইয়াৰ প্ৰায় সকলো পৰ্যায়ত প্ৰৱেশ কৰাৰ আজিৰ দিনটোত ড্ৰেগন ব'ট, চেপাক টাক্ৰো, বুচু, মল্লযুদ্ধ, এথলেটিক্স আৰু ভাৰোত্তোলনৰ দৰে ৰোমাঞ্চকৰ ইভেণ্টবোৰত খেলুৱৈসকলে দুৰন্ত প্ৰদৰ্শন দাঙি ধৰি ক্ৰীড়াপ্ৰেমীক মোহাচ্ছন্ন কৰে।

## মঙলবাৰে পুৰাই ৰাষ্ট্ৰপতি

মৌলিক স্বাৰ্থ জড়িত আছে। আমি ইয়ানে আনখনৰ সৈতে এটা বিশ্বাসযোগ্য সম্পৰ্ক গঢ়ি তোলা প্ৰয়োজন।' উল্লেখ্য যে ভাৰত-চীন সীমান্তত বিগত বহু দিন ধৰি উত্তেজনা অব্যাহত থকাৰ লগতে বিভিন্ন সময়ত দুয়োপক্ষৰ মাজত তিক্ত সম্পৰ্কৰ উদ্ভৱ হৈ আহিছে। পৰিৱৰ্তিত পৰিস্থিতিত ভাৰত-চীনৰ সম্পৰ্কক লৈ সমগ্ৰ বিশ্বই দৃষ্টি ৰাখিছে।

## ৬ ঘণ্টা ধৰি প্ৰশ্নবাণ

এনফৰ্চমেণ্ট ডিৰেক্টৰেটে (ED)। আজি দুপৰীয়া ইডিৰ কাৰ্যালয়ত উপস্থিত হয় ছোনিয়া গান্ধী। ইডিয়ে ছোনিয়া গান্ধীক সোধা-পোছাৰ বাবে পূৰ্বে সোমবাৰে তলৱ কৰিছিল, কিন্তু পিছত এদিনৰ বাবে পিছুৱাই দিয়া হয়। উল্লেখ্য, ২১ জুলাইত দুঘণ্টাৰ বাবে সোধা-পোছা কৰিছিল ছোনিয়া গান্ধীক। ইডিৰ কাৰ্যালয়ত ছোনিয়া গান্ধীক সোধা-পোছাৰ সময়ত সকলো প্ৰটকল অনুসৰণ কৰা হয়। ইয়াৰ ভিতৰত আছিল এম্বুলেন্সৰ সৈতে চিকিৎসকৰ দল, কংগ্ৰেছ অধ্যক্ষাগৰাকীক সোধা-পোছাৰ সময়ত বিষয়াৰ ক'ভিড নিগেটিভ প্ৰমাণ-পত্ৰ আৰু শাৰীৰিক দূৰত্ব বজাই ৰাখিব লাগিছিল। ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধীও আজি মাতৃৰ সৈতে ইডি কাৰ্যালয়লৈ যায়। কংগ্ৰেছে নিজৰ নেতৃত্বৰ বিৰুদ্ধে ইডিৰ তদন্তক ৰাজনৈতিক প্ৰতিশোধৰ আখ্যা দিছে। কংগ্ৰেছৰ কাৰ্যকৰ্তাৰ প্ৰতিবাদৰ প্ৰতি লক্ষ্য ৰাখি দিল্লী আৰক্ষীয়ে ৰাজধানীত ১৪৪ ধাৰা জাৰি কৰে। ৰাজধানীৰ মুখ্য স্থানত ইডি কাৰ্যালয়ৰ বাহিৰত চিআৰপিএফ আৰু ৰেপিড একচন ফ'ৰ্চ নিয়োগ কৰা হৈছে। ছোনিয়া গান্ধীক ইডিৰ চমন দিয়াৰ বিৰোধিতাৰে আজি দেশজুৰি কংগ্ৰেছে প্ৰতিবাদ সাব্যস্ত কৰে। দিল্লীৰ বিজয় চ'কত ৰাহুল গান্ধীৰ নেতৃত্বত কংগ্ৰেছৰ নেতা-কৰ্মীয়ে প্ৰতিবাদ সাব্যস্ত কৰে। ইয়াৰ মাজতে আৰক্ষীয়ে প্ৰতিবাদকাৰীৰ সৈতে ৰাহুল গান্ধীকো আটক কৰে। আৰক্ষীয়ে আটক কৰিবলৈ অহাৰ সময়তে ৰাহুল গান্ধীয়ে মাটিত বহি পৰে। মাতৃৰ বিৰুদ্ধে ইডিৰ চমনৰ বিৰোধিতা কৰে। ইয়াৰ পিছতে দিল্লী আৰক্ষীয়ে তেওঁক আটক কৰে। এই সন্দৰ্ভত ৰাহুল গান্ধীয়ে কয়, 'মই কাৰোলৈ ভয় নকৰো। আমাৰ মুখ বন্ধ কৰা হৈছে।' কংগ্ৰেছ নেতা মল্লিকাৰ্জুন খাৰ্গেই কয়, মোদী আৰু অমিত শ্বাহে বিৰোধীক শেষ কৰাৰ ষড়যন্ত্ৰ কৰিছে। আমাৰ কণ্ঠৰুদ্ধ কৰিব বিচাৰিছে। আমি ভয় নকৰো। আমি যুঁজি যাম।

## আসাম বিলাসিনীৰ সন্ধান...

পাতি পৰৱৰ্তী সময়ত ১৯১৩ চনৰ পৰা কৃষ্ণকান্ত ভট্টাচাৰ্যৰ পৃষ্ঠপোষকতাত যোৰহাটৰ পৰা আসাম বিলাসিনী প্ৰকাশ পায়। দেশভক্ত তৰুণৰাম ফুকন, কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ আদিয়ে বিভিন্ন লেখা লিখাত কাকতখন ৰাজৰোষত পৰে। যি সময়ত ব্ৰিটিছক চাহাবৰ মান্যতা দিয়া হৈছিল সেই সময়ত ব্ৰিটিছ শাসনক সমালোচনা কৰি আসাম বিলাসিনীত লেখা প্ৰকাশ পাইছিল। অৱশেষত১৯২৪ চনত প্ৰকাশ পুনৰ বন্ধ হৈ পৰে। দুৰ্ভাগ্যৰ বিষয় আউনীআটী সত্ৰৰ পৰা প্ৰকাশ হোৱা এই আসাম বিলাসিনীৰ কোনো কপি অসমত পাবলৈ নাই। ব্ৰিটিছ লাইব্ৰেৰীতহে দুই এটা কপি সংৰক্ষিত হৈ আছে। আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীয়ে শেহতীয়াকৈ আসাম বিলাসিনীৰ সন্ধান কৰাৰ বাবে প্ৰচেষ্টা হাতত লৈছে। ড° সূৰ্য হাজৰিকা, জ্যেষ্ঠ সাংবাদিক বেদব্ৰত মিশ্ৰ, কমল দত্তৰ লগতে ৰবীন ভূএগাক মুখ্য আহ্বায়ক হিচাপে লৈ এইক্ষেত্ৰত অনুসন্ধান কৰাৰ দায়িত্ব দিছে। যোৱা ২১ জুলাই তাৰিখে শ্ৰীশ্ৰীউত্তৰ গুৱাহাটী আউনীআটী সত্ৰত ড° পীতাম্বৰ দেৱগোস্বামীৰ সভাপতিত্বত এই সম্পৰ্কে এক বৈঠক অনুষ্ঠিত হয়। সভাত আসাম বিলাসিনীৰ তথ্য উদঘাটনৰ লগতে দত্তদেৱ গোস্বামী আৰু শ্ৰীধৰ ওজাৰ অন্যান্য সৃষ্টিৰাজি যদি ক'ৰবাত, কাৰোবাৰ হাতত আছে তথ্য সংগ্ৰহ আৰু সেইসমূহ উদ্ধাৰ কৰি প্ৰকাশৰ ব্যৱস্থা সম্পৰ্কে বিতং আলোচনা হয়। সভাত বেদব্ৰত মিশ্ৰ, ৰবীন ভূএগা, কমল দত্ত, দিগন্ত বৰদলৈ, ৰূপক ডেকাই বিভিন্ন পৰামৰ্শ দাঙি ধৰে। কোনো লোকে এই আসাম বিলাসিনীৰ সম্পৰ্কত কোনো তথ্য কিম্বা আসাম তৰা,আসাম দীপিকা আৰু দত্তদেৱ গোস্বামীৰ নাটক, গীত-মাত, পদ বা অন্যান্য ৰচনা, শ্ৰীধৰ ওজাৰ ৰচনাৰ তথ্য আগবঢ়ালে সত্ৰ উপকৃত হ'ব বুলি সিদিনা সভাই ৰাইজলৈ গোহাৰি জনাইছে। উপযুক্ত মাননি বা চৰ্ত সাপেক্ষে সেই তথ্য সত্ৰই সংগ্ৰহ কৰিব বুলিও সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখ্য, চলিত বৰ্ষত আসাম বিলাসিনীৰ প্ৰকাশৰ ১৫০ বছৰ হ'ব, সেয়ে সত্ৰই ডেৰশ বছৰীয়া জয়ন্তী বিশেষ কাৰ্যসূচীৰে মাজুলী আৰু গুৱাহাটীত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মাজুলীত হ'ব লগা কাৰ্যসূচীত দত্তদেৱ গোস্বামীৰ ৰচনাসম্ভাৰ প্ৰকাশ হ'ব আৰু ইয়াৰ বাবে ড° পীতাম্বৰ দেৱগোস্বামীক সভাপতি আৰু কমল দত্ত, তুলসী ৰাজখোৱাক সম্পাদকৰূপে লৈ এখন সম্পাদনা সমিতিক দায়িত্ব দিছে। আনফালে, গুৱাহাটীত হ'ব লগা অনুষ্ঠানত 'সত্ৰৰ পৰা প্ৰকাশিত আসাম বিলাসিনী'ৰ সন্ধান কৰি প্ৰকাশৰ ব্যৱস্থা ল'বলৈ সত্ৰাধিকাৰক সভাপতিৰূপে বেদব্ৰত মিশ্ৰৰ নেতৃত্বত ৰবীন ভূএগা, কমল দত্ত, দিগন্ত বৰদলৈ আৰু ৰূপক নাথক দায়িত্ব দিয়া হৈছে। অসমৰ পুৰণি সমৃদ্ধ পৰিয়ালসমূহৰ ব্যক্তিগত গ্ৰন্থাগাৰ আৰু বিদেশৰ ক'ৰবাত আসাম বিলাসিনীৰ তথ্য পাব পৰা অনুসন্ধান ইতিমধ্যে সমিতিয়ে আৰম্ভ কৰিছে। জাতীয় সম্পদস্বৰূপ আসাম বিলাসিনীৰ লগতে সমসাময়িকভাৱে সত্ৰৰ পৰা প্ৰকাশিত যিকোনো ৰচনাৰাজিৰ তথ্য যদি কাৰোবাৰ কাযত আছে কিম্বা সেই সম্পৰ্কে তথ্য আছে তেন্তে আউনীআটী সত্ৰ বা বেদব্ৰত মিশ্ৰ (৬০০০২৮০৪৮৯), কমল দত্ত (৯১০১১১৫৬৪৯ ), ৰবীন ভূএগা ( ৯৭০৭৭৫৭০১০)ৰ ফোন নম্বৰত জনাবলৈ আহ্বান জনাইছে।



## কাৰ্গিল বিজয় দিৱস উদ্‌যাপন

পতাকা উত্তোলন কৰাৰ পিছতে পতাকা উত্তোলনস্থলীত ৰাষ্ট্ৰীয় সংগীত পৰিবেশন কৰা হয়। কাৰ্গিল বিজয় দিৱস উপলক্ষে বীৰ শ্বহীদগৰাকীৰ সমাধি ক্ষেত্ৰত বিশিষ্ট বিধায়ক মৃণাল শইকীয়াই বন্তি প্ৰজ্বলন কৰে। বীৰগৰাকীক সন্মান জনাই উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱা, বীৰ চক্ৰ কেপ্টেইন জিণ্টু গগৈৰ পিতৃ ঠগিৰাম গগৈ, মাতৃ দুলুপ্ৰভা গগৈ, গোলাঘাট জিলাৰ আৰক্ষী অধীক্ষক সুমিত শৰ্মা আদি কৰি উপস্থিত ৰাইজে পুষ্পাঞ্জলি অৰ্পণেৰে বীৰগৰাকীক শ্ৰদ্ধা নিবেদন কৰে। দিনৰ ১১.৩০ বজাত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ কাৰ্যকৰী সভানেত্ৰী সুৱৰ্ণ শইকীয়া বৰদলৈৰ সভাপতিত্বত খুমটাই লেখিকা সমাৰোহ সমিতিৰ সভা অনুষ্ঠিত হয়। সভাত সমিতিৰ সভানেত্ৰী জিনু গগৈয়ে আদৰণী ভাষণ প্ৰদান কৰা সভাখনৰ সম্পাদিকা লাৱণ্য গগৈয়ে। অনুষ্ঠানটিৰ লগত সংগতি ৰাখি বীৰ শ্বহীদ কেপ্টেইন জিণ্টু গগৈৰ পিতৃ তথা অৱসৰপ্ৰাপ্ত বায়ু সেনা বিষয়া ঠগিৰাম গগৈৰ অভিনন্দন গ্ৰন্থ 'স্থিতপ্ৰজ্ঞ ঠগিৰাম গগৈ ৮১ৰ অনিৰুদ্ধ যাত্ৰাত অভিনন্দন শীৰ্ষক গ্ৰন্থখন সাহিত্যিক, নিবন্ধকাৰ ডাঃ অজিত বৰুৱাই উন্মোচন কৰি কয় যে যিসকল লোকে নিজৰ জীৱন উচৰ্গা কৰি দেশ মাতৃক সেৱা কৰে সেইসকল লোকক ইতিহাসে কেতিয়াও পাহৰি নাযায় বুলি উল্লেখ কৰে। সভাত অঞ্চলটোৰ কেইবাগৰাকীও শিশু শ্বহীদগৰাকীৰ ওপৰত বক্তব্য আৰু দেশপ্ৰেমমূলক গীত-নৃত্য পৰিৱেশন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। সভাত বিশিষ্ট অতিথি হিচাপে গোলাঘাট জিলাৰ আৰক্ষীৰ অধীক্ষক সুমিত শৰ্মা, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ড° চাৰু চহৰীয়া নাথ, অৱসৰপ্ৰাপ্ত অনাৰী কেপ্টেইন টংকেশ্বৰ নাথ, খুমটাই জয়া গগৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমিয় কুমাৰ দাস, খুমটাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মৃণাল বৰুৱা আদি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আনহাতে, কাৰ্গিল বিজয় দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত প্ৰয়াত ৰাজকিশোৰ গগৈৰ সোঁৱৰণী কুইজ প্ৰতিযোগিতা আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ বিজয় প্ৰাৰ্থীসকলক মানপত্ৰ, গ্ৰন্থৰে পুৰস্কৃত কৰা হয়।

**নগাঁৱত বিজেপি যুৱ মৰ্চাৰ উদ্যোগত কাৰ্গিল যুদ্ধৰ বিজয় দিৱস উদ্‌যাপন**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৬ জুলাই ঃ** কাৰ্গিল যুদ্ধৰ বিজয় দিৱসৰ ২৩ বৰ্ষপূৰ্তি উপলক্ষে আজি বিজেপিৰ যুৱ মৰ্চাৰ নগাঁও জিলা সমিতিৰ উদ্যোগত প্ৰভাত ফেৰী সম্পন্ন কৰা হয়। আজি পুৱা নগাঁও চহৰৰ কলঙৰ বাকৰি নেহৰুবালিৰ পৰা আৰম্ভ কৰা এই প্ৰভাত ফেৰীত অংশগ্ৰহণ কৰা বিজেপিৰ যুৱ মৰ্চাৰ কাৰ্যকৰ্তাকে ধৰি বিজেপি নেতা-কৰ্মীসকলে অংশগ্ৰহণ কৰি 'ভাৰত মাতা কি জয়', 'বন্দে মাতৰম' আদি ধ্বনি দিয়া পৰিলক্ষিত হয়। নগাঁও চহৰৰ মূল মূল পথেৰে বিজেপি নেতাসকলে পৰিভ্ৰমণ কৰি শক্তিশালী ভাৰত ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে সকলোকে আহবান জনায়। কাৰ্যসূচীত অংশগ্ৰহণ কৰি নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই কয় যে কাৰ্গিল যুদ্ধৰ বিজয়ৰ বাবে আমি সুৰক্ষিত হৈ আছো। বিধায়কগৰাকীয়ে দেশৰ হকে প্ৰাণ দিয়া বীৰ শ্বহীদসকলক শ্ৰদ্ধাৰে স্মৰণ কৰে। বিজেপিৰ যুৱ মৰ্চাৰ নগাঁও জিলা সমিতিৰ সভাপতি সুন্দৰ শৰ্মাই বীৰ শ্বহীদসকলক স্মৰণ কৰি উঠি অহা প্ৰজন্মৰ মাজত দেশপ্ৰেম জাগ্ৰত কৰিবলৈ আহবান জনায়। তেওঁ লগতে দেশৰ বাবে প্ৰাণ আহুতি দিয়া বীৰসকলৰ আদৰ্শক অনুকৰণ কৰি দেশৰ হকে কাম কৰি যাবলৈ সকলোকে আহবান জনায়। আনহাতে, ৰহা চাৰিআলিতো নগাঁও জিলা বিজেপিৰ যুৱ মৰ্চাই কাৰ্গিল যুদ্ধৰ বিজয় দিৱস উদ্‌যাপন কৰে। এই অনুষ্ঠানত কাৰ্গিল যুদ্ধৰ দুগৰাকী বীৰ সৈনিক হৰিকান্ত বৰদলৈ আৰু সংগীত বৰদলৈক সম্ভাষণ জনোৱা হয়। এই অনুষ্ঠানত বিজেপিৰ যুৱ মৰ্চাৰ জিলা সভাপতি সুন্দৰ শৰ্মাকে ধৰি ৰহা অঞ্চলৰ কেইবাগৰাকী কাৰ্যকৰ্তাই অংশগ্ৰহণ কৰে।

## নগাঁৱত জাপানীজ এনকেফেলাইটিছত পুনৰ মৃত্যু

(৭৩) আজি পুৱা প্ৰায় ১১.৩০ বজাত জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হৈ মৃত্যু হয়। জানিব পৰা মতে, আজিৰ পৰা ১৩ দিনৰ আগতে তেওঁ এই ৰোগত আক্ৰান্ত হৈ গুৱাহাটীৰ এখন ব্যক্তিগত হাস্পতালত চিকিৎসাধীন হৈ আছিল। শিক্ষকতাৰ লগতে এজন আদৰ্শ খেতিয়ক হিচাপেও তেওঁ সুখ্যাতি আছিল। নৰৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী উৎসৱ উদ্‌যাপন সমিতিৰো তেওঁ কাৰ্যকৰী সভাপতি আছিল। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ সহধৰ্মিণী, এগৰাকী জীয়াৰী, এজন পুত্ৰকে ধৰি বহু আত্মীয়-স্বজনক এৰি থৈ যায়। উল্লেখ্য যে বানবিধ্বস্ত নগাঁও জিলাত বৰ্তমানলৈকে জাপানীজ এনকেফেলাইটিছত ৫জন লোকৰ মৃত্যু হৈছে আৰু আক্ৰান্ত হৈছে ৪৮গৰাকী লোক।

### শোণিতপুৰ আৰক্ষীৰ সফলতা

## দুৰ্ধৰ্ষ ৭ গাড়ী চোৰ গ্ৰেপ্তাৰ উদ্ধাৰ ১০খনকৈ বাহন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৬ জুলাই ঃ** শোণিতপুৰত গাড়ী চুৰি চক্ৰৰ ৭ টাকৈ দুৰ্ধৰ্ষ চোৰ জালত পৰিল আৰক্ষীৰ। উগ্ৰপন্থী সংগঠনৰ প্ৰাক্তন সদস্যৰ সহযোগত শোণিতপুৰত গাড়ী চুৰি চক্ৰই বিশাল নেটৱৰ্ক গঢ়ি তোলাৰ সময়তে শোণিতপুৰৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মাধুৰিমা দাসৰ নেতৃত্বত জিলাখনৰ বিভিন্ন প্ৰান্তত অভিযান চলাই আৰক্ষীৰ দলে এই চক্ৰটোৰ ৭ টাকৈ গভাইত চোৰক গ্ৰেপ্তাৰ কৰাৰ লগতে ১০ খনকৈ চুৰি বাহনো উদ্ধাৰ কৰিবলৈ সক্ষম হয়। বিগত দুটা দিন ধৰি চলোৱা এই অভিযানকালত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে ক্ৰমে ওদালগুৰি জিলাৰ ৰূপনগৰৰ জিতু দাস, ঢেকিয়াজুলিৰ জৰ্দনপুৰৰ লোকাচ নাৰ্জাৰী, নগাঁৱৰ বড়হমপুৰৰ ৰাজু শইকীয়া, তেজপুৰ দিহিঙীয়া কলিতাগাঁৱৰ ভাস্কৰ কলিতা, ৰঙাপৰা বিষ্ণুপুৰৰ নিজ্ৰম বসুমতাৰী, ঠেলামৰা গৰুডুবাৰ খালিলুট উদ্দিন, পশ্চিম চিকিমৰ নামচিৰ মূল নিবাসী প্ৰদীপ তামাং। ধৃত গভাইত চোৰ কেইটাৰ পৰা উদ্ধাৰ কৰা দুচকীয়া বাহনসমূহৰ নম্বৰ ক্ৰমে এ এছ ০২ টি ১৮১০ (পালচাৰ ১৫০) , এ এছ ১২ এডি ৭৮১৬ ( য়ামাহা), এ এছ ০১ ইডি ৩০২৮ (এক্টিভা), এ এছ ০৭ জি ৩৪৫৯ (পালচাৰ), এ এছ ১৩ এম ৩৩৪২ (পালচাৰ), এ এছ ০২ এজি ৭৪৯৬ (পালচাৰ), এ এছ ০১ ডি আৰ ৫১৩৯ (জিক্সাৰ), এ এছ ০১ ই এল ৬৪৫৪ (পালচাৰ), এ এছ ১২ ভি ৮৮৪৬ (পালচাৰ), এ এছ ০১ ইকে ৩০৯১ (পালচাৰ)। আজি এই সন্দৰ্ভত শোণিতপুৰ আৰক্ষীয়ে সংবাদ মাধ্যমৰ জৰিয়তে কয় যে, যিসকল লোকে পুৰণা বাহন কিনিব বিচাৰে তেওঁলোকে ইয়াৰ পূৰ্বে জিলা পৰিবহন বিভাগৰ পৰা আপত্তি বিহীন প্ৰমাণ পত্ৰ সংগ্ৰহ কৰা উচিত। অন্যথা চুৰি বাহন ক্ৰয় কৰি বিপদত পৰিব পাৰে। উল্লেখ্য যে, আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা এই দুৰ্ধৰ্ষ গাড়ী চোৰ কেইটাৰ অন্যতম লোকাচ নাৰ্জাৰী পূৰ্বতে উগ্ৰপন্থী সংগঠন এন ডি এফ বি (এছ )ৰ এজন দুৰ্ধৰ্ষ কেডাৰ আছিল। আজি ধৃত চোৰ কেইটাক তেজপুৰৰ ন্যায়িক আদালতত আৰক্ষীয়ে হাজিৰ কৰোৱাৰ পিছত আদালতে ন্যায়িক জিম্মাত লৈ হাজোতলৈ প্ৰেৰণ কৰে।

## এক্সিছ বেংকৰ লাভ দুগুণ বৃদ্ধিৰে ৪,১২৫ কোটি টকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৬ জুলাই ঃ** ভাৰতৰ বেংকিং খণ্ডৰ তৃতীয় শ্ৰেষ্ঠ ব্যক্তিগত খণ্ডৰ বেংক এক্সিছ বেংকে চলিত বিত্তীয় বৰ্ষৰ ৩০ জুনত সমাপ্ত হোৱা ইয়াৰ প্ৰথম ত্ৰৈমাহিকত ঘোষণা কৰা বিত্তীয় ফলাফল অনুযায়ী ইয়াৰ লাভ প্ৰায় দুগুন বৃদ্ধি পায়। বেংকটোৱে এই সময়ছোৱাত বিগত বিত্তীয় বৰ্ষৰ সমান সংখ্যক ২,১৬০ কোটী টকাৰ লাভ অৰ্জন কৰিবলৈ সক্ষম হয়। ২০২২ বিত্তীয় বৰ্ষৰ এপ্ৰিল/জুন মাহৰ সময়ছোৱাত বেংকটোৰ মুঠ উপাৰ্জন বৃদ্ধি হৈ 21,727.61 কোটী টকা হৈছিল। এবছৰৰ পূৰ্বে এই সময়ছোৱাত বেংকটোৰ লাভ আছিল ১৯,৩৬১.৯২ কোটী টকা। বেংকটোৰ প্ৰতিবেদন অনুযায়ী চলিত বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাহিকত ইয়াৰ এন পি এ 2.76% লৈ হ্ৰাস পাই, যিটো যোৱা বিত্তীয় বৰ্ষৰ এই সময়ছোৱাত 3.85% আছিল। সময়ছোৱাত বেংকটোৰ কৰ্পৰেট আৰু কমাৰ্চিয়েল বেংকিং মাচুল বিগত বছৰতকৈ 19% বৃদ্ধি হয়। সময়ছোৱাত বাণিজ্যিক ভাৱে ঘাটি বিগত বছৰৰ 556 কোটীৰ পৰিবৰ্তে 667 কোটী হয়। প্ৰসংগত এক্সিছ বেংকৰ পৰিচালন সঞ্চালক তথা মুখ্য কাৰ্যবাহী বিষয়া অমিতাভ চৌধুৰীয়ে কয় যে "বেংকিং প্ৰতিষ্ঠান হিচাপে আমি বৃহৎ প্ৰত্যাহ্বান স্বত্বেও উন্নতি বিচাৰো আৰু ইয়াৰ বাবে বেংকটোক এক গ্ৰাহক সুলভ প্ৰতিষ্ঠান হিচাপে গঢ়ি তোলাৰ বাবে সম্ভাৱনীয় সকলোবোৰ দুৱাৰ খুলি দিছো।"



## ড্ৰাগছবিৰোধী সজাগতা উপলক্ষে ৰাজ্যপাল মুখীৰ বক্তৃতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৬ জুলাই ঃ** যুৱক-যুৱতীসকল হৈছে সমাজৰ ভৱিষ্যতৰ একো একোজন উজ্জ্বল নক্ষত্ৰ, গতিকে প্ৰতিজন ছাত্ৰ ছাত্ৰীৰে জীৱন সুন্দৰ কৰাৰ দায়িত্ব আছে। সেয়েহে সকলো এজন দায়িত্বশীল নাগৰিক হওক আৰু সুখী আৰু স্বাস্থ্যৱান জীৱন যাপন কৰিবলৈ ক্ষতিকাৰক পদাৰ্থৰ পৰা আঁতৰি থাকক, এই মন্তব্য প্ৰকাশ কৰি আজি আই টি এ মাছখোৱাত ড্ৰাগছ বিৰোধী সজাগতাৰ ওপৰত বিশেষ বক্তৃতা আগবঢ়ায় অসমৰ মহামান্য ৰাজ্যপাল প্ৰফেছাৰ জগদীশ মুখীদেৱে। বিগত ৪ জুন তাৰিখৰ পৰা আৰম্ভ হৈছিল অসমৰ অন্যতম সামাজিক-সাংস্কৃতিক অনুষ্ঠান ব্যতিক্ৰম মাচডোৰ ড্ৰাগছ সুৰা ধপাত বিৰোধী সজাগতা মূলক অভিযান। এই অভিযানৰ ৫৩ নং দিন উপলক্ষে ৰাজ্যপাল প্ৰফেছাৰ জগদীশ মুখীয়ে আজি অসমৰ প্ৰায় ১০০০ ৰো অধিক ছাত্ৰ ছাত্ৰী তথা যুৱ প্ৰজন্মৰ মাজত এক সৌজন্যমূলক বক্তৃতা আগবঢ়ায়। দিনৰ ১০:৩০ বজাত সঙ্গীত চিকিৎসাৰ দ্বাৰা আৰম্ভ হোৱা অনুষ্ঠানত ৰাজ্যপাল মুখীদেৱক প্ৰমুখ্য কৰি সন্মানীয় ব্যক্তি হিচাপে উপস্থিত থাকে অতিৰিক্ত পৰিচালক, জেনেৰেল অফ পুলিচ, (বিশেষ শাখা) অসম হিৰেন চন্দ্ৰ নাথ, আই.পি.এছ.। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অংকুৰ জৈন, আই.পি.এছ., হোজাইৰ প্ৰাক্তন বিধায়ক শীলাদিত্য দেৱ, উদ্যোগপতি ঘনশ্যম ধনুকা, নেৰিম গ্ৰুপ অফ ইনষ্টিটিউচনৰ পৰিচালিকা ড° সংগীতা ত্ৰিপাঠী, ব্যতিক্ৰম মাচডোৰ উপদেষ্টা অমৰেশ ৰয়, মণীষা হাজৰিকাৰ লগতে গন্য মান্য ব্যক্তি সকল।

## ২ কোটিৰো অধিক মূল্যৰ

গুদাম ছীল কৰে। নগাঁৱৰ হয়বৰগাঁৱত ৰতন মালাকাৰ নামৰ ব্যৱসায়ীগৰাকীয়ে তিনিটাকৈ গুদামত মজুত কৰি ৰখা বৃহৎ পৰিমাণৰ পলিথিন জব্দ কৰে। জব্দকৃত পলিথিনসমূহৰ মূল্য ২ কোটিৰো অধিক হ'ব বুলি জানিব পৰা গৈছে। নগাঁও পৌৰ সভাৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰীতম মালাকাৰ আৰু নগাঁও পৌৰ সভাৰ উপ-পৌৰপতি সীমান্ত বৰাৰ নেতৃত্বত জিলা প্ৰশাসন আৰু আৰক্ষীয়ে নগাঁৱৰ হয়বৰগাঁও বজাৰত অভিযান চলায়। জানিব পৰা মতে, প্ৰশাসনৰ নিষেধাজ্ঞা সত্ত্বেও ৰতন মালাকাৰে খান উপাধিৰ এগৰাকী প্ৰভাৱশালী ব্যক্তিৰ সহযোগত চলায় আছিল এই অবৈধ বেহা। ইফালে জিলা প্ৰশাসনৰ নিষেধাজ্ঞাৰ পিছতো পলিথিনৰ ব্যৱসায় চলোৱা ব্যৱসায়ীসকলৰ বিৰুদ্ধে অতি কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলিও সংবাদ মাধ্যমক জনাইছে উপ পৌৰপতি সীমান্ত বৰাই।

## ৰাষ্ট্ৰপতি মুৰ্মুলৈ বিৰোধীৰ

যে চৰকাৰে বিৰোধীৰ প্ৰতি প্ৰতিশোধ লোৱাৰ বাবে কেন্দ্ৰীয় সংস্থাসমূহৰ ক্ষমতাৰ অপব্যৱহাৰ কৰিছে। বিৰোধীয়ে মুৰ্মুলৈ লিখা পত্ৰখনৰ আৰম্ভণিতে তেওঁলোকে ৰাষ্ট্ৰপতিলৈ শুভেচ্ছা জ্ঞাপন কৰে। পত্ৰখনত কোৱা হৈছে— 'অতি দুৰ্ভাগ্যজনক কথাটো হ'ল, চৰকাৰৰ কঠোৰ স্থিতিৰ বাবেই সংসদৰ বৰ্ষাকালীন অধিৱেশন ব্যাহত হৈছে। মূল্যবৃদ্ধি আৰু অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ ওপৰত জিএছটিৰ আৰোপ কৰাৰ বিষয়ত চৰকাৰে কোনো আলোচনা নিবিচাৰে। মোদী চৰকাৰে বিৰোধী দলসমূহৰ বিৰুদ্ধে প্ৰতিশোধ ল'বলৈ কেন্দ্ৰীয় সংস্থাসমূহৰ অপব্যৱহাৰ কৰাৰ পদ্ধতিৰ প্ৰতিও আমি আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰো।' বিৰোধীৰ এই পত্ৰখনে এতিয়া নতুন ৰাষ্ট্ৰপতি মুৰ্মুকো ভবাই তোলা পৰিলক্ষিত হৈছে। তেওঁ অৱশ্যে বিৰোধীৰ অভিযোগ সন্দৰ্ভত কেনে প্ৰতিক্ৰিয়া ব্যক্ত কৰে তাকে চাবলৈ এতিয়া সকলোৱে অপেক্ষা কৰিছে।

## বিতৰ্কৰ মাজতে লাভলীনাৰ

হৈছে। শেহতীয়াকৈ লাভলিনাই বক্সিং ফেডাৰেচন অৱ ইণ্ডিয়াৰ (বিএফআই) বিৰুদ্ধে অভিযোগ উত্থাপন কৰিছিল যে সংগঠনটোৰ ৰাজনীতিৰ বাবে তেওঁৰ প্ৰশিক্ষকক কমনৱেলথ গেমছ ভিলেজত প্ৰৱেশ কৰিবলৈ অনুমতি দিয়া হোৱা নাই। অলিম্পিকৰ ব্ৰঞ্জৰ পদক বিজয়ী লাভলিনাই দাবী কৰিছিল যে তেওঁৰ প্ৰশিক্ষকৰ হাৰাশাস্তিৰ বাবে কমনৱেলথ গেমছৰ বাবে তেওঁৰ প্ৰস্তুতি প্ৰভাৱিত হৈছে। সন্ধ্যা ভাৰতীয় দলৰ সহকাৰী প্ৰশিক্ষকো। প্ৰতিযোগিতাৰ কেইদিনমান আগতে তেওঁক ভাৰতীয় দলত অন্তৰ্ভুক্ত কৰা হৈছিল। দেওবাৰে ইয়াত উপস্থিত হোৱাৰ পিছত, তেওঁক গেমছ ভিলেজত প্ৰৱেশ কৰিবলৈ অনুমতি দিয়া হোৱা নাছিল, কিয়নো তেওঁৰ স্বীকৃতি নাছিল, যাৰ ফলত বিতৰ্কৰ সৃষ্টি হৈছিল। ভাৰতীয় অলিম্পিক সংস্থাৰ এজন বিষয়াই কয়, 'সন্ধ্যাক আজি ৰাতিপুৱা বক্সিং গেমছ ভিলেজলৈ অনা হৈছিল আৰু এক্ৰিডিটেচন দিয়া হৈছে। তেওঁ এতিয়া দলটোৰ সৈতে আছে।' সন্ধ্যাকো গেমছ ভিলেজত এটা কোঠা দিয়া হৈছে। সোমবাৰে, লাভলিনাই ছ'চিয়েল মিডিয়াত এটা দীঘলীয়া পোষ্ট দি কৈছিল যে তেওঁ অনুভৱ কৰে যে তেওঁ মানসিক নিৰ্যাতনৰ সন্মুখীন হৈছে, কিয়নো তেওঁ তেওঁৰ প্ৰশিক্ষকক দলত অন্তৰ্ভুক্ত কৰিবলৈ সংগ্ৰাম কৰি আছে।



কাৰ্গিল বিজয় দিৱসত ভাৰতীয় ক্ৰিকেটাৰ প্ৰাক্তন অধিনায়ক তথা সেনা বিষয়া এম এছ ধোনীক দেখা গৈছে এনেদৰে

# ৰাজ্যসভাৰ ১৯ সাংসদক সপ্তাহটোৰ বাবে নিলম্বন

## বিধি উলংঘাৰ অভিযোগত পূৰ্বে লোকসভাৰ চাৰি সাংসদক কৰিছিল নিলম্বন

**নতুন দিল্লী, ২৬ জুলাই ঃ** সংসদৰ অধিৱেশনৰ সময়ত ধৰ্ণা-প্ৰতিবাদ আদি কাৰ্যসূচী বাৰণ কৰি সংসদৰ সচিবালয়ে জাৰি কৰিছিল নিৰ্দেশনা। এই নিৰ্দেশনা উলংঘা কৰাৰ বাবে পূৰ্বে লোকসভাৰ চাৰিজন সাংসদক বৰ্ষাকালীন অধিৱেশনৰ পৰা নিলম্বিত কৰিছিল। আজি পুনৰ ১৯ জন ৰাজ্যসভাৰ সাংসদক চলিত সপ্তাহটোৰ কাৰণে নিলম্বন কৰিছে। এই সম্পৰ্কত ৰাজ্যসভাত বিজেপিৰ দলপতি তথা কেন্দ্ৰীয় মন্ত্ৰী পীযূষ গোৱেলে কয় যে অধ্যক্ষৰ আহ্বান বাৰে বাৰে অগ্ৰাহ্য কৰিছিল এইসকল সাংসদে। সদনৰ কাম-কাজ পৰিচালিত কৰাৰ ক্ষেত্ৰত এইসাংসদ সকলে বাধা প্ৰদান কৰি আহিছিল। গতিকে অনিচ্ছাসত্বেও সাংসদসকলক অধিৱেশনৰ পৰা নিলম্বন কৰিব লগা হৈছিল। আনহাতে পীযূষ গোৱেলে লগতে কয় যে চৰকাৰে সামগ্ৰীৰ মূল্যবৃদ্ধিৰ সম্পৰ্কত আলোচনা কৰিবলৈ সাজু হৈ আছে। দেশৰ জনতাই এইক্ষেত্ৰত উৎকৰ্ণ হৈ আছে। কিয়নো মূল্যবৃদ্ধি এক জলন্ত সমস্যা আৰু কোনেও এই বিষয়টো এৰাই চলিব নোৱাৰে। কিন্তু কেন্দ্ৰীয় বিত্তমন্ত্ৰী চিকিৎসাধীন হৈ আছে। তেওঁ আৰোগ্য হ'লে আৰু সংসদৰ কাম-কাজত ভাগ ল'বলৈ ঘূৰি আহিলে নিশ্চিতভাৱে মূল্যবৃদ্ধিৰ বিষয়ত সংসদৰ মজিয়াত দীঘলীয়াকৈ আলোচনা কৰা হ'ব। উল্লেখ্যে যে অহা ১২ আগষ্ট পৰ্যন্ত এইবাৰৰ বৰ্ষাকালীন অধিৱেশন কাৰ্যসূচী অব্যাহত থাকিব। এদিনৰ পূৰ্বে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কংগ্ৰেছৰ চাৰি সদস্যক সদনৰ পৰা নিলম্বিত কৰিছিল গোটেই অধিৱেশনৰ কাৰণে। ইফালে মঙলবাৰে পুনৰ ১৯ জন ৰাজ্যসভাৰ সাংসদক নিলম্বিত কৰিছিল। ইয়াৰ ফলত চৰকাৰে গণতন্ত্ৰৰ কণ্ঠ ৰোধ কৰিব খুজিছে বুলি বিৰোধী দলৰ



সাংসদসকলে অভিযোগ কৰিছে। লগতে কোৱা হৈছে যে দেশত স্বৈৰাচাৰী শাসন ব্যৱস্থা চলাই ৰাখিছে বৰ্তমানৰ চৰকাৰে। সম্প্ৰতি নিলম্বনৰ সন্মুখীন হোৱা সাংসদসকলৰ ভিতৰত আছে— তৃণমূল কংগ্ৰেছৰ সুস্মিতা দেৱ, মাচুম নুৰ, শান্তা ছেত্ৰী, ডুলা সেন, শান্তনু সেন, অভিৰঞ্জন বিশ্বাস, মহম্মদ নাদিমুল হক; ডি এম কে দলৰ হামিদ আব্দুল্লা, টি আৰ দলৰ বি লিংগায়া যাদৱ, চি পি এম দলৰ এ এ ৰহিম, টি আৰ এছ দলৰ ৰবীন্দ্ৰ ভাদিৰাজু, ডি এম কে দলৰ এছ কল্যাণ সুন্দৰম আৰু আৰ গিৰঞ্জন, এন আৰ এলাংগু, ভি শিৱদাচন, এম ছানমুগাম, টি আৰ এছ দলৰ দামোদৰ ৰাও দিবাকুণ্ডা, চি পি আই দলৰ সন্দুষ কুমাৰ আৰু ডি এম কে দলৰ কানিমুঝি। এই সদস্যসকলে ৰাজ্যসভাত দাবী কৰিছিল যাতে অন্যান্য কাৰ্যসূচী বাতিল কৰি চৰকাৰে মূল্যবৃদ্ধি, জি এছ টি আৰু অন্যান্য জনস্বাৰ্থ জড়িত কেতবোৰ বিষয়ত আলোচনা কৰিব লাগে। অধ্যক্ষই অনুমতি নিদিয়াত সাংসদসকলে সদনৰ ভিতৰতে প্লে কাৰ্ড প্ৰদৰ্শন কৰি প্ৰতিবাদ কৰিছিল। কিন্তু সংসদৰ ভিতৰত সকলো ধৰণৰ ধৰ্ণা বা প্ৰতিবাদী কাৰ্যসূচী নিষিদ্ধ কৰি থোৱা আছে। গতিকে এইসকল সাংসদক চলিত সপ্তাহৰ কাৰণে সদনৰ মজিয়াৰ পৰা নিলম্বিত কৰা বুলি ঘোষণা কৰা হৈছে।

# পাঞ্জাৱৰ মহাধিবক্তাৰ পদত্যাগ

**চণ্ডীগড়, ২৬ জুলাই ঃ** পাঞ্জাৱ চৰকাৰৰ মহাধিবক্তা হিচাপে যোৱা মাৰ্চ মাহত যোগদান কৰিছিল ডক্টৰ আনমূল ৰতন সিদ্ধুৱে। কিন্তু যোৱা ১৯ জুলাই তাৰিখে তেওঁ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰিছে পদত্যাগ পত্ৰ। এই ঘটনাই ৰাজ্যখনত ব্যাপক চৰ্চা লাভ কৰিছে। নতুন চৰকাৰে দিপিন্দন সিং পাটলীয়াক অপসাৰণ কৰি সিদ্ধুক এই দায়িত্ব অৰ্পন কৰিছিল। অৱশ্যে চৰকাৰে জ্যেষ্ঠ অধিবক্তা বিনোদ ঘাইক ইতিমধ্যে নতুন মহাধিবক্তা হিচাপে নিযুক্ত কৰিছে।



## জম্মু-কাশ্মীৰ ক্ৰিকেট এছ'চিয়েচনৰ পুজি আত্মসাৎ

# ফাৰুক আব্দুল্লাৰ বিৰুদ্ধে এনফ'ৰ্চমেণ্টৰ চাৰ্জশ্বিট দাখিল, ১১.৮৬কোটি টকাৰ সম্পত্তি বাজেয়াপ্ত



**নতুন দিল্লী, ২৬ জুলাই ঃ** জম্মু-কাশ্মীৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, বৰ্তমান শ্ৰীনগৰ সমষ্টিৰ সাংসদ ফাৰুক আব্দুলাৰ বিৰুদ্ধে এনফ'ৰ্চমেণ্ট বিভাগে ধনৰ অবৈধ লেনদেন আৰু আত্মসাৎ কৰাৰ অভিযোগত আদালতত দাখিল কৰিছে অভিযোগনামা। ইফালে অনুসন্ধানকাৰী সংস্থাটোৱে ইতিমধ্যে বাজেয়াপ্ত কৰিছে ১১.৮৬ কোটি টকাৰ সম্পদ। ২০১৯ চনৰ পৰা এই গোচৰৰ তদন্ত চলাই থকা হৈছিল। জম্মু আৰু কাশ্মীৰ ক্ৰিকেট এছ'চিয়েচনৰ নামত আৱণ্টিত চৰকাৰী ধন আব্দুলাই নিজৰ পদবী আৰু ক্ষমতা অপপ্ৰয়োগ কৰি আত্মসাৎ কৰি আহিছিল। ২০১৯ চনৰ ছেপ্টেম্বৰ মাহত আছান আহমেদ মিৰ্জা নামৰ এজন ব্যক্তিক এনফ'ৰ্চমেণ্টে গ্ৰেপ্তাৰ কৰিছিল। সেই সময়ত মিৰ্জা আছিল জম্মু-কাশ্মীৰ ক্ৰিকেট এছ'চিয়েচনৰ কোষাধ্যক্ষ। ইয়াৰ লগে লগে তদন্তকাৰী সংস্থাটোৱে দুৰ্নীতি আৰু চৰকাৰী ধনৰ অপব্যৱহাৰ কৰা বহু তথ্য উদ্ধাৰ কৰিবলৈ সক্ষম হয়। কিন্তু ৰাজ্যখনৰ ৰাজনৈতিক দলবোৰে এইক্ষেত্ৰত ৰাজনৈতিক ৰহন সানি বিষয়টোক লঘু কৰিবলৈ চেষ্টা কৰিছিল। বিৰোধী দলৰ কৰ্মকৰ্তা হোৱা কাৰণে চৰকাৰে এনফ'ৰ্চমেণ্টৰ জৰিয়তে তদন্তৰ আওতালৈ নিয়া বুলি অভিযোগ কৰিছিল। বিৰোধীৰ এই অভিযোগ চৰকাৰী পক্ষই নস্যাৎ কৰিছে। লগতে ব্যক্ত কৰিছে যে দুৰ্নীতিৰ বিষয়ত লাভ কৰা তথ্য সমূহ সংশ্লিষ্ট লোকসকলে অস্বীকাৰ কৰিব পৰা নাই। ২০১৯ চনৰ আগষ্ট মাহৰ পাৰ জম্মু-কাশ্মীৰ আছে ৰাষ্ট্ৰপতি শাসনৰ অধীনত। ৰাজ্যখনত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰা হোৱা নাই। ৰাজ্যখন পুনৰ গঠন কৰা হৈছে আৰু কেন্দ্ৰীয় শাসিত প্ৰদেশলৈ পৰিৱৰ্তন ঘটোৱা হৈছে শাসন প্ৰণালী। গতিকে এই সময়ছোৱাত দিল্লীৰ চৰকাৰী পক্ষই বিৰোধী দল আৰু নেতাসকলক যিকোনো প্ৰকাৰে হাৰাশাস্তি কৰি যাব বুলি একাংশ বিৰোধীয়ে অভিমত ব্যক্ত কৰিছে। যোৱা ৩১মে' তাৰিখে শেষবাৰলৈ আব্দুলাক সোধা-পোছা কৰা হৈছিল। শ্ৰীনগৰত তিনি ঘণ্টাতকৈ অধিক সময় ধৰি জেৰা কৰা হৈছিল। ইয়াৰ পূৰ্বেও ৮৪ বছৰীয়া আব্দুলা বহুবাৰ এনফ'ৰ্চমেণ্টৰ জেৰাৰ সন্মুখীন হৈছে। গতিকে জেৰাৰ অন্তত মঙলবাৰে এনফ'ৰ্চমেণ্ট বিভাগে স্থানীয় আদালতত দাখিল কৰিছে জম্মু-কাশ্মীৰ ক্ৰিকেট এছ'চিয়েচনৰ মজিয়াত সংঘটিত হোৱা কোটি কোটি টকাৰ বিত্তীয় অনিয়মৰ।

# পাৰ্থ চেটাৰ্জীৰ বান্ধৱীৰ ঘৰত উদ্ধাৰ শিক্ষক নিযুক্তিৰ ব্লেক ডায়েৰী




**কলকাতা, ২৬ জুলাই ঃ** পশ্চিমবংগৰ শিক্ষক নিযুক্তি কেলেংকাৰীৰ নিতৌ নতুন তথ্য উন্মোচিত হৈছে। সম্প্ৰতি এনফ'ৰ্চমেণ্টৰ দ্বাৰা গ্ৰেপ্তাৰ কৰা হৈছে প্ৰাক্তন শিক্ষামন্ত্ৰী তথা বৰ্তমানৰ উদ্যোগ মন্ত্ৰী পাৰ্থ চেটাৰ্জীক। কিন্তু এইজন পাৰ্থৰ সৈতে দুৰ্নীতি আৰু কেলেংকাৰীত জড়িত একাধিক লোকৰ নাম পোহৰলৈ আহিছে। শেহতীয়াকৈ অৰ্পিতা মুখাৰ্জী নামৰ এগৰাকী ৰহস্যময়ী মহিলাৰ নাম পোহৰলৈ আহিছে। তদন্তকাৰী সংস্থাটোৱে নিজৰ জালত পেলাইছে এইগৰাকী মহিলাক। তদন্তৰ খাতিৰত অৰ্পিতাক লগত লৈ বিভিন্ন তথ্য আহৰণ কৰা দেখা গৈছে। অৰ্পিতাৰ বাসভৱনৰ পৰা উদ্ধাৰ হৈছে এখন বিশেষ ডায়েৰী। এই ডায়েৰীখনত সন্নিৱিষ্ট আছে ধনৰ লেনদেনৰ গোপন তথ্য। কেনেকৈ শিক্ষক নিযুক্তিৰ নামত কোটি কোটি সংগ্ৰহ কৰা হৈছিল, এই টকাৰ ভাগ কোনে কোনে লাভ কৰিছিল, সেই সকলোবোৰ তথ্য সন্নিৱিষ্ট আছে বুলি কোৱা হৈছে। ৰাজ্যখনৰ উচ্চ শিক্ষা আৰু মাধ্যমিক শিক্ষাৰ দীৰ্ঘ সময়ৰ নিযুক্তি কেলেংকাৰী ডায়েৰীখনৰ প্ৰতিটো পৃষ্ঠাত লিপিবদ্ধ হৈ আছে। বহুতো গোপনীয় লেনদেনৰ তথ্যও এই ডায়েৰীত উপলব্ধ আছে। গতিকে এই ডায়েৰী উদ্ধাৰ হোৱাৰ লগে লগে তদন্ত অধিক গভীৰলৈ যাব বুলি ধাৰণা কৰা হৈছে। ইতিমধ্যে এনফ'ৰ্চমেণ্ট বিভাগে যোৱা শনিবাৰে পাৰ্থ চেটাৰ্জীক গ্ৰেপ্তাৰ কৰিছে। পশ্চিমবংগৰ উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী হিচাপে তেওঁ কাৰ্যনিৰ্বাহ কৰি আছে। বৰ্তমানলৈকে পাঁচবাৰ নিৰ্বাচিত হৈছে বিধানসভালৈ। পাৰ্থক গ্ৰেপ্তাৰৰ পিছত বিশ কোটি নগদ টকা উদ্ধাৰ হৈছে। পাৰ্থৰ ঘনিষ্ঠ অৰ্পিতা মুখাৰ্জীৰ ঘৰত তালাচী চলোৱাৰ সময়ত শুকুৰবাৰে এই বিশ কোটি নগদ ধন উদ্ধাৰ হৈছিল। এই ধন ক'ৰ পৰা আহিল, সেয়া সোধা-পোছা কৰোতেই পাৰ্থ চেটাৰ্জীৰ সকলোবোৰ কাম-কাজ পোহৰলৈ আহিছে। গতিকে বিশ কোটি নগদ ধনৰ পিছত এখন বিশেষ ডায়েৰী লাভ কৰিবলৈ সক্ষম হৈছে। এই ডায়েৰীখনে এতিয়া পশ্চিমবংগৰ বহুতো মুধা ফুটা ব্যক্তিৰ কাৰণে কাৰাগাৰৰ ৰাস্তা মুকলি কৰি দিয়া বুলিব পাৰি। কিয়নো শিক্ষক নিযুক্তিৰ নামত সংঘটিত কৰা হেজাৰ কোটি টকাৰ কেলেংকাৰীৰ বহুতো তথ্য ডায়েৰীখনত লিপিবদ্ধ আছে। মুধা ফুটা ৰাজনৈতিক নেতাৰ পৰা আমোলা-বিষয়া, মন্ত্ৰী-সাংসদ আদিৰ নামো সন্নিৱিষ্ট থকা বুলি প্ৰকাশ পাইছে। গতিকে পশ্চিমবংগত এতিয়া এইখন ব্লেক ডায়েৰীয়ে বহুতৰে নিদ্ৰা হৰণ কৰা বুলিব পাৰি।

# দুপৰীয়াৰ আহাৰ বিৰতিৰ পিছত পুনৰ ছোনিয়া গান্ধীক জেৰা

## আৰক্ষীৰ বেহুৰ মাজত অসহায় ৰাহুল গান্ধী



**নতুন দিল্লী, ২৬ জুলাই ঃ** কংগ্ৰেছৰ অধ্যক্ষ ছোনিয়া গান্ধীক মঙলবাৰে দ্বিতীয়বাৰলৈ নেচনেল হেৰাল্ড গোচৰত জেৰা অব্যাহত ৰাখিছে এনফ'ৰ্চমেণ্টৰ এটা উচ্চস্তৰীয় দলে। পুৱা আঠ বজাতে দিল্লীৰ মুখ্য কাৰ্যালয়ত হাজিৰ হোৱাৰ পিছত দুপৰীয়া ক্ষন্তেক সময় আহাৰ বিৰতিৰ বাবে ছোনিয়া গান্ধীক ৰেহাই দিয়া দেখা গৈছিল। ইফালে দলৰ নেত্ৰীক এনফ'ৰ্চমেণ্টে অনাহকত জেৰা কৰা কাৰ্যৰ বিৰুদ্ধে দেশজুৰি অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই কাৰ্যসূচীৰ নাম ৰখা হৈছে সত্যাগ্ৰহ। প্ৰতিখন ৰাজ্যতে কংগ্ৰেছ নেতা-কৰ্মীসকলে সত্যাগ্ৰহ পালন কৰিছে আৰু কেন্দ্ৰীয় চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰা দেখা গৈছে। আনহাতে দিল্লীত কংগ্ৰেছ নেতৃত্বই প্ৰতিবাদ কৰাৰ মাজতে আৰক্ষীয়ে বাধা দিয়া দেখা গ'ল। একাংশ প্ৰতিবাদকাৰীক আৰক্ষীয়ে চোচৰাই আনি গাড়ীৰ ভিতৰতে দলিয়াই দিয়া বুলি অভিযোগ উঠিছে। আনহাতে মল্লিকাৰ্জুন খাৰ্গে, ৰঞ্জিত ৰঞ্জন, কে চি বেনুগোপাল, মণিকাম ঠাকুৰ, ইমৰাণ প্ৰতাপগড়ি, কে সুৰেশ আদিকো দিল্লী আৰক্ষীয়ে আটক কৰি ৰাখে। তেওঁলোকক নতুন দিল্লীৰ কিংছ ৱে কেম্পৰ ভিতৰত আৱদ্ধ কৰি ৰখা হৈছিল। কংগ্ৰেছ নেতা ৰাহুল গান্ধীকো আৰক্ষীয়ে ৰেহাই নিদিলে। তেওঁক ধৰি আনি কটকটীয়া বেষ্টনীৰ মাজত আৱদ্ধ কৰি ৰাখে। উল্লেখ্য যে প্ৰথম আৰম্ভতে প্ৰায় তিনি ঘণ্টা ধৰি জেৰা কৰিছিল। ইয়াৰ পিছতে খাদ্য গ্ৰহণৰ বাবে আধা ঘণ্টাৰ জিৰণি দিয়া হৈছিল। খাদ্য গ্ৰহণৰ পিছত পুনৰ ছোনিয়া গান্ধীক এনফ'ৰ্চমেণ্টৰ কক্ষলৈ সোমাই যোৱা দেখা গ'ল। ২০১৩ চনত বিজেপিৰ সাংসদ সুব্ৰমণিয়াম স্বামীয়ে নেচনেল হেৰাল্ড বাতৰি কাকতৰ অবৈধ আয় আৰু ইয়াৰ ধনৰাশি অপব্যৱহাৰ কৰা বুলি অভিযোগ কৰাৰ লগতে এটা গোচৰ পঞ্জীয়ন কৰিছিল। এই গোচৰৰ ভিত্তিতে এনফ'ৰ্চমেণ্ট বিভাগে কংগ্ৰেছৰ বহুকেইজন শীৰ্ষ নেতাক পৰ্যায়ক্ৰমে জেৰা কৰি আহিছে। মল্লিকাৰ্জুন খাৰ্গে, কে চি বেণু গোপালৰ পৰা আৰম্ভ কৰি ৰাহুল গান্ধীকো জেৰা কৰিছিল বিভাগটোৱে।



ৰাজস্থানৰ ব্ৰজ পাহাৰ, য'ত নতুনকৈ অবৈধ খনন চলোৱা হৈছে, ইয়াৰ প্ৰতিবাদত গাত অগ্নিসংযোগ কৰি আত্মহননৰ পথ লয় বাবা বিজয় নামৰ এজন সাধুৱে

## ৰাজস্থানত সাধুৰ আত্মহনন

# মুখ্যমন্ত্ৰী অশোক গেহলটক বিজেপিৰ সমালোচনা

**জয়পুৰ, ২৬ জুলাই ঃ** বিজেপি সাংসদ অৰুণ সিঙে ৰাজস্থানৰ মুখ্যমন্ত্ৰী অশোক গেহলট আৰু তেওঁৰ চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰিছে। কিয়নো ৰাজ্যখনৰ বাবা বিজয় দাস নামৰ এজন সাধুৱে নিজৰ দেহত অগ্নিসংযোগ কৰি আত্মহনন কৰিছিল। সাধুগৰাকীৰ অভিযোগ এয়ে যে ৰাজ্যখনৰ একাংশ পাহাৰীয়া অঞ্চলত অব্যাহত আছে কয়লাৰ অবৈধ খনন কাৰ্য। এই খননৰ বিৰোধিতা কৰি আহিছিল সাধুগৰাকীয়ে। সেয়েহে এই আত্মহত্যাৰ বিৰুদ্ধে এক উচ্চস্তৰীয় তদন্ত হ'ব লাগে বুলি ঘোষণা কৰিছে বিজেপি সাংসদজনে। আনকি কেন্দ্ৰৰ গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই বিষয়টো হস্তক্ষেপ কৰিব লাগে বুলি দাবী জনাইছে। ইতিমধ্যে দেৱাকী নন্দন নামৰ অন্য এজন সাধুৱে প্ৰকাশ কৰা তথ্য অনুসৰি তেওঁলোকে পবিত্ৰ ভূমি হিচাপে গণ্য কৰি অহা ৰাজস্থানৰ ব্ৰজ পাহাৰত নতুনকৈ খনন চলোৱা হৈছে। ইয়াৰ বিৰুদ্ধে চৰকাৰক অৱগত কৰা হৈছিল যদিও কোনো পদক্ষেপ লোৱা নহ'ল।


# দিল্লী পুলিছে চুলিত ধৰি চোচৰাই নিলে প্ৰতিবাদী কংগ্ৰেছীক

## ভাইৰেল ভিডিঅ'ক লৈ ব্যাপক প্ৰতিক্ৰিয়া



**নতুন দিল্লী, ২৬ জুলাই ঃ** যুৱ কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি শ্ৰীনিবাস বি ভি মঙলবাৰে বেয়াকৈ আক্ৰান্ত হ'ল দিল্লী আৰক্ষীৰ দ্বাৰা। ছোনিয়া গান্ধীক এনফ'ৰ্চমেণ্টৰ দ্বাৰা দিনটোত দুবাৰকৈ জেৰা কৰাৰ সময়ত একাংশ কংগ্ৰেছীয়ে ৰাজপথত প্ৰতিবাদ কৰা দেখা গৈছিল। যুৱ কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতিজনেও এই প্ৰতিবাদত যোগ দিছিল। কিন্তু দিল্লী আৰক্ষীৰ ৰেডিপ একচন ফ'ৰ্চৰ জোৱানসকলে অতি বেয়াকৈ মাৰধৰ কৰে শ্ৰীনিবাসক। তেওঁক চুলিত ধৰি চোচৰাই অনা হয় আৰু এখন বাহনলৈ দলিয়াই দিয়া হয়। ইয়াৰ পিছতো যাতে এই বাহনৰ পৰা লৰচৰ হ'ব নোৱাৰে তাৰ বাবে তেওঁক জব্দ কৰি ৰখা হয়। যুৱ কংগ্ৰেছৰ নেতাজনক আৰক্ষীৰ দ্বাৰা এনেদৰে চলোৱা নিৰ্যাতনৰ ভিডিঅ' ইতিমধ্যে দেশজুৰি ভাইৰেল হৈ পৰা দেখা গৈছিল। দিল্লী আৰক্ষীৰ মাজতো লাগিছে হাহাকাৰ। কোন কোন আৰক্ষী জোৱান জড়িত হৈ আছে, সেয়া চিনাক্ত কৰা হ'ব বুলি আশ্বাস দিয়া হৈছে, সেইসকলৰ বিৰুদ্ধে আইনী আৰু অনুশাসনমূলক পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি প্ৰকাশ কৰিছে। একেদৰে দিনটোৰ আৰম্ভণিতে সংসদৰ নিকটৱৰ্তী বিজয় চৌকত ৰাহুল গান্ধীকো এদল আৰক্ষীয়ে আৱদ্ধ কৰি ৰাখিছিল। তেওঁৰ পৰা বেলেগে বেলেগে ৰাখিছিল প্ৰতিবাদী কংগ্ৰেছী সাংসদ আৰু অন্যান্যসকলক। ইফালে এই ঘটনাৰ পিছত কংগ্ৰেছৰ এটা দলে ৰাষ্ট্ৰপতিক সাক্ষাতৰ বাবে গৈছিল। প্ৰতিবাদকাৰীৰ ওপৰত আৰক্ষীয়ে চলোৱা নিৰ্যাতনৰ বিৰুদ্ধে অৱগত কৰিবলৈ নতুন ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰাৰ লগতে অভিযোগ দাখিল কৰিব বিচাৰিছিল। কিন্তু আৰক্ষীয়ে এইসকল কংগ্ৰেছীক বাধা দিয়াৰ লগতে মাজপথতে আৱদ্ধ কৰি ৰাখে। সেয়েহে দেশত এতিয়া আৰক্ষীৰাজ চলা বুলি কংগ্ৰেছৰ নেতাসকলে অভিযোগ কৰিছে। প্ৰধানমন্ত্ৰী মোদী এজন ৰজা আৰু তেওঁ স্বৈৰাচাৰ চলাই থকা বুলি অভিযোগ কৰিছে। সকলোবোৰ গণতান্ত্ৰিক প্ৰক্ৰিয়া বন্ধ ৰাখি প্ৰধানমন্ত্ৰী মোদীয়ে আৰক্ষীৰ জৰিয়তে নিজকে ৰজা হিচাপে প্ৰতিপন্ন কৰিব খোজা বুলি কংগ্ৰেছে অভিযোগ কৰিছে।

# ক'ভিড প্ৰটকল ভংগৰ সকলোবোৰ গোচৰ প্ৰত্যাহাৰ দিল্লী উপ ৰাজ্যপালৰ



**নতুন দিল্লী, ২৬ জুলাই ঃ** দিল্লীৰ উপ ৰাজ্যপাল বিনয় কুমাৰ চাক্সেনাই ৰাজ্যখনত প্ৰব্ৰজিত শ্ৰমিকৰ দ্বাৰা ক'ভিড প্ৰটকল ভংগ কৰা বুলি ৰুজু কৰা আটাইবোৰ গোচৰ প্ৰত্যাহাৰ কৰিছে। লক ডাউন আৰু ক'ভিড প্ৰটকলৰ সময়ত নিজৰ ঘৰ অভিমুখে ৰাওনা হ'বলৈ উৎকণ্ঠিত হৈ থকা হাজাৰ হাজাৰ শ্ৰমিক-কৰ্মচাৰীয়ে ক'ভিড প্ৰটকল ভংগ কৰা বুলি তেতিয়াৰ প্ৰশাসনে বহুকেইটা গোচৰ পঞ্জীয়ন কৰিছিল। সেই গোচৰসমূহ বৰ্তমানেও অনুসন্ধানৰ পৰ্যায়তে আছে। ১৬৪ জন প্ৰব্ৰজিত শ্ৰমিকৰ বিৰুদ্ধে এনেকৈয়ে দিল্লীত মুঠ ২৫ টা গোচৰ পঞ্জীয়ন হৈছিল। কিন্তু উচ্চতম ন্যায়ালয়ে যোৱা ৯ জুন তাৰিখে এক ঐতিহাসিক ৰায় প্ৰদান কৰিছে আৰু ইয়াত কোৱা হৈছে যে যিসকলে নিজৰ প্ৰাণৰ বাবে আৰু পৰিয়ালৰ সুৰক্ষাৰ বাবে ঘৰলৈ ঘূৰি যোৱাৰ তাড়নাত যদিহে প্ৰটকল ভংগ কৰিছিল, যিসকলৰ হাতত আনকি ঘূৰি যাবৰ বাবে ভাৰা পৰ্যন্ত নাছিল, খাবৰ বাবে আৱশ্যকীয় সামগ্ৰীও লগত নাছিল, তেনে লোকসকলক সকলো প্ৰকাৰৰ বিচাৰ আৰু আইনী জটিলতাৰ পৰা ৰেহাই দিব লাগে। উচ্চতম ন্যায়ালয়ৰ এই নিৰ্দেশৰ পিছতে দুৰ্যোগ ব্যৱস্থাপনা আইনৰ অধীনত দিল্লীত ৪৩টা গোচৰ পঞ্জীয়ন হোৱাৰ বিষয়টো তালিকাভুক্ত কৰা হয়। ইয়াৰে ১৮টা গোচৰ ইতিমধ্যে আদালতৰ মজিয়াত মীমাংসা হৈছিল। বাকী থকা ২৫টা গোচৰ প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত লয় উপ ৰাজ্যপালে। লগে লগে এইসকল প্ৰব্ৰজিত শ্ৰমিকে বিৰাট সকাহ পোৱা দেখা গ'ল। কিয়নো সেই সময়ত যাতায়াতৰ সু-ব্যৱস্থাৰ অভাৱ, চৰকাৰ তথা প্ৰশাসনৰ বেমেজালি, প্ৰব্ৰজিত লাখ লাখ শ্ৰমিকৰ হাহাকৰ অৱস্থা, কৰ'না ভাইৰাছৰ সংক্ৰমণৰ ভয় আৰু নিজৰ লগতে পৰিয়ালৰ প্ৰাণ বচোৱাৰ তাগিদা আদিয়ে দিল্লীত এক কৰুণ পৰিস্থিতিৰ সৃষ্টি কৰিছিল। সমৱেত সকলৰ মাজতে বহুতে পদপৃষ্ট হৈ ঘূণীয়া হোৱা বা প্ৰাণ হেৰুৱাবলগীয়া হোৱা ঘটনাও সংঘটিত হৈছিল। এক হাহাকাৰময় পৰিস্থিতিৰ মাজতে এইসকল দেশ নিৰ্মাণকাৰী শ্ৰমিকে ভোগ কৰা যাতনাই সকলোৰে চকু সেমেকাই তুলিছিল।



মস্কো দবা ফেডাৰেচনত ৰবটৰ সৈতে দবা খেলত প্ৰতিদ্বন্দ্বিতা কৰা এটা শিশুৰ আঙুলি ভাঙি দিলে প্ৰতিদ্বন্দ্বী ৰবটে



# পশ্চিম নলবাৰীৰ বৰনৰ্দ্দীত অন্ধবিশ্বাস-কুসংস্কাৰ শীৰ্ষক ৰাইজমেল

দিগন্ত বৰ্মণ, পশ্চিম নলবাৰী, ২৬ জুলাই, ২০২২ অন্ধবিশ্বাস আৰু কুসংস্কাৰ পৃথিৱীৰ আটাইতকৈ গধুৰ বোজা । ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ এই বাক্যষাৰিয়ে আজিও যেন সমাজক পংগু কৰি ৰাখিছে ।, অন্ধবিশ্বাস আৰু কুসংস্কাৰ সমাজৰ এক ডাঙৰ ব্যাধি । ইয়াক দূৰীকৰণৰ উদ্দ্যেশ্যে চৰকাৰে বিভিন্ন সময়ত ভিন ভিন পদক্ষেপ লৈ আহিছে । বহুতো বেচৰকাৰী সংস্থা আদিয়েও ইয়াৰ সজাগতাৰ ওপৰত অঞ্চলবিশেষে সভা আদি অনুষ্ঠিত কৰি ৰাইজৰ মাজত সচেতনতা বৃদ্ধি কৰা পৰিলক্ষিত হয় । ঠিক তেনে এক পদক্ষেপ লৈ অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ পৃষ্ঠপোষকতাত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, পশ্চিম নলবাৰী খণ্ডৰ উদ্যোগত আৰু ২৮ নং বৰনৰ্দ্দী গাঁও পঞ্চায়তৰ সহযোগত পঞ্চায়তখনত আজি দুপৰীয়া ১২ বজাত অন্ধবিশ্বাস আৰু কুসংস্কাৰ তথা সংস্কাৰ মানুহে মানুহৰ বাবে শীৰ্ষক এখন ৰাইজমেলৰ আয়োজন কৰা হয় । প্ৰায় শতাধিক ৰাইজৰ উপস্থিতিত পঞ্চায়তখনৰ সভাপতি মনোজ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উক্ত ৰাইজমেলত ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত কৃতী শিক্ষক দেৰেন শৰ্মাই অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ ওপৰত বিতংকৈ ৰাইজৰ হিতাৰ্থে ব্যাখ্যা আগবঢ়াই নিজৰ ভাষণ প্ৰদান কৰে । আনহাতে প্ৰতিবেদক লাইভৰ সম্পাদক প্ৰধান তথা যুৱ সমাজকৰ্মী ৰূপক বৈশ্যই অন্ধবিশ্বাস আৰু কুসংস্কাৰ দূৰীকৰণ সম্পৰ্কে বিজ্ঞান মনস্কতাৰ প্ৰতি আগ্ৰহী হৈ প্ৰত্যেকে সজাগ আৰু সচেতন হোৱাৰ পোষকতা কৰি বৰ ৰসাল বক্তব্য প্ৰদানেৰে উপস্থিত সমূহকে উৎসাহিত কৰি তোলাৰ লগতে এই বাৰ্তা আনলৈয়ো প্ৰেৰণ কৰিবলৈ আহ্বান জনায় । আজিৰ এই ৰাইজমেলত কেন্দ্ৰটোৰ খণ্ড সমন্বয়ক বিনোদ সাউদ আৰু সদস্য পংকজ সাউদৰ লগতে কাউন্সিলাৰ অৰবিন্দ শৰ্মাকে আদি কৰি পঞ্চায়তখনৰ সদস্য তথা আত্মসহায়ক গোটৰ সদস্যসকল উপস্থিত থাকে ।

# ‘সাহিত্যৰ পথাৰত অভিযন্তাৰ সৃষ্টি’ শীৰ্ষক গ্ৰন্থ উন্মোচন

**গুৱাহাটী, ২৬ জুলাই ঃ** চানমাৰিস্থিত চৰকাৰী পেন্সনাৰ সন্থা অসমৰ প্ৰেক্ষাগৃহত সাহিত্যৰ পথাৰত অভিযন্তাৰ সৃষ্টি নামৰ এখনি গ্ৰন্থ উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে অসম মহিলা বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° মালিনী গোস্বামীয়ে। উন্মোচনী ভাষণত ড° গোস্বামীয়ে কয় যে এইখন এখন ব্যতিক্ৰমধৰ্মী দলিল স্বৰূপ গ্ৰন্থ। অভিযন্তাসকলেও যে কবিতা, গল্প, প্ৰৱন্ধ, নাটক, গীত আদি ৰচনা কৰি ভাষা-সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়াইছে এই গ্ৰন্থখনেই সাক্ষী হৈ ৰ'ব। অভিযন্তা তথা প্ৰত্নতাত্ত্বিকবিদ ৰাজমোহন নাথৰ পৰা অনুৰাধা দেশ খ্যাত প্ৰখ্যাত উপন্যাসিক, সাংবাদিক ফনীন্দ্ৰ কুমাৰ দেৱচৌধুৰীলৈ বৰেণ্য অভিযন্তাসকলে ভাষা-সাহিত্যলৈ একক প্ৰচেষ্টাৰে অৱদান আগবঢ়াই আহিছে। উন্মোচনী সভাৰ আৰম্ভণিতে ডাঃ কৰবী গোস্বামীয়ে এটি সৰস্বতী বন্দনা পৰিৱেশন কৰে। উদ্দেশ্য ব্যাখ্যা কৰে মুখ্য সম্পাদক তথা অভিযন্তা ধনীৰাম তালুকদাৰে। সভাত উপস্থিত থকা কেইবাগৰাকী অভিযন্তা তথা লেখকে গ্ৰন্থখনৰ সন্দৰ্ভত আলোকপাত কৰে। এইটো সুন্দৰ প্ৰচেষ্টা বুলি একমত প্ৰকাশ কৰে। সভাত সভাপতিত্ব কৰে সভাপতি চফিউৰ ৰহমান শইকীয়াই। সভাখনৰ আঁত ধৰে অভিযন্তা তথা সাংবাদিক সাহিত্যিক কুমদ চন্দ্ৰ ডেকাই। জাতীয় সংগীত পৰিৱেশন কৰি সভা সমাপ্ত কৰা হয়।

# নগৰবেৰাৰ বদলাত কাগজে-কলমে চলিছে এখন বিদ্যালয়

দৈনন্দিন বাৰ্তা সেৱা, নগৰবেৰাঃ ২৬ জুলাই... শেহতীয়াকৈ ছমৰীয়া শিক্ষা খণ্ডৰ অন্তৰ্গত নগৰবেৰাৰ বদলাত পোহৰলৈ আহিছে বিদ্যালয় প্ৰধান আৰু পৰিচালনা সমিতিৰ সভাপতিয়ে ভুল তথ্য দি চৰকাৰী ধন আত্মসাৎ কৰাৰ নাভূত-নাশ্ৰুত কাণ্ড। জানিব পৰা মতে বিগত প্ৰায় চাৰি বছৰে বন্ধ হৈ আছে ছমৰীয়া শিক্ষা খণ্ডৰ অন্তৰ্গত নগৰবেৰাৰ বদলা মৰহুম হাজী জছিম উদ্দিন ছোৱালী প্ৰি-ছিনিয়ৰ মাদ্ৰাছা নামৰ বিদ্যালয় খন আৰু বছৰ বছৰ ধৰি তলাবন্ধ, নাই এজনো ছাত্ৰ ছাত্ৰী, জহি-খহি গৰুৰ গোহালি সদৃশ হৈ পৰিছে বিদ্যালয় খন। কিন্তু ৰহস্যজনকভাৱে এজনো ছাত্ৰ ছাত্ৰী নথকা চাৰি বছৰে বন্ধ হৈ থকা বিদ্যালয় খন আজিৰ তাৰিখলৈকে কাগজে কলমে চলি আছে। কেৱল সেয়াই নহয় ন ন কৌশলেৰে চৰকাৰক ভুল তথ্য দি কাগজে কলমে বিদ্যালয় খন চলি থকা দেখুৱাই চৰকাৰৰ ৰাজ ভঁৰালৰ পৰা মধ্যাহ্ন ভোজনৰ চাউল, বিদ্যালয়ৰ আন্তঃগাঁথনি আদি আদি কৰি



বিদ্যালয় খনৰ বিভিন্ন ধৰণৰ ধন আত্মসাৎ কৰাৰ চাঞ্চল্যকৰ অভিযোগ উত্থাপন হৈছে বিদ্যালয় খনৰ প্ৰধান শিক্ষক তাজ উদ্দিন আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আব্দুল হাকিমৰ বিৰুদ্ধে। ছমৰীয়া খণ্ড প্ৰাথমিক শিক্ষা বিষয়া, চি আৰ চি সকলোৱে এই কাণ্ড জানিও ৰহস্যজনকভাৱে নীৰৱ হৈ থকাত অঞ্চলটোৰ ৰাইজৰ লগতে বিদ্যালয় খনৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে আশ্চৰ্য প্ৰকাশ কৰিছে। অঞ্চলটোৰ সচেতন ৰাইজৰ মনত প্ৰশ্ন উদ্ৰেক হৈছে কাৰ অনুগ্ৰহত চলি আছে তলি উদং মৰহুম হাজী জছিম উদ্দিন ছোৱালী প্ৰি-ছিনিয়ৰ মাদ্ৰাছা নামৰ শিক্ষানুষ্ঠান খন ? বন্ধ হৈ থকা শিক্ষানুষ্ঠান খনত কিহৰ বাবে দিয়া হয় নিয়মীয়া মধ্যাহ্ন ভোজনৰ চাউল কিম্বা আন্তঃগাঁথনিৰ ধনৰ আৱন্টন ? প্ৰধান শিক্ষক, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নে শিক্ষা বিষয়া ? প্ৰকৃততে বিদ্যাৰ মন্দিৰ আজি কাৰ গোহালিৰ খীৰতি গাই ? এতিয়া প্ৰশ্ন হয় আমাৰ এই প্ৰতিবেদন প্ৰকাশ পোৱাৰ পিছত তদন্তৰ দিহা কৰিবনে বিভাগীয় কৰ্তৃপক্ষই, শাস্তি পাবনে কৌশলেৰে চৰকাৰী ধন আত্মসাৎ কৰা প্ৰধান শিক্ষক তাজ উদ্দিন আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আব্দুল হাকিমে সেয়া পৰৱৰ্তী সময়ত হব লক্ষণীয়।

# ৰজাবাৰীত টীয়ক আছুৰ বিনামূলীয়া পাঠদান

দৈনন্দিন বাৰ্তাৰ সেৱা কাকজান,২৬ জুলাই : সদৌ অসম ছাত্ৰ সন্থাৰ শৈক্ষিক কৰ্মসূচীৰ আধাৰত যোৱা ১০ জুলাইৰ পৰা টীয়ক আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু ৰজাবাৰী শাখা ছাত্ৰ সন্থাৰ সহযোগত টীয়ক ৰজাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দশম শ্ৰেণীৰ ইংৰাজী, সাধাৰণ বিজ্ঞান আৰু সাধাৰণ গণিতৰ ১৫ দিনীয়া বিনামূলীয়া পাঠদান কাৰ্যসূচী টীয়ক অঞ্চলৰ কেইবাজনো বৰেণ্য ব্যক্তি তথা শতাধিক ছাত্ৰ ছাত্ৰীৰ উপস্থিতিত সামৰণি অনুষ্ঠান সম্পন্ন হৈ যায়। টীয়ক আছুৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল দত্তই আঁতধৰা সভাখনি ভাৰপ্ৰাপ্ত সভাপতি ৰক্তিম হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত হৈ যায় আৰু কৃতজ্ঞতা জ্ঞাপন কৰে ৰজাবাৰী শাখা ছাত্ৰ সন্থাৰ সভাপতি স্বপ্ননীল বৰুৱাই। ৰজাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হেমন্ত ভূএগ, শিক্ষক অনিল শইকীয়া, গণেশ বৰঠাকুৰ, নিৰু শৰ্মা, মৃন্ময়ী বৰা, অৱসৰপ্ৰাপ্ত শিক্ষক সুৰেন বৰা, সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ৰন্টু ভূএগ, সাংস্কৃতিক সম্পাদক প্ৰীতমজ্যোতি শইকীয়া, টীয়ক আছুৰ উপদেষ্টা প্ৰশান্ত দোলাকাষৰীয়া, লগতে টীয়ক প্ৰেছ ক্লাবৰ প্ৰাক্তন সম্পাদক অমৃত দত্ত, টীয়ক শাখা কবি সন্মিলনৰ সম্পাদক বিমান শইকীয়াকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ববীয়া, অভিভাৱক আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।



# মাজবাট আৰক্ষী থানাৰ পৰা স্থানান্তৰ মটৰ চাইকেল স্কুটি

দৈনন্দিন বাৰ্তা সেৱা মাজবাট ২৬ জুলাই ওদালগুৰি জিলাৰ মাজবাট আৰক্ষী থানাৰ পৰা বিভিন্ন কেছ ৰোজু হোৱা মটৰ চাইকেল সমূহ ওদালগুৰি জিলা ৰিজাৰ্ভ অত স্থানান্তৰ কৰা হয়। জানিব পৰা মতে ওদালগুৰি জিলা আৰক্ষী অধীক্ষকৰ নিৰ্দেশ মৰ্মে মাজবাট আৰক্ষী থানাত বিভিন্ন ধৰণৰ কেছ ৰোজু হোৱা তথা গৰাকী বিহিন মটৰ চাইকেল স্কুটি আদি ওদালগুৰিত থকা আৰক্ষী ৰিজাৰ্ভ লৈ প্ৰেৰন কৰে বুলি মাজবাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জে পি শৰ্মা ও এ এছ আই কুশল চন্দ্ৰ নাথে সাংবাদিক জানিবলৈ দিয়ে। মাজবাট আৰক্ষী থানাৰ পৰা মটৰ চাইকেল আৰু স্কুটি মিলি সৰ্বমুঠ ৫৩ টা আছিল বুলি কয় মাজবাট আৰক্ষীয়ে। মটৰ চাইকেল ও স্কুটি সমূহ মাজবাট আৰক্ষী থানাত বহু দিনৰ পৰা জমা হৈ আছিল বুলি জনা যায়।

# চিবিএচচি পৰীক্ষাত ৱাংলি বুঢ়াগোহাঁইৰ সফলতা

দৈনন্দিন বাৰ্তাৰ সেৱা , চাবুৱা, ২৩ জুলাই.. সদ্য ঘোষিত কেন্দ্ৰীয় মাধ্যমিক শিক্ষা সংসদৰ পৰিচালিত দশম শ্ৰেণীৰ শিক্ষান্ত পৰীক্ষাত ডিব্ৰুগড়ৰ শিক্ষা ভেলী বিদ্যালয়ৰ পৰা অৱতীৰ্ণ হৈ ৱাংলি বুঢ়াগোহাঁইয়ে প্ৰথম বিভাগত ডিষ্টিংশ্বনসহ সুখ্যাতিৰে উত্তীৰ্ণ হয়। চাবুৱা বিশমাইল চুঙিচুক গাঁৱৰ নিবাসী বিশাল বুঢ়াগোহাঁই আৰু মণিকা বুঢ়াগোহাঁইৰ পুত্ৰ ৱালিয়ে ৯৫.২ শতাংশ লাভ কৰি এই সফলতা অৰ্জন কৰে। স্বাভাৱিকতে এই খবৰে অঞ্চলটোত আনন্দৰ জোৱাৰ আনিছে। ৱাংলিয়ে ইংৰাজীত ৯৩, অসমীয়াত ৯২, গণিতত ৯৪, বিজ্ঞানত ৯৬ আৰু সমাজ বিজ্ঞানত ৯৭ নম্বৰ পাবলৈ সক্ষম হয়।

# বানত ক্ষতিগ্ৰস্থ বাসগৃহৰ তালিকা পৰীক্ষণৰ বাবে ধুবুৰীত মন্ত্ৰী অশোক সিংঘাল



দৈনন্দিন বাৰ্তা সেৱা: ধুবুৰী:, ২৬ জুলাই ঃ অসম চৰকাৰৰ জলসিঞ্চন, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংঘালে ধুবুৰীত শেহতীয়া বানত হোৱা ক্ষয়ক্ষতিৰ বুজ লোৱা আৰু ক্ষতিগ্ৰস্থ বাসগৃহ সন্দৰ্ভত জিলা প্ৰশাসনে প্ৰস্তুত কৰা তালিকাৰ যাদৃচ্ছিক পৰীক্ষণৰ বাবে দুদিনীয়া ভ্ৰমণসূচীৰে ধুবুৰী জিলা ভ্ৰমণ কৰে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে ধুবুৰীলৈ অহা মন্ত্ৰীগৰাকীয়ে কালি বিলাসীপাৰা মহকুমাৰ মহকুমাধিপতিৰ কাৰ্যালয়ত বানত হোৱা ক্ষয়ক্ষতিৰ পৰ্যালোচনা কৰে। আজি পুৱা তেওঁ বিলাসীপাৰা মহকুমাৰ যমৰদুৱাৰত আৰু তাৰ পিছত ধুবুৰী মহকুমাৰ আদাবাৰী অঞ্চলত বানত ক্ষতিগ্ৰস্থ গৃহ পৰিদৰ্শন কৰে। দুপৰীয়া ১২ বজাৰ পৰা মন্ত্ৰীগৰাকীয়ে ধুবুৰী জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত বানত হোৱা ক্ষয়ক্ষতি সন্দৰ্ভত জিলা প্ৰশাসন আৰু বিভিন্ন বিভাগৰ সৈতে পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকতে ৰাজ্যিক পৰ্যায়ৰ পাঁচজনীয়া দল আৰু জিলা পৰ্যায়ৰ ৫০ জনীয়া দলে বানত ক্ষতিগ্ৰস্থ বাসগৃহ সন্দৰ্ভত ইতিপূৰ্বে প্ৰস্তুত কৰা তালিকাৰ পৰীক্ষণ কৰি লাভ কৰা তথ্য মন্ত্ৰীগৰাকীক দাখিল কৰে। পৰীক্ষণৰ ফলাফলক লৈ মন্ত্ৰীগৰাকীয়ে সন্তুষ্টি প্ৰকাশ কৰে। মন্ত্ৰী সিংঘালে আন বিভাগবোৰৰ ক্ষয়ক্ষতিৰ প্ৰতিবেদন শীঘ্ৰে ক্ষতিপূৰণৰ বাবে জমা দিবলৈ কয়। বানৰ ক্ষয়ক্ষতিৰ পৰ্যালোচনা বৈঠকখনত ধুবুৰী জিলা উপায়ুক্ত আনবামুথান এম পি, জলসিঞ্চন বিভাগৰ সচিব পবিত্ৰ খাউণ্ড, বিলাসীপাৰাৰ মহকুমাধিপতি জয় শিৱানী, প্ৰাক্তন বিধায়ক অশোক কুমাৰ সিংহী, অতিৰিক্ত উপায়ুক্তদ্বয় নিত্য বিনোদ ৰাৱী আৰু মানস শইকীয়া প্ৰমুখ্যে চক্ৰ বিষয়াসকল, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল, ধুবুৰী জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ বিষয়ববীয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। বৈঠকৰ অন্তত সাংবাদিকৰ আগত মন্ত্ৰীগৰাকীয়ে কয়, ‘দুদিনীয়া ভ্ৰমণকালত মই বান বিধ্বস্ত অঞ্চল ভ্ৰমণ কৰিলো। পৰীক্ষামূলক ভাৱে বানত বাসগৃহ ক্ষতিগ্ৰস্থ হোৱা লোকসকলক ক্ষতিপূৰণ দিয়াৰ বাবে প্ৰস্তুত কৰা তালিকা চালো। কাম ভাল হৈছে। তাৰ বাবে জিলা উপায়ুক্ত আৰু তেওঁৰ সহযোগী বিষয়াসকলক ধন্যবাদ দিছো।’ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰো দায়িত্বত থকা মন্ত্ৰী অশোক সিংঘালে ধুবুৰী জিলাৰ ছয়খন পৌৰসভাৰ বিষয়ববীয়াৰ সৈতেও বৈঠকত মিলিত হয়। এই সন্দৰ্ভত সাংবাদিকৰ আগত তেওঁ কয়, ‘ধুবুৰী আৰু আন পাঁচখন পৌৰসভাক আগুৱাই নিয়া সন্দৰ্ভত আলোচনা কৰিলো। আটাইকেইখন পৌৰসভাৰ বাবে মাষ্টাৰপ্লেন প্ৰস্তুত কৰাৰ বিষয়ে আলোচনা কৰা হৈছে। জাবৰ নিষ্কাষন, পানীযোগান আঁচনি, ষ্ট্ৰীট লাইট সন্দৰ্ভতো আলোচনা হৈছে। সোনকালে ভাল ফলাফল পাম।’

# গোলাঘাটত ভয়ংকৰ ঘটনা

দৈনন্দিন বাৰ্তা বিশেষ সেৱা, গোলাঘাট, ২৬ জুলাই ঃ গোলাঘাটত সংঘটিত হৈছে এক ভয়ংকৰ ঘটনা । এয়াৰগানৰ গুলীত গুৰুতৰভাৱে আহত হৈছে এগৰাকী মহিলা । জানিব পৰা মতে গোলাঘাট চহৰৰ জ্যোতিনগৰস্থিত ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ চমুকৈ ছাইৰ এগৰাকী বিং প্ৰশিক্ষাৰ্থীৰ এয়াৰগানৰ গুলী লাগি আহত হৈছে মহিলাগৰাকী । পুৰা সংগীতা বৰা মহিলা গৰাকীয়ে ঘৰ সাৰি থকা অৱস্থাত হঠাৎ প্ৰশিক্ষাৰ্থীগৰাকীয়ে চৰাইলৈ বুলি মৰা গুলী আহি মহিলাগৰাকীৰ মূৰত আঘাত কৰে । ছাইৰ বক্সিঙৰ প্ৰশিক্ষক এগৰাকীৰ এই এয়াৰগানেৰে চৰাই মাৰি খোৱাৰো অভিযোগ উঠিছে প্ৰশিক্ষক গৰাকীৰ বিৰুদ্ধে । ইতিমধ্যে গোলাঘাট আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ প্ৰশিক্ষাৰ্থী গৰাকীক আটক কৰিছে । ইফালে আঘাতপ্ৰাপ্ত মহিলাগৰাকী গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰাইছে যদিও মূৰত গুলী সোমাই থকাত অস্ত্ৰোপচাৰৰ বাবে যোৰহাট মেডিকেল কলেজলৈ প্ৰেৰণ কৰিছে।

# শিল্পী সমাজ, টংলাৰ সপ্তদশ প্ৰতিষ্ঠা দিৱস উদযাপন

দৈনন্দিন বাৰ্তা সেৱা ,ভেৰগাঁও,টংলা,২৫ জুলাইঞ্জওদালগুৰি জিলাৰ অন্যতম শিক্ষা ,সাহিত্য ,সংস্কৃতিৰ নগৰী টংলাস্থিত টংলা বালিকা উচ্চ বিদ্যালয়ত ২৫ জুলাইত শিল্পী সমাজ ,টংলাৰ সপ্তদশ প্ৰতিষ্ঠা দিৱসটি উলহ মালহেৰে পালন কৰে। পুৱা ৯ বজাত পতাকা উত্তোলনেৰে শিল্পী সমাজ ,টংলাৰ সভাপতি কমলেশ্বৰ ৰাভাই শুভাৰম্ভ কৰা প্ৰতিষ্ঠা দিৱসত ৯-৩০ বজাত স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে প্ৰতিষ্ঠাপক সম্পাদক জ্ঞানেন্দ্ৰ কুমাৰ চলিহাই ।শিল্পী সমাজ ,টংলাৰ প্ৰতিষ্ঠাপক সভাপতি ,গায়ক ,গীতিকাৰ, সুৰকাৰ প্ৰফুল্ল কুমাৰ বৰুৱাই সঞ্চালনা কৰা গীত -মাত অন্তৰংগ আলাপ অনুষ্ঠানত ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তাৰানাথ কলিতা ,সাহিত্যিক পেঞ্চনাৰ ,গায়ক ধৰণীধৰ মেধি ,কবি অধ্যাপক ঘটেশ্বৰ বৰুৱা, শিল্পী সমাজৰ প্ৰাক্তন সম্পাদক ডঃ নাৰায়ণ বৰা ,ডঃ ভাস্বতী বৰুৱা ,অৱসৰপ্ৰাপ্ত কৃতী শিক্ষয়িত্ৰী চন্দ্ৰ প্ৰভা দত্ত ,যুৱ সমাজ কৰ্মী কনকসেন ডেকা ,সাংস্কৃতিক কৰ্মী নৱজিৎ



দাসে মনৰ অনুভৱ -অনুভূতি ব্যক্ত কৰা অনুষ্ঠানত কিৰণ ডেকা, অনিমা নাথ, পুৰ্ণিমা ভূএগ, নিবেদিতা বৰুৱা ডেকা, জোনমনি শইকীয়া, পৱন বণিয়া,হৃষিতা শইকীয়া, ৰাজশ্ৰী বড়ো ডেকা, গায়ত্ৰী দেৱী, জোনালী বৰা চৌধুৰী ,পাৰ্থ প্ৰতিম পাঠক ,যত্না ৰাভা ,গায়ত্ৰী তালুকদাৰ ,লক্ষ্যহীৰা চহৰীয়া আদিয়ে গীত -মাত পৰিৱেশন ,কবিতা আবৃত্তি কৰি অনুষ্ঠানটি জীপাল কৰি তোলে। শিল্পী সমাজ টংলাৰ সম্পাদক পাৰ্থ প্ৰতিম পাঠকে আঁত ধৰা প্ৰতিষ্ঠা দিৱসৰ গীত- মাত আৰু অন্তৰংগ অনুষ্ঠান জাতীয় সংগীতেৰে সফল সামৰণি পৰে।

# ঢকুৱাখনাত গ্ৰীষ্মকালীন শিশু নাট কৰ্মশালাৰ সফল সামৰণি

দৈনন্দিন বাৰ্তাৰ সেৱা ২৬ জুলাই ঢকুৱাখনা : ঢকুৱাখনা মহকুমাৰ অন্যতম বেচৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠান ৰংগভূমি'ৰ উদ্যোগত এইবাৰ তিনি ঠাইত ২০ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা গ্ৰীষ্মকালীন শিশুনাট কৰ্মশালা সফলতাৰে সামৰণি পৰে।ৰংগভূমি'ৰ উদ্যোগত সাপতীয়া আঞ্চলিক উৎসৱ সমিতি আৰু ঘাৰমৰা নাট্য সংঘৰ সহযোগত সাপতীয়া আঞ্চলিক ৰাজহুৱা ভৱনত ২৪ আৰু ২৫ জুলাই তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা



শিশুনাট প্ৰথমদিনা কাৰ্যসূচী দেওবাৰে সামৰণি পৰে। শিশুসকলৰ নৃত্য আৰু উৎকৃষ্ট অভিনয়ত মুগ্ধ হয় উপস্থিত ৰাইজৰ। শিশুসকলৰ শাৰীৰিক, মানসিক, বৌদ্ধিক, সামাজিক দিশত প্ৰতিভা বিকাশৰ লগতে নাটকৰ জৰিয়তে লাজ, ভয়,সংকোচ, শংকাৰ দূৰ কৰি নিজকে সমাজত এজন সচেতন ব্যক্তি হিচাবে গঢ়ি তোলাই হৈছে এই কৰ্মশালাৰ মুখ্য উদ্দেশ্য।

# অসম কৃষি বিপনন পৰিষদক চৰকাৰে দিয়া সাৰ বিতৰনৰ দায়িত্বক আদৰনি জনাইছে দৰং জিলা খুচুৰা বিক্ৰেতা সন্‌হাই

খাৰুপেটীয়া ২৬ জুলাই ক্ল অসম চৰকাৰে অসমৰ কৃষকসকলৰ খেতিত সময়ত সাৰ প্ৰয়োগ কৰিবৰ বাবে আৰু খেতি কৰাৰ সুবিধাৰ্থে অসম কৃষি বিপনন পৰিষদক সাৰ বিক্ৰীৰ বাবে দায়িত্ব অৰ্পণ কৰা কাৰ্যক অসমৰ বিভিন্ন জিলাৰ খুচুৰা সাৰ বিক্ৰেতা সন্‌হাৰ লগতে দৰং জিলা খুচুৰা সাৰ বিক্ৰেতা সন্‌হাইয়ো আদৰনি জনাইছে ।আজি দৰং জিলা সন্‌হাৰ সন্‌হাৰ সভাপতি ছফিউৰ ৰহমান আৰু সম্পাদক দিল ৰৌশ্বনদ্বয়ে এক প্ৰেছ বিবৃতিযোগে জানিবলৈ দিয়ে এই কথা। বিবৃতিটোত উল্লেখ থকা মতে ইতিমধ্যে সন্‌হাই অসমৰ কৃষিমন্ত্ৰী অতুল বৰাক সাক্ষাত কৰি বিপনন পৰিষদৰ বিতৰন ব্যৱস্থাক খৰতকীয়া কৰিবলৈ অনুৰোধ জনাইছে । উল্লেখ্য যে এই সন্দৰ্ভত যোৱা অলপতে তাৰিখে এখন দৈনিক বাতৰি কাকতত প্ৰকাশিত “ অসম কৃষি বিপনন পৰিষদক সাৰ বিতৰনৰ দায়িত্ব দি খুচুৰা বিক্ৰতাক মাধমাৰ , চৰকাৰৰ নতুন নীতিৰ বাবে শালি খেতি কৰাৰ বতৰত হব ইউৰীয়াৰ নাটনি শীৰ্ষক বাতৰিৰ কোনো ভিত্তি ও যুক্তি নাই বুলি দৰং জিলা খুচুৰা সাৰ বিক্ৰেতা সন্‌হাই বিবৃতিটোত উল্লেখ কৰিছে । নেতৃবৰ্গই কয় যে চৰকাৰৰ উক্ত সিদ্ধান্তৰ পিছত সৰু বৰ খুচুৰা সাৰ বিক্ৰেতাই মাধমাৰ সোধাৰ পৰিবৰ্তে সুলভ মূল্যত ইউৰীয়া সাৰ কৃষকে পাবলৈ সক্ষম হব । লগতে ব্যৱসায়ীসকলৰ তৰফৰ পৰা পূৰণি ব্যৱস্হা বাহাল নাৰাখি ইযাৰ পৰিবৰ্তে কোম্পানীৰ আই ডি সংখ্যা বৃদ্ধি কৰিবলৈ চৰকাৰক অনুৰোধ জনোৱাৰ কথা বিবৃতিটোত উল্লেখ কৰা হৈছে।

# জনজাতিকৰণৰ দাবীত প্ৰেছ বিজ্ঞপ্তি

**গুৱাহাটী, ২৬ জুলাই ঃ** দীৰ্ঘদিন ধৰি জনজাতিকৰণৰ দাবী উত্থাপন কৰি থকা মৰাণ, মটক, চাহ জনগোষ্ঠী তথা আদিবাসী, কোচ ৰাজবংশী, টাই-আহোম আৰু চুতীয়া জনগোষ্ঠীক ৰাজ্যৰ বিজেপি চৰকাৰে পুনৰ প্ৰতাৰণা কৰাৰ কৌশল ৰচনা কৰিছে। এই অভিযোগ আম আদমি পাৰ্টিৰ। এক প্ৰেছ বিজ্ঞপ্তিযোগে দলটোৰ ৰাজ্যিক সমন্বয়ক ডাঃ ভবেন চৌধুৰীয়ে কয় যে ছয় জনগোষ্ঠীৰ এই দীৰ্ঘদিনীয়া দাবী প্ৰতিটো নিৰ্বাচনৰ আগে আগে বিজেপি চৰকাৰৰ মনত পৰে আৰু নিৰ্বাচন গ'লেই সমস্যাটো গাপ দি থয়। বিজেপিয়ে ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰাৰ প্ৰতিশ্ৰুতিৰে ২০১৪ ৰ লোকসভা নিৰ্বাচন, ২০১৬ আৰু ২০২১ ৰ বিধানসভা নিৰ্বাচনত শাসনলৈ আহিছিল যদিও এই জনগোষ্ঠীকেইটাক জনডাতিকৰণৰ পৰিৱৰ্তে অন্যান্য পিছপৰা শ্ৰেণীৰ ভিতৰতে বিশেষ সুবিধা প্ৰদান কৰাৰহে প্ৰস্তাৱ চৰকাৰে দিছে।



# মাজুলীৰ নৱ নিৰ্বাচিত বিধায়ক ভুৱন গামৰ গুৰুত্বপূৰ্ণ বৈঠক

২৬ জুলাই, নয়াবজাৰ ঃ সোমবাৰে মাজুলীৰ গড়মূৰস্থিত MEPO OKUMত নৱ নিৰ্বাচিত বিধায়ক ভুৱন গামৰ সৈতে TMPK, MMK, কেন্দ্ৰীয়, জিলা আৰু আঞ্চলিক কমিটিৰ বিষয় ববীয়াৰ গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। উল্লেখযোগ্য যে জিলাখনৰ প্ৰতিটো আঞ্চলিকৰ সভাপতি, সম্পাদকৰ পোনপটীয়া প্ৰশ্ন আৰু প্ৰস্তাৱক গ্ৰাহ্য পৰি উক্ত সভাতে পোনপটীয়াকৈ উত্তৰ দিয়ে। লগতে মাজুলীৰ ভৌগোলিক সুৰক্ষা স্বাৰ্থত গৰাখহনীয়াৰ দৰে জলন্ত সমস্যাবোৰ ইতিমধ্যে চৰকাৰী বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰাৰ কথা প্ৰকাশ কৰে। তদুপৰি চৰকাৰী আঁচনিসমূহ দৰিদ্ৰ, যোগ্য ব্যক্তিয়ে সঠিকভাৱে লাভ কৰিছেনে নাই এই সন্দৰ্ভতো পুংখানুপুংখভাৱে দৃষ্টি নিক্ষেপ কৰা হৈছে বুলি শ্ৰীগামে মত ব্যক্ত কৰে। সভাত মিচিং স্বায়ত্বশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য উমা পাথৰী, সাধাৰণ সদস্য ত্ৰৈলোক্য পামে গাম, TMPKৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক ৰামগোবিন্দ দলে, MMKৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি প্ৰেমধৰ দলে, সদস্য চাপ্পল দলে, মাজুলী TMPK জিলা কমিটিৰ সভাপতি টুটু পাংগীং MMK জিলাৰ কমিটিৰ সভাপতি ৰাজীৱ পেগু আদি উপস্থিত থাকে।

# এইড এট এ'নৰ গ্ৰীষ্মকালীন শিবিৰৰ সফল সামৰণি



## দিনটোৰ কাৰ্যবোৰ ৰাতি এবাৰ জুকিয়াই চাব লাগে ঃ গিৰীন্দ্ৰ কাশ্যপ

দিগন্ত বৰ্মণ, পশ্চিম নলবাৰী, ২৬ জুলাই ঃঃ ‘গৰুৱে দিনত ঘাঁহ, খেৰ আদি এফালৰ পৰা খাই যায়। ৰাতি জিৰণিৰ সময়ত এইবোৰ উগাৰি আনি মিহিকৈ চোবাই খায় যাতে সহজে হজম হয়। আমাৰ ছাত্ৰ-ছাত্ৰীসকলেও ৰাতিপুৱাৰ পৰা ৰাতি শুৱাৰ আগমুহুৰ্ত্তলৈকে যি যি কাৰ্য কৰে গোটেইখিনি এবাৰ ৰাতি টোপনি যোৱাৰ আগমুহুৰ্ত্তত জুকিয়াই চাব লাগে। তেতিয়া পাহৰি যোৱা কথাটো মনত পৰাৰ লগতে পিছৰদিনাৰ বাবে পেনিং কৰোতে সুবিধা হয়।” আন্তঃৰাষ্ট্ৰীয় বেচৰকাৰী সংস্থা এইড এট এ'নে অসমৰ সাতখন জিলা ক্ৰমে নলবাৰী, বাগছা, বৰপেটা, কামৰূপ, বিশ্বনাথ, লখিমপুৰ আৰু ধেমাজিত ক'ভিড মহামাৰীত হোৱা ছাত্ৰ-ছাত্ৰীৰ শিকন ঘাঁটিৰ প্ৰতি লক্ষ্য ৰাখি দি থকা শৈক্ষিক সহযোগিতা আৰু ইয়াৰ লগত সঙ্গতি ৰাখি অনুষ্ঠিত কৰা গীষ্মকালীন শিবিৰৰ শেষৰ দিনা অৰ্থাৎ ২৩ জুলাইত অনুষ্ঠিত কৰা সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে নলবাৰী জিলাৰ পশ্চিম নলবাৰী শিক্ষাখণ্ডৰ অন্তৰ্গত বগুৰিহাটী উঃ মাঃ বিদ্যালয়ত এই মন্তব্য কৰে শিক্ষাসেৱী তথা সমগ্ৰ শিক্ষাৰ ৰাজ্যিক সমল ব্যক্তি গিৰীন্দ্ৰ কাশ্যপে। বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি প্ৰনৱ কুমাৰ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সভাখনত পশ্চিম নলবাৰী শিক্ষাখণ্ডৰ চি আৰ চি চি অমল ডেকাই বিশিষ্ট অতিথি হিচাপে যোগদান কৰি ছাত্ৰ-ছাত্ৰীক টমাচ আলভা এডিনৰ প্ৰসঙ্গ টানি আনি ছাত্ৰ-ছাত্ৰীক জীৱন যুদ্ধত এগৰাকী সফল যোদ্ধা হ'বলৈ আহ্বান জনায়। সভাত এইড এট এ'নৰ জিলা সমন্বয়ক খনীন্দ্ৰ কলিতাই এইড এট এ'নে এতিয়ালৈ কৰি থকা কামৰ এক পৰ্যালোচনা ডাঙি ধৰে। এডুকেশন ফেচিলিটেটৰ কিশোৰ দাসে আঁত ধৰা সভাখনত ছাত্ৰ-ছাত্ৰীয়ে নৃত্য, গীত-মাত কৰাৰ লগতে অঞ্চলটোৰ বিদ্যালয় সমূহৰ শিক্ষক আৰু অভিভাৱক সকলে সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱা দেখা যায়। উল্লেখ্য যে ছয়-দিনীয়া কৰ্মশালাত ছাত্ৰ-ছাত্ৰীক প্ৰধানকৈ মাটিৰে তৈয়াৰী বিভিন্ন বস্তু, বাঁহ-বেতৰ বস্তু, কলাজ, অৰিগ্যামী, আৰ্ট পেপাৰত আঁকা ছবিৰ উপৰিও নৃত্য, সঙ্গীত আদিৰ অনুশীলন কৰা হয়। বগুৰিহাটীৰ লগতে নলবাৰী জিলাৰ বড়িগোগ বনভাগ শিক্ষাখণ্ডৰ অন্তৰ্গত পি বি ধীৰদত্ত উঃ মাঃ বিদ্যালয় আৰু পূব নলবাৰী শিক্ষাখণ্ডৰ অন্তৰ্গত বি আৰ মেধী উঃ মাঃ বিদ্যালয়তো অনুৰূপ কাৰ্যসূচীৰে গ্ৰীষ্মকালীন শিবিৰ আয়োজন কৰে। আটাইকেইটা শিবিৰতে ৰাজ্যিক সমল ব্যক্তি গিৰীন্দ্ৰ কাশ্যপে অংশগ্ৰহণ কৰে। সংস্থাটোৰ এনে অতুৎসাহী কাৰ্যই নলবাৰীত প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে।



গুৱাহাটীত বাংলাদেশৰ ১৬ বছৰ অনুৰ্ধ ক্ৰিকেট দলৰ অনুশীলন, মঙলবাৰে

# আজি সামৰণি পৰিব যুৱ অলিম্পিক

**গুৱাহাটী, ২৬ জুলাই ঃ** অসম অলিম্পিক সন্থাই ৰাজ্য চৰকাৰৰ সহযোগত প্ৰথমবাৰৰ বাবে আয়োজন কৰা যুৱ অলিম্পিক গেমছৰ কাইলৈ সামৰণি পৰিব। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত বিয়লি ছয় বজাত হ'বলগা সামৰণী অনুষ্ঠানত উপস্থিত থাকিব কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী অনুৰাগ সিং ঠাকুৰ, কেন্দ্ৰীয় মন্ত্ৰী তথা অসম অলিম্পিকৰ সভাপতি সৰ্বানন্দ সোণোৱাল আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। আজি এই কথা প্ৰকাশ কৰে অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে। উল্লেখ্য যে পূৰ্বে যুৱ অলিম্পিক গেমছৰ সামৰণী অনুষ্ঠান সৰুসজাইৰ এথলেটিকছ ষ্টেডিয়ামত অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও বতৰৰ প্ৰতি লক্ষ্য ৰাখি এতিয়া শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সভাগৃহত আয়োজন কৰাৰ সিদ্ধান্ত লোৱা হৈছে বুলিও সংবাদমেলত কয় অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে। তেওঁ লগতে জনাই যে যুৱ অলিম্পিক গেমছৰ শ্ৰেষ্ঠ জিলাখনে এক লাখ, দ্বিতীয় আৰু স্থান লাভ কৰা জিলা দলে ৭৫ আৰু ৫০ হেজাৰ টকা লাভ কৰিব। আনহাতে, শ্ৰেষ্ঠ ল'ৰা আৰু ছোৱালীৰ শ্ৰেষ্ঠ এথলীটকো আৰ্থিক পুৰস্কাৰ দিয়া হ'ব বুলি ব্যক্ত কৰে সম্পাদক কোঁৱৰে। ইফালে, আজি সংবাদ মেলত উপস্থিত থাকি অসমৰ প্ৰথম মহিলা অৰ্জুন বঁটা বিজয়ী মনালিছা বৰুৱা মেহতাই কয় যে অসম অলিম্পিক সন্থাই প্ৰথমবাৰৰ বাবে আয়োজন কৰা যুৱ অলিম্পিক গেমছে ৰাজ্যৰ যুৱ প্ৰতিভা বিকাশত অৰিহণা যোগাব। এয়া এক উপযুক্ত সময়ত সুন্দৰ পদক্ষেপ বুলি ব্যক্ত কৰে দেশৰ প্ৰাক্তন তাৰকা পেডলাৰগৰাকীয়ে। ইফালে, এই প্ৰতিযোগিতা আয়োজন কৰাৰ বাবে অসম অলিম্পিক সন্থা আৰু অসম চৰকাৰক ধন্যবাদ জনাইছে অলিম্পিয়ান তথা অৰ্জন বঁটা বিজয়ী ভাৰত গৌৰৱ টেবুল টেনিছ খেলুৱৈ কমলেশ মেহতাই। তৃণমূল স্তৰৰ পৰা প্ৰতিভা বিচাৰি উলিওৱাত যুৱ অলিম্পিক গেমছে গুৰুত্বপূৰ্ণ অৰিহণা যোগাব বুলিও ব্যক্ত কৰে মেহতাই। মনালিছা-কমলেশে অসমৰ ক্ৰীড়াবিদে বিচাৰিলেই সহযোগ কৰিব বুলিও আন্তৰিকতাৰে ব্যক্ত কৰে। সংবাদমেলত উপস্থিত থকা বিশিষ্ট ক্ৰীড়া সংগঠক ৰাজ কাকতিয়ে কয় যে অসমত ড্ৰাগছৰ বিৰুদ্ধে চৰকাৰে যি কঠোৰ নীতি লৈছে সেয়া সামাজিক ব্যৱস্থাত ইতিবাচক প্ৰভাৱ পেলোৱাত খেলে মুল ভূমিকা ল'ব আৰু অসম অলিম্পিক সন্থাই ৰাজ্য চৰকাৰৰ সহযোগত যুৱ সমাজক ক্ৰীড়াৰ লগত জড়িত কৰাৰ বাবে এই ধৰণৰ প্ৰতিযোগিতা আয়োজনৰ ব্যৱস্থাটো আগুৱাই লৈ যাব। সংবাদমেলত উপস্থিত থাকে বিষ্ণুৰাম নুনিছাও।

## পঞ্চম দিনাও পদকৰ তালিকাৰ শীৰ্ষত গুৱাহাটী

**গুৱাহাটী, ২৬ জুলাই ঃ** চলিত অসম যুৱ অলিম্পিক গেমছৰ আজি পঞ্চম দিনা এথলেটিকছ, ভাৰোত্তোলন, শ্যুটিং, ছেপাক টাক্ৰ' আৰু সাঁতোৰত ৰাজ্যৰ যুৱ খেলুৱৈসকলে চমকপ্ৰদ প্ৰদৰ্শন দাঙি ক্ৰীড়াপ্ৰেমীক সচকিত কৰি তোলে। উল্লেখ্য যে প্ৰতিযোগিতাখন সমাপ্ত হোৱাৰ পথত আগবঢ়াৰৰ সময়ত গুৱাহাটীয়ে পদক তালিকাত শক্তিশালী অগ্ৰগতি নিশ্চিত কৰিছে। ১১১টা পদক লাভ কৰি গুৱাহাটীয়ে চলিত অসম যুৱ অলিম্পিকত শীৰ্ষ স্থান অধিকাৰ কৰি আছে। আনহাতে, কামৰূপে মুঠ ৩৯টা পদকৰ লাভ কৰি দ্বিতীয় স্থানত তথা মুঠ ২০টা পদক দখলেৰে তিনিচুকীয়াই তৃতীয় স্থান অধিকাৰ কৰি আছে। আজি এথলেটিকছৰ বিভিন্ন শাখাত কোকৰাঝাৰৰ মুন্না কুমাৰ ব্ৰহ্মই সোণ, তিনিচুকীয়াৰ দীপজ্যোতি নেওগে ৰূপ আৰু কাৰ্বি আংলঙৰ এৰিছিম তাৰোই ব্ৰঞ্জ অৰ্জন কৰে। ছোৱালীৰ শাখাত গুৱাহাটীৰ ৰিমঝিম শইকীয়াই সোণ, মাজুলীৰ ৰেশ্মা পেগুৱে ৰূপৰ আৰু তিনিচুকীয়াৰ মুনমুন চেতিয়াই ব্ৰঞ্জ অৰ্জন কৰে কৰে। ডিছকাছ থ্ৰ'ত গুৱাহাটীৰ কপিল লাহনে স্বৰ্ণ জয় কৰে। আনহাতে, শিৱসাগৰৰ অইখিক গগৈয়ে ৰূপৰ বিপৰীতে ব্ৰঞ্জ অৰ্জন কৰে মাজুলীৰ ৰোহন পেগুৱে। ছোৱালীৰ ডিছকাছ থ্ৰ'ত তিনিচুকীয়াৰ মমতা দণ্ড স্বৰ্ণ জয় কৰে। ৰূপৰ পদক লাভ কৰে ওদালগুৰিৰ মাইনাও বড়োৱে। ব্ৰঞ্জৰ পদক অৰ্জন কৰে শিৱসাগৰৰ সুবৰ্ধন দাসে। ইফালে, হাই জাম্পত, গুৱাহাটীৰ হেমাংগা বৰগোহাঁয়ে সোণ লাভ কৰাৰ বিপৰীতে ৰূপ শিৱসাগৰৰ পিণ্টু বৰঠাকুৰে আৰু ওদালগুৰিৰ সমীৰ মেচে ব্ৰঞ্জ পায়। হাই জাম্প ছোৱালীৰ শাখাত গুৱাহাটীৰ ডেনিম বৰুৱাই স্বৰ্ণ জয় কৰে। ওদালগুৰিৰ সান্তনা বড়োৱে ৰূপৰ তথা ওদালগুৰিৰে কল্যাণী বড়োৱে ব্ৰঞ্জৰ পদক দখল কৰে। ছোৱালীৰ ট্ৰিপল জাম্পত গোলাঘাটৰ কস্তুৰিকা শইকীয়াই স্বৰ্ণ জয় কৰাৰ বিপৰীকে গুৱাহাটীৰ বন্দিতা দাসে ৰূপৰ আৰু তেজপুৰৰ কৃষ্ণা দেৱীয়ে ব্ৰঞ্জ জয় কৰে।

## অসম য়ুথ অলিম্পিক গেমছত ওদালগুৰি জিলাৰ ৬টা পদক লাভ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ভেৰগাঁও, ২৬ জুলাই ঃ** গুৱাহাটীত অনুষ্ঠিত অসম য়ুথ অলিম্পিক গেমছ-২০২২ত ওদালগুৰি জিলাৰ পৰা অংশগ্ৰহণ কৰা যুৱক-যুৱতী খেলুৱৈসকলৰ ভিতৰত হাই জাম্প, ৩,০০০ মিটাৰ দৌৰ, ডিস্কাছ থ্ৰ', ফেন্সিং আদি ইভেণ্টৰ খেলত ৰূপ আৰু ব্ৰঞ্জৰ পদক অৰ্জন কৰি হতাশাৰ মাজত অযুত সম্ভাৱনাৰ সৃষ্টি কৰিছে। অনুশীলন কৰিবলৈ ভাল ক্ৰীড়াংগন নথকা বা আন্তঃগাঁথনি নথকা অৱস্থাতো ছগৰাকী খেলুৱৈয়ে ওদালগুৰি জিলালৈ সুনাম কঢ়িয়াই অনা বাবে জিলা ক্ৰীড়াবিদ, ক্ৰীড়ানুৰাগী ব্যক্তিসকলে সন্তুষ্টিৰ হাঁহি মাৰিছে। ৩,০০০ মিটাৰ দৌৰত ছবিয়া সবৰে ব্ৰঞ্জ, ল'ৰাৰ হাই জাম্পত সমীৰ মেছে ব্ৰঞ্জ, ডিস্কাছ থ্ৰ'ত মাইনাও বড়োৱে ব্ৰঞ্জ, ছোৱালীৰ হাই জাম্পত সান্ত্বনা বড়োৱে ৰূপ, কল্যাণী বড়োৱে ব্ৰঞ্জ আৰু ফেন্সিঙত প্ৰিয়ংকা বড়োৱে ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈ জিলাখনৰ ক্ৰীড়া ক্ষেত্ৰলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে। প্ৰশিক্ষক, দলপতি মুকুন্দ শৰ্মা বৰুৱাই পদক অৰ্জন কৰা খেলুৱৈসকলক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে।



## যুৱ অলিম্পিকত পদক লাভ কৰি বিশ্বনাথলৈ গৌৰৱ কঢ়িয়াই অনা খেলুৱৈক অভিনন্দন চেম্পিয়নছ মেকাৰ একাডেমীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাভৈ, ২৬ জুলাই ঃ** অসম যুৱ অলিম্পিক আৰু ৩৭সংখ্যক অসম ৰাজ্যিক টাইকোৱানড' প্ৰতিযোগিতাত পদক বুটলিবলৈ সক্ষম হোৱা বিশ্বনাথৰ কে'বাগৰাকী খেলুৱৈক আজি বিশ্বনাথত অভিনন্দন জনোৱা হয়। বিশ্বনাথৰ লি পেলেচৰ সভাকক্ষত অনুষ্ঠিত হোৱা অভিনন্দন অনুষ্ঠানত অসম যুৱ অলিম্পিকত জুডো প্ৰতিযোগিতাত ৰূপৰ পদক লাভ কৰা বিশ্বনাথৰ চেম্পিয়নছ মেকাৰ একাডেমীৰ ছাত্ৰ ভাস্কৰজ্যোতি শইকীয়াক অভিনন্দন জনোৱা হয়। ইয়াৰ লগতে বঙাইগাঁৱত অনুষ্ঠিত হোৱা ৩৭সংখ্যক অসম ৰাজ্যিক টাইকোৱানড' প্ৰতিযোগিতাত সোণৰ পদক লাভ কৰা ভূমিস্থা দাস আৰু হিমশিখা দাস, ৰূপৰ পদক লাভ কৰা প্ৰিয়দৰ্শিনী লামা আৰু নয়নী গগৈ, ব্ৰঞ্জৰ পদক লাভ কৰা ঋষভ নাথ, আৰাধ্যা প্ৰিয়ম, ঋষিকা কুৰ্মী, অধিৰাজ হাজৰিকা, বৰ্ণিল ফুকন, সুদীপ্ত নয়ন বৰাকো অভিনন্দন জনোৱা হয়। বিশ্বনাথৰ চেম্পিয়নছ মেকাৰ একাডেমী, বিশ্বনাথ জিলা টাইকোৱানড' সংস্থা আৰু বিশ্বনাথ জিলা জুডো সংস্থাৰ উদ্যোগত অনুষ্ঠিত এই অভিনন্দন অনুষ্ঠানত বিশ্বনাথৰ অতিৰিক্ত আৰক্ষী অধীক্ষক কুলেন্দ্ৰ নাথ ডেকা, উপ-আৰক্ষী অধীক্ষক জয়ন্ত বৰুৱা, বিশ্বনাথ জিলা জুডো সংস্থাৰ সভাপতি আমীৰ খান, চিকিৎসক মিতালী গগৈ, বিশ্বনাথৰ জ্ঞান ভাৰতী বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী কিৰণবালা দেৱী আদি। সাংবাদিক কাজি জেইদুল ইছলাম আৰু চেম্পিয়নছ মেকাৰ একাডেমীৰ সঞ্চালক হৃদয়ানন্দ দাসে অনুষ্ঠানটোৰ আঁত ধৰে।



অসম যুৱ অলিম্পিকৰ মহিলাৰ ৪০০ মিটাৰ দৌৰ প্ৰতিযোগিতাৰ এটি মুহূৰ্ত

## ডিব্ৰুগড়ত উপস্থিত অসম যুৱ অলিম্পিকত জয় লাভ কৰা ফুটবল মহিলা দল

### স্বৰ্ণ পদক দখল কৰা মহিলা দলটোক উষ্ম আদৰণি ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২৬ জুলাই ঃ** অসম অলিম্পিক সন্থাৰ তত্ত্বাৱধানত যোৱা ২২ জুলাইৰ পৰা ২৭ জুলাইলৈ গুৱাহাটীত অনুষ্ঠিত যুৱ অলিম্পিক সমাৰোহত ডিব্ৰুগড়ৰ পৰা অংশগ্ৰহণ কৰা মহিলা ফুটবল দলে ২৫ জুলাইৰ দিনা তিনিচুকীয়া বিৰুদ্ধে জয়লাভ কৰি স্বৰ্ণ পদক দখল কৰিবলৈ সক্ষম হয়। তিনিচুকীয়া মহিলা ফুটবল দলৰ বিৰুদ্ধে ডিব্ৰুগড় মহিলা ফুটবল দলে ৩-২ গ'লৰ ব্যৱধানত জয়লাভ কৰে। ডিব্ৰুগড়-তিনিচুকীয়াৰ মাজত ৫ মিনিটৰ বিৰতিৰে প্ৰায় ৯০ মিনিটৰ বাবে পুৱা ৯ বজাৰ পৰা আৰম্ভ হৈছিল খেলখন। আজি ২৬ জুলাইত কথা দি কথা ৰাখি নিশ্চিত বিজয় ধ্বজা উৰুৱাবলৈ সক্ষম হোৱা ডিব্ৰুগড় মহিলা দলটি বাণীপুৰ ৰে'ল ষ্টেচনত উপস্থিত হোৱাত দলটোক উষ্ম আদৰণি জনোৱাৰ লগতে সম্বৰ্ধনা জনাই ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাই।



## যুৱ অলিম্পিকৰ কাৰাটে প্ৰতিযোগিতাত যোৰহাট জিলা সফলতা

## মুগ্ধা বৰুৱাৰ দুটা সোণৰ পদক অৰ্জন, যোৰহাটৰ জ্যেষ্ঠ সাংবাদিক ৰাজীৱ বৰাৰ পুত্ৰৰ সফলতা



**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ২৬ জুলাই ঃ** গুৱাহাটীত আয়োজন কৰা যুৱ অলিম্পিক ক্ৰীড়াৰ কাৰাটে শাখাত যোৰহাট জিলা ক্ৰীড়া সন্থাৰ দলটিয়ে ৬টা সোণ, ৭টা ৰূপ আৰু ৫টা ব্ৰঞ্জৰ পদক লাভ কৰি জিলাখনলৈ সাফল্য কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। প্ৰতিযোগিতাখনৰ ছোৱালীৰ কেডেট বিভাগত কাটা আৰু কুমিতে দুয়োটা শিতানত মুগ্ধা বৰুৱাই সোণৰ পদক লাভ কৰিছে। ৰাজ নন্দন শইকীয়াই এটা সোণ আৰু এটা ব্ৰঞ্জ, ৰিম্পী বৰা, কৌস্তভ গগৈ আৰু আদিত্য বৰাই এটাকৈ সোণৰ পদক লাভ কৰিছে। ৰূপৰ পদকপ্ৰাপ্ত খেলুৱৈসকল হ'ল স্বেতা হাজৰিকা, বন্দনা দাস, আৰীয়ান শৰ্মা, ৰৌচন ৰাজীৱ বৰা, প্ৰীয়াংকুশ কুমাৰ বৰুৱা, আয়ুস শইকীয়া, পাৰলী দাস। আনহাতে, আৰীয়ান শৰ্মা, পঞ্চিমিতা বৰদলৈ, নীহাৰ হাজৰিকা, অংগনা শইকীয়া আৰু বন্দনা দাসে এটাকৈ ব্ৰঞ্জৰ পদক লাভ কৰে। যোৰহাট জিলা কাৰাটে সন্থাৰ সভাপতি জুল খাউণ্ড আৰু সম্পাদক ৰবীন শইকীয়াই এই উল্লেখনীয় সাফল্যৰ কাৰণে যোৰহাট জিলা কাৰাটে দলটিলৈ অভিনন্দন জ্ঞাপন কৰিছে।

## পূব ম'হচৰাত প্ৰাইজমানী ক্ৰিকেট খেলত চেম্পিয়ন তামান্না ইলেভেন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৬ জুলাই ঃ** বৰপেটা জিলাৰ পূব ম'হচৰাৰ ছুইট ফ্লাৱাৰ মডেল স্কুলৰ উদ্যোগত আয়োজিত চাৰিদিনীয়া প্ৰাইজমানী ক্ৰিকেট খেলৰ দেওবাৰে অনুষ্ঠিত চূড়ান্ত পৰ্যায়ৰ খেলত ছয়গাঁৱৰ গৰৈমাৰীৰ তামান্না ইলেভেন ক্ৰিকেট দলটোৱে চেম্পিশ্বিপৰ খিতাপ দখল কৰিবলৈ সক্ষম হয় আৰু ৰানাৰ্ছা আপ সন্মান লাভ কৰে বকোৰ সোণতলীৰ আৰাফা ৰয়েল একাডেমী ক্ৰিকেট দলে। চূড়ান্ত খেলৰ অন্তত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আজমল হকৰ সভাপতিত্বত অনুষ্ঠিত বঁটা বিতৰণী অনুষ্ঠান পৰিচালনা কৰে পূব ম'হচৰা আঞ্চলিক বজাৰ কমিটীৰ সচিব ফজৰ আলী আহমেদে। চাৰিদিনীয়াকৈ অনুষ্ঠিত খেলৰ মেন অৱ দ্য ছিৰিজ মাছিৰুল হক, মেন অৱ দ্য মেচ হিৰণ্য আৰু শ্ৰেষ্ঠ ফিল্ডাৰ সাহাদত আলী আৰু শ্ৰেষ্ঠ বলাৰৰ সন্মান লাভ কৰে ছাদ্দাম হুছেইনে। বঁটা বিতৰণী অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক মছলিম উদ্দিন, হালিমন নেছা একাডেমীৰ অধ্যক্ষ নজৰুল ইছলামৰ লগতে ভালেসংখ্যক সন্মানীয় ব্যক্তি উপস্থিত থাকে।

## যুৱ অলিম্পিকত টাং চু ডুৰ অভিষেক

**গুৱাহাটী, ২৬ জুলাই ঃ** অসম অলিম্পিক সন্থাই ৰাজ্য চৰকাৰৰ সহযোগত প্ৰথমবাৰৰ বাবে আয়োজন কৰা যুৱ অলিম্পিক গেমছত যোগাসন আৰু টাং চু ডুৰ ৰূপত দুবিধ পৰম্পৰাগত ক্ৰীড়া অন্তৰ্ভুক্ত কৰিছে। অসম অলিম্পিক সন্থাই পৰম্পৰাগত ক্ৰীড়াক বিশেষ গুৰুত্ব প্ৰদানৰে স্বীকৃতি দিয়াত ৰাজ্যৰ ক্ৰীড়াপ্ৰেমীসকল যথেষ্ট উৎফুল্লিত হোৱা পৰিলক্ষিত হৈছিল। যাৰবাবে আন খেলসমূহৰ দৰে ৰাজ্যৰ পৰম্পৰাগত ক্ৰীড়াৰ খেলুৱৈসকলো উপকৃত হোৱাৰ সুযোগ আহি পৰিছে। যুৱ অলিম্পিক গেমছৰ টাং চু ডুত গুৱাহাটী টাং চু ডু সন্থাৰ হৈ ল'ৰাৰ ৪৬ কেজি অনূৰ্ধ্ব শাখাত অভিনৱ গগৈয়ে সোণ, ৬০ কেজি উৰ্দ্ধত ভৰাৰ্ণৰ অশোক শইকীয়াই সোণ, ৪৬ কেজি অনূৰ্ধ্ব শাখাত ঈশান চৌধুৰীয়ে ৰূপ, ৫৫ অনূৰ্ধ্ব শাখাত চাণক্য কাকতি গুপ্তই ৰূপ, ৫২ অনূৰ্ধ্ব শাখাত আবিৰ শংকৰ ডেকাবৰুৱাই ব্ৰঞ্জৰ পদক লাভ কৰে। ইফালে, ছোৱালী শাখাত ৪৪ অনূৰ্ধ্ব শাখাত শাস্বতী ভাস্কৰে ৰূপ, ৫৮ অনূৰ্ধ্ব শাখাত মৌচুমী ৰাজখোৱাই ৰূপ, ৫০ অনূৰ্ধ্ব শাখাত অনুষ্কা টিমচিনা ৰূপ, ৫৩ অনূৰ্ধ্ব শাখাত ফাতেমা পাৰবিণে ব্ৰঞ্জ, ৫৮ কেজি উৰ্ধ্বত চিত্ৰণ খানে ব্ৰঞ্জৰ পদক দখল কৰিবলৈ সক্ষম হয়।

## এ ডিভিজন ফুটবলত গোহাঁই টেকেলা ফুটবল ক্লাব জয়ী

**গুৱাহাটী, ২৬ জুলাই ঃ** যোৰহাট এ ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাত আজি এ গ্ৰুপৰ লীগৰ অন্তিমখন খেলত গোহাঁই টেকেলা ফুটবল ক্লাবে ৰমাকান্ত ফুটবল ক্লাবক ৪-১ গ'লত পৰাভূত কৰি লীগৰ সম্পূৰ্ণ পইন্ট লাভ কৰিবলৈ সক্ষম হৈছে। এই জয়েৰে সূত্ৰে গোহাঁই টেকেলা ফুটবল ক্লাবে চাৰিখন খেলত অংশ গ্ৰহণ কৰি দুখন খেলত জয়ী আৰু দুখন খেলত পৰাস্ত হৈ সৰ্বমুঠ ছয় পইন্ট লাভ কৰে। আনহাতে ৰমাকান্ত ফুটবল ক্লাবে লীগৰ চাৰিখন খেলত অংশ গ্ৰহণ কৰি কেৱল এখন খেলত জয়ী হৈ তিনি পইন্ট লাভ কৰিবলৈ সক্ষম হ'ল। আজি গোহাঁই টেকেলা ফুটবল ক্লাবৰ হৈ গ'ল দিয়ে দিগন্ত চাওৱা , ৰিতুৰাজ ওৰাং, শিৱম পিটাৰে। ৰমাকান্ত ফুটবল ক্লাবহৈ একমাত্ৰ গ'লটো দিয়ে কল্যাণ দিহিঙীয়াই। উল্লেখ্য যে এ গ্ৰুপত বৰভেটা স্পৰ্টছ ক্লাব চেম্পিয়ন আৰু ভিক্টোৰিয়াছ ক্লাব ৰানাৰ্ছআপ হৈ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। আজিৰ খেলখন পৰিচালনা কৰে অনিল শইকীয়াই । লাইনত থাকে পৱন পাঠক আৰু ৰাজীৱ শইকীয়া। চতুৰ্থ ৰেফাৰী বিমান বুঢ়াগোহাঁই। অহা ২৮ জুলাইত প্ৰথমখন ছেমিফাইনেলত অংশ গ্ৰহণ কৰিব বৰভেটা স্পৰ্টচ ক্লাব আৰু অল ষ্টাৰ ক্লাবে। আনহাতে, ২৯ জুলাইৰ দ্বিতীয়খন ছেমি ফাইনেলত অংশ গ্ৰহণ কৰিব যোৰহাট টাউন ক্লাব আৰু ভিক্টোৰিয়াছ ক্লাবে।

## য়ুথ অলিম্পিকলৈ ৫০ জনীয়া দল

**গুৱাহাটী, ২৬ জুলাই ঃ** গুৱাহাটীত অনুষ্ঠিত হৈ থকা য়ুথ অলিম্পিক গেমছত অংশগ্ৰহণ কৰিবলৈ ওদালগুৰি জিলাৰ বিভিন্ন ঠাইৰ পৰা ৫০জনীয়া যুৱক-যুৱতী খেলুৱৈৰ দল প্ৰশিক্ষক, দলপতি মুকুন্দ শৰ্মা বৰুৱাৰ নেতৃত্বত আজি পুৱা ৰে'লেৰে ৰাওনা হয়। এথলেটিকছ আৰু ৰাগবি খেলত ভাগ ল'বলগীয়া খেলুৱৈসকলক নমল ৰাভা, খৰ্গেশ্বৰ বৰা, টংলা ক্ৰীড়া সন্থাৰ সম্পাদক ভাৰত চন্দ্ৰ ৰাভা, বলিৰাম ডেকা প্ৰমুখ্যে দল- সংগঠনে আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছে।

## অসম যুৱ অলিম্পিকৰ কাৰাটেত ডিব্ৰুগড় জিলাৰ সফলতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা, ২৬ জুলাই ঃ** ২২ জুলাইৰ পৰা ২৪ জুলাইলৈ সোণাপুৰ টেপেচিয়া অসম ডনবস্ক বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা অসম যুৱ অলিম্পিকৰ কাৰাটেত ডিব্ৰুগড় জিলাৰ কাৰাটে দলটিয়ে প্ৰতিনিধিত্ব কৰি ২টা ৰূপ আৰু ৩টা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। এই কথা সদৰী কৰিছে জিলা কাৰাটে সন্থাৰ সাধাৰণ সম্পাদক নিৰেন ফুকনে। প্ৰতিযোগিতাখনত বিশাল গগৈ আৰু তন্ময় সোণোৱালে ৰূপৰ পদকৰ বিপৰীতে হৰিপ্ৰিয়া দিহিঙ্গীয়া, পাহি গগৈ আৰু অমৃত সিঙে ব্ৰঞ্জৰ পদক লাভ কৰে। উল্লেখ্য যে জিলা দলটিৰ লগত মেনেজাৰ আৰু প্ৰশিক্ষক হিচাপে নিযুক্ত আছিল চেনচেই অঞ্জন চেতিয়া আৰু বিশ্বজিৎ সোণোৱাল।

## পৰম্পৰাগত ক্ৰীড়াক স্বীকৃতি প্ৰদান অসম অলিম্পিকৰ

### যুৱ অলিম্পিকত যোগাসন ক্ৰীড়াই মুহিলে ক্ৰীড়াপ্ৰেমীক

**গুৱাহাটী, ২৬ জুলাই ঃ** গুৱাহাটীত অনুষ্ঠিত অসম যুৱ অলিম্পিক-২০২২ৰ বিভিন্ন ইভেণ্টৰ খেলসমূহৰ লগতে যোগাসন ক্ৰীড়াতো ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বাছনিভুক্ত যোগ খেলুৱৈসকলৰ চমকপদ যোগাসনশৈলী প্ৰদৰ্শনে ক্ৰীড়াপ্ৰেমীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। ইতিমধ্যে অসম অলিম্পিক সন্থাই যোগ ক্ৰীড়াক বিশেষ গুৰুত্ব প্ৰদানৰে স্বীকৃতি দিয়াত ৰাজ্যৰ যোগপ্ৰেমীসকল যথেষ্ট উৎফুল্ল হোৱা পৰিলক্ষিত হৈছিল। যাৰ বাবে আন খেলসমূহৰ দৰে ৰাজ্যৰ যোগ খেলুৱৈসকলো উপকৃত হোৱাৰ সুযোগ আহি পৰিছে। মন কৰিবলগীয়া যে এইবেলি খেল' ইণ্ডিয়া ইয়ুথ গেমছতো প্ৰথমবাৰৰ বাবে যোগক অন্তৰ্ভুক্তি কৰা হৈছিল আৰু সেই প্ৰতিযোগিতাত অসমৰ প্ৰতিযোগীগৰাকীয়ে পদক অৰ্জনৰে ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিবলৈয়ো সক্ষম হৈছিল। গুৱাহাটীত আয়োজিত অসম যুৱ অলিম্পিকৰ যোগ ইভেণ্টৰ ট্ৰেডিচনেল যোগাসনৰ ৮-১৮ বছৰ বয়সৰ ছোৱালীৰ শাখাত নগাঁৱৰ উদিতাৰাণী বৰা আৰু ল'ৰাৰ শাখাত বজালীৰ সন্দীপ শৰ্মাই প্ৰথমস্থান অৰ্জন কৰিছে। আৰ্টিছটিকৰ ছিংগলছৰ ছোৱালীৰ শাখাত তিনিচুকীয়াৰ পৰিধি ৰজক আৰু ল'ৰাৰ শাখাত গুৱাহাটীৰ সুমিত দে'য়ে প্ৰথমস্থান লাভ কৰাৰ বিপৰীতে আৰ্টিছটিকৰ পেয়াৰৰ ছোৱালীৰ শাখাত নগাঁৱৰ নিয়ৰ নীলম শিৱম-অৱন্তিকা তালুকদাৰৰ যুটি আৰু ল'ৰাৰ শাখাত গুৱাহাটীৰ সুমিত দে'-মৃগেশ ঠাকুৰীয়াৰ যুটীয়ে প্ৰথমস্থান লাভ কৰিছে। ৰিডমিক যোগৰ ছোৱালীৰ শাখাত গুৱাহাটীৰ উৰ্বি তহবিলদাৰ-স্নেহশিখা দাস আৰু ল'ৰাৰ শাখাত নগাঁৱৰ চয়ন কৰ্মকাৰ-ৰেজাজ হাজৰিকাই প্ৰথমস্থান অধিকাৰ কৰে বুলি অসম যোগ সন্থাৰ সম্পাদকে জানিবলৈ দিয়ে।



অসম যুৱ অলিম্পিকৰ বিভিন্ন বিভাগৰ প্ৰতিযোগিতাৰ কেইটিমান দৃশ্য, মঙলবাৰে


**TENDER NOTICE**

The District Level Condemnation Board was constituted (as per Govt. of Assam, Home(A) Dept. No. HMA.719/84/PT/25, dated.2151 December, 2012 in compliance of Condition No.20 of DFP rules, 1999. The District Level Condemnation Board held it's meeting on 16.07.2022 at DC office, Sonitpur, Tezpur to dispose the following 07(seven) nos. of Departmental vehicles, 01(one) private vehicle and 09(nine) Govt. Motor cycles as per rule. Accordingly sealed tenders/bids are invited from prospective bidders to purchase the vehicle/motor cycles.

The prospective bidders are requested to submit the bids in the prescribed format in a sealed cover addressed to Superintendent of Police, Sonitpur, Tezpur on or before 11.00 AM of 01/08/2022 the bids would be received at the designated box kept at SP Office Sonitpur. The bids/ quotations shall be submitted by affixing a court stamp of Rs. 8.25 (Eight rupees and twenty five paisa only) and thy shall also deposit earnest money of Rs. 5000(Rupees five thousand only) for each four wheeler and Rs. 2000 (Rupees two thousand only) for each motor cycle in form of a bank draft of any national bank in favour of Superintendent of Police Sonitpur,Tezpur. The bids could be opened at the office of the Superintendent of Police Sonitpur, Tezpur on the same day (i.e 01/08/2022) at 1.30 PM in the presents of bidders. The vehicles/ Motor cycles would be disposed by handing over to the highest bidder subject to other conditions the bidding process and finalization of successful bidder would be completed within 02(Two) Days.The successful bidder shall deposit the full bid amount and leave the vehicles/ Motor cycles within 02 (Two) Days. The earnest money would be forfeited if the successful bidder does not pay the fuV amount quoted on the same day.

Further stipulated that Assam Police personnel and their family members are bared from participating in the tender process. Tender forms with corrections, Strike-offs and whitener marked forms will not be accepted as valid bids. The interested bidders may inspect the vehicles/motor cycles at the spot i.e Police Reserve Sonitpur, Tezpur. The vehicles/Motorcycles being condemned and sold through the instant auction are :

**Particulars of Four Wheelers and Motor Cycles**

1. AS-30-3893 (Gypsy King)
2. AS-30-2425(Marshal Jeep)
3. AS-30-4016(Tata Specio)
4. AS-30-2536(Commander Jeep)
5. AS-30-2662(Ambassador)
6. AS-30-3884(Gypsy King)
7. AS-01G-2330(Gypsy FI/Top)
8. AR-01F-1349 (Toyota Etios)
9. AS-30-5555(Bajaj Discover)
10. AS-30-4865(Bajaj Pulsar)
11. AS-30-4644(Bajaj Pulsar)
12. AS-30-4861(Bajaj Pulsar)
13. AS-30-4643(Bajaj Pulsar)
14. AS-30-5531(Bajaj Discover)
15. AS-30-7304(Bajaj Pulsar)
16. AS-30-7294(Bajaj Pulsar)
17. AS-30-5833(Bajaj Pulsar)

Superintendent of Police
Sonitpur, Tezpur.

Janasanyog /C/7097/22



# কাশ্মীৰৰ লালচ'কত ত্ৰিৰংগ পতাকা উত্তোলন অসমৰ যুৱকৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২৬ জুলাই ঃ** কাৰ্গিল বিজয় দিৱসৰ লগত সংগতি ৰাখি ভাৰতীয় জনতা যুৱ মৰ্চাৰ উদ্যোগত আয়োজিত ত্ৰিৰংগা যাত্ৰাৰ অংশ হিচাপে জম্মু-কাশ্মীৰৰ ৰাজধানী শ্ৰীনগৰৰ লালচ'কত আজি ত্ৰিৰংগা উত্তোলন কৰা হয়। উক্ত অনুষ্ঠানত অসম যুৱ মৰ্চাৰ সভাপতি সিদ্ধাংকু অংকুৰ বৰুৱা, উপ-সভাপতি জোনজোতি কাশ্যপে অংশগ্ৰহণ কৰে। জম্মু কাশ্মীৰৰ পৰা সংবিধানৰ ৩৭০ ধাৰা আঁতৰোৱাৰ পিছত এই বাৰ বিশাল ৰূপত উক্ত কাৰ্যসূচী ৰূপায়ণ কৰা হয়। শ্ৰীনগৰ লালচ'কত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি ঊক ভাৰত শ্ৰেষ্ঠ ভাৰত শ্ল'গান দিয়ে কৰ্মকৰ্তাসকলে। উল্লেখ্য, এই লালচ'কতে ১৯৯২ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিছিল। ২৫ জুলাইত লালচ'কত উত্তোলন কৰাৰ পিছত দলটিয়ে বাইক চলাই আজি কাৰ্গিলত উপস্থিত হৈ কাৰ্গিলৰ শ্বহীদ স্মাৰকত বীৰ শ্বহীদসকলক শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে অসমৰ শ্বহীদ জিন্তু গগৈৰ সমাধি স্থলীতো শ্ৰদ্ধাঞ্জলি জনায়। ইয়াৰ লগতে কাৰ্গিল ব'ৰ্ডাৰত থকা লালচ'কত এক বিশেষ ৰাজহুৱা সভা আয়োজিত কৰা হয়। হিজাবিল মোজাহিদিন, লস্কৰ ই তৈবাৰ মুক্ত ভাবুকিৰ প্ৰত্যাহ্বানকো নেওচি যুৱ মৰ্চাই এই কাৰ্যসূচী সফলভাৱে ৰূপায়ণ কৰে। বহুবাৰ আক্ৰমণ, বোমা আদিৰ ভাবুকিৰ পিছতো এই ত্ৰিৰংগা যাত্ৰাৰ কাৰ্যসূচী এক সাহসী তথা ঐতিহাসিক পদক্ষেপ বুলি অভিহিত কৰিছে যুৱ মৰ্চাৰ ৰাষ্ট্ৰীয় সভাপতি তেজস্বী সূৰ্যই। তেজস্বীৰ নেতৃত্বত হোৱা এই ত্ৰিৰংগা যাত্ৰাত ভাৰতীয় জনতা যুৱ মৰ্চা, অসম প্ৰদেশৰ সভাপতি সিদ্ধাঙ্কু অংকুৰ বৰুৱা, উপ-



সভাপতি ক্ৰমে জোনজ্যোতি কাশ্যপৰ উপৰিও ত্ৰিদিৱজ্যোতি মৰাণ, সম্পাদক মিমো দাসৰ লগতে অসমৰ বহু যুৱকে অংশগ্ৰহণ কৰে। দলটিয়ে অসমীয়াৰ স্বাভিমান গামোচাও প্ৰদৰ্শন কৰে। আনহাতে, আন ভিন্ন ৰাজ্যৰ কাৰ্যকৰ্তাসকল উপস্থিত থাকে বুলি উপ-সভাপতি জোনজোতি কাশ্যপে জনাইছে।

# দীপালী দাস মজুমদাৰৰ গ্ৰন্থ 'জ্যোতিৰ্লিঙ্গ আৰু সপ্তসুৰী' উন্মোচন



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৬ জুলাই ঃ** ২০১৩ চনত নগাঁও জিলা সাহিত্য সভাই 'সাধনা বঁটা'ৰে সন্মানিত কৰা প্ৰতিভাৱান লেখিকা দীপালী দাস মজুমদাৰৰ শেহতীয়া 'জ্যোতিৰ্লিঙ্গ আৰু সপ্তসুৰী' শীৰ্ষক গ্ৰন্থখনে পাঠকৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। ভ্ৰমণৰ জৰিয়তে লাভ কৰা অভিজ্ঞতাসমূহ প্ৰকাশ কৰা হৈছে গ্ৰন্থখনত। প্ৰাচীন ইতিহাস বিজড়িত এই গ্ৰন্থখন বিগত সপ্তাহত অনুষ্ঠিত হোৱা সাহিত্য সভাৰ এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উন্মোচন কৰিছিল বিশিষ্ট সাহিত্যিক উপেন্দ্ৰ বৰকটকীয়ে। নগাঁও জিলাৰ প্ৰতিভাৱান লেখিকাসকলৰ ভিতৰত দীপালী দাস মজুমদাৰ অন্যতম। মজুমদাৰে ৭০ দশকৰ পৰাই কলা, সংস্কৃতি আৰু সাহিত্য সেৱাত ব্ৰতী হৈ আছে। তেখেতে ইতিমধ্যে কলা-সংস্কৃতি আৰু সাহিত্যৰ ওপৰত ছখনকৈ গ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছে। ইয়াৰ উপৰি মজুমদাৰে ২০০৭ চনত কামপুৰত নবীন-প্ৰবীণ কুৰিগৰাকী গল্পকাৰৰ এখন গল্প সংকলন নগাঁও জিলা সাহিত্য সভাৰ হৈ প্ৰকাশ কৰি উলিয়াইছিল। উল্লেখ্য, বিভিন্ন নৃত্যৰে পাঁচ বছৰ বয়সৰ পৰা কলা-সংস্কৃতিৰ পথাৰত খোজ দিয়া মজুমদাৰে সত্তৰৰ দশকৰ পৰা নগাঁও জিলাৰ বিভিন্ন মঞ্চত বিহুকুঁৱৰী সন্মানেৰে সন্মানিত হৈছিল। সেই সময়ত মজুমদাৰে সত্ৰীয়া নৃত্য, ৰাস, ভাওনা, নৃত্য-নাটিকা, শ্ৰীকৃষ্ণ লীলা আদি নগাঁও জিলাৰ বিভিন্ন মঞ্চত পৰিৱেশন কৰি ভাৰতৰত্ন ভূপেন হাজৰিকা, খগেন মহন্ত, সূৰ্য দাসকে ধৰি স্বনামধন্য ব্যক্তিসকলৰ পৰা সমাদৰ আৰু আশীৰ্বাদ লাভ কৰিছিল। শৈশৱৰ পৰা মঞ্চ অভিনয়ৰ লগত জড়িত মজুমদাৰে দাৰা আহমেদৰ দ্বাৰা পৰিচালিত অসমীয়া বোলছবি ধ্ৰুৱতৰাতো অভিনয় কৰি ৰাইজৰ পৰা মন মুহিবলৈ সক্ষম হৈছিল। এগৰাকী দায়িত্বশীল চৰকাৰী কৰ্মচাৰী হিচাপে কৰ্মৰত দীপালী দাস মজুমদাৰে নিজৰ দায়িত্ব পালনৰ মাজতেই কলা-সংস্কৃতিৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ পৰিছিল। মজুমদাৰে ২০০৪ চনত বৰ্হমথুৰি নামৰ এটি নৃত্যৰ দল গঠন কৰি ভাৰতৰ বিভিন্ন ৰাজ্যৰ মঞ্চত লোক-সংস্কৃতি পৰিৱেশন কৰি বিভিন্ন বঁটাৰে নগাঁও জিলালৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। মজুমদাৰ অসম সাহিত্য সভাৰ এগৰাকী হিতৈষী সদস্য। লগতে মজুমদাৰ বিহু সুৰক্ষা সমিতিৰ নগাঁও জিলা শাখাৰ সভাপতিৰ লগতে বৰ্তমান উপ-সভাপতি পদত কাৰ্যনিৰ্বাহ কৰি আছে। অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে ২০১৯ চনত নগাঁৱত অনুষ্ঠিত প্ৰাগ চিনে এৱাৰ্ডত প্ৰাগ পৰিয়ালে দীপালী মজুমদাৰ দাসক বঁটা প্ৰদান কৰিছিল। অসমৰ বিভিন্ন কাকতত মজুমদাৰৰ ধাৰাবাহিক গল্প, প্ৰবন্ধ, ভ্ৰমণ কাহিনী, নিবন্ধ আদি প্ৰকাশ পাই আহিছে। মজুমদাৰৰ শেহতীয়া গ্ৰন্থ 'জ্যোতিৰ্লিঙ্গ আৰু সপ্তসুৰী' গ্ৰন্থখনৰ সন্নিবিষ্ট বিষয়সমূহ গৱেষণামূলক। মজুমদাৰে গৱেষণামূলক নিবন্ধসমূহ ৰচনা কৰা নাই যদিও গৱেষণাৰ বহু তথ্য নৱপ্ৰজন্মৰ গৱেষকসকললৈ আঙুলিয়াই দিছে। মজুমদাৰে গ্ৰন্থখনৰ সন্দৰ্ভত কয় যে তেখেতৰ এই গ্ৰন্থখনৰ জৰিয়তে তৰুণ গৱেষকসকল নিশ্চিত ৰূপত উপকৃত হ'ব পাৰিব। উল্লেখ্য, মজুমদাৰৰ পূৰ্বৰ গ্ৰন্থসমূহৰ দৰে শেহতীয়া গ্ৰন্থখনেও ইতিমধ্যে পাঠক সমাজৰ মন জয় কৰিবলৈ সক্ষম হৈছে। মজুমদাৰে বৰ্তমান বিভিন্ন বিষয়ৰ ওপৰত নতুন লিখনী আৰম্ভ কৰিছে বুলি আমাক জানিবলৈ দিয়াৰ লগতে তেখেতৰ নৱতম গ্ৰন্থ 'জ্যোতিৰ্লিঙ্গ আৰু সপ্তসুৰী' পাঠক সমাজে আদৰি লোৱাৰ বাবে ৰাইজক ধন্যবাদ জ্ঞাপন কৰিছে।

### দৰং মহাবিদ্যালয়ৰ ৭৮সংখ্যক প্ৰতিষ্ঠা দিৱস

# গীত-নৃত্যৰে জীপাল মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহ

## ২৬গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক কৰ্মচাৰীক বিশেষ সন্মান

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৬ জুলাই ঃ** তেজপুৰ ২৬ জুলাই ঃ উত্তৰপাৰৰ অগ্ৰণী শিক্ষানুষ্ঠান তথা ১৯৪৫ চনৰ ২৬ জুলাইত প্ৰতিষ্ঠা লাভ কৰা দৰং মহাবিদ্যালয়ৰ ৭৮সংখ্যক প্ৰতিষ্ঠা দিৱস আজি উৎসৱমুখৰ পৰিৱেশৰ মাজেৰে পালন কৰা হয়। পুৱা অধ্যক্ষ ড° পলাশমণি শইকীয়া আৰু দৰং মহাবিদ্যালয় এলুমনি সন্থাৰ সভাপতি ড° ধৰ্মেন্দ্ৰ কুমাৰ শৰ্মাই পতাকা উত্তোলন কৰাৰ পিছত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান শুভাৰম্ভ কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক ভূপেন্দ্ৰ হাজৰিকা, জয়নাৰায়ণ লুইটেল আৰু অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অৰনী কুমাৰ শৰ্মাই। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অধ্যক্ষৰ লগতে প্ৰাক্তন শিক্ষাগুৰু ড° স্বাধীনতা মহন্ত, ড° ভুবনেশ্বৰ চহৰীয়া, ড° গহন চন্দ্ৰ মহন্ত, মিনু দেৱী, হিৰণ্য ভূঞা, পূৰ্ণেশ্বৰ নাথ, ড° সুচিত্ৰা দেৱীক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই অনুষ্ঠানত উপাধ্যক্ষ ক্ষীৰেন্দ্ৰ হালৈ, প্ৰাক্তন ছাত্ৰ ড° ধৰ্মেন্দ্ৰ কুমাৰ শৰ্মাৰ লগতে অতুল কটকী, নৃপেন কুমাৰ বৰা, অশ্বিনী শৰ্মা, ৰাতুল কৃষ্ণ শৰ্মা প্ৰমুখ্যে ভালেকেইগৰাকী নবীন-প্ৰবীণ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি মহাবিদ্যালয় প্ৰাংগণত পাঁচটাকৈ অসমৰ জাতীয় বৃক্ষ হোলোং গছৰ পুলি ৰোপণ কৰে কাজিৰঙাৰ বন প্ৰাধিকাৰী ৰমেশ কুমাৰ গগৈয়ে। দৰং মহাবিদ্যালয় এলুমনি সন্থাৰ সহযোগত অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসৰ মূল কাৰ্যসূচী আৰম্ভ হয় মহাবিদ্যালয়খনৰ শীৰ্ষ গীতেৰে। প্ৰাক্তন ছাত্ৰ, কণ্ঠশিল্পী ৰাতুলকৃষ্ণ শৰ্মা ৰচিত আৰু সুৰাৰোপিত মহাবিদ্যালয়খনৰ এই শীৰ্ষ গীত পৰিৱেশন কৰে বৰ্তমান আৰু প্ৰাক্তন দৰঙিয়ানৰ একাংশই। মহাবিদ্যালয়খনৰ এলুমনি সন্থাৰ যুটীয়া সম্পাদক পংকজ বৰুৱা আৰু জ্যেষ্ঠ সহায়ক অচ্যুত শৰ্মাৰ লগতে অধ্যাপক ড° মনোজ কুমাৰ হাজৰিকাই আঁত ধৰা অনুষ্ঠানটিত আদৰণী ভাষণ দাঙি ধৰে অধ্যক্ষ ড° পলাশমণি শইকীয়াই। অধ্যক্ষ ড° শইকীয়াই মহাবিদ্যালয়খনৰ আগন্তুক কৰ্মসূচী আৰু পৰিকল্পনাৰ কথা সদৰী কৰি বিশ্ববিদ্যালয় পৰ্যায়লৈ মহাবিদ্যালয়খনক উন্নীত কৰাৰ পদক্ষেপৰ সন্দৰ্ভত মন্তব্য কৰি কয় - বহুকেইটা নতুন বিভাগ আৰু আন্তঃ গাঁথনিৰ অধিক উন্নীতকৰণৰ ক্ষেত্ৰত ইতিমধ্যে যাৱতীয় সকলো পদক্ষেপ গ্ৰহণ কৰা হৈছে। আনহাতে, মহাবিদ্যালয়খনত এখন অৰ্কিড উদ্যান গঢ়ি তোলাৰ সিদ্ধান্তৰ লগতে এখন মাছৰুম বাগিচা, তিনিখনকৈ অন্য বাগিচাৰ উপৰি ইতিমধ্যে সেউজ চৌহদৰ স্বীকৃতি লাভ কৰা মহাবিদ্যালয়খনৰ চৌপাশ আৰু অধিক সেউজীয়া কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰা হৈছে। অনুষ্ঠানত মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰী মিতালী দত্তই সত্ৰীয়া নৃত্য পৰিৱেশন কৰাৰ লগতে কণ্ঠশিল্পী সীমান্ত কাকতি, মনোজ নাথ, নিৰূপ বৰঠাকুৰ, ৰাজশ্ৰী বৰুৱা, ইন্দ্ৰাণী তামুলী আৰু বৰ্তমানৰ ছাত্ৰী দৰ্শিনী হাজৰিকা, বৈশালী শইকীয়াই গীত পৰিৱেশন কৰে। মহাবিদ্যালয়খনৰ ছাত্ৰী অনামিকা আৰু মেঘনাৰ দলে সত্ৰীয়া নৃত্য, দেৱাৰথী সাহা, অম্বিকা তুলা, কেশৱ দাস আৰু তানিশা সাহাই ওডিছী নৃত্য, দশাৱতাৰ নৃত্য পৰিৱেশন কৰে। উল্লেখ্য যে এই অনুষ্ঠানতে দৰং মহাবিদ্যালয় কৰ্তৃপক্ষই মহাবিদ্যালয়খনৰ ২৬গৰাকীকৈ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, অধ্যাপক- অধ্যাপিকা, প্ৰাক্তন কৰ্মচাৰীক একোটিকৈ স্মাৰক আৰু গামোচাৰে বিশেষভাৱে সন্মান জনায়। প্ৰাক্তন ছাত্ৰ জিতুমণি দেৱচৌধুৰীয়ে নাটকৰ সংলাপ পৰিৱেশন কৰা অনুষ্ঠানটিত দৰং মহাবিদ্যালয় প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্থাৰ শেহতীয়া আজীৱন সদস্য-সদস্যাসকলৰ মাজৰ ২২গৰাকীক একোখনকৈ মানপত্ৰ প্ৰদান কৰে। আনহাতে অনুষ্ঠানটিত মূল ভাষণ প্ৰদান কৰি প্ৰাক্তন অধ্যাপক তথা পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি মহেন্দ্ৰ নাথ কেওটে মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা লগ্নৰ স্মৃতি ৰোমন্থন কৰি সেইখিনি সময়ৰ বহু কেইগৰাকী শিক্ষানুৰাগী ব্যক্তিৰ মহানুভৱতাক স্মৰণ কৰে। সমিতিৰ সভাপতি উপেন্দ্ৰ নাথ শৰ্মাই ভাষণ প্ৰদান কৰে।

# বিহালীত ২ মানৰ সৰাবৰাহকাৰী আটক, কিশোৰী উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ২৬ জুলাই ঃ বিহালী** ২৬ জুলাই-সম্প্ৰতি ৰাজ্যত দৈনিক বৃদ্ধি পাইছে শিশুযকিশোৰী সৰাবৰাহৰ ঘটনা। একাংশ লোকে"টকা ঘটাৰ উপাই সহজলভ্য হিচাপে সাধাৰণ খাতি খোৱা ঘৰৰ যুৱতী, কিশোৰীক বিভিন্ন প্ৰলোভনেৰে বহিঃৰাজ্যলৈ সৰবৰাহ কৰি আহিছে। এমাহৰ পূৰ্বে বৰগাং আৰক্ষী চকীৰ প্ৰভাৰী বুছিং বে'ৰ নেতৃত্বত বৰগাং অঞ্চলৰ দুগৰাকী কিশোৰীক অৰুণাচলৰ পৰা উদ্ধাৰ কৰা হৈছিল 'তদুপৰি বিগত বৰ্ষত এমাহত ৩ শিশু নিৰুদ্দেশ হৈছিল "কিন্তু সাংবাদিকৰ বাতৰি বৰষুণৰ প্ৰভাৱত শিশু কেইটা ঘূৰাই পাছিল অভিভাৱকে। শেহতীয়াকৈ বিহালী বিধানসভা সমষ্টিটো দেখা পোৱা গৈছে এনে চক্ৰৰ সক্ৰিয় অৱস্থিতি। যোৱা নিশা বৰগাং আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বুচিং বে'য়ে এক বিশেষ সূত্ৰৰ পম খেদি লগতে বিহালী আঞ্চলিক আদিবাসী ছাত্ৰ সন্থাৰ তৎপৰতাত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত নাকা তালাচী চলাই এখন ইক' বাহনত অহা সৰবৰাহকাৰী দুজনক আটক কৰে। ই'ক' বাহনখনত কিশোৰী গৰাকীক প্ৰথমে বিশ্বনাথ ৰেল ষ্টেচনলৈ লৈ গৈ তাৰ পিছত গুৱাহাটীৰ ৰাজস্থানলৈ লৈ যোৱাৰ পৰিকল্পনা কৰাৰ কথা আৰক্ষীৰ জেৰাত স্বীকাৰ কৰে ধৃত সুৰজ শৰ্মা আৰু ইন্দিৰা দেৱী নামৰ দুইগৰাকী সৰবৰাকাৰীয়ে। ইফালে, ঘটনা সন্দৰ্ভত আৰক্ষীয়ে প্ৰথম অৱস্থাত ৫গৰাকী লোকক আটক কৰিছিল যদিও সোধ-পোচ আৰু প্ৰাৰম্ভিক তদন্তৰ ভিত্তিত ২গৰাকীক হে জে'ল হাজোতলৈ প্ৰেৰণ কৰে। আদিবাসী ছাত্ৰ নেতা বিপুল তাতীঁৰ তথ্যমতে এই উদ্ধাৰ হোৱা কিশোৰী গৰাকীৰ জ্যেষ্ঠ দাদাকে বিহালী সাধুবস্তি অঞ্চলত কোনোবা এঘৰৰ চাহ বাগানত কাম কৰে' সেই আলমতে কিশোৰী গৰাকী এমাহ ধৰি দাদাকৰ ওচৰতে আছিল' এই সকলে তাকে সুবিধা লওতেই ৰঙাঘৰৰ আৰহী হ'ব লগা হ'ল। ইফালে, ঘটনা সন্দৰ্ভত আৰক্ষীয়ে আৰু কোনো লোক ইয়াত জড়িত থাকিব পাৰে বুলি তাৰ তদন্ত অব্যাহত ৰখাৰ কথা জানিবলৈ দিয়ে।






# উৰিয়াগাঁৱত ৰাষ্ট্ৰীয় ঘাইপথত ৰাখি থোৱা অৱস্থাতে বাগৰিল কয়লা ভৰ্তি ট্ৰাক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৬ জুলাই ঃ** নগাঁৱৰ উৰিয়াগাঁও বাইপাছ চ'কৰ ওচৰত আজি বিয়লি হঠাতে বাগৰি পৰে এখন কয়লাভৰ্তি ট্ৰাক। জানিব পৰা মতে, এনএল ০২ কিউ ৫৫৫৭ নম্বৰৰ ট্ৰাকখন গুৱাহাটীৰ দিশে যাবৰ বাবে আহি ক্ষন্তেক সময়ৰ বাবে ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ পকীপথৰ ওপৰতে ৰাখি থোৱা অৱস্থাত হঠাতে মাটি খহি বাগৰি পৰে জংঘলত। অৱশ্যে ট্ৰাকখনত সেই সময়ত নাছিল চালক-হেণ্ডিমেন, যাৰ বাবে সৌভাগ্যক্ৰমে ৰক্ষা পৰে তেওঁলোক। দৰাচলতে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ অধীনস্থ ঠিকাদাৰে পালমৰা ধৰণৰ কাম কৰাৰ ফলতে এনে এক অনাকাংক্ষিত দুৰ্ঘটনা সংঘটিত হ'বলৈ পালে বুলি ৰাইজে মন্তব্য কৰিছে।

# নগাঁও জিলাত জাপানীজ এনকেফেলাইটিছত আক্ৰান্তৰ সংখ্যা ৪১জনলৈ বৃদ্ধি

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৬ জুলাই ঃ** অতি উদ্বেগজনকভাৱে নগাঁও জিলাত বৃদ্ধি পাইছে জাপানীজ এনকেফেলাইটিছ ৰোগীৰ সংখ্যা। জিলাখনত নিতৌ এই ৰোগত আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰাত ৰাইজ আতংকিত হৈ পৰা পৰিলক্ষিত হৈছে। ইতিমধ্যে জিলাখনত এই ৰোগত আক্ৰান্তৰ সংখ্যা ৪১গৰাকীলৈ বৃদ্ধি পাইছে। আনহাতে, চৰকাৰী তথ্য অনুসৰি এই পৰ্যন্ত জিলাখনত জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ মুঠ পাঁচগৰাকী লোকৰ মৃত্যু হৈছে। অৱশ্যে, বেচৰকাৰী তথ্য অনুসৰি জিলাখনত জাপানীজ এনকেফেলাইটিছত আক্ৰান্তৰ লগতে এই ৰোগত মৃত্যু হোৱা লোকৰ সংখ্যা আৰু অধিক হোৱাৰ সম্ভাৱনা আছে। জিলাখনত জাপানী এনকেফেলাইটিছৰ ভয়ংকৰ প্ৰদূৰ্ভাৱৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসন আৰু জিলা স্বাস্থ্য বিভাগৰ তৰফৰ পৰা কেতবোৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে যদিও সেয়া মুঠেই সন্তোষজনক নহয়। জিলাখনত ৪১গৰাকী লোক জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হ'লেও ইয়াৰে ১৩গৰাকীতকৈ অধিক ৰোগী সুস্থ হৈ ঘৰলৈ উভতি গৈছে।

# পশ্চিমবংগ আৰু অসমৰ সত্ৰীয়া সংস্কৃতিৰ সমন্বয়ৰ বাৰ্তা বিয়পাই মধুপুৰ সত্ৰত সত্ৰীয়া সংস্কৃতিৰ কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৬ জুলাই ঃ** পশ্চিমবংগৰ কোচবিহাৰৰ থলুৱা সংস্কৃতি আৰু অসমৰ সত্ৰীয়া সংস্কৃতিৰ সমন্বয়ৰ বাৰ্তা বিয়পাই মধুপুৰ সত্ৰত যোৱা ১৪ জুলাইৰ পৰা অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয় আৰু মধুপুৰ সত্ৰ সমিতিৰ সহযোগত অনুষ্ঠিত হোৱা দহদিনীয়া সত্ৰীয়া নৃত্য আৰু বৰগীতৰ কৰ্মশালা সোমবাৰে এক সত্ৰীয়া আৰু আড়ম্বৰপূৰ্ণ অনুষ্ঠানৰ মাজেৰে সামৰণি কৰা হয়। মধুপুৰ সত্ৰৰ পৰা সত্ৰ সমিতিৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে প্ৰকাশ কৰা এটা বিবৃতিত কয় যে উত্তৰবংগৰ প্ৰায় দহখন সত্ৰ তথা নামঘৰত ষাঠিগৰাকী বংগভাষী প্ৰশিক্ষাৰ্থীয়ে মহাপুৰুষ দুজনাৰ অনুপম সৃষ্টি সত্ৰীয়া নৃত্য আৰু বৰগীতৰ এই প্ৰশিক্ষণত অংশগ্ৰহণ কৰে। মধুপুৰ সত্ৰৰ ডেকাসত্ৰাধিকাৰ পীতাম্বৰ ভকতে বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা অনুষ্ঠানটিৰ আদৰণী ভাষণ দিয়ে অসম সত্ৰ মহাসভাৰ সভাপতি জিতেন্দ্ৰ নাথ প্ৰধানীয়ে। সভাত বৰপেটা সমষ্টিৰ প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ



দাস, জিনকাটা সত্ৰৰ সত্ৰাধিকাৰ বিচিত্ৰ নাৰায়ণ ভকত আৰু বনমালী পাঠকে ভাষণ দি মধুপুৰ সত্ৰ সমিতিয়ে সমগ্ৰ উত্তৰবংগৰ বিভিন্ন ঠাইত সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰৰ সন্দৰ্ভত গ্ৰহণ কৰা আঁচনিৰ বিষয়ে বিতং ব্যাখ্যা কৰে। সামৰণী অনুষ্ঠানত উত্তৰবংগৰ বিশিষ্ট বুদ্ধিজীৱী ফালাকাটা ফুলবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মহেশ চন্দ্ৰ বৰ্মনে এক ব্যতিক্ৰমী ভাষণেৰে অসম আৰু কোচবিহাৰৰ থলুৱা কৃষ্টি-সংস্কৃতিৰ বিকাশ সাধনৰ জৰিয়তে দুয়োখন ৰাজ্যৰ মাজত একতাৰ বান্ধোন অধিক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে কেইবাগৰাকীও ইছলাম ধৰ্মত দীক্ষিত প্ৰশিক্ষাৰ্থীয়ে সত্ৰীয়া নৃত্য আৰু বৰগীতৰ প্ৰশিক্ষণ গ্ৰহণ কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে গঢ়িব খোজা ভেদাভেদহীন এক বৰ অসমৰ সপোনক সাকাৰ ৰূপ দিয়াত এই প্ৰশিক্ষণে এক যুগান্তকাৰী পদক্ষেপ হিচাপে বিবেচিত হৈছে। সত্ৰ সমিতিৰ সম্পাদক হৰিদেৱ দাসে আঁত ধৰা এই অনুষ্ঠানত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ তৰফৰ পৰা একোখনকৈ প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। সামৰণী অনুষ্ঠানত বৰগীত আৰু সত্ৰীয়া নৃত্য মাটি আখৰা প্ৰদৰ্শন কৰি সমগ্ৰ উত্তৰবংগৰ আকাশ-বতাহ সত্ৰীয়া সংস্কৃতিৰে মুখৰিত কৰি তোলে। অনুষ্ঠানৰ আৰম্ভণিতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অনুষ্ঠান-প্ৰতিষ্ঠানত বৃক্ষ ৰোপণ কাৰ্যসূচীৰ লগত সংগতি ৰাখি মধুপুৰ সত্ৰ চৌহদত এক বৃক্ষ ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্চ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি